যতীন্দ্র মোহন সেনগুপ্ত

ৰাষ্ট্ৰীয় জীৱন চৰিতমালা

দেশপ্ৰিয়

যতীন্দ্ৰ মোহন সেনগুপ্ত

শচীন দত্ত

অনুবাদ

ৰাম গোস্বামী

নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

1991 (শক 1913)

মূল্য ঃ 18·00 টকা
Original Title : Jatindra Mohan Sengupta (English)
Assamese Translation : Jatindra Mohan Sengupta
সঞ্চালক, নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, এ-5 গ্ৰীন পাৰ্ক,
নতুন দিল্লী-110016 ৰ দ্বাৰা প্ৰকাশিত।

ভূমিকা

ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাবৰ্ষতে জন্মলাভ কৰা সেনগুপ্তই নিস্বাৰ্থ ত্যাগ আৰু কৰ্মদক্ষতাৰ বলত কংগ্ৰেছৰ অন্যতম শীৰ্ষস্থানীয় নেতা হব পাৰিছিল। জীৱনৰ আগছোৱাত, অৰ্থাৎ 1885 চনৰ পৰা 1910 চনলৈকে তেওঁ দেখিবলৈ পাইছিল ভাৰতীয় দেশাত্মবোধৰ দ্ৰুত অগ্ৰগতি। তেওঁ জন্মলগ্নৰে পৰা এনে এটা পৰিমণ্ডলত সোমাই পৰিছিল, যিটোত বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভাৰতজুৰি জুইৰ দৰে বিক্ষোভৰ ফিৰিঙতি বিয়পি পৰিছিল আৰু ৰাইজৰ প্ৰাণত খলকনি তুলিছিল।

ইংলণ্ডত লাভ কৰা শিক্ষা সেনগুপ্তৰ বাবে লাভজনক আছিল। তেওঁ কেমব্ৰিজৰ ডাউনিং কলেজৰ পৰা অনাৰ্চলৈ সুখ্যাতিৰে আইন পৰীক্ষা পাছ কৰি গ্ৰে'-ইনৰ পৰা ব্যাৰিষ্টাৰ হৈছিল। সেনগুপ্তই ব্যাৰিষ্টাৰি আৰম্ভ কৰে 1907 চনত। কেমব্ৰিজত থাকোতে তেওঁ এজন সুদক্ষ বক্তা বুলি জনাজাত হৈছিল আৰু তেওঁ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ ইণ্ডিয়ান মজলিচৰ সভাপতি নিৰ্বাচিত হৈছিল। "ইষ্ট এণ্ড ৱেষ্ট" নামৰ এটা অনুষ্ঠানৰ সভাপতি পদত তেওঁক অলংকৃত কৰা হৈছিল। যতীন্দ্ৰমোহন আছিল এজন ভাল খেলুৱৈ। কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতাত তেওঁ তিনিবাৰ বিজয়ী হোৱাৰ গৌৰব অৰ্জন কৰিছিল। কেমব্ৰিজতে যতীন্দ্ৰমোহনৰ লগত নেলী গ্ৰে'ৰ অন্তৰংগ পৰিচয় ঘটে আৰু 1910 চনত তেওঁ নেলীগ্ৰে'ক বিয়া কৰাই জীৱন সঙ্গিনী বাছি লয়। এই বন্ধন আছিল তাৎপৰ্যপূৰ্ণ। কিয়নো যতীন্দ্ৰমোহনৰ ৰাজনৈতিক জীৱনত নেলী সেনগুপ্তা আছিল গুণ-বিশিষ্ট সহগামিনী। ইংৰাজ মহিলা হৈয়ো শ্ৰীমতী সেনগুপ্তাই তেওঁৰ নিৰ্ভীক স্বামীৰ লগত ভাৰতৰ মুক্তি সংগ্ৰামত মনেপ্ৰাণে ইংৰাজ চৰকাৰৰ বিপক্ষে থিয় দিছিল। এই বীৰাংগনা মহিলাই নিজ মহিমাৰে ভাৰতীয় ৰাজনীতিত সন্মানজনক আসন লাভ কৰি আগশাৰীৰ দেশনেত্ৰী হৈছিল।

ভাৰতলৈ উভতি আহি যতীন্দ্ৰমোহনে 1910 চনত কলিকতা উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰিছিল। তেওঁ ৰিপন কলেজৰো আইন বিষয়ৰ অধ্যাপক হৈছিল। কোৱা বাহুল্য যে যতীন্দ্ৰমোহনৰ অকালতি ব্যৱসায় অত্যন্ত লাভজনক আছিল। তেওঁৰ বাক্‌পটুতা আছিল অতুলনীয়।

1921 চনত কংগ্ৰেছৰ কাৰ্যসূচী অনুসৰি যতীন্দ্ৰমোহনে আইন অমান্য অসহযোগ আন্দোলনত যোগ দিয়ে আৰু প্ৰথম স্বেচ্ছাসেৱক বাহিনীত ভৰ্ত্তি হৈ কাৰাবাস খাটে। গান্ধীজীয়ে এই কথাটো লক্ষ্য কৰি তেখেতৰ 'ইয়ং ইণ্ডিয়া' কাকতত দুটা প্ৰবন্ধ লিখিছিল। প্ৰবন্ধ দুটাৰ নাম দিছিল, 'Chittagong to the Fore' (সন্মুখৱৰ্তী চট্টগ্ৰাম) আৰু Chittagong Speaks (চট্টগ্ৰামে কৈছে···) যতীন্দ্ৰমোহন আৰু তেওঁৰ সহযোগী সকলে চট্টগ্ৰামত আন্দোলন ক্ষিপ্ৰতৰ কৰিবলৈ যি বলিষ্ঠ নেতৃত্ব দিছিল তাক প্ৰশংসা কৰি এই প্ৰবন্ধ দুটাৰ মাজেদি গান্ধীজিয়ে দেশৰ অন্য অঞ্চলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। 1923-24 চনত দেশবন্ধু চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰুৰ নেতৃত্বত স্বৰাজ্যদল গঠন হোৱাৰ পাছত যতীন্দ্ৰমোহন বেংগল লেজিছ লেটিভ কাউন্সিলৰ সদস্য

নির্বাচিত হয়। তেওঁ দলৰ সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰে। 1922 চনত তেওঁক কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্যৰূপে মনোনীত কৰা হয়। এই পদত তেওঁ মৃত্যু পৰ্যন্ত অৰ্থাৎ 1933 চনলৈকে কাম কৰে। যতীন্দ্ৰমোহন স্বৰাজ্যদলৰ উপসভাপতিও হৈছিল আৰু এই পদত থাকি তেওঁ দেশবন্ধু চিত্তৰঞ্জন দাসৰ সোঁ-হাত স্বৰূপে দায়িত্ব পালন কৰিছিল। 1925 চনত দেশবন্ধুৰ মৃত্যু ঘটিলত যতীন্দ্ৰমোহনে দেশবন্ধুৱে হাতত লোৱা কামবোৰ সম্পূৰ্ণ কৰাত আত্মনিয়োগ কৰিব লগাত পৰিছিল। উল্লেখযোগ্য যে যতীন্দ্ৰ-মোহনৰ কৰ্মদক্ষতা আৰু জনপ্ৰিয়তাৰ বাবে তেওঁ বেংগল লেজিছ লেটিভ কাউন্সিলৰ স্বৰাজ্যদলৰ দলপতি হৈছিল। তেওঁ বংগীয় প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি, কলিকতা পৌৰনিগমৰ মেয়ৰ প্ৰভৃতি খ্যাতিসম্পন্ন পদত সগৌৰৱে নিৰ্বাচিত হৈছিল। 1928 চনত কলিকতাত যি কংগ্ৰেছ অধিবেশন বহিছিল সেই সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ গুৰুদায়িত্ব পালন কৰিছিল যতীন্দ্ৰমোহন সেনগুপ্তই। এই চনতে "নেহৰু ৰিপোৰ্ট" নামে প্ৰসিদ্ধ প্ৰতিবেদনখন খৰচি মাৰি আলোচনা কৰিবলৈ যিখন সৰ্বদলীয় সন্মিলন বহিছিল তাত সেনগুপ্তই নেহৰু ৰিপোৰ্ট সমৰ্থনত এটা তেজী বক্তৃতাৰে যুক্তি দাঙি ধৰিছিল। সেই সভাত উপস্থিত থকা লোকে যতীন্দ্ৰমোহনৰ সেই স্মৰণীয় বক্তৃতাটোৰ কথা আজিও মনত পেলায়।

যতীন্দ্ৰমোহন সেনগুপ্তক তেওঁৰ গুণমুগ্ধ দেশবাসীয়ে মৰমতে 'দেশপ্ৰিয়' বুলি মাতিছিল। আজি তেওঁ এজন উপাখ্যানৰ বীৰ পুৰুষৰ দৰে হৈছে। তেওঁ আছিল অপৰাজেয় সংকল্পৰ অসাধাৰণ স্বাধীনতা সংগ্ৰামী। তেওঁ এবাৰ আক্ষেপেৰে কৈছিল যে তেওঁৰ মাত্ৰ এটা জীৱনহে দেশৰ বাবে উৎসৰ্গা কৰিব পাৰিছে। উল্লেখ কৰিব পাৰি যে 1818 চনৰ তৃতীয় আইনৰ ধাৰাত অভিযুক্ত হৈ যতীন্দ্ৰমোহনে 1933 চনত ৰাঁচীত বন্দীহৈ থকা অৱস্থাত মৃত্যু বৰণ কৰি ছহিদ হৈছিল। দেশৰ মুক্তিৰ বাবে মৃত্যুবৰণ কৰা এই ছহিদজনৰ অকাল বিয়োগ দেশবাসীৰ বাবে দুৰ্ভাগ্যজনক ঘটনা। স্বাধীনতা সংগ্ৰামত জয়ী হোৱাৰ পাছতে পৰৱৰ্তীকালত মানুহে দেশৰ মুক্তি সংগ্ৰামত ছহিদ হোৱা লোক এজনক পাহৰি পেলাব পাৰে। ভাৰতৰ মুক্তিৰ হকে কৰা ঐতিহাসিক যুদ্ধখনত যতীন্দ্ৰমোহনৰ দৰে বীৰপুৰুষ এজনে কি বৰঙনি দি গল, সেই কথা আজিৰ মানুহে বিশেষ গম নাপায়। এই কিতাপখনত শ্ৰীশচীন দত্তই সেই প্ৰাতঃস্মৰণীয় দেশনেতাজনক আজিৰ পাঠকসকলৰ আগত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। মই ভাবো, কিতাপখনৰ মূল্য ইয়াতে নিৰ্ণয় হৈছে। শ্ৰীদত্ত এজন প্ৰবীন সাংবাদিক আৰু বিজ্ঞ ব্যক্তি। সেনগুপ্তৰ দৰে চট্টগ্ৰামো তেওঁৰ জন্মস্থান। তেওঁ অতি বিচক্ষণতাৰে সেনগুপ্তৰ জীৱনৰ ঘটনাবোৰ পুনৰাই স্মৰণ কৰাইছে। এনে কৰোতে তেওঁ সকলো লভ্য তথ্য-পাতি মৌলিক উৎসৰ পৰা সযত্নৰে বুটলি আনিছে। মই নিঃসন্দেহে কব পাৰো যে এই কিতাপখন বংগদেশৰ ৰাজনৈতিক ইতিহাসৰ তাৎপৰ্যপূৰ্ণ সংযোজনৰূপে সমাদৃত হব।

অধ্যাপক নিৰ্মল চন্দ্ৰ ভট্টাচাৰ্য

আগকথা

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অসহযোগ আন্দোলনত যতীন্দ্ৰমোহন আৰু তেওঁৰ স্ত্ৰী নেলী সেনগুপ্তাই চট্টগ্ৰামত যি ঐতিহাসিক ভূমিকা লৈছিল তাৰ যাদুকৰী প্ৰভাৱত সেই সময়ৰ কলেজীয়া ছাত্ৰ হিচাপে মই আৰু মোৰ দৰে বহুতেই মন্ত্ৰমুগ্ধ হোৱা গৌৰব অৰ্জন কৰিছিল। মই এজন ছাত্ৰকৰ্মী স্বৰূপে সেই সময়ৰ ৰাজনৈতিক ঘূৰ্ণীবতাহত সোমাই তীব্ৰ আবেগ আৰু দেশপ্ৰেমৰ উদ্দীপনা লাভ কৰিছিলো। এটা দশকৰ পাছত, অৰ্থাৎ 1930 চনৰ পৰৱৰ্তীকালত মই যেতিয়া সাংবাদিক হলো তেতিয়া দেখিছিলো যে সেনগুপ্তা-দম্পতীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আগশাৰীৰ নেতা ৰূপে অভূতপূৰ্ব যশস্যাৰ সন্মানীয় ব্যক্তি হৈ পৰিছে। চট্টগ্ৰামত অসহযোগ আন্দোলনক কেন্দ্ৰ কৰি যি সৰ্বাত্মক অশান্তিৰ সূচনা হৈছিল, তাক অনুসন্ধান কৰি প্ৰকৃত ঘটনাৰ এখন প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ যতীন্দ্ৰমোহনে যি চেষ্টা কৰিছিল সেই বিষয়ত মই প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ পৰিছিলো। কোৱা উচিত হ'ব যে এজন সাংবাদিক হিচাপে মই চট্টগ্ৰামৰ অশান্তিপূৰ্ণ অঞ্চলৰ ভিতৰুৱা ঠাইবোৰ ভ্ৰমণ কৰিছিলো। নিজ চকুৰে দেখা গাঁওবাসীৰ ওপৰত চলোৱা ইংৰাজ চৰকাৰৰ পুলিচ আৰু সেনাবাহিনীৰ নিৰ্মম উৎপীড়ন, থান্-বান্ হৈ যোৱা গাঁও বিলাকৰ নিদাৰুণ দৃশ্য লগতে মোৰ স্বচক্ষুদৰ্শী অভিজ্ঞতা বৰ্ণনা কৰি মই যি ৰিপোৰ্ট তৈয়াৰ কৰিছিলো সেই ৰিপোৰ্ট মিঃ সেনগুপ্তৰ হাতত দিয়া হৈছিল। কব পাৰি যে মোৰ এই ৰিপোৰ্ট আছিল 'চট্টগ্ৰাম অশান্তি অনুসন্ধান সমিতি'ৰ প্ৰধান ভিত্তি বা উপাদান।

বহুতো নিস্বাৰ্থ আৰু অসীম ত্যাগ স্বীকাৰ কৰা দেশপ্ৰেমিকৰ নাম পাহৰি পেলোৱাৰ দৰে আজিৰ মানুহে যতীন্দ্ৰমোহনৰ নামো পাহৰি গৈছে। মোৰ এই সামান্য প্ৰচেষ্টা হৈছে পাহৰণিৰ গৰ্ভৰ পৰা এজনক অন্ততঃ উলিয়াই অনা আৰু লুপ্ত হব খোজা স্মৃতি পুনৰ জাগ্ৰত কৰা। এই গৰাকী ব্যক্তি যতীন্দ্ৰমোহন সেনগুপ্ত, যি গৰাকী উৎসৰ্গীকৃত প্ৰাণ দেশপ্ৰেমিকে সুমহান চেতনাৰ উপলব্ধিৰে ভাৰতবাসীক ইংৰাজ শাসনৰ পৰা মুক্ত কৰিবলৈ কঠোৰ ত্যাগ আৰু কঠোৰ পৰিশ্ৰম কৰিছিল। এই কাম মোৰ বাবে সহজ নাছিল। কাৰণ, ব্যক্তিগৰাকীৰ প্ৰকৃত পৰিচয় দিবলৈ নিৰ্ভৰযোগ্য তথ্যপাতিৰ নিতান্ত প্ৰয়োজন। এইবোৰ সংগ্ৰহ কৰা কঠিন কাম। সৌভাগ্যক্ৰমে, মোৰ কাকত পত্ৰ ভৰাই থোৱা বৰ-পেড়াটোত সোমাই আছিল সেনগুপ্তৰ জীৱনৰ লগত সম্পৰ্ক থকা কিছুমান লাগতিয়াল পত্ৰ-পত্ৰিকা, টোকা, প্ৰতিবেদন আৰু সংবাদ পত্ৰৰ পৰা কাটি ৰখা বা-বাতৰি। এইবোৰ মোৰ কামত লাগিছিল। মোৰ ককাইদেউ স্বৰ্গীয় হেমেন্দ্ৰনাথ দত্ত এজন উকীল আৰু সংবাদসেৱী আছিল আৰু তেওঁ সেনগুপ্তক ঘৰুৱা ভাৱে জানিছিল। ককাই দেউৰ চিঠি-পত্ৰ, প্ৰবন্ধ-সংগ্ৰহ, অভিজ্ঞতা-কাহিনীয়ে মোক কিতাপখন লিখাত বহুত সহায় কৰিলে।

মোৰে সৌভাগ্য যে অনেক সদাশয় ব্যক্তি আৰু অনুষ্ঠানে মোক এই কাম সম্পূৰ্ণ কৰাত সহায় কৰিছিল। অধ্যাপক নিৰ্মল চন্দ্ৰ ভট্টাচাৰ্যৰ ওচৰত মই ঋণী। তেখেত ভাৰতৰ ৰাজনীতি বিজ্ঞানৰ বিদ্বান ব্যক্তি। এই বিজ্ঞ পণ্ডিতজনাই কিতাপখনৰ ভূমিকাকে লিখা নাই, তেখেতে আন প্ৰকাৰেও মোক বুদ্ধি-পৰামৰ্শ দি উপকৃত কৰিছে।

মই সন্তোষকুমাৰ বসুৰ ওচৰত কৃতজ্ঞ। তেওঁ যতীন্দ্ৰমোহনৰ পাছত কলিকতাৰ মেয়ৰ হৈছিল। মই তেওঁৰ পৰা সহায় পাইছো। মই মোৰ আন্তৰিক ধন্যবাদ জনাইছো-সুপৰিচিত মুক্তি যুঁজাৰু আৰু সমাজকৰ্মী সঞ্জীৱ প্ৰসাদ সেন, শচীন্দ্ৰনাথ গুহ আৰু কলিকতাত থকা চট্টগ্ৰাম পৰিষদৰ ফণীভূষণ মজুমদাৰ মহাশয়লৈ। এসময়ৰ দেশপ্ৰিয়ৰ ব্যক্তিগত সচিব সুখেন্দু বিকাশ সেনগুপ্ত, 'দ্য কেলকাতা মিউনিচিপেল গেজেট'ৰ আগৰ সম্পাদক ৰবীন্দ্ৰনাথ ভট্টাচাৰ্য, সুপৰিচিত লিখক আৰু সাংবাদিক ভৱানী মুখোপাধ্যায় আৰু কলিকতাৰ নেছনেল লাইব্ৰেৰীৰ অস্থায়ী গ্ৰন্থাগাৰিক বি. ব্যানাৰ্জী-চৌধুৰী প্ৰভৃতি লোকে মোক গ্ৰন্থখন লিখি উলিওৱাত নানা প্ৰকাৰে সহায় আগবঢ়াইছে,। বহু প্ৰচাৰিত বাতৰিকাকতৰ ভিতৰত বিশেষকৈ, "অমৃতবাজাৰ পত্ৰিকা" "এড্‌ভান্স", "দ্য ষ্টেটচ্‌মেন"; আলোচনীৰ ভিতৰত "দ্য মডাৰ্ণ ৰিভিউ" আৰু "দ্য কেলকাতা মিউনিচিপেল গেজেট" মোৰ সহায়ক হৈছিল। ভালেমান পুৰণি দিনৰ সহকৰ্মী আৰু 'দেশপ্ৰিয়'ৰ গুণমুগ্ধ লোকৰ পৰাও মই উপকৃত হৈছো। মোৰ বিষয়টোৰ ওপৰত থকা বিদ্যা-বুদ্ধি, চিন্তা-চৰ্চা আৰু তথ্য-বিচাৰ বিশ্লেষণত এওঁলোক আটায়ে মোক সহায় কৰিছে। সকলোকে মই আন্তৰিক কৃতজ্ঞতা আগবঢ়াইছো। ইতি—

শচীন দত্ত

সূচীপত্ৰ

I

জীৱনৰ আগকথা

বংশ পৰিচয়, জন্ম, সামাজিক পৰিবেশ

যতীন্দ্ৰমোহন সেনগুপ্তৰ পৰিয়ালটো আছিল সুপৰিচিত। তেওঁৰ ককাক ত্ৰাহিৰাম সেন আছিল এজন কবিৰাজ আৰু আইতাক মেনকা দেৱী আছিল এগৰাকী ধাৰ্মিক মহিলা। তেওঁলোক আছিল বৈদ্য পৰিয়ালৰ। চট্টগ্ৰাম জিলাৰ (বৰ্তমান বাংলা দেশৰ ভিতৰত) পটিয়াপুলিচ থানাৰ অন্তৰ্ভুক্ত বৰমা গাঁৱঁত তেওঁলোকে বাস কৰিছিল। তেওঁলোকৰ চাৰিজন পুত্ৰ সন্তান আৰু এগৰাকী কন্যাৰ ভিতৰত যাত্ৰামোহন আছিল চতুৰ্থ সন্তান। যাত্ৰামোহন আছিল বুদ্ধিমান ল'ৰা। কিন্তু তেওঁৰ বাৰ বছৰ বয়সতে পিতৃ ত্ৰাহিৰামে ইহলীলা ত্যাগ কৰে। পিতৃবিয়োগত যাত্ৰামোহন অসহায় আৰু অভাৱগ্ৰস্ত হৈ পৰিছিল। অশেষ কষ্টৰ মাজেদি তেওঁ পঢ়াশুনা কৰিব লগাত পৰিছিল। আৰ্থিক অনাটন, মানসিক দুশ্চিন্তাৰ মাজতে পঢ়াশুনা কৰি তেওঁ সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু জলপানী লাভ কৰে। পঢ়াশালিৰ এজন বুদ্ধিসম্পন্ন ছাত্ৰ হিচাপে তেওঁ চট্টগ্ৰাম নিবাসী ড. আনন্দচৰণ খাষ্টগীৰ প্ৰিয়পাত্ৰ হৈ পৰে। ড. খাষ্টগীৰ আছিল কলিকতাৰ এজন নামকৰা চিকিৎসক। তেওঁ যাত্ৰামোহনৰ মেধাশক্তিৰ পৰিচয় পাই মোহিত হৈছিল আৰু উজ্জ্বল ভৱিষ্যতৰ আশাৰে যাত্ৰামোহনক কলিকতাৰ এখন ভাল কলেজত পঢ়িবৰ বাবে যাৱতীয় খৰচ বহন কৰিবলৈ আগবাঢ়ি আহিছিল। যাত্ৰামাহনে সুখ্যাতিৰে স্নাতক আৰু আইন পৰীক্ষাতো পাচ কৰি চট্টগ্ৰামতে ওকালতি কৰিবলৈ স্থিৰ কৰে। কিছুদিন ওকালতি কৰাৰ পাছতে যাত্ৰামোহনৰ নাম জনাজাত হৈ পৰিল। এজন ভাল আৰু ব্যস্ত উকীল হিচাপে পূৰ্ববংগৰ সৰু অথচ প্ৰগতিশীল চহৰখনত তেওঁ নিজৰ নাম আৰু যশস্যা সু-প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হয়।

জন্মগত প্ৰতিভা, আইন বিষয়ক পাৰদৰ্শিতা, বিশেষকৈ কোনো জটিল মোকৰ্দমাত তেওঁ আগবঢ়োৱা যুক্তি, তাৰ্কিক বিচক্ষণতা, ওকালতি ব্যৱসায়ৰ প্ৰতি থকা তেওঁৰ আন্তৰিক শ্ৰদ্ধা আৰু গভীৰ অধ্যয়নপুষ্ট অনুশীলনে তেওঁক কেইবছৰ মানৰ ভিতৰতে চট্টগ্ৰামৰ উকীল সন্থাৰ এজন আগশাৰীৰ অধিবক্তাৰূপে পৰিচিত কৰি তোলে। অকলসেয়ে নহয়, জনসাধাৰণৰ এজন বিশ্বাসযোগ্য নেতা হিচাপে তেওঁ চট্টগ্ৰামৰ

বাহিৰতো উচ্চকণ্ঠে সমাদৃত হৈ পৰে। দেশৰ জনসাধাৰণৰ শ্ৰদ্ধাৰ পাত্ৰ হৈ আৰু নিজ দক্ষতাৰ খ্যাতি বহন কৰি তেওঁ অৱশেষত ৰাজনীতিত যোগ দিয়ে। এজন ৰাজনৈতিক নেতা হিচাপে যাত্ৰামোহন আছিল অবিভক্ত বংগদেশৰ এজন অগ্ৰগণ্য আৰু বিশিষ্ট ব্যক্তি।

ড. খাষ্টগীৰে যাত্ৰামোহনৰ ওকালতি ব্যৱসায়ত আৰু ৰাজহুৱা কামত মুগ্ধ হৈ তেওঁৰ চতুৰ্থ আৰু ধুমলীয়া কন্যা বিনোদিনীক বিয়া দিয়ে। ড. খাষ্টগীৰ আন তিনিগৰাকী কন্যাক ক্ৰমে বি. এল. গুপ্ত, আই. চি. এচ্ (প্ৰখ্যাত জিলা আৰু চেচন ন্যায়াধীশ), করুণাচন্দ্ৰ সেন (ব্ৰহ্মানন্দ কেশব চন্দ্ৰ সেনৰ বৰপুত্ৰ) আৰু কলিকতাৰ ড. এন্. চি. দাসলৈ বিয়া দিছিল। ড. খাষ্টগীৰৰ আন এগৰাকী কন্যা কুমুদিনী আছিল কলিকতা বিশ্ববিদ্যালয়ৰ অন্যতম মহিলা স্নাতক। তেওঁৰ কলিকতাৰ বেথুন কলেজৰ অধ্যক্ষা পদত নিযুক্তি হৈছিল। ড. খাষ্টগীৰৰ পুত্ৰ পাঁচ জন। মহেন্দ্ৰলাল প্ৰথম, জনেন্দ্ৰলাল দ্বিতীয়, সত্যেন্দ্ৰলাল তৃতীয়, হেমেন্দ্ৰলাল চতুৰ্থ আৰু সুৰেন্দ্ৰলাল আছিল পঞ্চম কনিষ্ঠ পুত্ৰ। দ্বিতীয় পুত্ৰ জনেন্দ্ৰলাল আছিল অবিবাহিত, তেওঁ সাধাৰণভাৱে জীৱন যাপন কৰিছিল। চতুৰ্থ পুত্ৰ হেমেন্দ্ৰলাল আছিল বেংগল চিভিল চাৰ্ভিছৰ বিষয়া। তেওঁ জিলা হাকিমৰ পদলৈকে নিযুক্তি পাইছিল। পঞ্চম আৰু কনিষ্ঠ পুত্ৰ সুৰেন্দ্ৰলাল খাষ্টগীৰ আছিল এগৰাকী ব্যাৰিষ্টাৰ। চট্টগ্ৰামত তেওঁ এছ. এল. খাষ্টগীৰ নামেৰে সুপৰিচিত হৈ পৰিছিল।

এছ. এল্ খাষ্টগীৰৰ পৰিবাৰ তুষাৰ বালা আছিল প্ৰখ্যাত আৰ্. চি. দত্ত., চি আই এ আই ই. এছৰ নাতিনী ছোৱালী। আৰ্. চি. দত্ত আছিল প্ৰথম ভাৰতীয় চিভিলিয়ান, যিজনে ডিভিজনেল কমিছনাৰ পদলৈ পদোন্নতি লাভ কৰি যশস্যা লাভ কৰিছিল আৰু পিছত গৈ ভাৰতীয় জাতীয় মহাসভাৰ সভাপতি ৰূপে সন্মানিত হৈছিল। তেওঁ আছিল এগৰাকী সুপ্ৰসিদ্ধ লিখক আৰু বুৰঞ্জীবিদ্। সেইসময়ত শ্ৰীমতী খাষ্টগীৰ আছিল চট্টগ্ৰামৰ এগৰাকী আদৰণীয়া সমাজ সেৱিকা। কলা আৰু চিত্ৰাঙ্কণৰ প্ৰতি তেওঁৰ অপাৰ ধাউতি আছিল। আৰ. চি. দত্তৰ ধুমলীয়া কন্যা (মিছ্) কুমাৰী সুশীলা আছিল এগৰাকী সন্মানীয়া মহিলা। তেওঁ জীৱনৰ শেষকালটো খাষ্টগীৰ পৰিয়ালৰ লগতে অতিবাহিত কৰি 1942 চনত চট্টগ্ৰামত মৃত্যুৰ মুখত পৰে। এই গ্ৰন্থৰ লিখকৰ লগত খাষ্টগীৰ পৰিয়ালৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আছিল। এই পৰিয়ালৰ সামাজিক বাতাবৰণ আছিল অতি আকৰ্ষণীয়।

ড. আনন্দচৰণ খাষ্টগীৰ এজন বিখ্যাত চিকিৎসক (প্ৰসূতিবিদ্যাত বিশেষজ্ঞ) হোৱাৰ উপৰিও কলিকতা চিকিৎসা বিদ্যালয়ৰ এজন প্ৰতিষ্ঠাপক আছিল। এই কলিকতা চিকিৎসা বিদ্যালয়টো গৈ বেলগেছিয়া চিকিৎসা মহাবিদ্যালয় আৰু শেষত উন্নত ৰূপত সংগঠিত হৈ আৰ্. জি. মেডিকেল কলেজ নামেৰে জনাজাত হ'ল। কলিকতা চিকিৎসা বিদ্যালয়টো যে ড. এ. চি. খাষ্টগীৰে প্ৰথমতে প্ৰতিষ্ঠা কৰিছিল এই কথা অনেকে নাজানিছিল। বেলগেছিয়া চিকিৎসা মহাবিদ্যালয়ৰ উদ্বোধনী ভাষণত

সেই সময়ৰ বংগদেশৰ ৰাজ্যপাল লৰ্ড কাৰ্‌মাইকেলে এই কথা ৰাজহুৱাকৈ ব্যক্ত কৰে। বেলগেছিয়া মহাবিদ্যালয়ৰ প্ৰসূতি বিদ্যাৰ অধ্যাপক ড. সুন্দৰীমোহন দাসৰ এখন চিঠিত উল্লেখ আছিল যে ড. খাষ্টগীৰ এজন ভাল চিকিৎসকেই নাছিল, তেওঁ এজন মানৱ-হিতৈষী পুৰুষ আছিল। দ্বাৰকানাথ গঙ্গোপাধ্যায়, পণ্ডিত শিৱনাথ শাস্ত্ৰী, বিপ্লৱী দেশপ্ৰেমিক বিপিনচন্দ্ৰ পাল আৰু আন আন ব্যক্তিসকলৰ দৰে ড. খাষ্টগীৰে ব্ৰাহ্মণ সমাজৰ এজন নেতা আছিল। এওঁলোকে নতুন বংগ সমাজ সংগঠন কৰাত ব্ৰতী হৈছিল। ড. আনন্দচৰণ আছিল কলিকতাৰ সাধাৰণ ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাপক অন্যতম নেতা। এজন সুখ্যাত চিকিৎসক কলিকতাৰ এজন নাগৰিক হোৱাৰ উপৰিও ড. খাষ্টগীৰ আছিল ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ প্ৰমুখ্যে সেইসময়ৰ বংগদেশৰ স্বনামধন্য নেতা সকলৰ লগত সম্পৰ্ক থকা প্ৰভাৱশালী ব্যক্তি। বিদ্যাসাগৰ মহাশয়ৰ বিধৱা-বিবাহ আন্দোলনৰ লগত ড. খাষ্টগীৰ ওতঃপ্ৰোতভাৱে জড়িত আছিল। (অধ্যাপক নবীনচন্দ্ৰ সেন প্ৰণীত "আমাৰ জীৱন" আত্মজীৱনী দ্ৰষ্টব্য চতুৰ্থ খণ্ড)।

চট্টগ্ৰামৰ অগ্ৰণী ব্যক্তি হিচাপে ড. আনন্দ চৰণ আছিল চট্টগ্ৰাম সভাৰ জন্মদাতা। 1885 চনত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হোৱাৰ দহ বছৰ পূৰ্বেই 1875 চনত চট্টগ্ৰাম জিলাত এই প্ৰতিনিধিমূলক ৰাজহুৱা অনুষ্ঠানখন স্থাপিত হৈছিল।

পিতৃ আৰু মাতৃ উভয়পক্ষৰ ঐতিহ্যমণ্ডিত পাৰিবাৰিক যোগসূত্ৰত 1885 চনৰ ফেব্ৰুৱাৰী মাহৰ বাইছ তাৰিখে বাৰমাত যতীন্দ্ৰমোহনৰ জন্ম হয়। তেওঁ আছিল পিতৃ-মাতৃৰ তৃতীয় সন্তান আৰু দ্বিতীয় পুত্ৰ।

উপকথাৰ সপোন পুত্ৰ

এই পুত্ৰ সন্তানৰ জন্ম হৈছিল যোৱা শতিকাৰ আশী দশকত। আজিৰ পৰা এশ বছৰৰ আগতে। মাক আছিল ধাৰ্মিক আৰু পৰোপকাৰী। প্ৰবাদ আছে যে সন্তান গৰ্ভস্থ হোৱাৰ আগতে মাকে কেইবাদিনো ধৰি সপোন দেখিছিল। নীলা ৰঙৰ এটি উজ্জ্বল ল'ৰাই ধুনীয়া সাগৰৰ মাজত ফুলি থকা নীল-পদ্মৰ ওপৰত বহি একান্ত মনেৰে বাঁহী বজাইছে। সঁচা কথা কবলৈ গ'লে, জন্মলগ্নৰে পৰা ল'ৰাটি আছিল অত্যন্ত জ্যোতিৰ্ময়, স্বাস্থ্যৱান আৰু শক্তিসমৃদ্ধ। ডাঙৰ পৰিয়ালটোৰ সকলোৰে ল'ৰাটিক মৰম কৰিছিল। প্ৰতিবেশী পৰিয়ালৰ মাজতো ল'ৰাটোৰ আদৰ-সাদৰ সমানে আছিল। প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিয়েই ল'ৰাটো ডাঙৰ-দীঘল হৈছিল। এই সপোন-পুত্ৰই বছৰ অতিবাহিত হোৱাৰ লগে লগে বুকুত অদম্য সাহস, মনত অফুৰন্ত উদ্দীপনা আৰু দৃঢ়তা গোটাই লৈ জীৱন-যাত্ৰাৰ পথত অগ্ৰসৰ হব পাৰিছিল।

এই সপোন-পুত্ৰই আছিল যতীন্দ্ৰমোহন সেনগুপ্ত। তেওঁ এনেকুৱা স্থানকালৰ সন্ধিক্ষণত উপজিছিল যি ক্ষণটো আছিল স্মৰণীয় আৰু ইতিহাসমণ্ডিত।

জন্ম ঃ 1885

1885 চনটো এটা স্মৰণীয় বছৰ। ভাৰতবৰ্ষই তেতিয়া জাতীয় জাগৰণৰ সোৱাদ পাইছে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছে। ইংৰাজ শাসনৰ বিৰুদ্ধে থিয় দিবলৈ এই কংগ্ৰেছ মহাসভা গঠিত হৈছিল—ৰাজনৈতিক মনোভাৱেৰে উদ্বুদ্ধ এচাম ভাৰতীয় নাগৰিকৰ আন্তৰিক প্ৰচেষ্টাত। বছৰ অতিক্ৰম কৰাৰ লগে লগে কংগ্ৰেছৰ সংগঠনে ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ শক্তিশালী ৰাজনৈতিক অনুষ্ঠান ৰূপে নিজকে সুপ্ৰতিষ্ঠিত কৰিলে আৰু ইয়াৰ নেতৃত্ব বহন কৰিলে ৰাজনৈতিক আৰু জাতীয় আশা উদ্দীপনাতে জাগ্ৰত ভাৰতীয়ই। দেশপ্ৰেমৰ প্ৰেৰণাই তেওঁলোকক ৰাজনৈতিক-চিন্তা-প্ৰৱণ কৰিলে আৰু দেশৰ স্বাধীনতা লাভৰ সপোন ৰচনা কৰিলে। দেশপ্ৰেমৰ প্ৰত্যক্ষ পৰিচয় পোৱা গৈছিল বংগদেশৰ বিভাজন আৰু স্বদেশী আন্দোলনৰ সময়ত (1905—11)। স্বদেশপ্ৰেমৰ স্বতঃস্ফূৰ্ত আন্তৰিক প্ৰেৰণাই সমগ্ৰ ভাৰতবাসীক উদ্বুদ্ধ কৰিলে। পৰাধীনতাৰ বিৰুদ্ধে ঠায়ে ঠায়ে বিক্ষোপে দেখা দিয়াত বিদেশী শাসকে জনসাধাৰণক ভয়ভীতি দেখুৱাবলৈ সন্ত্ৰাসৰ সৃষ্টি কৰিলে। সংঘটিত হ'ল জালিয়ানাবাগৰ নৃশংস হত্যাকাণ্ড। অত্যাচাৰ উৎপীড়নৰ মাজেদিয়েই জাতীয় কংগ্ৰেছে বলিষ্ঠ পদক্ষেপেৰে আত্মপ্ৰকাশ কৰিলে। মহাত্মা গান্ধীৰ নেতৃত্বত (1919—21) এই অনুষ্ঠানে সুনিৰ্দিষ্ট কাৰ্যসূচী গ্ৰহণ কৰি স্বাধীনতা সংগ্ৰামত আগবাঢ়িল। অৱশেষত, স্বাধীনতা সংগ্ৰামৰ সুফল অৰ্জন হ'ল 1947 চনৰ পোন্ধৰ আগষ্টৰ দিনা। ভাৰতবৰ্ষ স্বাধীন ৰাষ্ট্ৰ ৰূপে স্বীকৃত হ'ল।

স্বাধীনতা সংগ্ৰামৰ সুদীৰ্ঘ সময়ছোৱাতে 1885 চনত যতীন্দ্ৰমোহনে জন্ম লাভ কৰিছিল। পিতাক আছিল বিশিষ্ট ব্যক্তি নাম, যাত্ৰামোহন সেন। যুগযুগ ধৰি ভাগ্যৰ দেশ বুলি খ্যাত জন্মস্থান চট্টগ্ৰাম জিলাত তেতিয়া নৱজাগৰণৰ নতুন সূৰ্যই দেখা দিছিল।

প্ৰকৃতিৰ বুকুত লালন-পালন জীৱনাদৰ্শৰ পৰা অনুপ্ৰাণিত আৰু শিক্ষিত যতীন্দ্ৰ-মোহনে স্বাধীনতা সংগ্ৰামৰ পৰিবেশত ডাঙৰ-দীঘল হৈছিল। এই পৰিবেশে তেওঁৰ জীৱন আৰু কৰ্মপদ্ধতিক কেচুৱা কালৰ পৰা গঢ় দিছিল।

পৰিয়ালৰ কথা

যাত্ৰামোহন আৰু বিনোদিনীৰ ল'ৰা-ছোৱালী আছিল তেৰটা। ডাঙৰ ল'ৰা মনমোহনে নৱবিৱাহিতা স্ত্ৰীক বিধৱা কৰি বিয়াৰ অলপদিনৰ পিছতে মৃত্যুৰ মুখত পৰে। বিধৱা স্ত্ৰী কুসুমে (চমুকৈ কুমাৰী) স্বামী বিয়োগৰ পিছত সামাজিক কামত আত্মনিয়োগ কৰে। আন আন সন্তানৰ ভিতৰত তৃতীয় ল'ৰা নীৰেন্দ্ৰ মোহন আছিল এম. ডি. আৰু এম. আৰ্. চি. পি.। তেওঁৰ মৃত্যু ঘটে লণ্ডনত। তেওঁৰ স্ত্ৰী ইভা আছিল ইংৰাজ মহিলা। তেওঁ অকালতে প্ৰাণ এৰে। নীৰেন্দ্ৰ মোহনৰ একমাত্ৰ কন্যা ইলীনক খুৰাক যতীন্দ্ৰমোহনে ভাৰতবৰ্ষলৈ লৈ আহে আৰু তেওঁৰ ইংৰাজ পৰিবাৰ নেলী

সেনগুপ্তাই নিজ সন্তানৰ দৰে ডাঙৰ-দীঘল কৰে। শ্ৰীমতী ইলিন পেটিটে সংসাৰ পাতি ল'ৰা-ছোৱালীসহ চুইজাৰলেণ্ডত থাকিবলৈ লয়।

যাত্ৰামোহনৰ কনিষ্ঠ ল'ৰা আছিল ৰমেন্দ্ৰমোহন সেনগুপ্ত। তেওঁ কেম্‌ব্ৰিজত উচ্চ শিক্ষা লাভ কৰি স্নাতক হৈ ভাৰতলৈ উভতি আহে আৰু ককায়েক যতীন্দ্ৰমোহনৰ লগত যোগ দিয়ে। দেশপ্ৰিয়ৰ দ্বাৰা উলিওৱা কলিকতাৰ দৈনিক ইংৰাজী বাৰ্তাৰ কাকত "এডভান্স"ৰ মেনেজাৰ পদ গ্ৰহণ কৰে। যতীন্দ্ৰমোহনৰ মৃত্যুৰ পিছত ৰমেন্দ্ৰ-মোহনে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত কাম কৰে আৰু শেষত গৈ বাৰ্ণপুৰত অৱস্থিত মাৰ্টিন এণ্ড বাৰ্ণ কোম্পানীৰ উচ্চপদস্থ বিষয়া হয়গৈ। তেওঁৰ পৰিবাৰ শ্ৰীমতী পদ্মিনী সেনগুপ্তা আছিল এগৰাকী সু-লেখিকা। এওঁৰ ভনী শ্ৰীমতী সুব্ৰতা চক্ৰৱৰ্তী স্নাতক আছিল। তেওঁৰো অকালতে মৃত্যু হ'ল। যাত্ৰামোহনৰ বাকী কেইজন ল'ৰা কোনোজনে চট্টগ্ৰাম চহৰত, কোনোজনে তেওঁলোকৰ গাওঁৰ ঘৰত বসবাস কৰিছিল। কিন্তু দুখৰ বিষয় তেওঁলোকৰ ভিতৰত প্ৰায় কিজনেই অকালতে মৃত্যুৰ মুখত পৰিছিল।

নেলী আৰু যতীন্দ্ৰমোহনৰ তিনিটা ল'ৰা জন্ম হৈছিল। ডাঙৰ ল'ৰা শিশিৰে (জন্ম 1910 চনৰ মে মাহ) কলিকতাৰ এটা ডাঙৰ ব্যৱসায়ী প্ৰতিষ্ঠানত ভাল কাম কৰিছিল আৰু বাকী দুজন যথাক্ৰমে অমৰ আৰু অনিলে কম বয়সতে প্ৰাণ হেৰুৱায়। স্বাধীনতা সংগ্ৰামৰ এজন ডাঙৰ মুক্তিযোদ্ধা আৰু ৰাজবন্দী হিচাপে যতীন্দ্ৰমোহনৰ মৃত্যু হোৱাৰ পাছত শিশিৰ সেনগুপ্তই তেওঁৰ বিখ্যাত মাতৃ নেলী সেনগুপ্তাক 1973 চনৰ তেইছ অক্টোবৰৰ তাৰিখে হেৰুৱায়। শ্ৰীমতী সেনগুপ্তাৰ মৃত্যুৰ সময়ত বয়স আছিল 87 বছৰ। তেওঁৰ মৃত্যুত সমগ্ৰ দেশে চকুলো টুকিছিল। শিশিৰ সেনগুপ্তৰ মৃত্যু হ'ল 1977 চনৰ চাৰি চেপ্তেম্বৰ তাৰিখে 67 বছৰ বয়সত। মৃত্যুৰ সময়ত তেওঁৰ স্ত্ৰী আইভি, জীয়েক অভেসা আৰু আন আন পৰিয়ালবৰ্গক এৰি গৈছে।

শিক্ষা আৰু কৰ্মসংস্থান

যতীন্দ্ৰমোহন সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিৰ ল'ৰা আছিল। তেওঁৰ চেহেৰা আছিল মৰম লগা, স্বভাৱ আছিল আকৰ্ষণীয়। আৰম্ভণিৰ পৰা শিক্ষা লাভৰ প্ৰতি তেওঁৰ আগ্ৰহ প্ৰৱল আছিল আৰু যি পঢ়িছিল তাকে মনত ৰৈ গৈছিল। স্বাস্থ্যৱান ডেকা ল'ৰা হিচাপে তেওঁ সেই সময়ৰ খেল-ধেমালিত পাৰদৰ্শিতা দেখুৱাইছিল।

যতীন্দ্ৰমোহনৰ বিদ্যাৰম্ভ হৈছিল ঘৰতে। এজন শিক্ষকে তেওঁক আদি-শিক্ষাৰ পাঠ দিছিল, পাছত তেওঁ গাওঁৰ স্কুলত পঢ়িবলৈ ধৰে। তেতিয়া তেওঁৰ বয়স ন বছৰ মাথোন। কেইবছৰ মানৰ পাছত তেওঁ চট্টগ্ৰাম কলেজিয়েট্ হাইস্কুলত পঢ়ে আৰু তাত দুবছৰ পঢ়াৰ পাছত (1894—96) তেওঁ দেউতাকৰ লগত কলিকতালৈ যায়। দেউতাক যাত্ৰামোহন চট্টগ্ৰামৰ পৰা বেংগল লেজিছলেটিভ কাউন্সিলৰ সভ্য নিৰ্বাচিত হৈছিল আৰু তেওঁ কলিকতাতে বেছিভাগ সময় থাকিব লগাত পৰিছিল। এই সুবিধাতে যতীন্দ্ৰমোহনে উচ্চশিক্ষাৰ বাবে কলিকতালৈ আহিবলৈ সুবিধা পালে। প্ৰথমতে তেওঁ

ভবানীপুৰত থকা চাউথ চুবাৰবান স্কুলত আৰু পাছত হে'ৰ (Hare) স্কুলত পঢ়ি তাৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা পাচ কৰে।

ছাত্ৰ অৱস্থাৰে পৰা যতীন্দ্ৰমোহনে জীৱনত কিবা এটা কৰিবলৈ প্ৰবল হাবিয়াস কৰিছিল। স্কুলৰ পঢ়া শেষ কৰি তেওঁ কলিকতাৰ প্ৰেসিডেন্সি কলেজত নাম লগায়। এই কলেজতে তেওঁ ভাৰতবৰ্ষৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰপ্ৰসাদ, দেবীপ্ৰসাদ খৈতান, মনিমোহন সেন, জি. চি. সেন, জে. এন মজুমদাৰ, মুকেশচন্দ্ৰ বন্দ্যোপাধ্যায় প্ৰভৃতি ব্যক্তিক ছাত্ৰ হিচাপে লগ পায়। এই নাম কৰা কলেজতে যতীন্দ্ৰমোহনে স্বনামধন্য শিক্ষক অধ্যাপক পাৰ্চীভেলৰ সান্নিধ্যলৈ আহে। এই অধ্যাপক গৰাকীৰ অনেক মেধাৱী ছাত্ৰই ভাৰতীয় জনজীৱনত নিজ নিজ প্ৰতিভা দাঙি ধৰিছিল। এইখিনিতে উল্লেখ কৰিব খোজো যে এই বিশিষ্ট অধ্যাপক জনৰ ব্যক্তিগত কাগজপত্ৰ সমূহ (তেখেতৰ মৃত্যু হৈছিল 1931 চনত লণ্ডনত) মই চকু ফুৰাবলৈ সুবিধা পাইছিলো। এই ছাত্ৰ-সকলৰ ভিতৰত যতীন্দ্ৰনাথৰ বিষয়ে বিশেষভাবে উল্লেখ আছিল। অধ্যাপক পাৰ্চীভেল আছিল যতীন্দ্ৰমোহনৰ দেউতাক যাত্ৰামোহনৰ অন্তৰংগ বন্ধু। দুয়ো চট্টগ্ৰামত একেলগে কাম কৰিছিল। অধ্যাপক গৰাকীয়ে বন্ধুপুত্ৰক ছাত্ৰ হিচাপে পাই আনন্দিত হৈছিল আৰু তেওঁৰ পঢ়াশুনাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিছিল। যতীন্দ্ৰমোহনে দেশৰ এজন বৰেণ্য নেতা হিচাপে আৰু 1921 চনৰ জাতীয় আন্দোলনৰ এজন আগশাৰীৰ যোদ্ধা হিচাপে স্বীকৃত হোৱাত অধ্যাপক জনে অতিশয় সন্তোষ পাইছিল।

কিন্তু যতীন্দ্ৰমোহনে প্ৰেচিডেন্সি কলেজত বেছিদিন পঢ়াশুনা কৰিব নোৱাৰিলে। তেওঁৰ দেউতাকে আশা কৰিছিল যাতে তেওঁৰ এজন ল'ৰা ব্যাৰিষ্টাৰ হয়। যতীন্দ্ৰ মোহনৰ বুদ্ধিদীপ্ত আচৰণত আৰু শিক্ষাৰ প্ৰতি থকা ধাউতি দেখা পাই যাত্ৰামোহনে তেওঁক এজন আইনজ্ঞ হোৱাতো কামনা কৰিলে। বন্ধুবান্ধবেও যাত্ৰামোহনক উপদেশ দিলে পুতেক যতীন্দ্ৰমোহনক বিলাতলৈ পঠিয়াবলৈ তাত উচ্চশিক্ষাৰ যোগেদি আইন বিষয়ত যাতে অধ্যয়ন কৰিবলৈ সুযোগ পায়। মাকে কিন্তু পুতেক বিলাতলৈ যাবলৈ ওলোবাত বৰ সুখী হোৱা নাছিল। পুতেক লণ্ডনলৈ যাবৰ দিনা তেওঁৰ চকুৰেদি দুধাৰি লোটক বৈ গৈছিল। তথাপি পুতেকৰ মঙ্গল কামনা কৰি তেওঁ আশীৰ্বাদ দি পুতেকক বিদায় দিছিল। লণ্ডনত উপস্থিত হৈ যতীন্দ্ৰমোহনে কেম্ব্ৰিজৰ ডাউনিং কলেজত ভৰ্তি হয়। তাত তেওঁ স্নাতক বিষয়ত অধ্যয়ন কৰিছিল। পঢ়াশুনাৰ বাহিৰেও তেওঁ খেল-ধেমালিত অংশ গ্ৰহণ কৰিছিল। এই ৰাপ তেওঁৰ সৰুকালৰে পৰা আছিল। তেওঁৰ প্ৰিয় খেল আছিল টেনিচ আৰু ক্ৰিকেট। নাওঁ খেলতো তেওঁৰ আগ্ৰহ কম নাছিল। এই তিনিওঁটা বিষয়ত তেওঁ পাবদৰ্শিতা দেখুৱাই পুৰস্কৃত হৈছিল। কবলৈ গলে, যতীন্দ্ৰ-মোহনে গোটেই জীৱন এজন প্ৰকৃত খেলুৱৈ হিচাপেই নিজৰ কৃতিত্ব প্ৰদৰ্শন কৰি গ'ল। খেলাসুলভ মনোবৃত্তিৰেই তেওঁ জীৱনটোক আমাৰ আগত দাঙি ধৰিছিল।

অসাধাৰণ বুদ্ধি আৰু চকুত লগা ব্যক্তিত্বৰ বাবে তেওঁ ইণ্ডিয়া মজলিছ আৰু ইষ্ট এণ্ড ওৱেষ্ট চোচাইটিৰ এজন নাম কৰা তাৰ্কিক আৰু বক্তা ৰূপে পৰিগণিত হৈছিল।

ইষ্ট এণ্ড ওৱেষ্ট চোচাইটিৰ সভাপতি ৰূপে যতীন্দ্ৰমোহন পাছত সন্মানিত হৈছিল। ইয়াত তেওঁ বিশিষ্ট বন্ধু ৰূপে অনেকক লগ পাইছিল। তাৰ ভিতৰত গুৰুসদয় দত্তৰ নাম উল্লেখযোগ্য। গুৰুসদয় দত্ত ভাৰতীয় প্ৰশাসন সেৱা (ইণ্ডিয়ান চিভিল চাৰ্ভিছ) আৰু অনেক সামাজিক অনুষ্ঠানৰ লগত জড়িত ব্যক্তি আছিল। বিশেষকৈ তেওঁ আছিল সেই সময়ৰ বংগদেশৰ জনপ্ৰিয় ব্ৰতাচাৰী আন্দোলনৰ প্ৰতিষ্ঠাপক।

যতীন্দ্ৰমোহনে কেম্ব্ৰিজতে পণ্ডিত জৱাহৰলাল নেহৰুক লগ পায় (1907)। দুয়োৰে মাজত তাতে বন্ধুত্ব গঢ়ি উঠে আৰু এই বন্ধুত্বৰ মাজেদি দুয়ো ভাৰতলৈ আহি মুক্তি আন্দোলনত আগভাগ লৈছিল। নেহৰুৱে তেওঁৰ আত্মজীৱনীত (1936) এনেদৰে লিখিছে—"কেম্ব্ৰিজত লগপোৱা মোৰ সহপাঠী অনেকেই পৰৱৰ্তী কালত ভাৰতীয় জাতীয় কংগ্ৰেছ ৰাজনীতিত শীৰ্ষস্থান লাভ কৰিছিল। যতীন্দ্ৰমোহন সেনগুপ্তই কেম্ব্ৰিজ এৰাৰ সময়ত মই তালৈ গৈছিলো। চৈফুদ্দিন কিৎসলিউ, চৈয়দ মাহমুদ আৰু তছদ্দুক আহমেদ চেৰৱানী আদি প্ৰায় সমসাময়িক ছাত্ৰ আছিল। 1905-07 চনৰ বংগদেশৰ স্বদেশী আন্দোলনে ভাৰতীয় ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি সমগ্ৰ দেশখনক জাগ্ৰত কৰিছিল আৰু ইয়াৰ প্ৰতিক্ৰিয়াই ইংলণ্ডকো স্পৰ্শ কৰিছিল। কেম্ব্ৰিজত থকা ইণ্ডিয়ান মজলিছত ইয়াৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা গৈছিল। মুখ্যত ভাৰতীয় নেতা বিপিনচন্দ্ৰ পাল, লালা লাজপৎ ৰায় আৰু জি. কে গোখলে প্ৰভৃতি সেই সময়ত ইংলণ্ডত আছিল। তেওঁলোকে কেম্ব্ৰিজলৈ গৈ ভাৰতীয় ছাত্ৰ সকলক লগ পাইছিল। এই সকল নেতাৰ লগত মনৰ ভাৱ আদান-প্ৰদান কৰি যতীন্দ্ৰমোহন আৰু তেওঁৰ বন্ধুসকলে পৰম উৎসাহিত হৈছিল।

1909 চনত যতীন্দ্ৰমোহনে সুখ্যাতিৰে আইন পৰীক্ষাত এল. এল. বি. উপাধী লাভ কৰে। তেওঁ 'গ্ৰে'ৰ ইনৰ' সভ্য ৰূপে যোগদান কৰে আৰু পাছত লণ্ডনৰ ব্যাৰিষ্টাৰ হয়। পাছত তেওঁ ভাৰতলৈ উভতি আহে। লগত আহিছিল তেওঁৰ বিবাহিতা ইংৰাজ পত্নী নেলী সেনগুপ্তা।

তেওঁৰ জীৱিকাৰ পথ নিৰ্ণয়

যতীন্দ্ৰমোহনে 1910 চনত কলিকতা উচ্চ ন্যায়লয়ত ব্যাৰিষ্টাৰ হিচাপে যোগ দিয়ে। প্ৰথমৰ পৰাই তেওঁৰ ওকালতিত বুদ্ধিৰ উমান পোৱা গৈছিল। অলপ দিনৰ পিছতে তেওঁ এজন বিশিষ্ট আইনজ্ঞৰূপে জনাজাত হৈ পৰিছিল। কলিকতাত থাকি ওকালতি কৰিলেও তেওঁ মাজে সময়ে চট্টগ্ৰামলৈ গৈ পিতাকক আইন বিষয়ত সহায় কৰিছিল। সেই সময়ত তেওঁৰ বাপেক চট্টগ্ৰামৰ এজন আগশাৰীৰ উকীলৰূপে যশস্যা লভিছিল। পিতাকৰ লগত থাকি যতীন্দ্ৰমোহনে মেল-মোকৰ্দমাৰ বিষয়ে জ্ঞান লভিছিল আৰু এইবোৰত কেনেকৈ ওকালতি কৰিব লাগে, তাৰ কলা-কৌশল আয়ত্ব কৰিছিল। যতীন্দ্ৰমোহনে যেতিয়া আইন ব্যৱসায়ত লাগিবৰ বাবে কলিকতাত থাকিব লগা হৈছিল, তেতিয়া তেওঁৰ আয় আছিল যৎসামান্য। উপাৰ্জন বঢ়াবলৈ তেওঁ ৰিপন কলেজত

আইন বিষয়ৰ অধিবক্তা ৰূপে যোগ দিয়ে। এই বিষয়ত তেওঁক সহায় কৰিছিল সেই সময়ৰ ৰাষ্ট্ৰগুৰু আৰু সৰ্বভাৰতীয় কংগ্ৰেছৰ এজন প্ৰখ্যাত নেতা হিচাপে পৰিচিত সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়ে। এখেতেই ৰিপন কলেজৰ প্ৰতিষ্ঠাতা। সুৰেন্দ্ৰনাথ আছিল যাত্ৰামোহনৰ অন্তৰংগ বন্ধু। স্বদেশী আন্দোলনত যাত্ৰামোহন সুৰেন্দ্ৰনাথৰ নিৰ্ভৰযোগ্য সহযোগী আছিল।

ওকালতি আৰু অধ্যাপনাৰ মাজত ব্যস্ত থাকিও যতীন্দ্ৰমোহনে ঘৰত স্ত্ৰী নেলী আৰু পুত্ৰদ্বয় শিশিৰ আৰু অনিলৰ (আন এটি ল'ৰা অমৰ কেচুৱা অৱস্থাতে ঢুকাইছিল) লগত কিছুসময় অতিবাহিত কৰিছিল। যতীন্দ্ৰমোহনে নিজৰ নুমলীয়া ভায়েক ৰনেন্দ্ৰ মোহনকো লগত ৰাখি ভৰণ পোষণ দিছিল। পৰিয়ালৰ সকলোৰে লগত যতীন্দ্ৰমোহনে হাঁহি-তামাছাৰে দিন কটাইছিল আৰু মাজে সময়ে চহৰৰ বাহিৰলৈ ফুৰিবলৈ গৈছিল। ইয়াৰ বাহিৰেও যতীন্দ্ৰমোহনৰ খেল-ধেমালিৰ প্ৰতি আগ্ৰহ আছিল প্ৰবল। কলিকতা ক্লাবৰ তেওঁ এজন উল্লেখযোগ্য সদস্য আছিল। ক্ৰিকেট, টেনিছ আৰু হকিত তেওঁ আছিল আগশাৰীৰ খেলুৱৈ (এই বিষয়ে পিছত আলোচনা কৰা হব)। যতীন্দ্ৰমোহন আছিল এজন ভাল পঢ়ুৱৈ। কিতাপ আছিল তেওঁৰ প্ৰিয় সঙ্গী। আইন, ৰাজনীতি, কূটনীতি আদি বিভিন্ন বিষয়ৰ গ্ৰন্থ পঢ়ি তেওঁ ৰস পাইছিল। গ্ৰন্থ অধ্যয়নৰ মাজেদি তেওঁ এটা পৰিপুষ্ট মন গঢ়ি তুলিছিল। গ্ৰন্থ অধ্যয়নৰ দ্বাৰা তেওঁৰ সামাজিক আৰু ৰাজনৈতিক দৃষ্টিভঙ্গী বুদ্ধিদীপ্ত হৈ পৰিছিল। স্বাধীনতা সংগ্ৰামত লাগি তেওঁৰ যেতিয়া কাৰাবৰণ হৈছিল, তেতিয়া তেওঁৰ অকলশৰীয়া জীৱনত গ্ৰন্থই একমাত্ৰ অনুপ্ৰেৰণা যোগাইছিল।

যতীন্দ্ৰমোহনে ৰাজনীতিৰ মাজত প্ৰৱেশ কৰিছিল এটা সুস্থ পৰিবেশৰ মাজেদি। সেই সময়ত বংগ প্ৰাদেশিক সন্মিলন (Bengal Provincial Conference) আছিল ভাৰতবৰ্ষৰ ভিতৰত এটা লেখত লবলগীয়া ৰাজনৈতিক আন্দোলনৰ মিলনক্ষেত্ৰ। বংগদেশৰ সমস্যাকে কেন্দ্ৰ কৰি এই অনুষ্ঠানে গঢ় লৈছিল। 1888 চনত এই সন্মিলনে জন্ম লাভ কৰিছিল আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাদেশিক শাখা স্বৰূপে কাম কৰিছিল। এই সন্মিলনৰ লগত জড়িত লোক সকল আছিল যথাৰ্থতে বংগদেশৰ বৰেণ্য ব্যক্তি, সমাজকৰ্মী আৰু বিশেষকৈ আইনজ্ঞ ব্যক্তিসকল (জাতীয় কংগ্ৰেছতো প্ৰথমতে উকীলসকলেই আগভাগ লৈছিল) প্ৰাদেশিক সমস্যাসমূহ এই সন্মিলনত আলোচনা হৈছিল। কলিকতাৰ বাহিৰেও মফছলত এই সন্মিলন বৈঠক বহিছিল। শিক্ষা, সমাজ, অৰ্থনীতি আদি বিষয়ে বংগদেশৰ জনসাধাৰণক সম্যক জ্ঞান দিয়া আৰু জাতীয়তাবোধেৰে জাগ্ৰত কৰা এই সন্মিলনৰ মুখ্য কাম আছিল।

যতীন্দ্ৰমোহনে বংগীয় প্ৰাদেশিক সন্মিলনৰ ফৰিদপুৰ বৈঠকত (1911) চট্টগ্ৰামৰ প্ৰতিনিধি স্বৰূপে যোগ দিছিল। সন্মিলনত তেওঁ এজন নীৰৱ দৰ্শক হৈ থকা নাছিল। তেওঁ তাত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। স্বাধীনতাৰ অকুণ্ঠ আহ্বানে তেওঁৰ মনপ্ৰাণ উতলা কৰিছিল ; তেওঁ এই সন্মিলনৰ পৰৱৰ্তী বৈঠক চট্টগ্ৰামলৈ আমন্ত্ৰণ জনালে।

চট্টগ্ৰাম অধিবেশন আছিল অত্যন্ত তাৎপৰ্যপূৰ্ণ। 1905-11 চনৰ বংগভংগ আন্দোলনৰ ঢৌৱে সকলোৰে মন তেজোদীপ্ত কৰি তুলিছিল। কবলৈ গলে বংগভংগ আছিল এটা শান্তিপ্ৰিয় অৱস্থাক অশান্তিময় কৰি তোলা, এটা স্থায়ী বিষয়ক অস্থায়ী আৰু অনিশ্চয়তাৰ মাজলৈ লৈ যোৱা প্ৰক্ৰিয়া। ইংৰাজ শাসকৰ এইটো আছিল এটা চক্ৰান্ত। এই চক্ৰান্তৰ বিৰুদ্ধে ভাৰতবৰ্ষত জনসাধাৰণ একগোট হৈ থিয় দিছিল আৰু জাতীয়তা-ভাৱৰ মহামন্ত্ৰৰ দ্বাৰা সকলোৱে শাসকৰ নিৰ্মম অত্যাচাৰ, উৎপীড়ন বিৰোধিতা কৰিছিল। শ' শ' ভাৰতীয়ই বিদেশী শাসকৰ অন্যায় নীতিৰ বিৰুদ্ধে আত্মবলিদান দিছিল। কুমিল্লাৰ জাতীয়তাবাদী নেতা ব্যাৰিষ্টাৰ আবদুল ৰছুল আছিল চট্টগ্ৰাম অধিবেশনৰ সভাপতি। এওঁক পূৰ্বতে বৰিশালত (1906) বহিবলগা বৈঠকৰ সভাপতি নিৰ্বাচিত কৰা হৈছিল। কিন্তু ইংৰাজ শাসকৰ কঠোৰ দমননীতিৰ বাবে আৰু সাম্ৰাজ্যবাদৰ ভণ্ডামিৰ বাবে ইয়াত বৈঠক অনুষ্ঠিত নহ'ল। চট্টগ্ৰামৰ বৈঠকৰ মাজেদি জনসাধাৰণৰ ক্ষোভ, তিক্ততা, ব্যক্ত কৰাত সুযোগ আহিছিল। যতীন্দ্ৰমোহনৰ দেউতাক যাত্ৰা-মোহন আছিল এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। অধিবেশনৰ মূল সভাপতি আবদুল ৰছুল আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি যাত্ৰামোহনৰ বক্তৃতা আছিল প্ৰাণস্পৰ্শী। তেওঁলোকৰ বক্তৃতাৰ মাজেদি অগ্নি বৰষিছিল। সন্মিলনত সমবেত হোৱা সমূহলোকে তেওঁলোকৰ বক্তৃতাৰ মাজেদি পৰম উদ্দীপনা লাভ কৰিছিল। এই সন্মিলনত যোগ দিবলৈ বংগদেশৰ বিখ্যাত নেতাসকল চট্টগ্ৰামলৈ আহিছিল। কলিকতাৰ সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়, ফৰিদপুৰৰ অম্বিকাচৰণ মজুমদাৰ, কলিকতাৰ ব্যোমকেশ চক্ৰবৰ্তী প্ৰভৃতি অনেক নেতাই এই সন্মিলনত যোগ দিছিল। চট্টগ্ৰামৰ যুবনেতা চন্দ্ৰশেখৰ দে'ৰ নেতৃত্বত যি স্বেচ্ছাসেৱক বাহিনী গঠন হৈছিল, সেই বাহিনীয়ে এই জাতীয় নেতা সকলৰ গাড়ী, ঘোঁৰা নিজ কান্ধেৰে কঢ়িয়াই অনা অপূৰ্ব দৃশ্য সদা স্মৰণীয়। যতীন্দ্ৰমোহনে বাপেকৰ লগত অনবৰত লাগি সন্মিলনৰ কৃতকাৰ্যতাত সহায় কৰিছিল। তাত সমবেত হোৱা ৰাজনৈতিক নেতাসকলে যতীন্দ্ৰমোহনৰ সাহস, কৰ্মপ্ৰেৰণা আৰু প্ৰত্যুৎপন্ন-স্বভাৱ দেখি মোহিত হৈছিল। যতীন্দ্ৰমোহনেও এই খ্যাতনামা নেতাসকলৰ সংস্পৰ্শলৈ আহি বিপুল অনুপ্ৰেৰণা লাভ কৰিছিল।

ইয়াৰ ঠিক এবছৰৰ পাছতে চট্টগ্ৰামত বংগীয় সাহিত্য পৰিষদৰ (বংগীয় সাহিত্য সন্মিলন) বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। ইয়াত সভাপতিত্ব কৰিছিল অক্ষয় কুমাৰ চৰকাৰে, আৰু ইয়ালৈ বংগদেশৰ সুবিখ্যাত লেখক-সাহিত্যিকসকলো আহিছিল। এই সকলৰ ভিতৰত আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়, বিপিনচন্দ্ৰ পাল, হীৰেন্দ্ৰ নাথ দত্ত, কবি সত্যেন্দ্ৰ নাথ দত্ত, অধ্যাপক বিনয় কুমাৰ চৰকাৰ, পঞ্চৌৰি বানাৰ্জী প্ৰভৃতিৰ নাম লব পাৰি। শিক্ষাবিদ্ বা সাহিত্যিক নহলেও চট্টগ্ৰামৰ এজন বিশিষ্ট নাগৰিক স্বৰূপে যাত্ৰামোহনে এই সভাত আগভাগ লৈছিল আৰু আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায় আৰু অধ্যাপক বিনয় কুমাৰ চৰকাৰৰ সংস্পৰ্শলৈ আহিবলৈ সুবিধা পাইছিল। তেওঁলোকে যতীন্দ্ৰ-মোহনৰ আন্তৰিক কৰ্মচঞ্চলতাত মুগ্ধ হৈছিল আৰু আশা কৰিছিল যে এদিন এই যুৱকে

ভাৰতৰ ভিতৰতে নাম জিলিকাব পাৰিব। যতীন্দ্ৰমোহনৰ বিষয়ে অধ্যাপক বিনয় কুমাৰ চৰকাৰে পাছত এই গ্ৰন্থৰ লিখকক কৈছিল যে যতীন্দ্ৰমোহনৰ গাত মহত্বৰ চাপ তেওঁ কেতিয়াবাই দেখা পাইছিল। চৰকাৰে কৈছিল যে, যতীন্দ্ৰমোহনে অনেক জটিল সমস্যাত আগভাগ লৈছিল আৰু সমস্যা সমাধানত বুদ্ধি আৰু বিচক্ষণতাৰ পৰিচয় দিছিল। অনেক বিষয়ত তেওঁৰ বিচাৰবুদ্ধি সুৰেন্দ্ৰনাথ আৰু চিত্তৰঞ্জনতকৈ বেছি প্ৰখৰ আছিল।

ৰূপান্তৰিত সমন্বয়

ইংলণ্ডত থকা সময়তে যতীন্দ্ৰমোহনৰ জীৱনলৈ যৌৱনৰ ৰঙীন আভা সঞ্চাৰিত হয়। কেম্ব্ৰিজত থকা সময়ত তাৰ এটা সম্মানীয় পৰিয়ালৰ লগত যতীন্দ্ৰমোহনৰ সৌহাৰ্দপূৰ্ণ সম্পৰ্ক গঢ়ি উঠে। মিঃ গ্ৰে আৰু শ্ৰীমতী গ্ৰে আছিল পৰিয়ালটোৰ মুখ্যব্যক্তি। স্বামী-স্ত্ৰী তেওঁলোকে ইংলণ্ডত থকা ভাৰতীয় ছাত্ৰক আদৰ সাদৰ কৰি ঘৰলৈ মাতি নি অপ্যায়িত কৰিছিল। ভাৰতীয় ছাত্ৰ সকলেও তেওঁলোক দুজনৰ আতিথেয়ত মুগ্ধ হৈ পৰম আনন্দ লভিছিল। যতীন্দ্ৰমোহনো আছিল গ্ৰে' পৰিয়ালৰ সান্নিধ্যলৈ অহা অন্যতম ভাৰতীয় ছাত্ৰ। মিঃ গ্ৰে'ৰ জীয়ৰী পৰমা সুন্দৰী নেলীৰ প্ৰতি যতীন্দ্ৰমোহনৰ এটা বিশেষ আকৰ্ষণ ঘটিছিল। এই আকৰ্ষণ পিছত গৈ প্ৰণয়ত পৰিণত হ'ল। শ্ৰীমতী গ্ৰেই এই কথা লক্ষ্য কৰিছিল। তেওঁ যতীন্দ্ৰমোহনৰ দৰে সৎচৰিত্ৰবান ল'ৰা এটালৈ নিজৰ একমাত্ৰ ছোৱালী নেলীক গটাবলৈ বেয়া পোৱা নাছিল। কিন্তু তেওঁ ভাবিছিল নেলীয়ে যতীন্দ্ৰমোহনক বিয়া কৰাই ভাৰতলৈ যাব লাগিব তেতিয়া তেওঁ একেবাৰে অসহায় হৈ পৰিব। ইমান দূৰলৈ নেলী যোৱা কথাটো শ্ৰীমতী গ্ৰে'ই ভাবি দুশ্চিন্তাত পৰিছিল। যতীন্দ্ৰমোহনে কথাটোৰ উম ধৰিব পাৰি ধৈৰ্যৰে আগবাঢ়িবলৈ মনস্থিৰ কৰিলে।

1908 চনত যতীন্দ্ৰমোহন ভাৰতলৈ উভতি আহিছিল—কিয়নো ইতিমধ্যে তেওঁৰ মাকৰ মৃত্যু ঘটিছিল। ইংলণ্ডলৈ উচ্চশিক্ষাৰ বাবে যেতিয়া যতীন্দ্ৰমোহনৰ যাবৰ সময় উপস্থিত হৈছিল তেতিয়া মাকে নিজৰ মৰমৰ সন্তানক বুকুৰ মাজৰ পৰা বিদায় দিবলৈ অশেষ কষ্ট পাইছিল। সেই বিদায়ৰ দৃশ্যই যতীন্দ্ৰমোহনৰ অভিভূত কৰিছিল। এতিয়া মাকৰ মৃত্যুৰ বাতৰিয়ে তেওঁক মৰ্মান্তিক কষ্ট দিলে। এই বিপদৰ সময়ত দেউতাকৰ কাষত থাকি কিছু শান্তনা দিবলৈ তেওঁ ভাৰতলৈ আহিব লগাত পৰিল।

কিছুদিন অতিবাহিত হোৱাৰ পাছত যতীন্দ্ৰমোহনে দেউতাকৰ আগত তেওঁৰ বিয়াৰ প্ৰস্তাৱটো আগবঢ়ালে। তেওঁ কলে যে ইংলণ্ডৰ এটা ভাল সম্ভ্ৰান্ত পৰিয়ালৰ এজনী ছোৱালীক তেওঁ বিয়া কৰাব খোজে। যাত্ৰামোহনে পুতেকৰ প্ৰস্তাৱ শুনি দুখ পালে আৰু প্ৰস্তাৱত সন্মতি জনাব নোৱাৰিলে। তেওঁ ভাবিছিল যে যতীন্দ্ৰমোহনে তেতিয়াও ওকালতি আৰম্ভ কৰা নাই, সেইবাবে তেওঁৰ ভৱিষ্যত আন্ধাৰ। এগৰাকী ইংৰাজ মহিলাক সহধৰ্মিণী হিচাপে লৈ সংসাৰ চলাব পৰা আৰ্থিক সামৰ্থ্য যতীন্দ্ৰমোহনৰ নাই।

দ্বিতীয়তে, এগৰাকী ইংৰাজী মহিলাই ভাৰতীয় পৰিবেশত সহজে নিজক খাপ খুৱাই লোৱাটো সম্ভৱ নহয়। তাতে এনে এটা ডাঙৰ পৰিয়ালত এগৰাকী বিদেশী মহিলাই অশান্তিবোধ কৰাটো একো অস্বাভাৱিক নহয়। যতীন্দ্ৰমোহনে নিৰুৎসাহ হৈ লণ্ডনলৈ উভতি গ'ল। যাত্ৰামোহনে মিচেচ গ্ৰে'লৈ এখন চিঠি লেখি মনৰ দুশ্চিন্তাৰ কথা সদৰি জনালে। যতীন্দ্ৰমোহনক ইংৰাজ মহিলাক বিয়া নকৰাবলৈ উপদেশ দি ঘৰলৈ তুৰন্তে মাতি পঠালে। পিতৃভক্ত পুতেকে বাপেকৰ আশা প্ৰত্যাখ্যান কৰিব নোৱাৰিলে আৰু এখন ভগা অন্তৰলৈ পুনৰ ভাৰতলৈ উভতিল।

ভাৰতলৈ উভতি অহাৰ পথত যতীন্দ্ৰৰ মানসিক পীড়া প্ৰকট হৈ উঠিছিল। তেওঁ নেলীক বিয়া কৰাব বুলি দি অহা প্ৰতিশ্ৰুতিৰ কথা চিন্তা কৰি কৰি বিব্ৰত হ'ল। ভাৰত-মুখী জাহাজ পোৰ্ট চৈয়দ বন্দৰত লগাৰ লগে লগে যতীন্দ্ৰমোহনে মনস্থিৰ কৰি পেলালে যে তেওঁ পুনৰ কেম্ব্ৰিজলৈ উভতি যাব আৰু মনেপ্ৰাণে ভাল পোৱা ছোৱালীজনীক বিয়া কৰাব। তেওঁ পোৰ্ট চৈয়দ বন্দৰত নামি লণ্ডনমুখী জাহাজত টিকট কাটি উভতি গ'ল। কেম্ব্ৰিজত তেওঁ গ্ৰে' পৰিয়ালৰ ওচৰত গৈ নেলীক লগ পালেগৈ। শ্ৰীমতী গ্ৰেই যতীন্দ্ৰ মোহনৰ কাণ্ড-কাৰখানা দেখি বিস্ময় মানিছিল। তেওঁ ধৰি লৈছিল যে নেলীৰ লগত যতীন্দ্ৰমোহনৰ বিয়া সমাপন হোৱা মিছা। কিন্তু যতীন্দ্ৰমোহনে শ্ৰীমতী গ্ৰে'ৰ অজ্ঞাতে নেলীক লগতলৈ কেম্ব্ৰিজৰ কাষত থকা ৰৱছটেনৰ ৰেজিষ্টাৰী অফিচত বিয়াৰ চুক্তি সম্পাদন কৰিলে। যদিও প্ৰথমতে শ্ৰীমতী গ্ৰে'ই অসন্তোষ প্ৰকাশ কৰিছিল, পিছত কিন্তু তেওঁৰ কোমল অন্তৰ গলি গ'ল। নেলী আৰু যতীন্দ্ৰমোহনক সাৱটি ধৰি আশীৰ্বাদ জনালে। পিছদিনা তেওঁৰ ঘৰত বিয়া উপলক্ষে এখন ভোজ-মেল অনুষ্ঠিত হ'ল আৰু তালৈ চহৰৰ ভালেমান সন্মানীয় লোক আহি নৱদম্পতীক আশীৰ্বাদ জনালে। গ্ৰে' পৰিয়ালৰ মিটিৰ কুটুম সকলো আহি ভোজ-মেলত ৰং তামাছা কৰিলেহি। ইফালে ঘৰত যাত্ৰামোহনে পুতেক বিলাতৰ পৰা আহি নোপোৱাত দুঃচিন্তাত পৰিল। তেওঁ কেম্ব্ৰিজৰ ঠিকনাত পুতেকলৈ তাঁৰবাৰ্তা পঠালে। ইতিমধ্যে যতীন্দ্ৰমোহনে চিঠিৰ যোগেদি বাপেকক তেওঁৰ সিদ্ধান্তৰ কথা আৰু বিয়াৰ কথা সবিশেষ জনালে আৰু ভৰষা দিলে যে যদিওঁ ইংৰাজ মহিলা এগৰাকীক তেওঁ বিয়া কৰাইছে, বাপেকৰ প্ৰতি আৰু দেশৰ আন কাৰো প্ৰতি থকা সম্বন্ধত আহুকালৰ সৃষ্টি নহয়; কাকো তেওঁ বিপদত নেপেলায়। দিনৰ পাছত দিন পাৰ হ'ল। শ্ৰীমতী গ্ৰে'ই জীয়েক-জোঁৱায়েকক সুখৰ সংসাৰ দেখি পৰম আনন্দ লভিলে। দুয়োৰে উজ্জ্বল ভৱিষ্যতৰ প্ৰতি তেওঁৰ প্ৰত্যয় জন্মিল।

লাহে লাহে কলিয়া ডাৱৰ আঁতৰিল। যতীন্দ্ৰমোহন আৰু নেলীয়ে আহি ভাৰতৰ ভূমিত ভৰি দিলেহি। যাত্ৰামোহন আৰু পৰিয়ালৰ আন আন লোকে তেওঁলোক দুয়োকে স্বাগতম জনালে। নেলীয়ে লাহে লাহে নিজদেশীয় আচাৰ ব্যৱহাৰ ত্যাগ কৰি ভাৰতীয় আদৰ্শৰে নিজকে সুপ্ৰতিষ্ঠা কৰিবলৈ মন বান্ধিলে। যাত্ৰামোহনৰ ডাঙৰ পৰিয়ালৰ সকলোৰে লগত তেওঁ সদ্‌ভাৱ ৰাখি আদৰ-সাদৰ লাভ কৰিলে। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা খাটি ইংৰাজ মেম চাহাব হৈ পৰিল ভাৰতীয় নীতি

নিয়মেৰে পৰিপুষ্ট সম্পূৰ্ণ দেশীয় বোৱাৰী। নেলীৰ জীৱন সলনি হ'ল। তেওঁৰ কাৰ্যত, তেওঁৰ ব্যৱহাৰত; তেওঁৰ কৰ্মপদ্ধতিত ভাৰতীয় ঐতিহ্য সোমাই পৰিল। সকলোৰে বাবে তেওঁ হৈ পৰিল পৰিয়ালৰ এগৰাকী মৰমীয়াল, সদালাপী ভাৰতীয় নাৰী। তেওঁৰ সান্নিধ্যই সকলোকে আনন্দ দিলে। যাত্ৰামোহনে নেলীক বোৱাৰী ৰূপে পাই পৰম গৌৰৱ অনুভৱ কৰিলে। তেওঁৰ পূৰ্বৰ ধাৰণা আঁতৰি তাৰ ঠাইত চেনেহৰ সোঁত প্ৰাবিত হবলৈ ধৰিলে। তেওঁ শ্ৰীমতী গ্ৰে'লৈ চিঠিৰ যোগেদি জনালে যে নেলীক তেওঁ বোৱাৰী ৰূপে পাই ধন্য মানিছে। পৰিয়ালৰ সকলোৰে মুখত নেলীৰ ভূৰি ভূৰি প্ৰশংসা। বোৱাৰী হিচাপে তেওঁ সৰ্বগুণ-সম্পন্না। তেওঁৰ পুত্ৰই এগৰাকী অতুলনীয়া ৰত্ন আৱিষ্কাৰ কৰি ঘৰ সুমাইছেহি। যতীন্দ্ৰমোহনেও দাম্পত্য জীৱনৰ অতুলানন্দ লাভ কৰি বিস্ময় মানিলে। তেওঁৰ বাবে নেলীৰ সান্নিধ্য অকল স্বামী-স্ত্ৰীৰ সম্পৰ্কই নাছিল। তেওঁ এই সান্নিধ্য মাজত উপলব্ধি কৰিলে এক পৰম সত্য। যি সত্য প্ৰস্ফুটিত হৈছে আত্মাৰ মিলনৰ মাজেদি। লাহে লাহে যতীন্দ্ৰমোহন আৰু নেলীয়ে সামাজিক জীৱনৰ বিভিন্ন দিশত সোমাই পৰিল। ঘৰুৱা পৰিবেশৰ বাহিৰেও জাতীয় জীৱনৰ লগত তেওঁলোক মিলি গ'ল। যতীন্দ্ৰমোহনৰ ৰাজহুৱা জীৱন গঢ়ি তোলোতে নেলীয়ে আগবঢ়ালে অদ্ভুত প্ৰেৰণা। অকল শাৰীৰিক আনন্দই নহয়, ঐশ্বৰিক আনন্দৰ মধুৰ স্পন্দনে তেওঁলোকৰ জীৱন স্বতঃস্ফুৰ্তভাবে উজ্জ্বল কৰি তুলিলে।

ইফালে কেম্ব্ৰিজত বৃদ্ধা শ্ৰীমতী গ্ৰে'ই বাৰ্দ্ধক্যৰ জড়তাৰ মাজতো জোঁৱায়েক যতীন্দ্ৰ-মোহনৰ অসামান্য সাফল্যৰ কথা শুনি সুগভীৰ আনন্দেৰে চকুপানী টুকিলে। কোৱা প্ৰয়োজন যে যতীন্দ্ৰমোহনে ভাৰতীয় ৰাজনীতিত প্ৰৱেশ কৰি গুৰুত্বপূৰ্ণ নেতৃত্ব গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ মুক্তিৰ আন্দোলনত আগভাগ লৈ আন্দোলনত জপিয়াই পৰিছিল। নেলী সেনগুপ্তায়ো স্বামীৰ লগত খোজ মিলাই স্বাধীনতা সংগ্ৰামত যোগ দিছিল। তেওঁক ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰী ৰূপে নিৰ্বাচিত কৰি সন্মান জনোৱা হৈছিল। শ্ৰীমতী গ্ৰে'ই এইবোৰ বাতৰি পৰম আগ্ৰহেৰে পঢ়িছিল আৰু অতি সুখী হৈছিল। 1923 চনত নেলীয়ে পেন্ধিৰ বছৰৰ পাছত লগত দুই পুত্ৰ শিশিৰ আৰু অনিলক লৈ কেম্ব্ৰিজত বৃদ্ধা মাকক লগ ধৰিছিল গৈ। 1931 চনত যতীন্দ্ৰমোহনে স্বাস্থ্যজনিত কাৰণত ইংলণ্ডলৈ যাওঁতেও নেলী লগত গৈছিল।

কোৱা নিঃপ্ৰয়োজন নহব যে যতীন্দ্ৰমোহনৰ ইংৰাজ পৰিবাৰে ভাৰতৰ সামাজিক অনুষ্ঠান সমূহও অঙ্গাঙ্গীভাবে সোমাই পৰিছিল। শ্ৰীমতী জ্যোতিৰ্ময়ী গাংগুলী আছিল অবিভক্ত বংগদেশৰ এগৰাকী মহিলা নেত্ৰী। কলিকতাৰ প্ৰখ্যাত দ্বাৰকানাথ গাংগুলী পৰিয়ালৰ তেওঁ এগৰাকী সন্মানীয়া ব্যক্তি। শ্ৰীমতী গাংগুলীয়ে এটা কৌতূহল পূৰ্ণ ঘটনাৰ কথা কৈছিল। সেই সময়ৰ বেথুন কলেজৰ অধ্যক্ষা শ্ৰীমতী কুমুদিনী দাস (খাষ্টগীৰ)-ৰ ঘৰত সেনগুপ্তা দম্পতীক এটা সম্বৰ্দ্ধনা জনোৱা হৈছিল। (এওঁ যতীন্দ্ৰ-মোহনৰ মাহীয়েক আছিল) যেতিয়া যতীন্দ্ৰমোহনে তেওঁৰ নববিবাহিতা ইংৰাজ স্ত্ৰী নেলীক লগতলৈ উপস্থিত হলহি, তেতিয়া সকলোৰে চকু নেলীৰ ওপৰত পৰিল। নেলী

আছিল ইংৰাজ কন্যা, কিন্তু বিশেষত্ব আছিল তেওঁক ভাৰতীয় সাজপোছাকেৰে অপূৰ্ব দেখা গৈছিল। তেওঁৰ বিতোপন চেহেৰা, গোলাপ ফুলৰ দৰে মৰম লগা মুখ, গাম্ভীৰ্য-পূৰ্ণ খোজ কাটল, জাগ্ৰত মন আৰু প্ৰাণ আদিয়ে তাত গোটখোৱা সকলোকে চেৰ পেলাইছিল। সকলোৱে তধা লাগি তেওঁৰ ব্যক্তিত্ব ভৰা চেহেৰালৈ চাই থাকি তবধ মানিছিল। আলহীসকল যোৱাৰ পাছত মিঃ সেনগুপ্তাই মিছ্ গাংগুলীক কৈছিল যে আনে যিয়ে ভাবক বা নাভাবক লাগিলে, তেওঁ নেলীক বিয়া কৰাই একো ভুল কৰা নাই।

এইখিনিতে উল্লেখ কৰিব পাৰি যে বংগদেশৰ সুপ্ৰসিদ্ধ গৱেষক সাহিত্যিক অধ্যাপক জনাৰ্দন চক্ৰৱৰ্তীয়ে শ্ৰীমতী নেলী সেনগুপ্তাৰ বিষয়ে এষাৰি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছিল। তেওঁ কৈছিল যে শ্ৰীমতী সেনগুপ্তাই যি দিনাই তেওঁৰ স্বামী যতীন্দ্ৰমোহনৰ লগত আহি চট্টগ্ৰামত উপস্থিত হৈছিল, সেইদিনাই চট্টগ্ৰামত এটি সোণালী চাকি জ্বলি উঠিছিল। তেতিয়াৰপৰা শত বাধা বিঘিনি নেওচি এই চাকি গছিয়ে চট্টগ্ৰামকে ধৰি সমগ্ৰ দেশতে এক উজ্জ্বল আভা বিতৰণ কৰিছিল। এই উদ্দীপনাৰ গুৰিতে আছিল সেই মহিলা গৰাকীৰ মাতৃসুলভ আচৰণ আৰু জাগ্ৰত প্ৰেৰণা।

এই অধ্যায় শেষ কৰাৰ আগতে কিপ্‌লিঙৰ সঘনে মনতপৰা কবিতা শাৰীলৈ দৃষ্টি আকৰ্ষণ কৰিলে বোধকৰো বেয়া নহব। কিপ্‌লিঙে কৈছিল :

"অ' পূব পূবেই, আৰু পশ্চিম পশ্চিমেই
আৰু এই পূব পশ্চিম কেতিয়াও লগ নালাগে—"
কোনোৱে হয়তো ন'দি কব যে
"পূব আৰু পশ্চিম সংযোগ হলে
আটাইতকৈ ভাল কথা হ'ব॥"

কিন্তু যতীন্দ্ৰমোহনে ইংৰাজ মহিলা নেলী গ্ৰে'ক বিয়া কৰাই কিপ্‌লিঙৰ এই স্মৰণীয় বাণী দৃঢ়ভাৱে প্ৰত্যাখ্যান কৰিলে।

II

ৰাজনীতিৰ আগচোতালত

মূল কেন্দ্ৰ স্বৰূপে চট্টগ্ৰাম

কেইবছৰ মানৰ ভিতৰতে চট্টগ্ৰাম কিছুমান উল্লেখযোগ্য ঘটনাৰ কেন্দ্ৰৰূপে জনাজাত হৈ পৰিল। তাৰে এটা হ'ল ৰাজনৈতিক ক্ষেত্ৰত চি. আৰ. দাস আৰু তেওঁৰ অনুগত কৰ্মী জে. এম. সেনগুপ্তৰ সক্ৰিয় ভূমিকা। এওঁলোকে দেশৰ সকলোকে জাতীয় প্ৰেমেৰে আকৃষ্ট কৰিলে। সমকালীন ভাৰতীয় নেতাসকলৰ ভিতৰত এওঁলোকৰ বৈপ্লৱিক দৃষ্টিভঙ্গী আছিল ব্যাপক। উভয়ৰে আছিল প্ৰতিভা, বিদ্যা, সৰ্বোপৰি অসীম ত্যাগ আৰু নিঃস্বাৰ্থতা।

প্ৰথম মহাসমৰ প্ৰশমিত হোৱাৰ লগে লগে ইংৰাজ চৰকাৰে ভাৰতবৰ্ষৰ এচাম দেশপ্ৰেমী যুৱকক বিপ্লৱী বুলি ঘোষণা কৰি ভাৰত ৰক্ষা আইন অনুযায়ী দেশত্যাগ কৰিবলৈ আদেশ দিলে। তাৰে কিছুমানক চট্টগ্ৰামৰ আঁতৰত অৱস্থিত কুটুবদিয়া নামৰ এটা অকলশৰীয়া সৰু দ্বীপত আবদ্ধ (অন্তৰিত) কৰি ৰাখিলে। অন্তৰিত হৈ থকা ডেকাবন্দীসকলে নজৰ দিয়া চিপাহী বিলাকৰ পৰা নিৰ্দয় ব্যৱহাৰ পাইছিল আৰু এই নিৰ্দয়তাৰ বিৰুদ্ধে আপত্তি দৰ্শাইছিল। যেতিয়া তেওঁলোকৰ আপত্তিৰ কোনো ফল নধৰিলে, তেওঁলোকৰ ভিতৰত সোতৰ গৰাকী বন্দীয়ে সেই কেম্পৰ পৰা পলাবলৈ মনস্থ কৰিলে। কোনোৱে নাৱেৰে, কোনোৱে আকৌ সাঁতুৰি দ্বীপটোৰ পৰা ওলাই আহি জিলাধিপতিক ব্যক্তিগতভাৱে দেখা কৰি তেওঁলোকৰ প্ৰতি দেখুৱা নিৰ্দয় ব্যৱহাৰৰ প্ৰতিবাদ কৰিবলৈ ঠিৰাং কৰিলে। কিন্তু চহৰত নমাৰ লগে লগে তেওঁলোকক পুলিচে আগুৰি পেলালে আৰু আটক বন্দীৰ বাবে প্ৰযোজ্য আইন ভঙ্গ কৰাৰ অপৰাধত (জুন, 1918) তেওঁলোকক এক বিশেষভাৱে গঠিত আদালতলৈ প্ৰেৰণ কৰিলে।

সেই সময়ত দেশৰ ৰাজনৈতিক অৱস্থা আন্ধাৰময়। মণ্টেগু চেমচফৰ্ড সংস্কাৰ আঁচনিয়ে সমগ্ৰ ভাৰতবৰ্ষত অসন্তোষৰ ভাব বিয়পাই পেলাইছিল। কংগ্ৰেছৰ উগ্ৰপন্থী লোকসকলে লোকমান্য বাল গঙ্গাধৰ তিলক আৰু চি. আৰ. দাসৰ নেতৃত্বত এই আঁচনিৰ বিৰুদ্ধে দুৰ্ঘোৰ আপত্তি জনাইছিল। তেওঁলোকে এই আঁচনিক অশুভ হতাশাপূৰ্ণ, অসমৰ্থনযোগ্য বুলি ঘোষণা কৰিছিল। আনফালে সুৰেন্দ্ৰনাথ বানাৰ্জীৰ নেতৃত্বত নৰমপন্থী সকলে আঁচনিখনক ওলগ জনাইছিল আৰু ইয়াক কাৰ্যকৰী কৰাত মত পোষণ কৰিছিল। তেনে এটা উত্তপ্ত পৰিবেশতে বিখ্যাত আইনজীবি আৰু দেশপ্ৰেমিক চি. আৰ. দাসে কুটুবদিয়াৰ ৰাজনৈতিক বন্দীসকলৰ পৰা তাৰবাৰ্তা যোগে তেওঁলোকৰ হৈ আদালতত মোকৰ্দমা চলাবলৈ অনুৰোধ পালে। তেওঁ এই ৰাজনৈতিক

বন্দীসকলৰ কথা জানিছিল আৰু তেওঁলোকৰ হকে মাত মতাটো এটা নৈতিক দায়িত্ব-ৰূপে গ্ৰহণ কৰিছিল। 1918 চনৰ আঠ জুন তাৰিখে তেওঁ সেই সোতৰ জন বন্দীৰ হকে আদালতত থিয় হবলৈ চট্টগ্ৰামলৈ তুৰন্তে যাত্ৰা কৰিলে। শ্ৰীদাসক এই বিষয়ত সহায় কৰিছিল ঢাকাৰ জেষ্ঠ অধিবক্তা এ. কে. ফজৰুল হক আৰু শিৰিশ চন্দ্ৰ চট্টোপাধ্যায়ে। শ্ৰীদাসক এই মোকৰ্দমাত সৰ্বতোভাবে সহায় কৰিছিল জে. এম. সেনগুপ্তই। চট্টগ্ৰামত কুটুবদিয়া মোকৰ্দমাটো চলি থকা দুসপ্তাহ সময় এওঁ ব্যস্ততাৰে শ্ৰীদাসক বাসস্থানত আৰু আদালতত লগ দিছিল।

সেই সময়ত সেনগুপ্ত আছিল চকল ডেকা অভিবক্তা। তেওঁৰ যুক্তি আছিল প্ৰখৰ। বন্দীসকলক পূৰ্ণ সমৰ্থন কৰি তেওঁ চৰকাৰী পক্ষক সুবুদ্ধিৰে থকাসৰকা কৰিছিল। বন্দীসকলৰ এটা আপত্তি আছিল যে তেওঁলোকক হাত ধুবলৈ শৌচাগাৰত চাবোন দিয়া নহৈছিল। বিষয়টোৰ প্ৰসঙ্গত আদালতত চৰকাৰীপক্ষৰ এজন সাক্ষীক সেনগুপ্তই প্ৰশ্ন কৰি থকা সময়ত বিচাৰক গৰাকীয়ে মন্তব্য দিলে যে তেওঁলোকৰ দিনত তেওঁলোকে চাবোন ব্যৱহাৰ কৰক চাৰি হাতেৰে চাবোন স্পৰ্শকে কৰা নাছিল। জে. এম. সেনগুপ্তই বিচাৰক গৰাকীৰ এই টিপ্পনী সহ্য কৰিব নোৱাৰিলে। তেওঁ তৎক্ষণাৎ উত্তৰ দিলে, "হয় মাননীয় বিচাৰপতিয়ে ঠিকেই কৈছে, আজিকালিও কোনো কোনোৱে শৌচাগাৰৰ পৰা আহি হাত ভৰি নোধোৱাকৈয়ে লেতেৰা হৈ থাকি ভাল পায়।" সেনগুপ্তৰ এই উত্তৰত বিচাৰকক্ষত থকা সমূহ দৰ্শকৰ হাঁহিৰ ৰোল উঠিল, আদালতৰ আসনত উপবিষ্ট বিচাৰক মণ্ডলীৰ মুখ বন্ধ হ'ল।

সেনগুপ্তই বন্দীসকলৰ সমৰ্থনত যুক্তি দৰ্শাই কৈছিল যে তেওঁলোকৰ সোতৰ জনে বাস্তৱিকতে দ্বীপটোৰ পৰা পলাই সাৰিব খোজা নাছিল। তেওঁলোকে মাত্ৰ তেওঁলোকৰ ন্যায়সঙ্গত দাবী, থকা মেলাত ভোগা বিলৈ বিপত্তিখিনি চট্টগ্ৰামৰ জিলাধিপতিক জনাবলৈ আহিছিল। সেইবাবে তেওঁলোকক আইন ভঙ্গ কৰা অপৰাধত জগৰীয়া কৰা কোনো যুক্তি থাকিব নোৱাৰে। কিন্তু আদালতে বন্দীকেইজনক দোষী সাব্যস্ত কৰি পুনৰ নিৰ্দিষ্ট স্থানত অতিৰিক্ত তিনিমাহৰ কাৰাদন্দৰ আদেশ দি সাম্ৰাজ্যবাদী ইংৰাজ শাসকৰ প্ৰভুত্ব বাহাল ৰাখিলে।

চট্টগ্ৰামত মোকৰ্দমা সংক্ৰান্তত থকা সময়খিনি চি. আৰ. দাসে যাত্ৰামোহন সেনৰ ঘৰত (যতীন্দ্ৰমোহনৰ দেউতাক) সন্মানীয় অতিথি স্বৰূপে থাকিব লগাত পৰিছিল। চি. আৰ. দাসে যাত্ৰামোহন সেনক পিতৃবৎ ভক্তি কৰিছিল আৰু তেওঁৰ ভৰিৰ ধূলা মূৰতলৈ বঙলা ৰীতি অনুযায়ী প্ৰণিপাত জানাইছিল (এই কথা যতীন্দ্ৰমোহনে দেশবন্ধুৰ জীৱনীকাৰ এইচ. এন. দাসগুপ্তক কৈছিল)।

এইখিনিতে উল্লেখ কৰা উচিত হব যে চট্টগ্ৰামত কুটুবদিয়া মোকৰ্দমা সম্পৰ্কত চি. আৰ. দাস প্ৰায় পোন্ধৰ দিন থাকিব লগা হৈছিল। তেওঁ মোকৰ্দমাত থিয় দিয়া বাবে কোনো পইছা লোৱা নাছিল। (তেওঁ চলিবলৈ বৰং আনৰ পৰা টকা ধাৰে লৈছিল) কুটুবদিয়া মোকৰ্দমাটো অন্তপৰাৰ পিছতো চি. আৰ. দাসক চট্টগ্ৰামৰ

আদালতত তিনি চাৰিটা কঠিন ফৌজদাৰী মোকৰ্দমাৰ বাবে উকীল ধৰিব খোজা হৈছিল আৰু প্ৰত্যেকটো মোকৰ্দমাৰ বাবে তেওঁক কুৰি হজাৰ টকাৰ পৰা ত্ৰিশহাজাৰ টকালৈ মাননি আগবঢ়োৱা হৈছিল। কিন্তু কলিকতালৈ উভতি আহি এটা ৰাজনৈতিক মোকৰ্দমাত লাগিব লগা হোৱাত তেওঁ চট্টগ্ৰামত থাকিব নোৱাৰিলে। চি. আৰ. দাসক কবলৈ গলে, টকাৰ প্ৰতি আসক্তি নাছিল। দেশপ্ৰেম আছিল তেওঁৰ সাধু মনোবৃত্তি। ৰাজনৈতিক বন্দীক আইনৰ যোগেদি সৰ্বতো প্ৰকাৰে সহায় কৰা তেওঁৰ ধৰ্ম আছিল। যতীন্দ্ৰমোহনে চি. আৰ. দাসৰ এই মনোবৃত্তি প্ৰশংসা কৰিছিল আৰু নিজৰ ক্ষেত্ৰতো এই আদৰ্শ প্ৰতিফলিত কৰিবলৈ যত্ন কৰিছিল। যতীন্দ্ৰমোহনৰ তীব্ৰ কৰ্তব্যবোধ আৰু আচৰণত সেয়েহে আমি চি. আৰ. দাসৰ যথোচিত প্ৰভাব দেখিবলৈ পাওঁ। চি. আৰ. দাস আৰু জে. এম. সেনগুপ্তৰ যুগ্ম প্ৰতিভাই যে ভাৰতৰ মুক্তি আন্দোলনত বিচক্ষণভাৱে ব্যাপকতা লাভ কৰিছিল, সেই বিষয়ে দ্বিমত নাছিল। যতীন্দ্ৰমোহনে চি. আৰ. দাসৰ আদৰ্শৰ দ্বাৰা কেনেকৈ অনুপ্ৰাণিত হৈছিল তাৰ বিন্দু আভাস তলত দিয়া হল।

দেশবন্ধুৰ চিৰস্মৰণীয় বক্তৃতা

চিত্তৰঞ্জনৰ চট্টগ্ৰাম ভ্ৰমণৰ তাৎপৰ্য তেওঁৰ দুটা সদাস্মৰণীয় বক্তৃতাৰ মাজেদি বঢ়িয়াকৈ ফুটি ওলাইছিল। জাতীয়তাবোধৰ যথাৰ্থ নিদৰ্শন স্বৰূপে এটা বক্তৃতাই দেশত নেতৃত্বৰ দৃষ্টান্ত সূচক পৰিবৰ্তনৰ ঘোষণা কৰিছিল। এই ঘোষণাই সুদূৰপ্ৰসাৰী পৰিণতি চিহ্নিত কৰিবলৈ সমৰ্থ হৈছিল।

তেওঁ প্ৰথম বক্তৃতাটো দিছিল 1918 চনৰ ওঠৰ জুন তাৰিখে। চট্টগ্ৰামৰ বুদ্ধিজীৱি আৰু ছাত্ৰসমাজে সদৰঘাটত থকা বিশ্বম্বৰ সভাগৃহত খ্যাতি সম্পন্ন বেৰিষ্টাৰ চি. আৰ. দাসৰ “সাম্প্ৰতিক পৰিস্থিতি” বিষয়ে বক্তৃতা শুনিবলৈ দলে দলে সমবেত হৈছিল। এই বক্তৃতাৰ মূল আকৰ্ষণ আছিল “মণ্টকৰ্ড ৰিকৰম্ স্কীম”ৰ বিৰুদ্ধে ৰাইজক অৱগত কৰোৱা। কংগ্ৰেছৰ উগ্ৰপন্থী সকলে এই আঁচনিখন ভাৰতীয় জাতীয়তাবাদৰ প্ৰত্যাহ্বান স্বৰূপ বুলি অভিহিত কৰিছিল। চি. আৰ. দাসে তেওঁৰ ব্যস্ততাপূৰ্ণ সময়ৰ মাজতো চট্টগ্ৰাম এছচিয়েশ্যনে আয়োজন কৰা ৰাজহুৱা সভাত এঘণ্টাৰো অধিক সময় জুৰি বক্তৃতা দিছিল। এই সভাৰ সভাপতি আছিল যাত্ৰামোহন সেনগুপ্ত। সভাপতিৰ নাম প্ৰস্তাৱ কৰিছিল যতীন্দ্ৰমোহনে।

কবলৈ গলে চিত্তৰঞ্জনে দিয়া এই নব্বৈ মিনিটৰ বক্তৃতাটো আছিল অত্যন্ত প্ৰাণস্পৰ্শী। ভাৰতবৰ্ষৰ ৰাজনৈতিক আশা আৰু লক্ষ্যক উদ্দেশ্য কৰি প্ৰস্তাৱিত মণ্টেগু সংস্কাৰ আঁচনিৰ বিধিসমূহ তেওঁ কটু সমালোচনা কৰিছিল। আঁচনিখনযে সাৰগৰ্ভশূন্য, সেই কথা তেওঁ যুক্তিৰে দাঙি ধৰিছিল। সুৰেন্দ্ৰনাথ বানাৰ্জীয়ে আঁচনিখন সমৰ্থন কৰাটো দুৰ্ভাগ্যজনক, সেই কথা তেওঁ সমবেত ৰাইজক স্মৰণ কৰাইছিল। দাসে এই সন্দৰ্ভত সুৰেন্দ্ৰনাথ বানাৰ্জীয়ে “দি বেংগলি” নামৰ সাময়িকীত লেখা প্ৰাদেশিক স্বতন্ত্ৰতাৰ বিষয়ে উল্লেখ কৰিছিল, আক্ষেপৰ সুৰত কৈছিল যে যি গৰাকী ৰাষ্ট্ৰগুৰুৱে দেশৰ

ৰাজনৈতিক চেতনাৰ বিষয়ে কি দৰে প্ৰস্তাৱকৰ ভাওঁ ধৰি "মণ্টফৰ্ড ৰিফৰম্ স্কীমৰ" দৰে কলা অশুভকাৰী আঁচনি এখন গ্ৰহণৰ সপক্ষে মাত মাতে ? দাসে কৈছিল, "মই মোৰ মনৰ ক্ষোভ প্ৰকাশ কৰিছো, কাৰণ মই বিষয়টো গভীৰভাৱে অনুভৱ কৰিছো। মই ভাবিছো যে—সুৰেন্দ্ৰনাথ বানাৰ্জীয়ে এনেকুৱা এটা অমঙ্গলজনক বিষয়ত সমৰ্থন জনাই ৰাইজক বিভ্ৰান্ত কৰিব খুজিছে। আমাক পিছফালৰ পৰা ছুৰি বহুৱাব খুজিছে। সভাকক্ষই চিত্তৰঞ্জন দাসৰ বক্তৃতা অকল মনোযোগেৰে শুনাই নহয়, সভাত উপস্থিত থকা সকলোৱে তেওঁৰ তেজোদীপ্ত বক্তৃতাত হাতচাপৰিমাৰি পূৰ্ণ সমৰ্থন জনাইছিল। শ্ৰীদাসৰ বক্তৃতাৰ অন্তত যেতিয়া যতীন্দ্ৰমোহনে শলাগৰ শৰাই যাচিবলৈ থিয় দিছিল, তেতিয়া সমূহ ৰাইজে বিপুল হৰ্ষধ্বনিৰে তেওঁৰ কথাত হয়ভৰ দিছিল। চট্টগ্ৰামৰ বাসিন্দা হিচাপে যতীন্দ্ৰমোহনে তেওঁৰ ভৱিষ্যত ৰাজনৈতিক গুৰু চিত্তৰঞ্জন দাসক অকুণ্ঠ ভাষাৰে শলাগ লৈছিল আৰু কৈছিল যে তেওঁৰ বক্তৃতাৰ প্ৰত্যেকটো কথা মৰ্মে মৰ্মে চট্টগ্ৰামৰ ৰাইজে হৃদয়ঙ্গম কৰিছে আৰু তাক কাৰ্যত ফলবতী কৰিবলৈ দৃঢ়সংকল্প গ্ৰহণ কৰিছে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত চট্টগ্ৰামবাসীয়ে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিবলৈ উদগ্ৰীব হৈ আছে আৰু পথৰ সন্ধান বিচাৰিছে। যতীন্দ্ৰমোহনৰ এই বক্তৃতা আছিল প্ৰথম ৰাজহুৱা ঘোষণা। সমগ্ৰ চট্টগ্ৰামবাসীয়ে বিস্ময়নেত্ৰে এই বিদ্ৰোহীবীৰ জনলৈ চাই আছিল। তেওঁলোক বিশ্বাস কৰিছিল যে আত্মপ্ৰস্তুতি, জাতীয় ঐক্য, সংঘবদ্ধ প্ৰতিবাদ আৰু অত্যাচাৰৰ প্ৰতিৰোধৰ বাবে এনে প্ৰেৰণা সঁচাকৈয়ে সময়োপযোগী।

প্ৰথম বক্তৃতাৰ চাৰিদিনৰ পাছত চিত্তৰঞ্জন দাসে তেওঁৰ দ্বিতীয় বক্তৃতাৰ পাতনি মেলে। (1918, 22 জুন) এই বক্তৃতাতো তেওঁ কংগ্ৰেছৰ নৰমপন্থী সকলক চোকা বাক্যবানেৰে আক্ৰমণ কৰিছিল। সুৰেন্দ্ৰনাথ বানাৰ্জীক বিশেষকৈ তেওঁ কটুসমালোচনা কৰি ৰাইজৰ প্ৰকৃত প্ৰতিনিধি বুলি গ্ৰাহ্য নকৰিছিল। তেওঁ কৈছিল, "দেশৰ শক্তি ৰাইজৰ প্ৰকৃত প্ৰতিনিধি। তেওঁ কৈছিল, দেশৰ শক্তি ৰাইজৰ ঐক্যৰ ওপৰত প্ৰতিষ্ঠিত। যিসকলে ৰাইজক সন্ধিক্ষণত ভুল পথ পৰিহাৰ কৰি শুদ্ধ পথৰ নিৰ্দেশ দিব পাৰে সেই সকলেহে ৰাইজৰ প্ৰকৃত প্ৰতিনিধি বুলি দাবী কৰিব পাৰে। দাসে আৰু কৈছিল— "আমাৰ জাতীয় স্বত্বক স্বীকৃতি নিদিয়া কোনো প্ৰস্তাৱকে আমি গ্ৰহণ নকৰো। দেশবাসীৰ জাতীয় স্বত্বক যি প্ৰস্তাৱে সন্মান জনাব, তেনে প্ৰস্তাৱহে আমাৰ বাবে প্ৰকৃত প্ৰস্তাৱ বুলি গণ্য কৰা হ'ব। মই কাৰো অনুগ্ৰহ বিছৰা নাই, মই মোৰ জন্মস্বত্ব ৰক্ষাৰ হকে নিৰ্ভীক ভাবে থিয় দিম।"

বক্তৃতাৰ সামৰণিত চি. আৰ. দাসে যতীন্দ্ৰমোহনৰ বিষয়ে আৰু তেওঁৰ উজ্জ্বল ভৱিষ্যতৰ বিষয়ে উল্লেখ কৰিছিল। তেওঁ কৈছিল যে যোৱা পোন্ধৰ দিন ধৰি যতীন্দ্ৰ-মোহনক দিনৌ কাষতে লগ পাইছে, কথা-বতৰা হৈছে আৰু সূক্ষ্মভাবে লক্ষ্য কৰিবলৈ সুযোগ লভিছে। এই ডেকাজনৰ উজ্জ্বল ভৱিষ্যত তেওঁ আন্তৰিকভাবে কামনা কৰিছে। চট্টগ্ৰাম বাসীয়ে তেওঁৰ প্ৰতি জনোৱা অপূৰ্বচেনেহৰ প্ৰতি কৃতজ্ঞতা জনাই চিত্তৰঞ্জন দাসে কলিকতা অভিমুখে ৰওনা হৈছিল।

হেমেন্দ্ৰনাথ দাসগুপ্ত মহাশয়ে দেশবন্ধুৰ জীৱন চৰিতত উল্লেখ কৰিছে যে চট্টগ্ৰামৰ ৰাজহুৱা বক্তৃতামালাৰ যোগেদি চিত্তৰঞ্জনৰ ৰাজনৈতিক জীৱনৰ সূত্ৰপাত হৈছিল। ৰাইজৰ এজন একান্ত সেৱক স্বৰূপে তেওঁ ত্যাগৰ মহানমন্ত্ৰ গ্ৰহণ কৰিছিল। আচলতে, দেশবন্ধু আছিল নিসন্দেহ স্বাধীনতা সংগ্ৰামৰ অবিস্মৰণীয় ব্যক্তি, যিজনৰ চিন্তাত, কৰ্মত প্ৰবাহিত হৈছিল ভাৰতবাসীক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত কৰা জাগ্ৰত শক্তি।

সংগ্ৰামৰ বছৰ (1920-21)

যতীন্দ্ৰমোহনৰ ৰাজনৈতিক জীৱনৰ গৌৰৱময় অধ্যায় ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ আৰম্ভণিৰ পৰা ইংৰাজ ৰাজত্বৰ শেষলৈকে নানাভাৱে জড়িত। এই পটভূমিৰ মাজতে তেওঁৰ ৰাজনৈতিক চিন্তাধাৰা কৰ্মপ্ৰেৰণা আৰু গতিপ্ৰকৃতি বিশেষ লক্ষণীয়।

1905-06 চনত আৰম্ভ হোৱা স্বদেশী আন্দোলন আছিল ইংৰাজ শাসনৰ বিৰুদ্ধে ভাৰতবৰ্ষই প্ৰদৰ্শন কৰা প্ৰথম আৰু প্ৰকৃত সক্ৰিয় প্ৰচেষ্টা। সেই সময়ৰ ভাইচৰয় লৰ্ড কাৰ্জনে যেতিয়া বংগ বিভাজন কৰিলে, তেতিয়াই উপনিবেশিক শাসন ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহৰ শিখা প্ৰজ্বলিত হ'ল আৰু সেই প্ৰজ্বলিত শিখাই ভাৰতৰ জনসাধাৰণক উত্তপ্ত কৰি তুলিলে। এই অন্যায়ৰ বিৰুদ্ধে যি সকলে প্ৰথমতে মাত মাতিছিল, সেই সকলৰ ভিতৰত লোকমান্য তিলক, অৰবিন্দ, লালা লাজপৎ ৰায়, বিপিন পাল, যতীন দাস প্ৰভৃতি উল্লেখযোগ্য। এওঁলোকে ইংৰাজ শাসন আৰু শোষণক মূৰ পাতি নলৈ তাৰ বিৰুদ্ধাচৰণ কৰিলে। তেওঁলোকৰ ৰাজনৈতিক চেতনা আৰু দেশপ্ৰীতিৰ অপূৰ্ব উদাহৰণে দেশবাসীৰ মন-প্ৰাণ ৰঞ্জিত কৰি তুলিলে। (আৰ. আৰ. দিৱাকৰ প্ৰণীত আৰু ভাৰত চৰকাৰৰ পাব্লিকেশ্যনছ ডিভিজনৰ দ্বাৰা প্ৰকাশিত 1921 Movement Reminiscences-ত থকা প্ৰবন্ধ seeds were sown দ্ৰষ্টব্য (1971)।

অসহযোগৰ নিদাৰুণ যন্ত্ৰণা

মহাত্মা গান্ধীৰ নেতৃত্বত যেতিয়া অসহযোগ আন্দোলনে মূৰ দাঙি উঠিলে তেতিয়াই ভাৰতৰ স্বাধীনতা সংগ্ৰামে নতুন ৰূপ গ্ৰহণ কৰিলে (1920-21)। এবছৰৰ ভিতৰতে স্বৰাজ ধ্বনিৰে ভাৰতভূমি মুখৰিত হৈ উঠিল। বিদেশী শাসকৰ বিৰুদ্ধে প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ কৰিবলৈ ভাৰতীয় জনগণে মন বান্ধিলে। 1920 চনৰ চেপ্তেম্বৰ মাহত কলিকতাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মূল অধিবেশন বহাৰ প্ৰাক্ মুহূৰ্ত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম কৰ্ণধাৰ লোকমান্য বাল গংগাধৰ তিলকৰ মৃত্যু ঘটিল। এই মৃত্যুত সমগ্ৰ ভাৰতবৰ্ষত শোকৰ ছাঁ পৰিল, ভাৰতীয় নেতা সকল ম্ৰিয়মান হ'ল।

তিলক আছিল অসাধাৰণ দুঃসাহসী স্বাধীনতা যোদ্ধা। ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত কুৰি বছৰ ব্যাপি (1900-1920) তেওঁ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁক চাৰ ভেলেনটাইন চিৰলে' (The Statesman কাকত 1910 চনৰ এইকেছ ডিচেম্বৰৰ সংখ্যাৰ সম্পাদকীয় চৰাত বৰ্ণনা কৰা মতে) "অশান্ত ভাৰতৰ পিতা" বুলি অভিহিত

কৰিছিল যদিও প্ৰকৃত আখ্যা দিছিল, মহাত্মা গান্ধীয়ে। মহাত্মা গান্ধীয়ে লোকমান্য তিলকক "আধুনিক ভাৰত গঢ়োতা" নামেৰে প্ৰশংসা কৰিছিল। প্ৰকৃততে তিলক আছিল বিবদমান জাতীয়তাবাদী নেতা। তেওঁৰ ভাবধাৰাত ভাৰতৰ প্ৰাচীন সংস্কৃতি আৰু শিক্ষা উন্মুলিত হৈছিল। তাৰোপৰি তেওঁৰ মুখৰ পৰাই মন্ত্ৰ ধ্বনিৰ দৰে স্বতঃস্ফুৰ্ত উচ্চাৰণ হৈছিল ভাৰতবাসীৰ মহানমন্ত্ৰ, 'স্বৰাজ আমাৰ জন্মস্বত্ব'। এই মহান বাণী আখৰে আখৰে স্পষ্ট হৈ উঠিছিল ইংৰাজ শাসনৰ ক্ৰমবৰ্দ্ধিত শোষণ ব্যৱস্থাত। মহাত্মা গান্ধীয়ে তেওঁৰ অসহযোগ আন্দোলনৰ কাৰ্যসূচী সম্পূৰ্ণভাবে সমৰ্থন নকৰিছিল তথাপি তেওঁ নীতিগত পাৰ্থক্য থকা স্বত্বেও তাৰ বিপক্ষে থিয় দিয়া নাছিল। কবলৈ গলে তিলকৰ যুগ অৱসান ঘটিল মহাত্মা গান্ধীৰ আবিৰ্ভাৱৰ লগে লগে। জনসাধাৰণে গান্ধীৰ নেতৃত্বত নতুন আশাৰ ৰেঙনি দেখিবলৈ পালে। তিলকৰ মৃত্যুৰ দিনা গান্ধীয়ে চকুপানী টুকি কৈছিল "তিলকৰ পাছত এতিয়া কোন ওলাব" ?

নতুন ভাৰত নিৰ্মাণৰ বাবে গান্ধীয়ে নতুন প্ৰচেষ্টা চলালে। এই প্ৰস্তুতি পৰ্বত আবিৰ্ভাৱ হ'ল পণ্ডিত মতিলাল নেহৰু আৰু তেওঁৰ পুত্ৰ জৱাহৰলাল নেহৰু। জালিয়ানাবাগৰ নৰমেধ যজ্ঞই দেশৰ জনসাধাৰণক বিক্ষুদ্ধ কৰি তুলিলে। স্বাধীনতা সংগ্ৰামৰ জাগৰণে শিক্ষিত সমাজৰ হৃদয় গভীৰভাৱে আন্দোলিত কৰিলে। দেশপ্ৰেমিকৰে গোটেই ভাৰতভূমি মুখৰিত হ'ল।

এই জাতীয় জাগৰণত বংগদেশৰ বৰঙনি বিশেষ তাৎপৰ্যপূৰ্ণ। স্বদেশপ্ৰীতিৰ সংখ্যাগৰিষ্ঠতা প্ৰদৰ্শন কৰি বংগদেশত আত্মপ্ৰকাশ কৰিলে অনেক দেশপ্ৰেমিকে। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত যোগ দিবলৈ দলে দলে শিক্ষিত লোক আগবাঢ়ি আহিল। কোনো কোনো আহিল প্ৰথম আহ্বানতে সহাৰি জনায়। কোনো কোনো আহিল ভাবিচিন্তি লাহে লাহে। কোনো কোনোৱে কিছুদিন আন্দোলনত লাগি অৱসৰ ললে। কোনো কোনোৱে বাহিৰত থাকি সমৰ্থন জনালে। সকলোৰে মনত জাতীয় জাগৰণৰ নিচা প্ৰধান ৰূপ হৈ উঠিল।

যিসকলে চি. আৰ. দাসৰ লগত যোগদিবলৈ আগবাঢ়ি আহিছিল, সেই সকলৰ ভিতৰত আবুল কালাম আজাদ, যতীন্দ্ৰমোহন সেনগুপ্ত, সুভাষচন্দ্ৰ বসু, শ্যামসুন্দৰ চক্ৰৱৰ্তী, বীৰেন্দ্ৰনাথ শশ্মল, পীৰ বাদচাহ মীঞা, জীতেন্দ্ৰলাল ব্যানাৰ্জী, নিৰ্মলচন্দ্ৰ চন্দ্ৰ, শৰৎচন্দ্ৰ বসু, তুলসীচৰণ গোস্বামী, সত্যেন্দ্ৰচন্দ্ৰ মিত্ৰ, অনিলবৰণ ৰয়, সুৰেশচন্দ্ৰ ব্যানাৰ্জী, সতীশচন্দ্ৰ দাসগুপ্ত, প্ৰফুল্লচন্দ্ৰ ঘোষ, কিৰণশংকৰ ৰায়, নৃপেন্দ্ৰচন্দ্ৰ ব্যানাৰ্জী, হেমন্তকুমাৰ চৰকাৰ প্ৰভৃতি দেশপ্ৰেমিকৰ নাম উল্লেখযোগ্য।

আশা কৰা মতেই স্বাধীনতা সংগ্ৰামত বংগদেশৰ সক্ৰিয় অংশ গ্ৰহণ আন আন ৰাজ্যৰ তুলনাত অধিক উৎসাহজনক। দেশপ্ৰীতিৰ অভিনৱত্ব ফুটি ওলাইছিল যেতিয়া বংগদেশৰ বহুসংখ্যক উকীলে নিজ ব্যৱসায় এৰি দেশৰ মুক্তিৰ হকে ওলাই আহিছিল। সমগ্ৰ ভাৰতবৰ্ষত এনেদৰে আগবাঢ়ি অহা উকীলৰ শ্ৰেণীৰ সংখ্যা পোন্ধৰ শ হৈছিল আৰু ইয়াৰে ন কাশ গৰাকী উকীল অকল বংগদেশৰ পৰাই ওলাই আহিছিল। আন্দোলনৰ

কালত বংগদেশতে সংখ্যাধিক আটক আৰু উৎপীড়ন চলিছিল। আনহাতে দেশৰ ঘটনামূলক কামটো বংগদেশে অদ্বিতীয় আসন অধিকাৰ কৰিছিল (অৰুণচন্দ্ৰ গুহৰ প্ৰবন্ধ, Quarter Century of India's struggle, Sunday A. B. Patrika, January 17, 1971 দ্ৰষ্টব্য)।

বংগদেশৰ সকলো জিলাৰ ভিতৰত চট্টগ্ৰাম আছিল আগবঢ়ুৱা। গান্ধীজীয়ে 1922 চনৰ বাইছ জানুৱাৰী সংখ্যা ইয়ং ইণ্ডিয়াত লেখিছিল—"চট্টগ্ৰাম আছিল সকলোৰে আগত।" এই স্বাক্ষৰিত প্ৰবন্ধত চট্টগ্ৰামৰ অভূতপূৰ্ব সঁহাৰিৰ কথা বৰ্ণনা কৰিছিল। কলিকতাত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ বিশেষ বৈঠক বহাৰ পাছতে চট্টগ্ৰামত আৰম্ভ হৈছিল অসহযোগ আন্দোলন। বিক্ষিপ্তভাৱে নহয়, সামগ্ৰিকভাৱে এলানি ঘটনাৰ মাজেদি এই আন্দোলনে তীব্ৰ গতি লাভ কৰিছিল।

দেশবন্ধুৱে অসহযোগ আন্দোলনৰ বাণী বংগদেশৰ জিলাই জিলাই ভ্ৰমণ কৰি প্ৰচাৰ কৰিছিল। 1921 চনৰ 14 মাৰ্চ তাৰিখে তেওঁ আহি যেতিয়া চট্টগ্ৰামত উপস্থিত হ'লহি, তেতিয়া তেওঁৰ লগত যোগ দিলে যতীন্দ্ৰমোহন আৰু নেলী সেনগুপ্তাই। অসহ-যোগ আন্দোলনৰ অন্য এগৰাকী প্ৰৱৰ্তক অধ্যাপক হেমন্তকুমাৰ চৰকাৰ আছিল দেশবন্ধুৰ পদযাত্ৰী। চট্টগ্ৰামত দেশবন্ধুৱে যতীন্দ্ৰমোহন আৰু নেলীৰ ঘৰত উঠিছিল। এইখন ঘৰৰ লগত তেওঁৰ পৰিচয় আগতে ঘটিছিল বাবে তেওঁ আহি তাতে বাহৰ পাতিছিল। 1918 চনত যেতিয়া তেওঁ এটা মোকৰ্দমাৰ সংক্ৰান্তত ইয়ালৈ আহিছিল তেতিয়াই তেওঁ এই ঠাইৰ মানুহৰ দেশ-প্ৰীতিৰ পৰিচয় পাইছিল। আকৌ, প্ৰায় চাৰি বছৰৰ পাছত আহি তেওঁ সেই একে উৎসাহ উদ্দীপনা দেখিবলৈ পাই অতিশয় প্ৰফুল্লিত হ'ল। চট্টগ্ৰামত দেশবন্ধুৱে স্থানীয় নেতাসকলক লগ পালে। এই সকলৰ ভিতৰত মহিমচন্দ্ৰ দাস, ত্ৰিপুৰাচৰণ চৌধুৰী, কাজেম আলি, মণিৰুজ্জামান ইছলামাবাদী প্ৰভৃতিৰ নাম লব পাৰি। অসহযোগ আন্দোলনৰ কাৰ্যসূচী প্ৰণয়ন কৰোতে এটা কথা নিৰ্ণয় কৰা হৈছিল। সেইটো হ'ল কিমান লোকে আইন বা আন আন ব্যৱসায় পৰিত্যাগ কৰি জাতীয় দায়িত্ব পালন কৰিবলৈ আৰু সম্পূৰ্ণভাৱে আন্দোলনৰ কামত ব্ৰতী হবলৈ, লগতে দেশৰ মুক্তিৰ হকে যি কোনো ত্যাগ, কষ্ট মূৰ পাতি লবলৈ আগবাঢ়ি আহিব পাৰে তাৰ এটা অভিলেখ প্ৰস্তুত কৰা। দেশবন্ধুৰ দৃষ্টি মূলতঃ নিক্ষেপ হৈছিল তেওঁৰ প্ৰিয় অনুগামী যতীন্দ্ৰমোহনৰ ওপৰত। যতীন্দ্ৰমোহনৰ ওপৰতে তেওঁ অধিক বিশ্বাস আৰু গুৰুত্ব দি আন্দোলন পৰিচালনা কৰাৰ দায়িত্ব দিছিল। যতীন্দ্ৰমোহনে দেউতাক যাত্ৰামোহনৰ দৰে দাসৰ প্ৰিয়ভাজন হব পাৰিছিল আৰু নিজ কৰ্মপ্ৰেৰণাৰ পৰিচয় দিছিল। দাসে যতীন্দ্ৰমোহনক অন্ততঃ তিনিমাহৰ বাবে ওকালতি ব্যৱসায় বন্ধ ৰাখি তেওঁৰ ডেকাশক্তি আন্দোলন পৰিচালনাৰ প্ৰাথমিক স্তৰত নিয়োগ কৰিবলৈ উপদেশ দিছিল। চিত্তৰঞ্জন দাসৰ আকৰ্ষণীয় ব্যক্তিত্বৰ প্ৰতি যতীন্দ্ৰমোহনৰ গভীৰ শ্ৰদ্ধা আছিল। দেশৰ বাবে চিত্তৰঞ্জনে যি মহান ত্যাগ কৰিছে তাৰ প্ৰতি যতীন্দ্ৰই সদায় মূৰ দোৱাঁইছিল। ওকালতিৰ উজ্জ্বল প্ৰত্যাশা বিসৰ্জন দি এই বয়সতে দেশৰ কামত ওলাই অহা কথাটো তেওঁৰ বাবে এটা

কঠিন প্ৰশ্ন হৈ পৰিল। ওকালতিৰ যোগেদি যি ধন তেওঁ ঘটিছিল সেই ধন আছিল তেওঁৰ একমাত্ৰ উপাৰ্জন। ইযাৰে তেওঁ এটা ডাঙৰ পৰিয়ালক ভৰণপোষণ দিছিল। এতিয়া ওকালতি এৰিলে তেওঁৰ জীৱিকাৰ পথ বন্ধ হব, পৰিয়াল লঘোনে ভোকে মৰিব। বহুত ভবা-চিন্তা কৰি যতীন্দ্ৰমোহনে মনস্থিৰ কৰি পেলালে। দেশমাতৃৰ আহ্বান আৰু লগতে তেওঁ প্ৰিয় নেতাৰ আমন্ত্ৰণ দুয়োটাকে তেওঁ নিজৰ ব্যক্তিগত সমস্যাত কৈ অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিলে আৰু স্বৰাজৰ হকে আত্মবলিদান দিবলৈ ওলাই আহিল।

চিত্তৰঞ্জন দাস চট্টগ্ৰামত উপস্থিত হোৱাৰ লগে লগে আন্দোলনৰ গতিয়ে নতুন ৰূপ ললে। স্থানীয় নেতা সকলৰ লগত আলোচনা কৰি তেওঁ কাৰ্যসূচী এনেভাৱে যুগুত কৰিলে যাতে কতো কেৰোণ নাথাকে, যাতে আন্দোলনত সমূহ চট্টগ্ৰামবাসীয়ে বিনা দ্বিধাই অংশ গ্ৰহণ কৰিব পাৰে। কাৰ্যসূচীৰ প্ৰথম পদক্ষেপ হ'ল—জনসভাৰ আয়োজন কৰা। এই জনসভাত ৰাইজৰ সঁহাৰি পোৱা গ'ল অভূতপূৰ্ব। চিত্তৰঞ্জনে সমবেত ৰাইজক, চট্টগ্ৰামৰ ডেকা বুঢ়া, ল'ৰা-ছোৱালী সকলোকে উদাত্ত কণ্ঠেৰে দেশমাতৃৰ উদ্ধাৰৰ বাবে ওলাই আহি মহাত্মা গান্ধীৰ নেতৃত্ব কৃতকাৰ্য কৰিবলৈ আহ্বান জনালে। গান্ধীজীয়ে এবছৰৰ ভিতৰতে স্বৰাজ লাভৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। চিত্তৰঞ্জনৰ মুক্তি-ব্যাকুল আহ্বানত সমগ্ৰ চট্টগ্ৰাম সচেতন হৈ উঠিল। এটা সুস্পষ্ট নিনাদেৰে আকাশে বতাহে মুখৰিত হ'ল দেশ মাতৃকাৰ জয়গান। অধ্যাপক হেমন্ত কুমাৰ চৰকাৰেও সভাত তেজোদীপ্ত বক্তৃতা দিছিল। বক্তৃতাৰ প্ৰতিক্ৰিয়া আছিল বিদ্যুতৰ দৰে চকুত চমকলগা। মহিমচন্দ্ৰ দাস, উমেশচন্দ্ৰ গুহ, মোক্ষদা ৰঞ্জন কাননগো', ৰমেশচন্দ্ৰ ৰক্ষিত প্ৰভৃতি উকীলে তেওঁলোকৰ ওকালতি স্থগিত ঘোষণা কৰিলে কাজেম আলি মীএগ, ত্ৰিপুৰাচন্দ্ৰ চৌধুৰী, মৌলানা মনিৰুজ্জামান ইছলামাবাদী, আলি আহমেদৱালী আদিয়ে পূৰ্ণ সহযোগ দিবলৈ আগবাঢ়ি আহিল। যেতিয়া চি. আৰ. দাসে ঘোষণা কৰিলে যে যতীন্দ্ৰমোহনেও (তেওঁ সভালৈ পলমকৈ আহিছিল) ওকালতি বন্ধ ৰাখিব, তেতিয়া বিৰাট জনসভাত হৰ্ষধ্বনি হৈছিল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে কলিকতাত বহা কংগ্ৰেছৰ বিশেষ বৈঠকত (1920 চেপ্তেম্বৰ মাহ) চি. আৰ. দাসে অসহযোগ আন্দোলনৰ প্ৰস্তাৱৰ বিৰুদ্ধে নিজমত দাঙি ধৰিছিল। কিন্তু সেইবছৰৰে ডিচেম্বৰ মাহত নাগপুৰত বহা মুকলি সভাত অন্তত চি. আৰ. দাসে নিজৰ মতৰ পৰিবৰ্তন কৰিলে। তেওঁ নাগপুৰৰ সভালৈ আহিছিল অসহযোগ আন্দোলনৰ প্ৰস্তাৱৰ মূল খচৰাৰ প্ৰতিবাদ জনাবলৈ। লগত আহিছিল বংগদেশৰ পৰা এটা ডাঙৰ প্ৰতিনিধি দল। প্ৰস্তাৱটো যাতে গৃহীত নহয় তাৰ বাবে চি. আৰ. দাসৰ নেতৃত্বত বংগদেশৰ প্ৰতিনিধি দলটোৱে সুদৃঢ়ভাৱে থিয় দিছিল। কিন্তু এটা কোনেও নভবা-নিচিন্তা কাম হ'ল। চি. আৰ. দাসৰ লগত প্ৰস্তাৱটোৰ বিষয়ে গোপনে মহাত্মা গান্ধীয়ে আলোচনা কৰিলে। দুয়োৰে ঘৰুৱা আলোচনাৰ পাছত চি. আৰ. দাসে প্ৰস্তাৱৰ বিৰোধিতা কৰা মনোভাৱ ত্যাগ কৰিলে।

তেওঁ প্ৰস্তাৱটোৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই ইয়াক কাৰ্যকৰী কৰিবলৈ থিক কৰিলে। প্ৰস্তাৱটোত গৃহীত হৈছিল, তেওঁ দিয়া সংশোধনীৰ সৈতে। কলিকতালৈ উভতি আহিয়েই চিত্তৰঞ্জনে নিজৰ জয় জয় ময় ময় ওকালতি ব্যৱসায় বন্ধ কৰিলে। তেওঁৰ ভোগৰ জীৱনৰ সলনি আৰম্ভ হ'ল গণ-আন্দোলন। সংগ্ৰামী মনোভাৱেৰে তেওঁ স্বাধীনতা আন্দোলনত জপিয়াই পৰিল। চিত্তৰঞ্জনৰ ত্যাগৰ নিদৰ্শন দেখি সমগ্ৰ দেশ মোহিত হৈছিল। গান্ধীজীৰ ব্যক্তিত্বৰ সংস্পৰ্শলৈ আহি তেওঁ অসহযোগ আন্দোলনক ক্ষিপ্ৰগতিৰে আগবঢ়াই নিবলৈ নেতৃত্ব গ্ৰহণ কৰিলে।

ইতিমধ্যে আৰু এটা বিস্ময়পূৰ্ণ ঘটনা ঘটিল। চট্টগ্ৰাম চৰকাৰী মহাবিদ্যালয়ৰ উপাধ্যক্ষ নৃপেন্দ্ৰচন্দ্ৰ বানাৰ্জীয়ে চিত্তৰঞ্জনক লগ ধৰি জনালে যে তেওঁ চাকৰিৰ পৰা ত্যাগপত্ৰাদি ওলাই আহিব। অধ্যাপক বানাৰ্জীৰ ত্যাগ আৰু দেশ-প্ৰীতিৰ পৰিচয় পাই চিত্তৰঞ্জন মুগ্ধ হ'ল আৰু অধ্যাপক গৰাকীক আঁকোৱালি ধৰি আন্তৰিক অভিনন্দন জনালে। দুয়োজনে আনন্দত কান্দি পেলাইছিল আৰু অনুভূতি প্ৰৱণতাৰে দেশমুক্তিৰ কথা ব্যক্ত কৰিছিল। সেই সময়ত তাত অধ্যাপক হেমন্ত চৰকাৰ আৰু যতীন্দ্ৰমোহনো উপস্থিত আছিল। তেওঁলোকে দৃশ্যটো দেখি অভিভূত হৈ পৰিছিল। কবলৈ গলে, অধ্যাপক নৃপেন্দ্ৰচন্দ্ৰ আছিল এগৰাকী আদৰণীয় আৰু লোকপ্ৰিয় অধ্যাপক। ছাত্ৰ-সকলে তেওঁক যথেষ্ট সন্মান জনাইছিল। যতীন্দ্ৰমোহনে নৃপেন্দ্ৰচন্দ্ৰৰ ত্যাগ দেখি পৰম উৎসাহিত হৈছিল। আনফালে ছাত্ৰসকলে নিজ নিজ শিক্ষানুষ্ঠানৰ পৰা ওলাই আহি অধ্যাপক বানাৰ্জীক অভিনন্দন জনাবলৈ শোভাযাত্ৰা উলিয়াই চহৰখন উত্তপ্ত কৰি তুলিছিল।

চট্টগ্ৰামত তিনিদিন থাকি চিত্তৰঞ্জন উলটিল। যতীন্দ্ৰমোহন ঘৰতে ৰৈ গ'ল। তেওঁৰ গাত আন্দোলন চলাই নিয়াৰ দায়িত্ব পৰিছিল। শোভাযাত্ৰা, সংগঠন আৰু ৰাইজৰ উৎসাহ-উদ্দীপনা বৃদ্ধি কৰিবলৈ তেওঁ এটা সেবাদল গঠন কৰিলে।

মাৰ্চ মাহৰ বিছ তাৰিখে চট্টগ্ৰামত প্ৰথম জিলা কংগ্ৰেছ কমিটি স্থাপন হ'ল আৰু ইয়াৰ সভাপতিৰ দায়িত্ব যতীন্দ্ৰমোহনে গ্ৰহণ কৰিলে। উপ-সভাপতি হ'ল নৃপেন্দ্ৰ-চন্দ্ৰ বানাৰ্জী আৰু সম্পাদক হ'ল মহিমচন্দ্ৰ দাস। এই জিলা কংগ্ৰেস কমিটিৰ সভ্যৰূপে নিৰ্বাচিত হোৱা ব্যক্তিসকলৰ ভিতৰত আছিল—শেখ-ই-সাঁতগাঁ কাছেম আলি. মহীম চন্দ্ৰ দাস, ৰমেশচন্দ্ৰ ৰক্ষিত। ৰমেশচন্দ্ৰ সেন, প্ৰসন্নকুমাৰ সেন, যামিনীৰঞ্জন বসু, মোক্ষদাৰঞ্জন কানুনগো, হৰিচন্দ্ৰ সেন, উমেশচন্দ্ৰ গুহ, কামিনী কুমাৰ ঘোষ, নগেন্দ্ৰ নাথ দাসগুপ্ত (এই কেইজন আছিল ওকালতি এৰি দিয়া নাম থকা উকিল) ত্ৰিপুৰা চৰণ চৌধুৰী, মনিৰুজ্জামান ইছলামাবাদী, শাহ্ বদিয়ুল আলম, আলি, আহমেদ্‌ৱালি, আমানৎ খান, ড. বেণীমোহন দাস, ড. মহীমচন্দ্ৰ দাসগুপ্ত, সুৰেশচন্দ্ৰ বানাৰ্জী, স্বামী জ্ঞানানন্দ আৰু আন আন। আগশাৰীৰ যুবনেতা সকলৰ ভিতৰত সূৰ্যকুমাৰ সেন (বিখ্যাত মাস্টাৰদা), অম্বিকা চক্ৰবৰ্তী, অনন্ত লাল সিংহ, গণেশ ঘোষ, নিৰ্মল কুমাৰ সেন (পাছত এওঁলোক চট্টগ্ৰাম সংগ্ৰাম আন্দোলনৰ নেতা হৈছিল), চাৰু

বিকাশ দত্ত, ধীৰেন্দ্ৰ লাল চক্ৰৱৰ্তী, জ্যোতিশ্বৰ চক্ৰৱৰ্তী, সতীভূষণ সেন, (এওঁলোক আছিল অন্যতম পূৰ্বসূৰী সংগ্ৰামী) সতীশচন্দ্ৰ নাগ, সঞ্জীৱ কুমাৰ সেন, সুশান্ত কুমাৰ চৌধুৰী, সুখেন্দু বিকাশ সেনগুপ্ত, সশীন্দ্ৰ ৰঞ্জন দাস, বৰদা প্ৰসাদ নন্দী, ইক্ৰামুল হ'ক্, জ্যোতিষচন্দ্ৰ কৰ, বিনোদ কুমাৰ সেন প্ৰভৃতি।

জিলা কংগ্ৰেছ কমিটি গঠন হোৱাৰ পূৰ্বে চট্টগ্ৰামত এটা স্বেচ্ছাসেৱক বাহিনী স্থাপিত হৈছিল। ইয়াৰ নাম আছিল 'স্বৰাজ সংঘ'। সূৰ্যকুমাৰ সেন, গিৰিজা শংকৰ চৌধুৰী, অনন্ত সিংহ আৰু আন আন যুবনেতাই এই সংঘ স্থাপন কৰিছিল। বিদেশী বস্তু বৰ্জন কৰি স্বদেশী বস্তু কিনিবলৈ এওঁলোকে আহ্বান জনাইছিল। স্বৰাজ সংঘৰ কামত এওঁলোকে দেহেকেহে খাটিছিল। এওঁলোকৰ কাৰ্যসূচীত আছিল: চহৰৰ বিভিন্ন অঞ্চলত, উপকণ্ঠত দিনে শোভাযাত্ৰা উলিয়াই অসহযোগ আন্দোলনৰ বাণী প্ৰচাৰ কৰা, বিদেশী বস্তু বৰ্জন (বস্ত্ৰ আদিও ইয়াত ধৰা হৈছিল), যতৰত সূতা কটা, ঘৰতে কাপোৰ বৈ পিন্ধা, স্কুল কলেজ বৰ্জন কৰা, অস্পৃশ্যতা বৰ্জন, মাদক দ্ৰব্য নিবাৰণ প্ৰভৃতি। গাওঁ অঞ্চলতো এনেকুৱা কেন্দ্ৰ গঠন কৰা হৈছিল আৰু এইবোৰৰ পৰিচালনাৰ ভাৰ লৈছিল স্থানীয় নেতাসকলে আৰু ওকালতি এৰি অহা উকীলসকলে। এওঁলোকৰ ভিতৰত উল্লেখযোগ্য ব্যক্তিসকল হ'ল কামিনী কুমাৰ ঘোষ (দক্ষিণাঞ্চল), যামিনী মোহন বসু (পতিয়া অঞ্চল), প্ৰসন্ন কুমাৰ সেন (মধ্য অঞ্চল) প্ৰভৃতি। মুঠতে কবলৈ গলে, গোটেই চট্টগ্ৰাম জিলাখনতে অসহযোগ আন্দোলনৰ গতি আৰু কাম ক্ষীপ্ৰতাবে আগবাঢ়িছিল।

চট্টগ্ৰাম যদিও মুছলমান সম্প্ৰদায় প্ৰধান জিলা বুলি জনাজাত আছিল, তথাপিও অসহযোগ আন্দোলনত আনধৰ্মীয় মানুহৰ লগতে মুছলমান সকলেও সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। জাতি-বৰ্ণ-নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ মানুহে দেশাত্মবোধেৰে আন্দোলনত ভাগ লবলৈ ওলাই আহিছিল। প্ৰথম সৰ্বাত্মক আক্ৰমণৰ (পাছত আলোচনা কৰা হৈছে) আগভাগ লওতা বি. অ' চিৰ লোকসকলৰ অধিকসংখ্যক আছিল মুছলমান লোক। চহৰ আৰু গাওঁ অঞ্চলত হিন্দু-মুছলমান উভয়ে কান্ধত কান্ধ মিলাই আন্দোলনত ভাগ লৈছিল। আনকি উত্তৰ ভাৰতৰ শিখ আৰু আন সম্প্ৰদায়ৰ লোকেও ত্যাগ আৰু নিৰ্যাতনৰ বাবে ওলাই আহিছিল। কৃপাল দাস উদাসী, গংগাৰাম পুংগা, শ্যামচুদ্দিন সসৰামী আৰু আন বহুতো অবঙালী লোকে আন্দোলনত যোগ দিছিল।

কংগ্ৰেছৰ কাৰ্যসূচীত গঠনমূলক কামৰ ভিতৰত দলিতজনক সেৱা কৰাটো আছিল অপৰিহাৰ্য্য অংগ। শ্ৰমিক, খেতিয়ক, দিনহাজিৰা কৰি জীৱন কটোৱা লোকক, হৰিজনসকলক, সাধাৰণ চাকৰি কৰা নিম্ন শ্ৰেণীৰ কৰ্মচাৰীসকলক কংগ্ৰেছে সহায় কৰিছিল। দুখী দৰিদ্ৰৰ প্ৰতি যতীন্দ্ৰমোহন সদায় উদাৰ আছিল। সমাজৰ তলশ্ৰেণীত বাসকৰা লোকসকলৰ জীৱিকাৰ যাতে উন্নত কৰিব পাৰি তাৰ বাবে তেওঁ সচেতন দৃষ্টি ৰাখিছিল। তেওঁ প্ৰায়ে ৰাজহুৱা সভাত বক্তৃতা দিছিল; আৰু বক্তৃতাৰ মাজেদি জনগণক কংগ্ৰেছৰ আদৰ্শ আৰু লক্ষ্যৰ বিষয়ে অবগত কৰাইছিল। বিদেশী বস্ত্ৰ দাহ

অনুষ্ঠানটো তেওঁ উপস্থিত আছিল। যতীন্দ্ৰমোহনে শ্ৰমিকসকলৰ সভাসমিতিত বক্তৃতা দিছিল আৰু সামাজিক স্বাস্থ্যৰ বিষয়ে শ্ৰমিকসকলক উপদেশ দিছিল। তেওঁৰ বক্তৃতাত সমবেত কৃষক, মজদূৰ শ্ৰমিকে আশাৰ ৰেঙনি দেখিবলৈ পাইছিল। তেওঁলোকে যতীন্দ্ৰমোহনক "যতীন ব্যাৰিষ্টাৰ" বুলি মাতি গৌৰৱ কৰিছিল আৰু তেওঁলোকৰ পথ প্ৰদৰ্শক ৰূপে আদৰণি জনাইছিল।

এই কাৰ্যসূচী গ্ৰহণ কৰোতে বা এনে এটা ৰাজহুৱা জীৱন বাচি লওঁতে যতীন্দ্ৰমোহনে স্বৰাজৰ গঠনমূলক কামৰ ওপৰত অধিক মনোনিবেশ কৰিছিল। স্বামী বিবেকানন্দই কোনো এক উপলক্ষ্যত কৈছিল "স্বৰাজ মানে জনতাৰাজ"। মহাত্মা গান্ধীয়ে স্বৰাজৰ মাজতে সাধাৰণ ভাৰতীয়ৰ প্ৰকৃত স্বৰূপ দেখা পাইছিল। দেশবন্ধু চিত্তৰঞ্জনে ভৱানীপুৰত অনুষ্ঠিত ৰাজহুৱা সভাত স্বৰাজৰ ব্যাখ্যা তেনেদৰেই কৰিছিল (1914), আৰু কবিগুৰু ৰবীন্দ্ৰনাথে তেখেতৰ বিখ্যাত কবিতা "এবাৰ ফিৰাও মোৰে" টো একে কথাকে কাব্যিক সুৰত প্ৰতিধ্বনিত কৰিছিল। যতীন্দ্ৰমোহনৰ অন্তৰত এইবোৰ ক্ৰিয়া কৰিছিল। এই ক্ৰিয়াৰ মাজেদি তেওঁ অনুভৱ কৰিছিল দীপ্ত, তেজাল উচ্ছ্বাস। তেওঁৰ হৃদয়ত জাগ্ৰত হৈছিল দেশপ্ৰেমৰ উজ্জ্বল বহ্নি।

প্ৰথম বিজয়োল্লাস

এনে এটা চৰম সন্ধিক্ষণত বহুতেই এটা কথা লক্ষ্য কৰিলে। কিছুদিন ধৰি চট্টগ্ৰামত বাৰ্মা অয়েল কোম্পানীৰ (পৰিচালক এজেণ্ট 'মেছাৰ্চ বুলক ব্ৰাদাৰ্চ') নিম্ন বেতনভোগী কৰ্মচাৰী আৰু মজদূৰসকলৰ মাজত বিক্ষোভৰ ভাৱে প্ৰাধান্য লাভ কৰিছিল। তেওঁলোকে বেতনৰ পৰিৱৰ্তন বিচাৰিছিল। দৰমহাৰ উন্নতি, চাকৰিৰ নিৰপত্তা, থকা মেলা সা-সুবিধা আদি দাবিসমূহ পূৰণ নোহোৱাত তেওঁলোকৰ লগত কৰ্তৃপক্ষৰ মতভেদ হৈছিল। তেওঁলোকে কোনো উপায় নেদেখি যতীন্দ্ৰমোহনৰ কাষ চাপিলে। যতীন্দ্ৰ-মোহনে বিষয়টো চিন্তা কৰি দেখিলে যে কৰ্মচাৰী আৰু মজদূৰ সকলৰ দাবি যুক্তিসংগত। এই দাবিসমূহ উপেক্ষা কৰি বাৰ্মা অয়েল কোম্পানীয়ে আহুকলীয়া পৰিস্থিতি এটা সৃষ্টি কৰিছে। ফলত কোম্পানীৰ তলত কাম কৰা নিম্ন বেতনভোগী কৰ্মীসকলৰ আৰু মজদূৰ সকলৰ মনত হতাশ আহিছে। অনেক পৰিয়ালে কোম্পানী নিষ্ক্ৰিয়তাত জীয়াতু ভুগিছে। বেছিদিন এনে এটা অৱস্থাত থাকিলে তেওঁলোকে পংকিলতাত বুৰ যাব। যতীন্দ্ৰমোহনে তেওঁলোকক তুৰন্তে এটা শক্তিশালী শ্ৰমিক ইউনিয়ন গঠন কৰিবলৈ পৰামৰ্শ দিলে। এনে এটা অনুষ্ঠানৰ যোগেদিহে যে কোম্পানীয়ে কৰা অন্যায়ৰ বিৰুদ্ধে খুঁজিব পৰা হব, সেই কথা তেওঁ জনালে। তেওঁ আৰু কলে যে এনেকুৱা দুৰ্ভাগ্যজনক পৰিস্থিতি এটা সৃষ্টি কৰাৰ বাবে অয়েল কোম্পানীৰ কৰ্তৃপক্ষক ভুলটো ক'ত, দেখুৱাব লাগিব। আলোচনাত কৰ্মচাৰী সকলৰ এজন জ্যেষ্ঠ সদস্য বিনোদ চক্ৰবৰ্তীয়ে যোগ দিলে। তেওঁ সকলোকে যতীন্দ্ৰমোহন সেনগুপ্তই দিয়া উপদেশ মানি চলিবলৈ অনুৰোধ জনালে। "বাৰ্মা অয়েল কোম্পানী কৰ্মী আৰু মজদূৰ সংঘ" নামেৰে লগে লগে এটা

অনুষ্ঠান স্থাপন কৰি যতীন্দ্ৰমোহনকে ইয়াৰ সভাপতি নিৰ্বাচন কৰা হ'ল। চাৰিওফালে আনন্দৰ চিন্ পৰিলক্ষিত হৈ কৰ্মী আৰু মজদুৰ সকলৰ মাজত আশা আৰু সন্তোষৰ ভাবে বিৰাজ কৰিলে।

কিন্তু কামটো যিমান সহজ হব বুলি ভবা হৈছিল, সিমান সহজ হৈ নুঠিল। মিটিঙৰ আৰু ইউনিয়ন স্থাপনৰ বাতৰি কোম্পানীৰ কাণত পৰিল। পিছদিনাই কোম্পানীৰ এজেণ্টে বিনোদ চক্ৰৱৰ্তীক মাতি নি কৰ্মী আৰু মজদুৰসকলক কোম্পানীৰ বিৰুদ্ধে উচটাই য়ুনিয়ন গঠন কৰাৰ বাবে কৈফিয়ৎ বিচাৰিলে। বিনোদ বাবুয়ে এজেণ্টৰ আগত য়ুনিয়ন সংগঠন কৰা কথা স্বীকাৰ কৰি ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে যুক্তি দেখুৱালে। তেওঁ কলে যে ইয়াৰ দ্বাৰা তেওঁলোকে কোম্পানীৰ স্বাৰ্থৰ বিৰুদ্ধে যোৱাটো বুজোৱা নাই। এজেণ্ট মিঃ মাৰ্টিনে খণ্ডত একো নাই হৈ বিনোদ চক্ৰৱৰ্তীক তুৰন্তে কাৰ্যৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাবলৈ আদেশ দিয়াত চক্ৰৱৰ্তী অমান্তি হ'ল। এজন ভাৰতীয়ৰ প্ৰতি ইংৰাজ চাহাব এজনে সচৰাচৰ যেনে ব্যৱহাৰ কৰে তেনে ব্যৱহাৰকে প্ৰদৰ্শন কৰি মিঃ মাৰ্টিনে চক্ৰৱৰ্তীৰ বিৰুদ্ধে অনুশাসন ভংগৰ অভিযোগ তুলি চাকৰিৰ পৰা বৰ্খাস্তৰ আদেশ দিলে। বিনোদ চক্ৰৱৰ্তীয়ে পাব লগা সকলো দেনা পাওনা তুৰন্তে আদায় দিয়া হ'ল। বিনোদ চক্ৰৱৰ্তীয়ে অনেকদিন কোম্পানীৰ চাকৰি কৰিছিল। কামত তেওঁ কোনো দিনে ফাঁকি দিয়া নাছিল। কোম্পানী স্বাৰ্থৰ হকে তেওঁ হাড়ক মাটি, তেজক পানী কৰি খাটিছিল। এতিয়া তেওঁ এটা ৰাজহুৱা কৰ্তব্যৰ খাতিৰত কোম্পানীৰ কামৰ পৰা খেদা খালে।

বিনোদ চক্ৰৱৰ্তীক বৰ্খাস্ত কৰাত কোম্পানীৰ কৰ্মীবৃন্দ আৰু মজদুৰসকলৰ মাজত ঘুৰ্ঘোৰ অসন্তোষে দেখা দিলে। তেওঁলোকে য়ুনিয়নৰ এখন বিশেষ বৈঠক পাতি য়ুনিয়নৰ সভ্য এজনৰ প্ৰতি কৰা অবিচাৰৰ প্ৰতিবাদ জনালে। প্ৰস্তাৱ অনুসৰি সোতৰ এপ্ৰিলত হৰতাল দিবস পালন কৰিবলৈ সকলো সাজু হ'ল। যতীন্দ্ৰমোহনে বিনোদ চক্ৰৱৰ্তীক অন্যায়ভাৱে কামৰ পৰা বৰ্খাস্ত কৰা আৰু য়ুনিয়নে হৰতাল কৰিবলৈ লোৱা সিদ্ধান্তৰ কথা গম পালে। য়ুনিয়নৰ সভাপতি হিচাপে তেওঁ এই সিদ্ধান্তত অনুমোদন জনালে আৰু হৰতালৰ হকে নেতৃত্ব লবলৈ মান্তি হ'ল। সেই সময়ৰ অসহযোগ আন্দোলনত এই কাৰ্যসূচীয়ে পৰোক্ষভাৱে যে সহায় কৰিব, সেই বিষয়ে তেওঁ বুজি পালে। সম্ভৱ, ভাৰতৰ ইতিহাসত শ্ৰমিক আন্দোলনৰ হাতিয়াৰ স্বৰূপে এইয়া প্ৰথম ধৰ্মঘট অনুষ্ঠিত হ'ল আৰু ইয়াৰ অৰ্থপূৰ্ণ তাৎপৰ্যক সমগ্ৰদেশে উৎকণ্ঠাৰে লক্ষ্য কৰিলে। বিশেষকৈ, দেশৰ সৰ্বজ্ঞ শ্ৰমিক আৰু মজদুৰসকলৰ সম্মিলিত প্ৰচেষ্টাই এক নতুন পথৰ সন্ধান পালে। যতীন্দ্ৰমোহনে ধৰ্মঘটৰ সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়াৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰিলে। তেওঁ বুজিছিল যে এই ধৰ্মঘটে এটা ডাঙৰ ইংৰাজী প্ৰতিষ্ঠানক অকামিলা কৰি পেলাব আৰু ইয়াৰ লগত দেশৰ শাসকবৰ্গ প্ৰত্যক্ষ বাবেই হওঁক নাইবা পৰোক্ষ ভাবেই হওঁক জড়িত হৈ পৰি কোম্পানীৰ কাৰ্য সমৰ্থন কৰিব। তেওঁ ধৰ্মঘটত অংশ লোৱা সকলোকে পূৰ্ণ অহিংস পন্থা অনুসৰণ কৰিবলৈ গোহাৰি

জনালে। ধৰ্মঘট কাৰীৰ চিন্তাত, কাৰ্যত আনকি কথাটো যাতে হিংসাৰ চিন্-মোকাম নাথাকে আৰু যাতে কৰ্তৃপক্ষই আইন শৃংখলাৰ নামত উৎপীড়ন চলাবলৈ সুবিধা নাপায় তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ তেওঁ সকলোকে আহ্বান জনালে।

বাৰ্মা অয়েল কোম্পানীতে নিৰ্দিষ্ট দিনত অনিৰ্দিষ্ট কালৰ বাবে ধৰ্মঘট অনুষ্ঠিত হ'ল। ধৰ্মঘটকাৰী সকলে নিজৰ নেতাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই কাম বন্ধ কৰিলে। এই ধৰ্মঘটত প্ৰায় আঢ়ৈ হাজাৰ কৰ্মী আৰু মজদূৰে যোগ দি এটা অভিলেখৰ সূচনা কৰিছিল। এখন সুবৃহৎ বৃটিছ ফাৰ্মক এনেদৰে অচল কৰা উদাহৰণ সেই সময়ত ভাৱিব নোৱাৰা কথা। ধৰ্মঘটৰ প্ৰত্যেক দিনতে যতীন্দ্ৰমোহনে নিজে উপস্থিত থাকি সকলোকে উৎসাহ যোগাইছিল আৰু অভাৱগ্ৰস্থ সকলৰ বাবে অৰ্থসাহায্যৰ যোগাৰ কৰিছিল।

ধৰ্মঘটকাৰী সকললৈ সাহায্য আগবঢ়াৱৰ এটা পুঁজি খোলা হৈছিল আৰু ইয়াক সংগঠন কৰিছিল বাৰ্মা অয়েল কোম্পানীৰ কৰ্মী শ্ৰমিক সংঘই। জিলা কংগ্ৰেছ কমিটিয়ে ইয়াৰ অৰ্থসংগ্ৰহত সহায় কৰিছিল। ৰাইজেও এই পুঁজিলৈ মুক্তহস্তে দান বৰঙনি দিছিল।

পূৰ্ণগতিত ধৰ্মঘট চলি থকাৰ সময়তে আন এটা নভৱা নিচিন্তা ঘটনা ঘটিল। 'লংকা' নামৰ বাৰ্মা অয়েল কোম্পানীৰ এখন মাল আৰু যাত্ৰী কঢ়িওৱা জাহাজ আহি চট্টগ্ৰাম বন্দৰত উপস্থিত হলহি। ধৰ্মঘটকাৰী সকলৰ প্ৰতি সমৰ্থন জনাবলৈ জাহাজত কাম কৰা খালাচী, মজদূৰ আৰু আন আন নিম্ন পৰ্যায়ৰ কৰ্মীসকলে জাহাজখৰ লংগৰ পেলাই পাৰত বোজাঁই মাল বস্তু নমাবলৈ অমাস্তি হ'ল। তেওঁলোকে আনকি জাহাজৰ পৰা যাত্ৰীসকল নামিবলৈকো জেটি পাৰি দিয়া নাছিল। তেওঁলোকে সেই সময়ৰ জনপ্ৰিয় শ্লোগান, "বন্দে মাতৰম্" "অল্লাহু আকবৰ" ধ্বনিৰে আকাশ-পাতাল থলক লগালে। জাহাজৰ নাবিকৰ দলেও যোগ দিলে আৰু জাহাজৰ পৰা জপিয়াই সাঁতুৰি পাৰলৈ উঠি আহিল। পানীৰ মাজতে জাহাজ বৈ গ'ল আৰু এটা অনিশ্চয়তা অৱস্থাৰ সৃষ্টি কৰি মানুহবোৰৰ মনবোৰ উত্তেজিত কৰি তুলিলে। যতীন্দ্ৰমোহনে সাগৰৰ পাৰত থিয় হৈ দৃশ্যটো লক্ষ্য কৰিছিল। তেওঁ উৎসাহ আৰু অভূতপূৰ্ব প্ৰতিক্ৰিয়া দেখি আশান্বিত হ'ল।

সেই সময়তে কোম্পানীৰ "ভদ্ৰ" নামেৰে আন এখন মাল কঢ়িওৱা জাহাজ আহি চট্টগ্ৰাম বন্দৰৰ কাষ পালেহি। জাহাজৰ কেপ্টেই'নে আগন্তুক বিপদৰ প্ৰমাদ গণি বন্দৰত জাহাজখন নলগাই আকিয়াবৰ ফালে উভতি গ'ল। কেপ্টেইনৰ এই কাৰ্য বুদ্ধিয়কৰ কাম হল বুলি ভাৱিবৰ সুৰুঙা ওলাল।

এইয়া মে মাহৰ এক তাৰিখৰ ঘটনা। প্ৰায় পোন্ধৰ দিন জুৰি ধৰ্মঘট চলিল। ধৰ্মঘটকাৰী সকলে তেওঁলোকৰ কাৰ্যসূচী সফলতাৰে আগবঢ়াত আনন্দিত হ'ল যদিও অনিশ্চিত ভৱিষ্যতৰ কথা চিন্তা কৰি তেওঁলোকৰ অনেকে নৈৰাশ্যভাৱ ব্যক্ত কৰিলে। আনফালে ধৰ্মঘটৰ ফলত কোম্পানীয়ে লোকচান ভৰিলেও নিজৰ অসামৰ্থতা প্ৰকাশ

নকৰিলে। জিলা প্ৰশাসনে ধৰ্মঘটৰ আলেখলেখ চাই আছিল। অসহযোগ আন্দোলনক যে ধৰ্মঘটে সহায় কৰিছে সেই কথা প্ৰশাসনে বুজিবলৈ বাকী নাছিল। ধৰ্মঘট শান্তিপূৰ্ণ আছিল যদিও আইনৰ 144 ক্ৰিমিনেল পি. চি. ধাৰা প্ৰয়োগ কৰি জিলা হাকিমে যতীন্দ্ৰমোহন আৰু তেওঁৰ সহযোগী ১১ জনক চহৰত বা ইয়াৰ উপকণ্ঠ অঞ্চলত কোনো সভা সমিতি পতা, শোভাযাত্ৰা উলিওৱা কাৰ্যত লিপ্ত হোৱাৰ পৰা বিৰত কৰিলে। আন এটা ঘোষণা দি জিলা প্ৰশাসনে জিলা হাকিমৰ লিখিত হুকুম বিনা কোনো সভা সমিতি পৰা বক্তৃতা দিয়া নিষিদ্ধ কৰিলে (1921 মে মাহৰ তিনি তাৰিখ)।

চৰকাৰৰ এই অযথা প্ৰতিবন্ধক-মূলক কাৰ্যাৱলীয়ে পৰোক্ষভাৱে কোম্পানীক উৎসাহিত কৰিলে কিন্তু ৰাইজ বিতুষ্ট হ'ল। যতীন্দ্ৰমোহনৰ নেতৃত্বত বাকী নেতা সকলে চৰকাৰৰ এই অন্যায় হুকুমৰ বিৰুদ্ধে থিয় দিবলৈ গোট বান্ধিলে। চৰকাৰৰ নিষেধাজ্ঞা লংঘন কৰিবলৈ আৰু ইয়াৰ বিপক্ষে প্ৰতিবাদ জনাবলৈ তেওঁলোকে সিদ্ধান্ত ললে। যতীন্দ্ৰমোহন আৰু বাকী এঘাৰ জন নেতাই ৰাজহুৱা সভাপতি চৰকাৰৰ আদেশৰ বিৰুদ্ধে কটু সমালোচনা কৰিলে আৰু এটা সৰ্বাত্মক হৰতাল ঘোষণা কৰি জনসাধাৰণৰ অহিংসা আন্দোলনৰ দৃঢ় সংকল্প পুনৰ প্ৰকাশ কৰিলে। চৰকাৰে যাতে তেওঁলোকৰ ধৰ্মঘটক অচল কৰি নিৰুৎসাহ কৰিব নোৱাৰে, তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ যতীন্দ্ৰমোহনে সকলোকে সাবধান বাণী শুনালে।

চাৰি মে তাৰিখে সৰ্ববৃহৎ ধৰ্মঘট অনুষ্ঠিত হ'ল। চহৰৰ জীৱনযাত্ৰা অচল হৈ পৰিল। সকলো কাৰ্যালয় ৰাজহুৱা আৰু ব্যক্তিগত অনুষ্ঠান, ব্যৱসায়ী কেন্দ্ৰ খালী পৰি থাকিল। কোনো যানবাহন যেনে মটৰগাড়ী, ৰেল, জাহাজ, নাওঁ সকলো বন্ধ হ'ল। হাট-বজাৰ উদংহৈ লোকজন নোহোৱা হ'ল। আনকি, চাহাবসকলৰ ঘৰত কাম কৰা ৰান্ধনি, অৰ্ডালি আদিয়েও হৰতালত যোগ দিলে। অনেক বাংলোত "খানা" বন্ধ হ'ল।

এই সফল হৰতালৰ অৱসান ঘটিছিল এটা ডাঙৰ শোভাযাত্ৰা আৰু শান্তিপূৰ্ণ বিক্ষোভ প্ৰদৰ্শনৰ মাজেদি। শোভাযাত্ৰা আৰু বিক্ষোভ প্ৰদৰ্শনৰ নেতৃত্ব লৈছিল যতীন্দ্ৰমোহন, মহীমচন্দ্ৰ, নৃপেন্দ্ৰচন্দ্ৰ, কাচেম আলি, ইছলামাবাদী চাহেব আৰু আন আন বিশিষ্ট ব্যক্তিসকলে। যুব মৰ্চাৰ দায়িত্বত আছিল চন্দ্ৰ শেখৰ দে, গিৰিজা শংকৰ চৌধুৰী, অনন্ত সিংহ আৰু আন আন নবীন ব্যক্তিসকল। এওঁলোক সকলোৰে 144 ধাৰা অচল কৰি শোভাযাত্ৰা আৰু বিক্ষোভ প্ৰদৰ্শন তদাৰক কৰিছিল। কাকো গ্ৰেপ্তাৰ কৰা হোৱা নাছিল যদিও নেতাসকলক এজন হাকিমৰ আগত হাজিৰ হবলৈ নিৰ্দেশ জাৰি কৰা হৈছিল। এই নিৰ্দেশ কোনেও গ্ৰাহ্য নকৰিলে।

হৰতাল আৰু ইয়াৰ পৰৱৰ্তী প্ৰতিক্ৰিয়াই বাৰ্মা অয়েল কোম্পানী আৰু লগতে জিলা প্ৰশাসনক সম্পূৰ্ণভাৱে বিঘোৰত পেলাইছিল। তেওঁলোকে মহাসংকটৰ পৰা ৰক্ষা পাবলৈ আলোচনা চলালে। পৰিস্থিতিটোৱে দৰাচলতে তেওঁলোকৰ আত্মসন্মানক ক্ষুণ্ণ কৰিছিল আৰু তাক নিয়ন্ত্ৰণ কৰিবলৈ তেওঁলোকে উপায় বিচাৰিছিল। বি. অ. চি ৰ

(বাৰ্মা অয়েল কোম্পানীৰ সংক্ষিপ্ত নাম) এজেণ্ট মিঃ মাৰ্টিন চট্টগ্ৰাম পৌৰ সভাৰো সভাপতি আছিল। তেওঁ পিছদিনাই যতীন্দ্ৰমোহন সেনগুপ্তকে পৌৰ সভাৰ কাৰ্যালয়লৈ আলোচনাৰ বাবে আমন্ত্ৰণ জনালে। আন্দোলনৰ এজন অগ্ৰণী ব্যক্তি হিচাপে যতীন্দ্ৰ-মোহন যথাস্থানত উপস্থিত হ'ল আৰু হৰতালৰ সন্মানজনক আপোচৰ বাবে স্বত্বসমূহ দাভি ধৰিলে। কোম্পানীৰ মুখ্য বিষয়াই সেইবোৰ সাময়িকভাৱে মানি ললে। আলোচনাৰ শেষ পৰ্যায় জিলা হাকিমৰ লগত অনুষ্ঠিত হবৰ বাবে স্থিৰ হ'ল আৰু সেই অনুযায়ী ৪মে তাৰিখে সেনগুপ্ত আৰু তেওঁৰ সহযোগী নেতা সকলক পিছদিনা আবেলি মণ্ডল আয়ুক্তৰ সভাকক্ষত সমবেত হবলৈ কোৱা হ'ল। সদৰ মহকুমাধিপতি এ. চি. ঘটকে নিজে আহি যতীন্দ্ৰমোহনক নিজ বাসভৱনত নিমন্ত্ৰণ পত্ৰ দি গৈছিল। যতীন্দ্ৰ-মোহনেও নিমন্ত্ৰণ গ্ৰহণ কৰিছিল।

আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখন প্ৰতিনিধিমূলক আছিল। জিলা হাকিম এফ, ডব্লিউ, স্ট্ৰং আই, চি, এচ, বি, অ, চি-ৰ এজেণ্ট মাৰ্টিন, সেনগুপ্ত আৰু কংগ্ৰেছ নেতা, চট্টগ্ৰাম বন্দৰৰ প্ৰতিনিধি, এ, বি, ৰেলৱেৰ প্ৰতিনিধি, য়ুৰোপিয়ান ব্যৱসায়ী প্ৰতিষ্ঠানৰ এজেণ্ট আৰু মেনেজাৰ সকল, আৰু সংশ্লিষ্ট বিষয়াবৰ্গ এই সভাত উপস্থিত আছিল। সভাৰ এটা সিদ্ধান্তমতে 144 ধাৰাৰ নিষেধাজ্ঞা উঠাই লবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। নেতাসকলক কাছাৰিত হাজিৰ হবলৈ দিয়াৰ পূৰ্ব আদেশ আৰু তেওঁলোকৰ চলন ফুৰণ, মেল-মিটিঙত আৰোপ কৰা নিষেধাজ্ঞা তৎকালীন ৰদ কৰাৰ ব্যৱস্থা হ'ল। আনহাতে বি, অ, চি-ৰ কৰ্মীসকলে পিছদিনা অৰ্থাৎ পাঁচ মে তাৰিখে কোনো ভয়-শঙ্কা নকৰাকৈ কামলৈ যাব আৰু ধৰ্মঘটৰ অৱসান ঘটাব। সভাৰ বৈঠক এটা সুন্দৰ পৰিবেশৰ মাজত অন্ত পৰিল। আদিৰে পৰা জিলা হাকিমৰ লগত সেনগুপ্তৰ যি আলোচনা হৈছিল সেইয়া আছিল সৌহাৰ্দপূৰ্ণ। যতীন্দ্ৰমোহনৰ ৰাজনৈতিক বিচক্ষণতা আৰু আইন বিষয়ক দক্ষতাই মিঃ স্ট্ৰঙক মোহিত কৰিছিল। আলোচনাৰ শেষত বিদায় লওতে মিঃ স্ট্ৰঙে সেনগুপ্তক জনসাধাৰণৰ যোগ্য নেতা বুলি অভিনন্দন জনাইছিল।

চট্টগ্ৰামৰ ঘটনাই আৰু ইয়াৰ সফল পৰিসমাপ্তিয়ে ডেকা যতীন্দ্ৰমোহনৰ নাম উজ্জলাই পেলালে। কলিকতাৰ বাতৰি কাকতত তেওঁৰ নাম ডাঙৰ ডাঙৰ আখৰেৰে প্ৰকাশ হ'ল। জাতীয়তাবাদী কাগজসমূহত তেওঁক বিপুলভাবে প্ৰশংসা জনোৱা হ'ল। 'চাৰ্ভেণ্ট' নামৰ এনে এখন কাকতত "The Sweepers Kings" নামেৰে এটা মুখ্য প্ৰবন্ধ প্ৰকাশ পালে। অ্যাংলো ইণ্ডিয়ান প্ৰেছত সেনগুপ্তক "চট্টগ্ৰামৰ দুৰ্দান্ত শিশু" আখ্যাদি এটা কটু সমালোচনা ওলাল। "The Sweeper's King" প্ৰবন্ধত ওলাইছিল :

"তেওঁ (সেনগুপ্ত) এগৰাকী সাহসী কৰ্তব্যপৰায়ণ আৰু সাধু স্বভাৱৰ লোক। তেওঁ কোনো কামতে উদাসীন নহয়। কামৰ মাজেদিহে তেওঁৰ প্ৰত্যয় জন্মে। এজন নেতাৰ লক্ষণ তেওঁৰ গাত ফুটি ওলাইছে। তেওঁ এজন নীৰৱ, আড়ম্বৰহীন আৰু দৃঢ়প্ৰতিজ্ঞ ব্যক্তি। তেওঁৰ চৰিত্ৰৰ উল্লেখযোগ্য দিশটো হৈছিল যে তেওঁ কদাপি অন্যায়ৰ ওচৰত আত্মসমৰ্পণ নকৰে। তেওঁ হৈছে মহাত্মা গান্ধীৰ যোগ্য অনুগামী। বয়সত তেওঁ নবীন।

কিন্তু জনসাধাৰণৰ মানসিক অৱস্থাৰ বিষয়ে তেওঁৰ দৃষ্টিভঙ্গী বুদ্ধিদীপ্ত। সেনগুপ্তই পুলিচৰ নিৰ্দেশ অমান্য কৰিছিল। ইয়াৰ অৰ্থ এয়ে নহয় যে তেওঁ এজন আইন ভংগকাৰী লোক। দৰাচলতে তেওঁ আইনৰ মূল আদৰ্শৰ প্ৰতিহে বেছি গুৰুত্ব দিব খোজে। সংহতিৰ প্ৰতি থকা তেওঁৰ গভীৰ আস্থাই তেওঁক ইয়াৰ বিপক্ষে থিয় দিয়া আৰু সকলো শক্তিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ প্ৰেৰণা যোগাইছিল। ঐক্যৰ হকে তেওঁ যিকোনো শক্তিৰ লগত যুঁজিবলৈ ইতস্ততঃ নকৰে।

নিয়মানুৱৰ্তিতাৰ প্ৰতি স্বাভাৱিকতে উদাসীন জনসাধাৰণক তেওঁ অত্যন্ত ভাল পায় বাবেই তেওঁলোকৰ অন্তৰৰ কথা বুজিবলৈ যত্ন কৰে। জনসাধাৰণেও তেওঁলোকৰ পৰম মিত্ৰজনক ভুল নুবুজে। উদাহৰণ স্বৰূপে কব পাৰি যে মহাত্মাজীৰ নামটোৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ প্ৰৱল। তেওঁলোকে হয়তো গান্ধীজীক ভালকৈ নাজানে বা জীৱনত দেখাই নাই। সেনগুপ্তই জনসাধাৰণক ভালকৈ বুজি পায় আৰু সেইবাবেই তেওঁলোকৰ অভাৱ অভিযোগবোৰৰ বাবে যুঁজ কৰে। সেনগুপ্তৰ প্ৰতি জনসাধাৰণৰ যি পৰম আগ্ৰহ তাৰ উদাহৰণ সগুহতে চকুত পৰিছে। নিজৰ নেতাজনক অন্তৰেৰে ভাল নাপালে কোনেও এনেদৰে বিপুল সমাদৰ জনাব নোৱাৰে। সেনগুপ্তই কম বয়সতে জনসাধাৰণৰ অন্তৰ জয় কৰিবলৈ সমৰ্থ হৈছে। তেওঁলোকৰ সুখ দুখৰ লগত তেওঁ সম্পূৰ্ণভাৱে মিলি গৈছে। "যি সকলে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ হকে জনপ্ৰিয় আন্দোলনত নামে, সেই সকলৰ দৰে যতীন্দ্ৰমোহন স্বাৰ্থলোভী নহয়। ৰাইজক সেৱা কৰা মনোভাৱেৰে তেওঁ ৰাজহুৱা কামত ব্ৰতী হৈছে। যতীন্দ্ৰমোহন নিজৰ জাতিৰ গৌৰৱ বৃদ্ধি কৰিছে। আজি আমি তেওঁৰ কাৰ্যাৱলীৰ আৰু মহত্বৰ প্ৰশংসা কৰিছো এই সামান্যতম অভিনন্দনসূচক অভিমতেৰে"।

যতীন্দ্ৰমোহনে বিদেশী শাসকৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাই এনেকৈয়ে প্ৰথম পৰ্যায়ৰ বিজয়ো উল্লাসে ৰাজহুৱা জীৱনৰ উচ্চ শিখৰত ভৰি দিলে।

ধৰ্মঘটৰ ৰাঢ়নী পানী

যতীন্দ্ৰমোহনৰ গতিময় ব্যক্তিত্ব আৰু নেতৃত্বপ্ৰদানৰ দক্ষতাই এলানি ধৰ্মঘটৰ মাজেদি পৰীক্ষাত উত্তীৰ্ণ হৈছিল। এই পৰীক্ষা আছিল জটিল আৰু কষ্ট-বহুল। বিশেষকৈ ওপৰত উল্লেখ কৰা ঘটনাই পূৰ্ববংগ আৰু অসমলৈ বিয়পি পৰিছিল। ইয়াৰ স্নায়ুকেন্দ্ৰ আছিল চট্টগ্ৰাম।

অসমৰ প্ৰায়বিলাক চাহ বাগিচা তেতিয়া য়ুৰোপীয় মালিকৰ অধীনত আছিল। মালিক সকলে চাহ খেতিৰ যোগেদি চহকী হবলৈ বিশেষ যত্নপৰ হৈছিল। চাহ বাগিচাত কাম কৰিবলৈ তেওঁলোকে আৰ্থিকভাৱে অসমৰ্থ দৰিদ্ৰ শ্ৰেণীৰ পৰা নতুবা বিভিন্ন প্ৰান্তত থকা নিৰন্নুৱা দুখীয়া প্ৰজাৰ পৰা নানা ধৰণৰ লোভ দেখুৱাই চাহ-বনুৱা ভৰ্তি কৰিছিল। প্ৰকৃততে এই ভৰ্তি কৰণৰ স্বত্বমতে বনুৱাসকলে গিৰমিট দিয়া দাস বা গোলামৰ দৰে খত্ লিখি কাম কৰিব লগাত পৰিছিল। এওঁলোকৰ প্ৰতি চাহ বাগিচাৰ মালিকে

নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল। শাৰীৰিকভাৱে প্ৰহাৰ কৰিছিল। প্ৰাপ্ত পইছাপাতি ঠগি নিছিল। আনকি, বনুৱাসকলৰ নিজ কামত ওলাই যাবলৈ বা নিজ দেশলৈ যাবলৈ দিয়া নাছিল। তেওঁলোকৰ দুখকষ্টৰ অৱসান ঘটাবলৈ ওলাই অহা দূৰৰে কথা, তেওঁলোকৰ পৰ্বত-সমান নিদাৰুণ কাহিনী শুনিবলৈকো কোনো লোক নাছিল।

দীনবন্ধু চি এফ এনড্ৰুজ আছিল এজন মানবহিতৈষী পুৰুষ। তেখেতে ভাৰতক অতিশয় ভাল পাইছিল আৰু ভাৰতবৰ্ষৰ মুক্তি আন্দোলনৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিছিল। অসমৰ চাহ বাগিচাৰ বিষয়ে তেখেতৰ ব্যক্তিগত অধ্যয়ন আৰু অভিজ্ঞতাৰ পৰা জানিব পাৰি যে প্ৰথম মহাসমৰৰ সামৰণি অৱস্থাত (1918 চনৰ পৰবৰ্তী সময়খিনিত) অসমৰ চাহ বাগিচাই লাভজনক ব্যৱসায় এটা গঢ়ি তুলিছিল। কিন্তু এইটো লগে লগে দৃষ্টিগোচৰ হ'ল যে নামনি অসমৰ চাৰগোলা উপত্যকাৰ চাহ বাগিচাবোৰত কাম কৰা মজদূৰৰ সংখ্যা প্ৰয়োজনতকৈ অত্যাধিক হোৱাৰ বাবে লাভতকৈ লোকচানৰ অংক বেছি হ'ব ধৰিলে। এইয়া 1920 চনৰ শেষ আৰু 1921 চনৰ আৰম্ভণিৰ ঘটনা। আৰ্থিক সকাহৰ বাবে য়ুৰোপীয় কৰ্মীক বিদায় দি ভাৰতীয় কৰ্মীক চাহ বাগিচাত ভৰ্তি কৰা আয়োজন চলিল। চাহ বাগিচাত সংকটে দেখা দিয়াত চাকৰিত থকা সীমিত চাহ বনুৱাৰ হাজিৰাৰ হাৰ নিম্নমুখী হবলৈ ধৰিলে। তেওঁলোকৰ দিনটোৰ হাজিৰা চাৰি অনা কৰা হ'ল যদিও ইয়াৰ অৰ্ধেকহে তেওঁলোকৰ হাতলৈ গ'ল। চাৰিওকালে অসন্তুষ্টিৰ ভাবে বিৰাজ কৰিলে।

অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে ধৰ্মঘটত যোগদান কৰা ছাত্ৰ সেৱাদলে চাহ বাগিচাৰ বনুৱাসকলৰ অৱস্থাৰ বিষয়ে জানিবলৈ তেওঁলোকৰ লগত যোগাযোগ কৰাৰ অভিপ্ৰায়ে বাগিচাবোৰলৈ গৈছিল। বিদেশী মালিকৰ হাতত চাহ বনুৱা সকলে ভোগ কৰা নিৰ্যাতনৰ বিষয়ে তেওঁলোকে বহুতো কিবাকিবি শুনিবলৈ পাইছিল। এই কথা গম পাই বাগিচাৰ চাহাবসকলে কংগ্ৰেছ ভলণ্টিয়াৰক বাগিচাৰ এলেকাত সোমাবলৈ বন্ধ কৰিলে আৰু চাহ বনুৱাসকলক তেনে লোকৰ উচটনিত ভোল নামাবলৈ সতৰ্ক কৰি দিলে। আনকি ভলণ্টিয়াৰৰ লগত সংশ্ৰৱ ৰাখিলে গুৰুতৰ শাস্তি বিহা আৰু কামৰ পৰা বৰখাস্ত কৰা ভাবুকি দেখুৱালে। বিদেশী মালিকৰ আচৰণত বনুৱাসকল ক্ৰোধান্বিত হ'ল আৰু তেওঁলোকৰ ওপৰত বছৰৰ পাছত বছৰ ধৰি চলাই অহা মৰ্মান্তিক নিৰ্যাতন পুনৰ নীৰৱে সহ্য নকৰিবলৈ ঠিৰাং কৰি বাগিচা এৰি একেবাৰে নিজ দেশলৈ গুচি যাবলৈ প্ৰস্তুত হ'ল। বাগিচাৰ মালিকসকলে তেওঁলোকক পূৰ্বৰ চুক্তিৰ কথা আৰু আগধনলোৱা ধাৰৰ কথা স্মৰণ কৰালে। কোনো ভয় ভাবুকিয়ে বনুৱাসকলৰ মন পৰিৱৰ্তন কৰাব নোৱাৰিলে। হেজাৰে বিজাৰে চাহ বাগিচাৰ বনুৱাই কাম এৰি ঘৰমুৱা হবলৈ কৰিমগঞ্জ ৰেলষ্টেচনত ঠাহ খালেহি। কিন্তু তেওঁলোকক ৰেলত যাবলৈ টিকট দিয়া ন'হল। চাহ বাগিচাৰ মালিকসকলে আগতীয়াকৈ ৰেল কৰ্তৃপক্ষক "বাগিচাৰ বনুৱাক (কুলি)" টিকট নিদিবলৈ কৈ থৈছিল যাতে তেওঁলোকে কোনো উপায়ন্তৰ নেদেখি পুনৰ বাগিচালৈ উভতি যাব পাৰে।

চান্দপুৰৰ কামৰ ভাটী

কৰিমগঞ্জৰ কংগ্ৰেছ কৰ্মীয়ে অকণো সময় অপব্যয় নকৰি চট্টগ্ৰামত থকা যতীন্দ্ৰমোহন সেনগুপ্তক আৰু কুমিল্লাত থকা অখিলচন্দ্ৰ দত্তক সবিশেষক জনাই তাঁৰবাৰ্তা পঠালে। দুয়োকে তুৰন্তে কৰিমগঞ্জলৈ আহিবলৈ টানি অনুৰোধ জনোৱা হ'ল। তাঁৰবাৰ্তা পাই যতীন্দ্ৰমোহন আহি কৰিমগঞ্জ পালেহি আৰু ঘটনাৰ সবিশেষ বুজ ললে। তেওঁ এ. বি. ৰেলৱে কৰ্তৃপক্ষলৈ তাঁৰ যোগে গুৰুতৰ পৰিস্থিতিৰ বিষয়ে জনালে আৰু ৰেল স্টেচনত ৰৈ থকা চাহ বনুৱা সকলক ঘৰলৈ যোৱাৰ বাবে ৰেলৰ সুবিধা কৰি দিবলৈ অনুৰোধ জনালে। ৰেল কৰ্তৃপক্ষই যতীন্দ্ৰমোহনৰ অনুৰোধৰ প্ৰতি কোনো বিলম্ব নকৰাকৈ সঁহাৰি জনালে আৰু কৰিমগঞ্জৰ স্টেচনমাষ্টাৰক চাহ বনুৱাসকলক টিকট দিবলৈ নিৰ্দেশ দিলে। কিন্তু ইতিমধ্যে বহুতো বনুৱাই বাট-বুৰিবাই দূৰৰ ৰেল জংচন চান্দপুৰ পালেগৈ আৰু তাত থকা ৰেলৱে প্লেটফৰ্ম, ৰেলৱে আশ্ৰয়স্থান, জিৰণি স্থান সকলোতে তেওঁলোকে ভীৰ বান্ধিলে। কেইদিন মানৰ পাছত চান্দপুৰ জংচনত হেজাৰ সংখ্যক নিৰুপায়ত পৰা আশ্ৰয় হেৰুওৱা চাহ বনুৱাৰ দলে যাবৰ বাবে অপেক্ষা কৰি ৰ'ল।

দীনবন্ধু এনড্ৰুজে নামনি অসমৰ পৰা অহা চাহ বনুৱাৰ এই বিৰাট সংখ্যাটোক বহুলোকৰ বহিৰ্গমন বুলি আখ্যা দিছিল। সেই সময়ত চান্দপুৰ আছিল এ. বি. ৰেলৱেৰ এটা ডাঙৰ ৰেল জংচন। জলপথেদি গোৱালণ্ডলৈ অহা-যোৱা কৰিবলৈ বনুৱা সকলৰ বাবে চান্দপুৰ আছিল একমাত্ৰ যোগাযোগৰ কেন্দ্ৰ। আনকি কলিকতা, আৰু উত্তৰ ভাৰতৰ লগত সংযোগ ঘটোৱাত চান্দপুৰ আছিল মুখ্য ৰেল আৰু জাহাজৰ সন্ধিস্থল।

প্ৰথম অৱস্থাত কেইবা শ' চাহ বাগিচাৰ বনুৱাই চাহবাগান এৰি কলিকতালৈ যোৱাৰ আশাৰে গোৱালণ্ডলৈ যাবলৈ সুবিধা পাইছিল। ইয়াতো চাহ বাগিচাৰ বিদেশী মালিকে স্থানীয় পুলিচ কৰ্তৃপক্ষক হাত কৰি বনুৱাসকলক ঘৰমুখে ৰাওনা হোৱাত বাধা দিছিল। কিন্তু কৃতকাৰ্য হ'ব নোৱাৰিলে। জলপথতো জাহাজ কোম্পানীৰ দ্বাৰা তেওঁলোকৰ বহিৰ্গমন বন্ধ কৰিবলৈ চেষ্টা চলোৱা হ'ল। অসমৰ দুয়োটা উপত্যকাৰ চাহ বাগিচাৰ বনুৱাসকলেও কাম এৰি নিজ নিজ দেশলৈ যাবৰ বাবে খৰখেদা লগোৱাত সমস্যাই জটিল ৰূপ ধাৰণ কৰিলে। চাহ বাগিচাৰ মালিকসকলে এনে অৱস্থাত বিবুদ্ধিতে পৰি বংগদেশৰ প্ৰাদেশিক চৰকাৰৰ হস্তক্ষেপ বিচাৰিলে। কোৱা বাহুল্য যে সেই সময়ত বংগদেশৰ প্ৰাদেশিক চৰকাৰৰ গ্ৰীষ্মকালীন সদৰ ঠাই আছিল দাৰ্জিলিং। গৱৰ্ণৰে কাউন্সিলৰ বৈঠক পাতি শৰণগত বনুৱাসকলক কোনো প্ৰকাৰে সা-সুবিধা নিদি তেওঁলোকৰ প্ৰব্ৰজন বন্ধ কৰিবলৈ সিদ্ধান্ত ললে। স্থানীয় প্ৰশাসকসকলক সেই ধৰণেৰে নিৰ্দেশ দিয়া হ'ল যাতে অসমৰ পৰা চাহ বনুৱাসকলে ৰেলপথ, জলপথৰ সুবিধালৈ বাহিৰলৈ যাব নোৱাৰে। ৰেভাৰেণ্ড এনড্ৰুজৰ ভাষাত কবলৈ গ'লে… "মই ভাবো যে এনে এটা কঠিন মনোভাৱ গ্ৰহণ কৰি বংগদেশৰ প্ৰাদেশিক চৰকাৰে

চাহবনুৱা সকলক অসময় বাহিৰলৈ ওলোৱাটো বাধা দিবলৈ দৃঢ়তা দেখুৱালে। এনে এটা পৰিস্থিতিৰ বাবেই সংঘটিত হ'ল চান্দপুৰৰ অচল অৱস্থা।" (ৰেভাঃ চি. এফ. এন্দ্ৰুজ প্ৰণীত আৰু মাদ্ৰাজৰ পুথি বিক্ৰেতা 'গণেশ এণ্ড কোম্পানী'ৰ দ্বাৰা প্ৰকাশিত "Oppression of the poor" গ্ৰন্থ দ্ৰষ্টব্য।)

একালে চাহ বাগিচাৰ বনুৱাসকলৰ বাগিচালৈ পুনৰ উভতি নোযোৱাত দৃঢ়সংকল্প, আনকালে চৰকাৰৰ দ্বাৰা তেওঁলোকৰ নিজ দেশলৈ উভতি যোৱাত বাধা-প্ৰদান এই দুই আঁকোৰ-গোঁজ মনোভাৱৰ ফলত পৰিস্থিতিটো দিনো বেয়াৰ ফাললৈ যাবলৈ ধৰিলে। চাৰি হজাৰৰো অধিক বনুৱাই এনে এটা অৱস্থাৰ সন্মুখীন হৈ অভাৱ আৰু অনাহাৰে জীৱন কটাইছিল। ঘৰ-বাৰী এৰি তেওঁলোকে চান্দপুৰ ৰেল জংচনৰ প্লেটফৰ্মত পৰি আছিল। বৰ্ষাকালৰ মৌচুমী বতাহ ইতিমধ্যে আৰম্ভ হৈছিল। পুলিচ আৰু মিলিটেৰীৰ স্বেচ্ছাচাৰী কাৰ্যকলাপে সকলোতে প্ৰভুত্ব চলাইছিল। সৰু চান্দপুৰ চহৰখন এখন মিলিটেৰী ছাউনীলৈ ৰূপান্তৰিত হৈছিল। সৈন্যৰে সমাবেশে চহৰখনৰ পৰিবেশ উত্তপ্ত কৰিছিল। অনুমান হৈছিল যেন শাসক গোষ্ঠীয়ে প্ৰত্যক্ষভাবে দুখী, অসহায়, নিৰ্দোষী, আশ্ৰয়হীন, চাহ বাগিচাৰ বনুৱাসকলৰ লগত এখন সৰুসুৰা যুদ্ধত লিপ্ত হৈছিল। অৱশ্যে এই বিপদৰ পৰা বনুৱাসকলক কিছু সকাহ দিবলৈ চান্দপুৰৰ ৰাইজে আৰু কংগ্ৰেছে সাহায্য শিবিৰ পাতিছিল। তেওঁলোকে আহাৰ আৰু পানী যোগানৰ ব্যৱস্থা কৰিছিল যদিও সেইয়া সাহায্য আছিল নিচেই সামান্য। পৰিস্থিতিৰ অৱনতি ঘটিছিল আৰু ফলত অৰাজকতাই ক্ৰমাৎ মূৰ দাঙি উঠিছিল।

অচলাৱস্থা

এনে এটা অৱস্থাতে জুইত ঘিউ ধলাৰ দৰে পৰিস্থিতি পুনৰ ভয়াবহ কৰিবলৈ উপস্থিত হ'লহি মাণ্ডলিক আয়ুক্ত। চি. এফ্. এন্দ্ৰুজৰ ভাষাত "···দাৰ্জিলিঙৰ পৰা অনুমতিলৈ তেওঁ চান্দপুৰৰ পৰা যাতে নৌ পথেদি কোনো ভগনীয়া পলাব নোৱাৰে সেই উদ্দেশ্যৰে ৰেলজংচনৰ এলেকাৰ পৰা তেওঁলোকক কিছুদূৰলৈ খেদি পঠিওৱা হ'ল আৰু চোকা পহৰাৰ হুকুম দিয়া হ'ল। ডিভিজনেল কমিছনাৰে পৰিস্থিতিৰ ফলাফল চিন্তা নকৰা কৈয়ে কৰ্মব্যস্ত হৈ অসহায় ভগনীয়া সকলৰ ওপৰত অমানবীয় অত্যাচাৰ আৰম্ভ কৰিলে।"

দয়ামমতা পৰিহাৰ কৰি শাসকগোষ্ঠীয়ে ভগনীয়া সকলক থাকিবলৈ কোনো বিকল্প ব্যৱস্থা নকৰাকৈয়ে খেদি পঠাবলৈ হুকুম দিলে। খেদা খাই ভগনীয়া সকলে স্থানীয় খেল পথাৰৰ পিনে ধাপলি মেলিলে। খেল পথাৰৰ মুকলি আকাশত তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰা হ'ল। বৰষুনৰ ফলত পথাৰ পানীৰে উপচি পৰিল। ৰেলষ্টেচনত পুনৰ আশ্ৰয় লোৱা পুৰুষ মহিলা শিশুৰ ওপৰত মাজৰাতি লাইট নুমাই, অন্ধকাৰৰ সুবিধাত গোৰ্খা সৈন্য নমাই দিয়া হ'ল। গোৰ্খা সৈনাই সৰ্বগ্ৰাহী উৎপীড়ন আৰম্ভ কৰিলে। যাকে য'ত পালে গুৰিয়াই, ভুকুৱাই, লঠিয়াই, বন্দুকৰ কুন্দাইদি খুচি, সৈন্য বিলাকে অত্যাচাৰ চলালে। আবাল-বৃদ্ধ-বণিতা কোনেও ৰক্ষা নাপালে। শকট

বেমাৰী, গৰ্ভৱতী মহিলা, অনাথশিশু কোনো বাদ নপৰিল। এই কাৰ্য আছিল নিৰ্মমতাৰ চৰম নিদৰ্শন। ইয়াত উত্তেজনা হোৱাৰ কোনো কাৰণ নাছিল। এই নিৰ্দয়তাৰ মাজেদি বন্ধুৱা ভগনীয়সকলক ৰেলষ্টেচনৰ পৰা বাহিৰ কৰি দিয়া হ'ল।

চান্দপুৰৰ এই মৰ্মান্তিক ঘটনাই (1921 চনৰ 20 মে' তাৰিখে) চাৰিওফালে ৰক্তন জনাই দিলে। জুইৰ লেলিহান শিখাই প্ৰতিক্ৰিয়া কৰাৰ দৰে ই সকলোকে স্পৰ্শ কৰিলে। এই ঘটনাৰ প্ৰতিবাদ জনাবলৈ 'হৰতাল' ঘোষণা কৰা হ'ল। অসহায়, দুৰ্ভগীয়া, অসমৰ্থ মানুহবোৰৰ ওপৰত বিদেশী চৰকাৰে চলোৱা বৰ্বৰ আক্ৰমণত সমগ্ৰ দেশবাসী গৰজি উঠিল। চান্দপুৰ, কুম্মিলা, চট্টগ্ৰামত বিৰাট জনসভা বহিল। স্থানীয় কংগ্ৰেছ কৰ্মীয়ে ভুকভোগী সকলক যিমান পাৰে সহায় কৰিলে, যাকে য'তে পালে আশ্ৰয় দিলে, পৰিচৰ্যা কৰিলে। স্থানীয় কংগ্ৰেছৰ সভাপতি হৰদয়াল নাগে চট্টগ্ৰামত থকা যতীন্দ্ৰমোহনলৈ তাঁৰবাৰ্তা পঠালে। যতীন্দ্ৰমোহনেও তুৰন্তে চান্দপুৰ পালেগৈ আৰু তাৰ কংগ্ৰেছ কৰ্মীৰ লগত বিতং আলোচনা কৰিলে। সাহায্যৰ বাবে প্ৰয়োজনীয় বস্ত্ৰবাৰী, খাদ্য-সামগ্ৰী, ৰছদপাতি যোগাৰ কৰা ব্যৱস্থা চলিল। চট্টগ্ৰামৰ পৰাও সাহায্য আহিল। এই নিৰ্মম অত্যাচাৰৰ তুলনা কুখ্যাত জালিৱানাবাগৰ হত্যাকাণ্ডৰ লগতহে কৰিব পাৰি। আটাইতকৈ পৰিতাপৰ কথা হ'ল, এই হত্যাকাণ্ড সংঘটিত হৈছিল ভাৰতীয় আই. চি. এচ বিষয়াৰ চকুৰ আগত। তেওঁলোক আছিল ডিভিজনেল কমিছনাৰ কে. চি. দে. চি. আই. ই, আই. চি. এচ, আৰু মহকুমাধিপতি এচ. কে. সিনহা আই. এ. এচ। তেওঁলোক নিজ চাকৰিত থাকি দায়িত্ব পালনৰ অদ্ভুত দৃষ্টান্ত কৰ্মতৎপৰতাৰে প্ৰদৰ্শন কৰিছিল শাসক গোষ্ঠীৰ এনেকুৱা বৰ্বৰ আক্ৰমণক ভাৰত বিদ্বেষী বুলি সকলোৱে নিন্দা কৰিছিল। কুম্মিলাৰ প্ৰবীন উকীল, দেশপ্ৰেমিক কংগ্ৰেছ নেতা অখিলচন্দ্ৰ দত্তই কমিছনাৰ জনৰ লগত দেখা কৰি অন্যায় উৎপীড়নৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল আৰু চান্দপুৰৰ ঘটনাৰ বাবে কমিছনাৰজনক জগৰীয়া কৰি অনেক কটুকথা শুনাইছিল। কমিছনাৰ জনে দত্তৰ যুক্তিতৰ্কৰ উত্তৰ দিব পৰা নাছিল। কলিকতাৰ ভাৰতীয় প্ৰেছে চান্দপুৰৰ ভয়াবহ ঘটনাক অমাৰ্জনীয় বুলি অভিহিত কৰিছিল।

চট্টগ্ৰামত প্ৰতিক্ৰিয়া

অসহযোগ আন্দোলনৰ উতপ্ত ঘাটি চট্টগ্ৰামত চান্দপুৰৰ অবৰ্ণনীয় উৎপীড়নৰ বিপক্ষে ভীষণ প্ৰতিক্ৰিয়াই দেখা দিলে। চান্দপুৰৰ পৰা খবৰ প্ৰচাৰিত হোৱাৰ লগে লগে অধ্যাপক নৃপেন্দ্ৰচন্দ্ৰ বানাৰ্জীয়ে পোন্ধৰ দিনৰ বাবে আইন আদালত বৰ্জনৰ প্ৰস্তাৱ ঘোষণা কৰিলে। তেওঁ সেই সময়ত জিলা কংগ্ৰেছৰ দায়িত্বত আছিল। তেওঁ কৈছিল যে যিজন আয়ুক্তই নিজেই আইন বিৰোধী কামত লিপ্ত হৈছে তেনেজন আয়ুক্তৰ নিজ এলেকাত আইন ৰক্ষাৰ কথা কোৱা অৰ্থহীন। কংগ্ৰেছ কৰ্মীয়ে বৰ্জনৰ আৱেদন প্ৰচাৰ কৰাৰ লগে লগে ৰাইজৰ পৰা অভূতপূৰ্ব সহাঁৰি পোৱা গ'ল। চান্দপুৰৰ গৰীৱজনৰ ওপৰত কৰা নিৰ্দয় আচৰণত সকলো মৰ্মাহত হৈছিল। তেওঁলোকৰ মনত অত্যাচাৰী

শোষকৰ প্ৰতি ঘৃণা, বিদ্বেষ আৰু ৰূঢ়তা বৃদ্ধি পাইছিল। এসপ্তাহ ধৰি কাছাৰীৰ সকলো কাম বন বন্ধ হ'ল। আনকি ডাক-তাঁৰ বিভাগো ক্ষতিগ্ৰস্থ হ'ল। কংগ্ৰেছৰ আহ্বানত সকলোৱে পূৰ্ণ সহযোগ আগবঢ়ালে। স্বাভাৱিক জীৱন ব্যাহত হৈ পৰিল। দেশপ্ৰেমৰ তীব্ৰ অনুভূতিত এই জাগৰণে সহায় কৰিলে।

এনড্ৰেজৰ চট্টগ্ৰামত পদাৰ্পণ

জুন মাহৰ তিনি আৰু চাৰি তাৰিখে ৰেভাঃ এনড্ৰুজ চট্টগ্ৰামত থাকি যতীন্দ্ৰমোহন আৰু চহৰৰ আন আন অগ্ৰণী ব্যক্তিক লগ ধৰিলে। তেওঁ চহৰ ভ্ৰমণ কৰি ভিক্ষাৰ পাত্ৰ লৈ সাহায্যৰ বাবে দান বৰঙনি চিচাৰিলে। সকলোতে তেওঁ বিপুল অভ্যৰ্থনা পাইছিল আৰু সকলোৱে মুক্ত হস্তে দান দি তেওঁক উৎসাহিত কৰিছিল। তেওঁ ঠায়ে ঠায়ে মেল মিটিঙত বক্তৃতা দি চান্দপুৰৰ কাহিনী আৰু তাত শাস্তি ভোগা বনুৱাসকলৰ দুৰ্দশাৰ কথা নিবেদন কৰিছিল। উপস্থিত ৰাইজে তেওঁৰ হৃদয়স্পৰ্শী নিবেদনত মুগ্ধ হৈ যি যিহকে পাৰে আগবঢ়াইছিল। কোনোৱে দিছিল খোৱা আহাৰ, কোনোৱে কাপোৰ কানি, কোনোৱে দিছিল গহনা-গাঠৰি, পইচা পাতি। বক্তৃতাৰ অন্তত দীনবন্ধু এনড্ৰুজে যেতিয়া নিজৰ পিন্ধা কুৰ্টা, লেখা কলমটো আৰু ডিঙিৰ মালা কেইধাৰি নিলাম কৰিলে তেতিয়া তেওঁৰ হাতত নিমিষতে গোটখালে এহেজাৰ তিনিশ টকা। সেই সময়ত এই টকাৰ মূল্য বহুত বেছি আছিল। সংগ্ৰহ হোৱা ধনৰ কিছু গৈছিল সাধাৰণ সাহায্য পুঁজিলৈ আৰু কিছু গৈছিল ধৰ্মঘটকাৰী এ. বি. ৰেলকৰ্মীলৈ।

চি. এফ্ এনড্ৰুজৰ চট্টগ্ৰাম ভ্ৰমণৰ কাহিনীৰ কিছু কথা তলত সন্নিবিষ্ট কৰা হ'ল—

"মই চান্দপুৰৰ নাটকীয় দৃশ্য চট্টগ্ৰামলৈ স্থানান্তৰ কৰিব লাগিব। গৰীৱজনক সেৱা কৰা আগ্ৰহ জন্মিছে-এটা জাতীয় আহ্বানত। "বন্দে মাতৰম" ধ্বনি ৰাজপথত শ্ৰৱণ কৰিলেই যে নহয়, ইয়াক দৈনন্দিন জীৱনত মূলমন্ত্ৰ ৰূপে গ্ৰহণ কৰাৰ যে আহ্বান আহিছে সেই কথা সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। বানপানীৰ ঢল অহাদি এই জাগৰণ প্ৰবলভাৱে আগবাঢ়ি আহিছে। হেজাৰ মনক পৰাধীনতাৰ অৱনতিৰ পৰা শুদ্ধ কৰিবলৈ এই জাগৰণ প্ৰবলভাৱে আগবাঢ়ি আহিছে। হেজাৰ মনক পৰাধীনতাৰ অৱনতিৰ পৰা শুদ্ধ কৰিবলৈ এই জাগৰণ উদ্ভৱ হৈছে···(চি. এফ্ এনড্ৰুজৰ ৰচনাঃ Oppression of the poor, প্ৰকাশক : মাদ্ৰাজৰ Ganesh K Co. 1922 দ্ৰষ্টব্য। জীৱনীখনৰ ৰচয়িতা শচীন দত্ত সেই সময়ত চট্টগ্ৰামত আছিল আৰু এনড্ৰুজে বক্তৃতা দিয়া জনসভাত উপস্থিত আছিল।

দেশবন্ধু চি আৰ দাসৰ উপস্থিতি

যতীন্দ্ৰমোহনৰ যোগেদি দেশবন্ধু চিত্তৰঞ্জন দাসে চান্দপুৰত ঘটা চাহ বনুৱাসকলৰ দুৰ্দশাৰ কথা, ৰেল আৰু জাহাজ কৰ্মীৰ ধৰ্মঘটৰ বৰ্ণনা কলিকতাৰ ব্যস্ততাপূৰ্ণ দিনতে গম পালে। দুয়োটা বাতৰিয়ে তেওঁক চিন্তাগ্ৰস্ত কৰি তুলিলে। তেওঁ অকণো সময় খৰচ

নকৰি লগত শ্ৰীমতী বাসন্তীদেৱী, সত্যেন্দ্ৰচন্দ্ৰ মিত্ৰ, সুপ্ৰভা দেৱী আৰু কেইজনমান সহকৰ্মীক লগতলৈ পাঁচ জুন তাৰিখে গোৱালণ্ডলৈ যাত্ৰা কৰিলে। সেই সময়ত জাহাজৰ কৰ্মীয়ে ধৰ্মঘট কৰাত কোনো নদীয়ে জাহাজ চলাচল হোৱা নাছিল। বতৰ আছিল অত্যন্ত বেয়া। বৰষুণৰ লগতে ধুমুহাও আহিছিল। পদ্মানদীত ফেনে-ফোটোকাৰে পানী ভৰি পৰিছিল। ইয়াত যাতায়ত কৰা হৈ পৰিছিল বিপদবহুল। দেশবন্ধুৱে নাওত যাবলৈ পদ্মানদীৰ নাৱৰীয়া বিচাৰিলে। বন্ধু-বান্ধৱে এনে এটা বাৰিষাৰ দিনত নাৱেৰে পদ্মানদীত নৌকাযাত্ৰা নকৰিবলৈ পৰামৰ্শ দিয়াটো দেশবন্ধু মান্তি নহ'ল। সকলো অঘটন-ঘটন অতিক্ৰম কৰিও তেওঁ চান্দপুৰৰ দুৰ্দিনৰ দিনত তাৰ জনগণৰ কাষত ঠিয় দিবলৈ আগবাঢ়িল। দুজন নাৱৰীয়াৰ দেশীয় নাৱত দেশবন্ধু সদলবলে চান্দপুৰলৈ বুলি যাত্ৰা কৰিলে। ধুমুহা, বতাহ, বৰষুণ আশঙ্কা সকলো হেলাৰঙে আওকান কৰি তেওঁলোক পদ্মানদীৰ কোবাল সোঁতৰ মাজে মাজে যাবলৈ ধৰিলে। স্বাভাৱিকতে যি নৌকাযাত্ৰাত লাগে মাত্ৰ সাত ঘণ্টা, এতিয়া লাগিল 72 ঘণ্টা। দেশবন্ধু চান্দপুৰত নমাৰ লগে লগে বিপুল জনতাই হৰ্ষধ্বনি দিলে। তেওঁ জনতাৰ চেনেহ দেখি আনন্দত মুগ্ধ হ'ল।

চাহ বাগিচাৰ বনুৱা, ৰেল কৰ্মচাৰী আৰু জাহাজ কৰ্মীৰ তিনিকোণীয়া ধৰ্মঘটৰ ঐক্যবদ্ধ শক্তিত স্বেচ্ছাচাৰী ইংৰাজ শাসক আৰু বেপাৰীসকলে প্ৰমাদ গণিলে। দেশবন্ধুৱে এই সম্মিলিত শক্তিৰ সম্মুখত মূৰ দোঁৱালে আৰু উদাত্ত কণ্ঠৰে ঘোষণা কৰিলে:

"মই দৃঢ়তাৰে কব খোজো যে এইবোৰ ধৰ্মঘট শ্ৰমিক ধৰ্মঘট নহয়। এই ধৰ্মঘট ৰাজনৈতিক ধৰ্মঘটো নহয়; এইবোৰ স্বতঃস্ফূৰ্তভাৱে গঢ়লোৱা স্বাভাৱিক বিক্ষোভ। স্বৰাজ পাৰ্টিয়ে যি সুগভীৰ আত্মপ্ৰত্যয়ৰ মাজেদি সমগ্ৰ দেশতে বিদেশী চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে, সেই একে আত্মপ্ৰত্যয়ৰ মনেৰেই আজি জনগণে আগবাঢ়ি আহিছে। ঔপনিৱেশিকতাৰ বিৰুদ্ধে আৰম্ভ হোৱা সামগ্ৰিক অসহযোগ আন্দোলনৰ এইয়া অংশ-বিশেষ।"

দেশবন্ধুৱে যতীন্দ্ৰমোহনৰ মহৎ হৃদয় বিশ্ৰাম বিহীন, কৰ্মউমাদনা আৰু বৃহৎ জাতীয় স্বাৰ্থৰ হকে সাহসেৰে আত্মনিয়োগ কৰা দেখি অত্যন্ত আনন্দিত হৈছিল।

144 ধাৰা অনুযায়ী যতীন্দ্ৰমোহন আৰু তেওঁৰ সহকৰ্মীসকলক কোনো সভাসমিতি পতা, শোভাযাত্ৰা বাহিৰ কৰা নিষিদ্ধ কৰা হ'ল। ৰেলকৰ্তৃপক্ষই এ. বি. আৰৰ মূল-ৰেলৰে ৱৰ্কচপ, চট্টগ্ৰামৰ পৰা 5 মাইল নিলগত অৱস্থিত পাহাৰতলিত ধৰ্মঘটকাৰীৰ কৰ্মচাৰীৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ললে। ধৰ্মঘটকাৰীক কোনো বয়-বস্তু লগত নিনিয়াকৈয়ে ৰেলৰে থকাঘৰ খালি কৰিবলৈ বাধ্য কৰালে। এই ভয় দেখুৱাই বাধ্য কৰা কামে ধৰ্মঘটকাৰী কৰ্মচাৰীসকলক নতুন সমস্যাত পেলালে। অনতিপলমে চট্টগ্ৰাম কংগ্ৰেছ কমিটিয়ে পাহাৰতলিত দুৰ্দশাগ্ৰস্ত লোকসকলক সাহায্য দিবৰ বাবে এদল ভলণ্টিয়াৰ পঠিয়াই দিলে। প্ৰথম দলটোত আছিল সুখেন্দুবিকাশ সেনগুপ্ত, মহম্মদ

হাৰুণ, প্ৰেমানন্দ দত্ত, মঃ চিৰাজুল হ'ক, ছামচুদ্দিন ছচ্‌ৰামি, গংগাৰাম পুংগা, মহম্মদ মুছা আৰু নলিনীৰঞ্জন মিত্ৰ। এওঁলোকে একৈছ জুন তাৰিখে ঢল পুৰাতে পাহাৰ তলিলৈ যাত্ৰা কৰিলে। পুলিচে অৱশ্যে এওঁলোকৰ কথা গম পাইছিল। দলটোৱে 'ঝাড়ঝয়া বট-আলি' নামৰ ঠাইত বাটৰ কাষৰ এখন দোকানত চাহ খাবলৈ কিছু সময় ৰৈছিল। তেওঁলোকে গোটেই বাটতে বৰষুণ পাই আহিছিল। তাতে এজন পুলিচ চাব ইঞ্চপেক্টৰৰ অধীনত এটা ফৌজ গৈ হাজিৰ হ'ল আৰু আটাই কিজন কংগ্ৰেছকৰ্মীয়ে গ্ৰেপ্তাৰ কৰিলে। পুলিচে তেওঁলোকক হাত-কেৰেয়া লগাই দোপাতপিটা বৰষুণৰ মাজতে খোজ কঢ়াই নি চট্টগ্ৰামৰ পৰা কেইকিল'মিটাৰ আঁতৰত থকা থানা পোৱালেগৈ।

ন গৰাকী কংগ্ৰেছ কৰ্মীক গ্ৰেপ্তাৰ কৰা হ'ল। চট্টগ্ৰামত পুলিচৰ উদ্ধত কাৰ্যৰ পাছতে অসহযোগ আন্দোলনৰ ক্ষেত্ৰত গ্ৰেপ্তাৰ হোৱা এইয়া প্ৰথম কংগ্ৰেছৰ দল। চট্টগ্ৰামত থকা কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত এই গ্ৰেপ্তাৰৰ খবৰ বিজুলী বেগেৰে পালেগৈ। খবৰটো পাই যতীন্দ্ৰমোহন উদ্বিগ্ন হ'ল আৰু সহযোগীসকলৰ লগত আলোচনা কৰি শান্তিপূৰ্ণ উদ্দেশ্যৰে চান্দপুৰলৈ যোৱা কংগ্ৰেছৰ স্বেচ্ছাসেৱক ন জনক অন্যায়ভাৱে গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত এটা ডাঙৰ শোভাযাত্ৰা উলিয়াবলৈ ঠিক কৰিলে। তেওঁলোকে ভালকৈ জানিছিল যে এই প্ৰস্তাৱিত শোভাযাত্ৰাই চৰকাৰৰ বলবৎ থকা 144 ধাৰা উলংঘ কৰিব। যতীন্দ্ৰমোহনে সেইবাবে শোভাযাত্ৰাত যোগদিয়া সকলোকে সম্পূৰ্ণভাৱে অহিংস হবলৈ আৰু কোনো কাৰণতে পুলিচৰ বা অশুভ শক্তিৰ পশ্চাৎঘাটি কাৰ্যত উত্তেজিত নহবলৈ সঁকিয়াই দিলে। সকলোৱে যতীন্দ্ৰমোহনক প্ৰতিশ্ৰুতি দিলে। প্ৰস্তাৱিত শোভাযাত্ৰাটো চহৰৰ প্ৰধান প্ৰধান আলিবাটেদি যাবলৈ আৰু বিভিন্ন প্ৰাৰ্থনা স্থানত সমবেত হৈ প্ৰাৰ্থনা পাতিবলৈ কাৰ্যসূচী গ্ৰহণ কৰা হ'ল।

যথাসময়ত শোভাযাত্ৰা ওলাল। শ' শ'ই উৎসাহী নাগৰিক শোভাযাত্ৰাত যোগ দিলে। হিন্দু আৰু শিখ মন্দিৰত প্ৰাৰ্থনা সভা পাতি শোভা যাত্ৰা আগবাঢ়িল আনাৰ-কিল্লাত থকা জুমা মছজিদৰ ফালে। এই মছজিদটো চহৰৰ মাজমজিয়াতে অৱস্থিত। শোভা যাত্ৰাক বাধা দিবৰ বাবে জিলা হাকিম মিঃ ষ্ট্ৰং আৰু পুলিচ অধীক্ষক মিঃ কৰ্‌নিছ আগবাঢ়ি গ'ল। তেওঁলোকে শোভাযাত্ৰাত থকা লোকসকলক তুৰন্তে আঁতৰিবলৈ আদেশ দিলে। কিন্তু কোনেও সেই আদেশ গ্ৰাহ্য নকৰিলে। কংগ্ৰেছ নেতাসকলৰ লগত মিঃ ষ্ট্ৰং আৰু মিঃ কৰ্‌নিছৰ বাকবিতণ্ডা চলিল। পুলিচে যতীন্দ্ৰমোহন, মহীমচন্দ্ৰ দাস আৰু কিছুসংখ্যক আগশাৰীৰ কংগ্ৰেছ কৰ্মীক তাতে গ্ৰেপ্তাৰ কৰিলে। তেতিয়া তাত বৰষুণ হৈ আছিল। সকলো বাধা নেওচি অধিক মাৰ বান্ধি শোভাযাত্ৰা অগ্ৰসৰ হ'ল। তেওঁলোকে "বন্দে মাতৰম," আল্লাহ-আকবৰ," "মহাত্মা গান্ধী কি জয়" আৰু "যতীন্দ্ৰমোহন কি জয়" শ্লোগান দি আগবাঢ়ি গ'ল। পুলিচে মদমত্ত হৈ তেওঁলোকৰ ওপৰত লাঠি চলালে। নিৰস্ত্ৰ জনতাক ছত্ৰভংগ কৰিবলৈ অনেকক ঘাইল কৰিলে।

গ্ৰেপ্তাৰ কৰা নেতাসকলক জেললৈ নিয়া হ'ল। যতীন্দ্ৰমোহনৰ জামিনত মুক্তি

দিবলৈ বিচৰা হৈছিল, কিন্তু তেওঁ জামিনত যাবলৈ অমান্তি হ'ল। জেলৰ সন্মুখত বহুত মানুহ গোট খাই ধ্বনি দিলে। যতীন্দ্ৰমোহনক জেলৰ বাহিৰলৈ উলিয়াই আনিবলৈ গোট খোৱা জনতাই দাবী জনালে। জেল কৰ্তৃপক্ষই এই দাবী উপেক্ষা কৰিব নোৱাৰি তেওঁক গেটৰ সন্মুখলৈ লৈ আহিল। চকী এখনৰ ওপৰত ঠিয় হৈ যতীন্দ্ৰমোহনে জনতাক শান্ত আৰু শৃংখলাবদ্ধ হবলৈ অনুৰোধ কৰিলে। কিছু সময়ৰ পাছতে প্ৰাঙ্গণত মানুহৰ এটা ডাঙৰ জুম বান্ধিলে তেওঁলোকে তেওঁলোকৰ প্ৰিয় নেতা গৰাকীৰ বিচাৰ চাবলৈ গোট খাইছিল। যতীন্দ্ৰমোহনক হাকিমে পুনৰ জামিনত দিবলৈ হুকুম দিলে। এইবাৰো তেওঁ জামিনত যাবলৈ অমান্তি হ'ল। তেওঁৰ বিচাৰ জুলাই মাহৰ চাৰি তাৰিখ সোমবাৰলৈ স্থগিত হ'ল। গোটেই চহৰখনত কংগ্ৰেছ নেতা আৰু কৰ্মীসকলক গ্ৰেপ্তাৰ কৰাৰ বাবে হৰতাল পালন হৈছিল। চট্টগ্ৰামৰ বাহিৰে ভিতৰে এটা উত্তেজনা পৰিলক্ষিত হৈছিল। চাৰিওফালৰ পৰা লোক আহি কৰ্টহিলত সমবেত হৈছিল আৰু তেওঁলোকৰ প্ৰিয় নেতাসকলৰ বিনা চৰ্তে মুক্তি বিচাৰিছিল। কাছাৰিত লোকে ভীৰ পাতিছিল বাবে পুলিচে মাজে মাজে জনতাক ঠেলা হেঁচা কৰিছিল। কাছাৰীৰ কামো স্কুলস্কুলৰ বাবে মাজে মাজে বন্ধ হৈছিল।

ইতিমধ্যে চট্টগ্ৰামৰ ঘটনাই কলিকতাতো উল্লেখযোগ্য প্ৰতিক্ৰিয়া ঘটাইছিল। দেশবন্ধু চিত্তৰঞ্জনে তেওঁৰ অত্যন্ত চেনেহৰ অনুগামী যতীন্দ্ৰমোহনে জনপ্ৰিয় নেতাৰূপে জনসাধাৰণৰ মাজত ঠিয় হোৱা দেখি পৰম তৃপ্তি লাভ কৰিলে। যতীন্দ্ৰমোহন গ্ৰেপ্তাৰ হোৱাত জনসাধাৰণৰ মাজত উত্তেজনা প্ৰবল হব বুলি তেওঁ আশংকা কৰিলে। তেওঁ শ্ৰীমতী সেনগুপ্তালৈ তাৰ প্ৰেৰণ কৰি যতীন্দ্ৰমোহনক দেশৰ খাটিৰতে জামিনত ওলাই আহিবলৈ উপদেশ দিলে। দেশবন্ধুৰ পৰামৰ্শত যতীন্দ্ৰমোহনে অনিচ্ছা স্বত্বেও জামিনত ওলাই আহিল। তেওঁ তিনি মাহ অন্ততঃ শান্তিৰে থাকিব বুলি ব্যক্তিগত প্ৰতিশ্ৰুতিপত্ৰ চহী কৰিছিল। জেলৰ পৰা ওলাই আহোতে ৰাইজে তেওঁক সম্বৰ্ধনা জনালে। এখন জনসভা অনুষ্ঠিত হৈছিল আৰু ইয়াৰ সভানেত্ৰী আছিল শ্ৰীমতী নেলী সেনগুপ্তা। ইতিমধ্যে শ্ৰীমতী সেনগুপ্তাই এগৰাকী যোগ্যৰান ব্যক্তিৰ উপযুক্ত পত্নী স্বৰূপে নিজৰ পৰিচয় দিছিল। তেওঁ চমুকৈ গান্ধীজীৰ অসহযোগ আন্দোলনৰ মৰ্মকথা আৰু অহিংস নীতিৰ কথা ব্যাখ্যা কৰি এটা সাৰগৰ্ভ বক্তৃতা দিলে। সভাত এহেজাৰ টকাৰ এটা মোনা যতীন্দ্ৰমোহনক ধৰ্মঘটকাৰীৰ কামত লগাবলৈ দিয়া হ'ল। সেই সময়ৰ ভিতৰতে যতীন্দ্ৰমোহনে স্ত্ৰী নেলীক লৈ কলিকতালৈ এপাক মাৰিছিল (এক আগস্ট)। ৰেল ধৰ্মঘট চলি থকাৰ বাবে তেওঁলোকে 'চাহজাহান' নামৰ জাহাজত যাব লগাত পৰিছিল। কলিকতাৰ চান্দপাল ঘাটত জাহাজ লগাৰ লগে লগে অনেক গণ্যমান্য লোক আহি সেনগুপ্ত দম্পতীক সম্বৰ্ধনা জনাইছিল। খবৰ কাগজত তেওঁলোকে অসহযোগ আন্দোলনত লাভ কৰা অগ্ৰগতি আৰু এই আন্দোলনত চট্টগ্ৰাম জিলাৰ অভূতপূৰ্ব সহাঁৰি ডাঙৰ-ডাঙৰ আখৰেৰে প্ৰকাশ পাইছিল। যতীন্দ্ৰমোহনৰ কলিকতালৈ যোৱা মুখ্য উদ্দেশ্য আছিল দুটা। তাৰে এটা হৈছে, ধৰ্মঘটকাৰীসকলৰ বাবে গঠিত

সাহায্য পুঁজিলৈ ধন সংগ্ৰহ কৰা আৰু আনটো হৈছে সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে দেশবন্ধু প্ৰমুখে আন আন নেতাৰ লগত আলোচনা কৰা।

কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে সেনগুপ্তই চৰকাৰে জাৰি কৰা 144 ধাৰা ভংগ কৰাটো ভাল নাপাইছিল। সেনগুপ্তই এই কাম কৰোতে ৱাৰ্কিং কমিটিৰ সন্মতি লোৱা নাছিল বাবে বিষয়টো বিতৰ্কৰ হৈ পৰিছিল। তেওঁ চট্টগ্ৰামত আৰম্ভ কৰা আইন অমান্য আন্দোলন আছিল ভাৰতৰে ভিতৰতে প্ৰথম ৰাজনৈতিক পদক্ষেপ। পৰিস্থিতিৰ জৰুৰী অৱস্থাৰ প্ৰতি প্ৰত্যাহ্বান জনাবলৈ তেওঁ এই ব্যৱস্থা হাতত লৈছিল। এই কামত তেওঁক সহকৰ্মী সকলে পূৰ্ণসহযোগ আগবঢ়াই ছিল। ৰাইজৰ উৎসাহ উদ্দীপনা যাতে ম্লান হৈ নপৰে তাৰ প্ৰতি সকলোৰে লক্ষ্য আছিল। সকলো কথা আৰু কামতে তেওঁলোকে অহিংসাৰ বাণী অক্ষুণ্ণ ৰাখিছিল।

যতীন্দ্ৰমোহনক দেশবন্ধু দাসে সমৰ্থন কৰিছিল। তেওঁ কংগ্ৰেছৰ উৰ্ধতম কৰ্তৃপক্ষক পতিয়ন নিয়াই কৈছিল যে যতীন্দ্ৰমোহনে অসহযোগ আন্দোলন আৰু লগতে সৰ্ববৃহৎ ধৰ্মঘট সংগঠন কৰি দেশৰ জনসাধাৰণক ৰাজনৈতিকভাৱে সচেতন কৰিছে। ধৰ্মঘটত সকলোৱে মুক্তচিত্তে যোগদান কৰি ইংৰাজ চৰকাৰৰ স্বেচ্ছাচাৰিতাৰ বিপক্ষে মাৰ বান্ধিছে। জনসাধাৰণত প্ৰিয় নেতা হিচাপে যতীন্দ্ৰমোহনে ৰাইজৰ আশা-আকাংক্ষা, উৎসাহ-উদ্দীপনাত আগভাগ লৈছে। এইয়া স্বাভাৱিকতে প্ৰশংসনীয় কাম হৈছে। দেশবন্ধুৰ যুক্তিত সকলোৱে সন্মতি জনাইছিল।

এই সময়তে মহাত্মাগান্ধীয়ে লগত মৌলানা মহম্মদ আলিক লৈ অসহযোগ আন্দোলনৰ অগ্ৰগতিৰ বিষয়ে বুজ লবলৈ ভাৰত ভ্ৰমণ কৰিছিল। বংগদেশত এই আন্দোলনে বিশেষ প্ৰাধান্য লাভ কৰিছিল। জনসাধাৰণে ধৈৰ্য, সাহস, আৰু কষ্টৰ মাজেদি বীৰ-বিক্ৰমেৰে আন্দোলনত জপিয়াই পৰিছিল আৰু প্ৰশাসন যন্ত্ৰ অচল কৰি দিছিল। ইংৰাজৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ জাকে জাকে ল'ৰা-ছোৱালীয়ে শিক্ষা অনুষ্ঠান বৰ্জন কৰিছিল। তেওঁলোকৰ বাবে প্ৰতিষ্ঠা হৈছিল জাতীয় ভাৱাদৰ্শেৰে সংগঠিত দেশীয় বিশ্ববিদ্যালয়। বিদেশী বস্ত্ৰ এৰি ভাৰতীয় জনগণে স্বদেশী বস্ত্ৰ পৰিধান কৰিছিল, ঘৰত সূতা কাটি কাপোৰ বৈ লৈছিল। বংগদেশৰ সকলো অঞ্চলতকৈ চট্টগ্ৰাম আছিল এই বিষয়ত অগ্ৰগামী।

চট্টগ্ৰামত গান্ধীজী

আগস্ট মাহৰ একত্ৰিশ তাৰিখে মহাত্মাজী, মৌলানা চাহেব আৰু আন আন কৰ্মী-সকলে, আহি চট্টগ্ৰামত উপস্থিত হ'লহি। কিছুসময় সেনগুপ্তৰ বাসভৱনত জিৰোৱাৰ পাছত গান্ধীজী আৰু মৌলানা চাহাবে দেশপ্ৰিয়ৰ লগত আহি ৰাজহুৱা পথাৰত (পাছত ইয়াৰ নাম ৰখা হৈছিল 'গান্ধী মৈডান') উপস্থিত হ'লহি। তেতিয়া তাত লোকে লোকাৰণ্য। গান্ধী আৰু মৌলানাই জনসাধাৰণৰ বিপুল সমাগম আৰু উৎসাহ দেখিবলৈ পাই পৰম আনন্দিত হৈছিল আৰু দুয়ো জাতীয় আন্দোলনত চট্টগ্ৰামৰ ৰাইজে আগবঢ়োৱা বৰঙনি

লগতে যতীন্দ্ৰমোহন আৰু আন কংগ্ৰেছ কৰ্মীয়ে হাতত লোৱা বিস্ময়পূৰ্ণ কামৰ প্ৰশংসা কৰিছিল। গান্ধীজীয়ে সমগ্ৰ ভাৰতবাসীক এই দক্ষিণ-পূৱ প্ৰান্তত অৱস্থিত জিলা-খনৰ উদাহৰণ লবলৈ আহ্বান জনাইছিল। গান্ধীজীয়ে চট্টগ্ৰামৰ ভ্ৰমণক ঐতিহাসিক বুলি অভিহিত কৰি 'ইয়ং ইণ্ডিয়া' কাকতত 'Chittagang to the fore' আৰু 'Chittagang speaks' নামেৰে এলানি মূল্যৱান প্ৰবন্ধ লেখিছিল। ৰাতিটোৰ ভিতৰতে ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত চট্টগ্ৰাম চিহ্নিত হ'ল আৰু লগে লগে ইয়াৰ নবীন নেতা যতীন্দ্ৰমোহনৰ নাম স্বৰাজৰ হকে যুঁজ কৰোঁতা সৰ্বভাৰতীয় নেতাসকলৰ অন্যতম ৰূপে জনাজাত হৈ পৰিল। ৰেল ধৰ্মঘটে তিনিমাহ তিষ্ঠি থকাৰ পাছত এটা চূড়ান্ত পৰীক্ষাৰ সন্মুখীন হ'ল। এফালে ধৰ্মঘটত যোগ দিয়া প্ৰায় পোন্ধৰ হেজাৰ ৰেলকৰ্মীয়ে তেওঁলোকৰ ক্ষমতাৰ শেষ সীমাত আহি ভৰি দিলেহি। তেওঁলোকৰ হাতত থকা টকা-পইচা সকলো উদং হ'ল। আনফালে ৰেল কৰ্তৃপক্ষই ধৰ্মঘটৰ বাবে অতিশয় বিৰক্ত হৈ নতুন ৰেলকৰ্মীৰ তালিকাভুক্ত আৰম্ভ কৰিলে। ধৰ্মঘটকাৰীৰ মনৰ বল ক্ৰমাৎ কমি আহিল। ইমানবিলাক মানুহৰ বাবে নতুন চাকৰি পোৱাটো অসম্ভৱ বুলি ভাবি কিবা এটা উপায় উলিয়াবলৈ নেতাসকলে জল্পনা-কল্পনা কৰিলে। মহাত্মা গান্ধী, যতীন্দ্ৰমোহন আৰু আন আন চট্টগ্ৰামীয় নেতা গোট খাই দীৰ্ঘম্যাদী ধৰ্মঘটৰ পৰা উদ্ভৱ হোৱা জটিল সমস্যাৰ বিষয়ে আলোচনা কৰিলে। যি সকলে কামত যোগ দিব খুজিলে তেওঁলোকক সন্মতি দিয়া হ'ল। কোম্পানীয়ে ধৰ্মঘটৰ চাকৰিয়াল নেতাসকলক কামত যোগ দিবলৈ নিদিলে। তেওঁলোকক প্ৰভিডেণ্ড ফাণ্ড, বনাচ আদি বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত কৰা হ'ল। এনে কৰ্মচাৰীৰ কোনো কোনোৱে হাত দিলে জাতীয় নিৰ্মাণ কাৰ্যত। দুজন এনে কৰ্মীৰ নাম উল্লেখ কৰিব পাৰি। এজন আছিল চট্টগ্ৰাম লুণ্ঠনৰ অন্যতম নেতা পাছত ৰাজনৈতিক ব্যক্তি গণেশ ঘোষৰ পিতৃ বিপিন বিহাৰী ঘোষ। বিপিন বিহাৰী ঘোষ আছিল চট্টগ্ৰাম লুণ্ঠনৰ বিখ্যাত বিপ্লৱী গণেশ ঘোষৰ পিতৃ আৰু আনজন আছিল ক্ষীতিশ চন্দ্ৰ গাংগুলী। গাংগুলীয়ে পাছত দেশপ্ৰিয়ৰ ব্যক্তিগত সচিব ৰূপে কাম চলাইছিল।

প্ৰথম দোষী সাব্যস্ত-কৰণ

চেপ্তেম্বৰৰ 24 তাৰিখে (1921) যতীন্দ্ৰমোহনৰ ব্যক্তিগত জামিনৰ ম্যাদ অন্ত পৰাত তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰা হ'ল। তেওঁৰ বিৰুদ্ধে পাহাৰতলি ঘটনা সংক্ৰান্তত চমন জাৰি কৰা হৈছিল। পুনৰ ব্যক্তিগত জামিনৰ বাবে কাগজ চহী কৰিবলৈ মান্তি নোহোৱাত তেওঁক হাজোতলৈ নিয়া হ'ল। তেওঁৰ বিৰুদ্ধে অনা অভিযোগ প্ৰমাণ কৰিব পৰা নগ'ল। চাৰি অক্টোবৰত যি মোকৰ্দমা চলিছিল সেই মোকৰ্দমাত প্ৰমাণৰ অভাৱত তেওঁ আৰু আন আন নেতাসকলক মুক্তি দিয়া হ'ল। কোনো কাৰণ নোহোৱাকৈয়ে যতীন্দ্ৰমোহন আৰু তেওঁৰ সহকৰ্মীসকলক কুৰি অক্টোবৰ তাৰিখে পুনৰ গ্ৰেপ্তাৰ কৰা হ'ল। বিচাৰত তেওঁলেকৰ বিৰুদ্ধে 144 ধাৰা ভংগৰ অভিযোগ অনা

হৈছিল। যতীন্দ্ৰমোহনক দোষী প্ৰমাণ কৰি তিনি মাহৰ বাবে সশ্ৰম কাৰাদণ্ড বিহা হ'ল। অসহযোগ আন্দোলনত যোগ দিয়া দিন ধৰি এইয়া তেওঁ প্ৰথমবাৰৰ বাবে দোষী সাব্যস্ত হ'ল। ৰায় দিয়াৰ দিনা সন্ধিয়া যতীন্দ্ৰমোহন আৰু তেওঁৰ সহকৰ্মীসকলক চট্টগ্ৰামৰ পৰা কলিকতাৰ আলিপুৰ কাৰাগাৰলৈ নিয়া হ'ল। চট্টগ্ৰামৰ ৰাইজে তেওঁলোকৰ নেতা গৰাকীক এইদৰে শাস্তি বিহা আৰু জিলাখনৰ বাহিৰলৈ বন্দী অৱস্থাত স্থানান্তৰ কৰা ভাল নাপালে। সমূহ ৰাইজে ৰেল ষ্টেচনত মিলিত হৈ নেতা গৰাকীৰ শেষদৰ্শন পাবলৈ আৰু বিদায় সম্বৰ্ধনা জনাবলৈ স্থিৰ কৰিলে। ৰাইজৰ মনত প্ৰবল উত্তেজনাই দেখা দিছিল আৰু তেওঁলোকে গোটেই পথত শ্লোগান দি গৈছিল। এটা হুলস্থুল পৰিবেশৰ সৃষ্টি কৰিবলৈ প্ৰশাসনে সুযোগ বিচাৰি আছিল যাতে অহিংস অসহযোগ আন্দোলনৰ ওপৰত মাধমাৰ শোধাব পাৰে। চট্টগ্ৰামৰ ৰাইজে ষ্টেচনৰ ভিতৰত সোমাব খোজোতেই তাত আগৰে পৰা বৈ থকা এটা গোৰ্খা সৈন্য দলে ভেটা দিলে। শান্তিপ্ৰিয় ৰাইজৰ ওপৰত গোৰ্খা সৈন্যই আক্ৰমণ চলাই অনেকক ঘাইল কৰিলে। প্ৰসন্ন কুমাৰ সেনে সবিশেষ জনাই মহাত্মাগান্ধীলৈ পত্ৰ প্ৰেৰণ কৰিলে। (এই পত্ৰ 1931 চনৰ তিনি নৱেম্বৰৰ 'ইয়ং ইণ্ডিয়া' কাকতত প্ৰকাশ পাইছে) "যদিও সমবেত ৰাইজ সম্পূৰ্ণভাৱে শান্তিপূৰ্ণ আছিল তথাপিও তেওঁলোকৰ ওপৰত গোৰ্খা সৈন্যই আক্ৰমণ চলালে সামন্তবাদী চৰকাৰে 144 ধাৰাৰ নামত দেশৰ নেতা, জনগণ আৰু নিৰীহ লোকৰ ওপৰত উৎপীড়ন চলালে। ৰাইজে 144 ধাৰা ভংগ কৰিছে আৰু চলিত মাহৰ কুৰি তাৰিখে শোভাযাত্ৰা উলিয়াই শান্তি নষ্ট কৰিছে, উন্মত্ত জনতাই পুলিচৰ গালৈ শিলগুটি দলিয়াইছে বুলি চৰকাৰে মিছা অভিযোগৰ অজুহাতত বৰ্বৰ আচৰণ প্ৰদৰ্শন কৰিলে।"

গ্ৰেপ্তাৰ হোৱা লোকসকলৰ ভিতৰত আশী বছৰীয়া নেতা মৌলবী কাছেম আলি, কালীশংকৰ চক্ৰবৰ্তী, জ্যোতি'ৰ বয়সস্থ সম্পাদক সুখেন্দু বিকাশ সেনগুপ্ত, মহম্মদ ছিৰাজুল হক আৰু জনপ্ৰিয় কংগ্ৰেছ নেতা প্ৰেমানন্দ দত্ত অন্যতম। প্ৰেমানন্দ দত্ত সেই দিনা ঘটনাস্থলীত নাছিল। প্ৰমাণৰ অভাৱত তেওঁ খালাচ পালে। বাকী সকলৰ ওপৰত শান্তি ভংগ কৰা, পুলিচৰ হাতৰ পৰা দোষী ব্যক্তিক মুক্ত কৰিবলৈ চেষ্টা কৰা প্ৰভৃতি অভিযোগ তৰা হ'ল। তেওঁলোকৰ বিৰুদ্ধে ছমাহ মোকৰ্দমা চলিল আৰু প্ৰত্যেককে জেলবাসৰ আদেশ দিয়া হ'ল। এনে গণ্যমান্য দেশ নেতাসকলক মিছা অভিযোগত শাস্তি বিহা দেখি জনসাধাৰণে আইন কানুন অৰ্থহীন বুলি ভাৱিবলৈ ধৰিলে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে কলিকতা প্ৰমুখ্যে দেশৰ আন আন চহৰ সমূহতকৈ চট্টগ্ৰামতে অসহযোগ আন্দোলনৰ গতিয়ে তীব্ৰৰূপ ধাৰণ কৰিছিল। জে. এম. সেনগুপ্ত প্ৰভৃতি চট্টগ্ৰামৰ নেতাসকলে 144 ধাৰা অমান্য কৰি জেললৈ গৈছিল। আনকি মহিলাসকলেও নেলী সেনগুপ্তাৰ নেতৃত্বত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি এটা অভিলেখৰ সূচনা কৰিছিল। প্ৰিন্স অৱ ৱেলচৰ ভাৰত ভ্ৰমণ, বিদেশী বস্ত্ৰ বৰ্জন প্ৰভৃতি কাৰ্যসূচীত চট্টগ্ৰামৰ মহিলাসকলে আগভাগ লৈছিল। কলিকতাত বাসন্তীদেবী

আৰু আন আন নেত্ৰীবৰ্গক গ্ৰেপ্তাৰ কৰা হৈছিল। দেশবন্ধু চিত্তৰঞ্জন দাসকো শান্তি ভংগৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছিল। নেলী সেনগুপ্তাই 1921 চনৰ একৈছ জুলাইত অনুষ্ঠিত জনসভাত এটা উত্তপ্ত বক্তৃতা দি নিজৰ প্ৰতিভাৰ পৰিচয় দিয়ে আৰু গণ-আন্দোলনৰ সৈতে একাত্ম হৈ পৰে। সেই সময়ত যতীন্দ্ৰমোহন আৰু আন আন নেতাৰ ওপৰত চৰকাৰে নিষেধাজ্ঞা জাৰি কৰিছিল। যতীন্দ্ৰমোহন আৰু বাকী নেতাসকল গ্ৰেপ্তাৰ হোৱাত নেলী সেনগুপ্তাই আন্দোলনৰ গতি সজীৱ কৰি ৰাখিবলৈ আগবাঢ়ি আহিছিল। তেওঁৰ লগত আছিল কুসুমকুমাৰী সেনগুপ্তা, স্বৰ্ণলতা দেৱী প্ৰভৃতি উৎসাহী মহিলা। তেওঁলোকে খাদী ব্যৱহাৰ অধিক জনপ্ৰিয় কৰিবলৈ যত্ন কৰিছিল আৰু দেশৰ বিভিন্ন জনহিতকৰ কামত ব্ৰতী হৈছিল। চৰকাৰে নেলী সেনগুপ্তাৰ কাৰ্যকলাপ বন্ধ কৰিবলৈ 144 ধাৰা প্ৰয়োগ কৰিছিল। কিন্তু তেঁৱো এই নিষেধাজ্ঞা ভংগ কৰি পূৰ্ণগতিত ৰাইজৰ মাজত নিজকে বিলাই দিছিল। তেওঁ পুলিচৰ অবাধ জোৰ জুলুমৰ প্ৰতিবাদ জনাই জিলা হাকিম মিঃ ষ্ট্ৰেড্‌লৈ এখন চোকা চিঠি দিছিল। কিন্তু চিঠিৰ উত্তৰ নাহিল যদিও সেনগুপ্তাৰ ওপৰত চলোৱা অযথা জোৰ জুলুম কিছু পাতলিল।

বংগদেশৰ চৰকাৰে স্বেচ্ছাসেবক বাহিনীবোৰক বে-আইনী বুলি ঘোষণা কৰিছিল। এই ঘোষণা অমান্য কৰিবলৈ প্ৰতাপচন্দ্ৰ গুহৰায় আহি চট্টগ্ৰামৰ যাত্ৰামোহন সেন হলঘৰত এখন ৰাজহুৱা সভা পাতিলে, তেওঁ এহেজাৰ ভলণ্টিয়াৰ লিষ্টিভুক্ত কৰিলে। এওঁলোকে পিছদিনাই আইন অমান্য কৰি গ্ৰেপ্তাৰ বৰণ কৰিলে। এওঁলোকৰ পিছত আৰু ভলণ্টিয়াৰ দল আগবাঢ়িল আৰু গ্ৰেপ্তাৰ হ'ল।

যতীন্দ্ৰমোহনৰ লগতে চট্টগ্ৰামৰ অনেক নেতা আৰু কংগ্ৰেছ কৰ্মী আছিল যিসকলে গণ-অভ্যুত্থানত আগবাঢি আহি অভূতপূৰ্ব ত্যাগৰ নিদৰ্শন দেখুৱাইছিল। অনেক জেললৈ গৈছিল, অত্যাচাৰ ভোগ কৰিছিল। এওঁলোক আছিল স্বাধীনতা সংগ্ৰামী বীৰপুৰুষ। যতীন্দ্ৰমোহনৰ আগে পিছে যিসকল গ্ৰেপ্তাৰ হৈ কাৰাৰুদ্ধ হৈছিল সেই সকলৰ ভিতৰত মনত পৰা ব্যক্তি সকল হ'ল: মহীমচন্দ্ৰ দাস, ত্ৰিপুৰাচৰণ চৌধুৰী, অধ্যাপক নৃপেন্দ্ৰচন্দ্ৰ বানাৰ্জী, কাছেম আলী, কৃপালদাস উদাসী, স্বামী দীনবন্ধু, মৌলবী আব্দুল কৰিম, ছাহ বদিয়ুল আলম, মৌলানা মণিৰুজ্জামান ইছলামাবাদী, কালীশংকৰ চক্ৰবৰ্তী, উমেশচন্দ্ৰ গুহ, প্ৰসন্নকুমাৰ সেন, যামিনীমোহন বসু, ৰমেশচৰণ ৰক্ষিত, ৰত্নেশ্বৰ চক্ৰৱৰ্তী, বৰদাপ্ৰসাদ নন্দী, দ্বীজেনমোহন কুণ্ডু, গিৰিজাশঙ্কৰ চৌধুৰী, মোক্ষদাৰঞ্জন কানুন গো, আৰু ৰমণীৰঞ্জন গুপ্ত। প্ৰায় ছয় হেজাৰ ভলণ্টিয়াৰ অসহযোগ আন্দোলনত যোগ দি গ্ৰেপ্তাৰ হৈছিল; পুলিচ আৰু সৈন্যবাহিনীৰ অত্যাচাৰ, উৎপীড়ন ভোগ কৰিছিল। ইয়াৰ ভিতৰত আছিল শতাধিক কলেজৰ ছাত্ৰ।

নোৱাখালি আৰু ফৰিদপুৰৰ পৰা জননেতা ড. প্ৰতাপচন্দ্ৰ গুহৰায় আৰু নগেন্দ্ৰ-কুমাৰ গুহৰায় আহি চট্টগ্ৰামৰ ৰাজহুৱা সভাত বক্তৃতা দি কাৰাবাস খাটিছিল। ড. প্ৰতাপচন্দ্ৰ গুহৰায় আছিল যতীন্দ্ৰমোহনৰ কলিকতাৰ সহকৰ্মী। মুক্তি আন্দোলনৰ

এজন আগশাৰীৰ নেতা হিচাপে তেওঁ খ্যাতি লভিছিল। পশ্চিমবঙ্গ লেজিচলেটিভ কাউন্সিলৰ তেওঁ এবাৰ সভাপতিও হৈছিল।

আন্দোলনে শিক্ষানুষ্ঠানকো স্পৰ্শ কৰিছিল। উদাহৰণ স্বৰূপে কব পাৰি যে নেচনেল হাইস্কুল, জেঃ এম সেন হাইস্কুল, অৰিয়েণ্টেল একাডেমি, মিউনিচেপেল হাইস্কুল প্ৰভৃতিয়ে কম বেছি পৰিমাণে আন্দোলনৰ দ্বাৰা গতিশীল হৈ উঠিছিল।

দেশৰ দ্ৰুত উন্নতিকৰণৰ বাবে লগতে জাতীয় জাগৰণৰ বাবে সকলোৰে আত্মনিৰ্ভৰ হোৱাটোৱে যে নিতান্ত প্ৰয়োজন সেই কথা যতীন্দ্ৰমোহনে উপলব্ধি কৰিছিল আৰু চট্টগ্ৰামৰ বিভিন্ন জনহিতকৰ কামত তেওঁ গুৰুত্ব দিছিল। যতীন্দ্ৰমোহনৰ প্ৰথম জাতীয় কৰ্মপ্ৰেৰণাৰ পৰিচয় ফুটি ওলাইছিল তেওঁ হাতত লোৱা অৰ্থপূৰ্ণ কামৰ মাজেদি। 1921 চনত চট্টগ্ৰামত অনিশ্চয়তাই সকলোৰে মন আগুৰি ৰাখিছিল। সেনগুপ্তই গোটেই পৰিস্থিতিটো বংগীয় প্ৰাদেশিক সন্মিলনত অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে দাঙি ধৰিছিল। এই সভাৰ সভানেত্ৰী আছিল বাসন্তী দেবী। তিলক স্বৰাজ্য পুঁজিলে ৫০,০০০ টকা (লক্ষ্যৰ পৰিমাণ) ৰ ভিতৰত চট্টগ্ৰামে ২৯,০০০ টকা দান দিছিল। ধৰ্মঘটকাৰীৰ সাহায্য পুঁজিলৈ দিছিল ৫০,০০০ হেজাৰৰো অধিক টকাৰ বৰঙনি। ইয়াৰ বাহিৰেও জিলাখনৰ অনেক ঠাইত বিশেষকৈ গাওঁ অঞ্চলত খাদী প্ৰচলনৰ বাবে কেন্দ্ৰ স্থাপিত হৈছিল। হাতে কটা খদ্দৰ কাপোৰ তৈয়াৰ কৰিবলৈ অৰ্থ মজুৰী দিয়া হৈছিল। প্ৰায় দু হেজাৰ হাতে কটা যঁতৰ আৰু পোন্ধৰ হেজাৰ তাঁতশালৰ যোগান ধৰা হৈছিল। গ্ৰামোদ্যোগ কেন্দ্ৰ সমূহৰ ভিতৰত ঝৰাৰগঞ্জ, চুচিয়া, সাতবাৰীয়া, সাতকনিয়া আৰু দুৰ্গাপুৰত বোৱা কটাৰ কাম বিস্তৃতভাৱে চলিছিল। কলিকতাৰ খাদী প্ৰতিষ্ঠানে হাতে কটা কাপোৰৰ কেন্দ্ৰ খুলিছিল আৰু এইবোৰ হস্তশিল্পই জাতীয় জাগৰণত বিস্তৰ সহায় কৰিছিল। চট্টগ্ৰামৰ এই জাতীয় উৎসাহ উদ্দীপনাত বিদেশী শিল্পপতি স্বাৰ্থত বাধা পৰিছিল। জাতিবৰ্ণ নিৰ্বিশেষে সকলোৰে যতীন্দ্ৰমোহনৰ দুৰ্জয় ভূমিকা লক্ষ্য কৰিছিল। তেওঁ যে মহৎ উদ্দেশ্যৰ বাবেই এই কামত হাত দিছিল তাক গভীৰভাৱে হৃদয়ঙ্গম কৰি তেওঁৰ কৰ্মতৎপৰতাত মুগ্ধ হৈছিল। জনসাধাৰণে যতীন্দ্ৰমোহনক 'দেশপ্ৰিয়' উপাধি প্ৰদান কৰি মৰমৰ ওলগ যাচিছিল। সঁচাকৈয়ে তেওঁ আছিল ৰাইজৰ, দেশৰ পৰম আদৰৰ মহান নেতা।

দৃশ্যপটত দ্বিতীয় সংগ্ৰাম-ক্ষেত্ৰ-স্থান-চট্টগ্ৰাম

চট্টগ্ৰাম সন্মিলনত ৰাজনৈতিক চিন্তাধাৰাৰ এক নতুন দৃশ্যপট জিলিকি উঠিছিল। ইয়াত সাম্প্ৰতিক ৰাজনৈতিক নীতিৰ পৰিৱৰ্তনৰ ইংগিত পোৱা গৈছিল। দেশবন্ধু চিত্তৰঞ্জন আলিপুৰ জেলত আবদ্ধ থকা সময়তে (ফেব্ৰুৱাৰী আগষ্ট, 1922 চন) এই প্ৰতিধ্বনি কাণত পৰিছিল। চিন্তা চৰ্চাৰ পৰিৱৰ্তন কৰি নতুন দৃষ্টিভংগী গ্ৰহণ কৰাৰ কথা গভীৰভাৱে মনত ঠাই দিছিল। অসহযোগ আন্দোলন আৰম্ভণিৰ আগতেই দেশবন্ধুৰ মনত এনে এটা ধাৰণাই (কাউন্সিল ভুক্ত) ক্ৰিয়া কৰি আছিল। বিশেষকৈ

যেতিয়া গান্ধীজীয়ে কংগ্ৰেছৰ বিশেষ বৈঠক পাতি তেখেতৰ কাৰ্যসূচী উৎস্থাপন কৰিছিল (1920) ঠিক তেতিয়াই দেশবন্ধুৱে কাউন্সিল ভুক্ত হোৱা পৰিকল্পনাৰ কথা ভাৱিছিল।

চিত্তৰঞ্জন দাস আছিল উৎসাহী দেশনেতা। দেশমাতৃৰ মুক্তিৰ হকে তেওঁৰ অন্তৰ উঠলি উঠিছিল। বৰদলি কংগ্ৰেছৰ পশ্চাদাপসৰণৰ ফলত উদ্ভব হোৱা টলমল অৱস্থা আৰু ইয়াৰ ফলত ঘটা অসহযোগ আৰু আইন অমান্য আন্দোলনৰ বিৰতিৰ লগতে গান্ধীজীৰ ছমাহ কাৰাগাৰ বাস আছিল দেশবন্ধুৰ দুশ্চিন্তাৰ কাৰণ।

এইটো বোধকৰো ভুল কোৱা ন'হব যে দেশৰ এনে এটা অনিশ্চয়তা অৱস্থাত চট্টগ্ৰামে আগন্তুক সংগ্ৰামৰ বাবে দেশবাসীক প্ৰথমতে আহ্বান জনালে। অৱশ্যে নতুন আন্দোলনৰ মহাকাৰিক কেন্দ্ৰস্থল আছিল কলিকতা। ইয়াৰ পৰা দেশবন্ধু চিত্তৰঞ্জন এই বিষয়ত আগভাগ লৈছিল। মহাত্মা গান্ধীৰ এজন অত্যুৎসাহী অনুকৰণ-কাৰী হৈয়ো তেওঁ কংগ্ৰেছৰ নৈষ্টীক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত অসহযোগ আন্দোলনৰ কাৰ্যসূচীৰ বিৰুদ্ধে থিয় দিছিল আৰু ফলাফল যিয়েই নহওক লাগিলে, তাৰৈ ভয় নকৰি সাহসেৰে নিজ কাম কৰি গৈছিল। কংগ্ৰেছে তেওঁৰ কাৰ্যসূচী গ্ৰহণ কৰি দৃষ্টিভংগী সলনি কৰা নকৰালৈকে তেওঁ সৈমান নহৈছিল। চিত্তৰঞ্জন দাস, মতিলাল নেহৰু, হেকিম আজমল খান, এন. চি. কেলকাৰ, ভিঠল ভাই পেটেল প্ৰভৃতি ব্যক্তিয়ে কৰবৈ গলে, বিদ্ৰোহ কৰি স্বৰাজ্য দল গঠন কৰিছিল। এই দলৰ উদ্দেশ্য আছিল কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান সভাত থাকি শাসক গোষ্ঠীৰ বিৰুদ্ধে সংগ্ৰাম চলোৱা। 1923-27 চনৰ চাৰি বছৰ কাল তেওঁলোক এইদৰে কংগ্ৰেছৰ দ্বিতীয় শক্তিশালী শিবিৰ পতাৰ সিদ্ধান্ত লৈছিল কোনোৱে কৈছিল যে এই দ্বিতীয় শিবিৰেই ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ একমাত্ৰ উল্লেখযোগ্য ৰণক্ষেত্ৰ। এই মত অৱশ্যে সকলোৱে গ্ৰহণযোগ্য নাছিল। বৰদলিৰ সিদ্ধান্তৰ পাছত দেশত নৈৰাশ্য আৰু স্থবিৰতাই দেখা দিছিল। প্ৰায় বিলাক নেতাই তেতিয়া কাৰাবৰণ খাটিছিল। জাতীয় আন্দোলনৰ গতি হৈ পৰিছিল অচল। জে. এম. সেনগুপ্ত তেতিয়া জেলৰ পৰা ওলাইছে মাত্ৰ (জানুৱাৰী, 1922)। তাতে তেওঁৰ বয়স কম, সমগ্ৰ বংগদেশৰ নেতৃত্বৰ গুৰুভাৰ বহন কৰাটো তেওঁৰ নিচিনা নবীন নেতাৰ বাবে সম্ভৱ নাছিল। সংলিষ্ট কংগ্ৰেস ব্যক্তিসকলক লৈ আলোচনাত বহি এই সমস্যাটো সমাধান কৰিবলৈ ঠিক কৰা হ'ল। কোনোৱে ক'লে যে প্ৰাদেশিক সন্মিলন এখন বহুৱাব লাগে। কোনোৱে এই প্ৰস্তাৱ ভাল নাপালে। জিলা পৰ্যায়ৰ নেতাসকলে এই বিষয়ত আগ্ৰহ নেদেখুৱালে। যতীন্দ্ৰমোহনে উপায় নেদিখি নিজৰ জিলা চট্টগ্ৰামতে প্ৰাদেশিক সন্মিলনখন পাতিবলৈ প্ৰস্তাৱ আগবঢ়ালে। সকলোৱে ইয়াত হয়-ভৰ দিলে।

সেনগুপ্তৰ প্ৰস্তাৱ মতে বাসন্তী দেবীক সভানেত্ৰী নিয়োগ কৰা হ'ল। এই প্ৰস্তাৱত অধিক সংখ্যক কংগ্ৰেছ সদস্যই সন্মতি জনাইছিল। যতীন্দ্ৰমোহনৰ প্ৰস্তাৱ গ্ৰহণ কৰোতে আন এটা সুবিধা হ'ল যে যতীন্দ্ৰমোহন ইতিমধ্যে কংগ্ৰেছ ৱৰ্কিং কমিটিতে এজন সভ্যৰূপে অন্তৰ্ভুক্ত হৈছিল। (জানুৱাৰী, 1922) দেশবন্ধুৱে তেওৰ স্ত্ৰী বাসন্তী

দেৱীক চট্টগ্ৰামত বহা প্ৰাদেশিক সন্মিলনে সংখ্যাগৰিষ্ঠ মতত সভানেত্ৰী ৰূপে নিৰ্বাচিত কৰাৰ বাবে আনন্দ পাইছিল। প্ৰাদেশিক সন্মিলনত দেশবন্ধুৰ নতুন সূত্ৰৰ ওপৰত বাদানুবাদ চলিছিল। যতীন্দ্ৰমোহনে সাহসেৰে দেশবন্ধুৰে আগবঢ়োৱা "কাউন্সিল প্ৰৱেশ" প্ৰস্তাৱটোৰ হকে যুক্তি দৰ্শাইছিল।

চট্টগ্ৰাম সন্মিলনত এটা অঘটন ঘটিছিল। স্থানীয় প্ৰশাসকে 'বন্দেমাতৰম্' ধ্বনি দিয়াটো নিষিদ্ধ কৰি সকলোৰে মন বিষাদেৰে ওপচাই পেলাইছিল। বংগদেশৰ লেঃ গৱৰ্ণৰ চাৰ বেমফিল্ড ফুলাৰ থকা সময়ত বিশেষকৈ স্বদেশী আন্দোলনত আৰু বৰিশালত বহা কংগ্ৰেছ মহাসভাৰ সময়ত (১৯০৫-০৬) 'বন্দে-মাতৰম্'ৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা হৈছিল। ইয়াক লৈ কংগ্ৰেছ মহলৰ লগত শাসনত অধিস্থিত বিষয়া সকলৰ তুমুল তৰ্ক-বিতৰ্ক চলিছিল। সুৰেন্দ্ৰনাথ বানাৰ্জীয়ে এই নিষেধাজ্ঞা লৈ জিলা কলেক্টৰ এমাৰ-চনৰ লগত এখন থৈয়া-নথৈয়া বাকযুদ্ধ আৰম্ভ কৰিছিল। ইয়াৰ ফলত বানাৰ্জী ডাঙৰীয়াই ফাটেক খাব লগাত পৰিছিল আৰু বহুত টকাৰ ফাইন ভৰিবলৈ হুকুম পাইছিল। চট্টগ্ৰামৰ সন্মিলনৰ চাৰিওফালে চিপাহী চন্তৰীয়ে আগুৰি আছিল আৰু সুবিধা বুজি যাকে তাকে লাঠি, ভুকু, চৰ দিছিল। যতীন্দ্ৰমোহনে অশান্তিকৰ পৰিবেশ এটা নহ'বলৈ অশেষ যত্ন কৰিছিল আৰু সকলোকে নিষেধাজ্ঞা মানি সন্মিলনৰ কাম সুকলমে শেষ কৰাত গুৰুত্ব দিবলৈ অনুৰোধ জনাইছিল। বাহিৰৰ পৰা প্ৰতিনিধি অনেকে তেওঁৰ অনুৰোধ অগ্ৰাহ্য কৰিছিল। কিন্তু যতীন্দ্ৰমোহনে অতি বিনয়ীভাৱে তেওঁলোকক বিপদৰ কথা ব্যাখ্যা কৰি হুলস্থুল নকৰিবলৈ খাটনি ধৰিছিল। সন্মিলনখন যাতে ভালদৰে হৈ যায়, সেই বিষয়ত তেওঁ বেছি উৎকণ্ঠিত হৈছিল। সন্মিলনৰ সকলো দায়িত্ব তেওঁ নিজে বহন কৰিছিল বাবে তেওঁ বেছি সাবধান হ'বলগাত পৰিছিল।

বাসন্তী দেৱী আৰু জিলা প্ৰতিনিধি সকল একেলগে কলিকতাৰ পৰা জাহাজত আহি চট্টগ্ৰামত নামিছিল। তেতিয়াও এ, বি, ৰেলৱেৰ ধৰ্মঘট চলি আছিল। 'বন্দে-মাতৰম্' ধ্বনি নিদিবলৈ ভলন্টিয়াৰ সকলে অভ্যাগত প্ৰতিনিধিসকলক অনুনয়-বিনয় কৰিব লগাত পৰিছিল। ডেকাসকলে এনে অনুৰোধক প্ৰত্যাখ্যান কৰিছিল। যতীন্দ্ৰ-মোহনে জাহাজঘাটত সকলোকে নিষেধাজ্ঞাৰ বিতং বিৱৰণ আৰু ইয়াক ভংগ কৰিলে হোৱা সম্ভাব্য পৰিণতিৰ কথা ব্যাখ্যা কৰিহে শান্ত কৰিবলৈ সক্ষম হৈছিল। নিৰ্বাচিতা সভানেত্ৰী বাসন্তী দেৱীয়েও যতীন্দ্ৰমোহনৰ কথাতে হয়ভৰ দি প্ৰতিনিধিসকলৰ মন শান্ত কৰিছিল।

III

এটা জীৱন যাত্ৰাৰ চৰম উন্নতি

স্বৰাজ্য দলৰ বীৰ পুৰুষ

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ এটা সন্ধিক্ষণত স্বৰাজ্য দলে জন্মলাভ কৰিছিল। দেশবন্ধু চি. আৰ. দাস, পণ্ডিত মতিলাল নেহৰু প্ৰভৃতি প্ৰতিভাসম্পন্ন নেতাসকল আছিল এই দলৰ কৰ্ণধাৰ। বংগদেশত এই দলৰ যি প্ৰাদেশিক শাখা আছিল তাৰ সভাপতি আৰু সাধাৰণ সম্পাদক আছিল যথাক্ৰমে চি. আৰ. দাস আৰু জে. এম. সেনগুপ্ত। সেনগুপ্ত বংগীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আৰু কলিকতা কংগ্ৰেছ পৌৰসভা সংঘৰো সম্পাদক আছিল। দেশবন্ধু আছিল পৌৰ নিগমৰ বাবে স্বৰাজ্য দলৰ পৰা নিৰ্বাচিত প্ৰথম মেয়ৰ।

সেনগুপ্তই দেশবন্ধুৰ পৰামৰ্শত ওকালতি কৰা স্থগিত ৰাখিছিল বুলি আগতে কৈ অহা হৈছে। তিনি বছৰ বিৰতিৰ পাছত তেওঁ পুনৰ ওকালতি আৰম্ভ কৰিবলৈ মনস্থিৰ কৰে। তিনি বছৰ ওকালতি বন্ধ কৰাৰ ফলত সেনগুপ্তৰ আৰ্থিক অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ উঠিছিল। টকা পইচাৰ কথা নিচিন্তি তেওঁ দেশৰ মুক্তিৰ হকে এই তিনি বছৰে অক্লান্ত পৰিশ্ৰম কৰিছিল। বেদনাদায়ক আৰ্থিক অনাটনত পৰি তেওঁ পুনৰ ওকালতি ব্যৱসায়ত মনোযোগ দিব লগাত পৰিল। কলিকতা আৰু চট্টগ্ৰামৰ অনেকে তেওঁৰ এই পৰিৱৰ্তন ভাল চকুৰে নাচাইছিল। কিন্তু দেশবন্ধুৱে বুজিছিল যে সম্পূৰ্ণ প্ৰয়োজনীয়তাৰ খাটিৰতে সেনগুপ্ত ওকালতিত নামিব লগাত পৰিছিল আৰু সেইবাবে তেওঁ কোনো মন্তব্য কৰা নাছিল। জনসাধাৰণে যি ভাবিছিল তাক কিন্তু সেনগুপ্তই হ'বলৈ নিদিলে৷ তেওঁ ওকালতি কৰিও জাতীয় আন্দোলনত কৰ্মোদ্যমে লাগি থাকিল। তেওঁ দেশবন্ধুৰ সান্নিধ্যলৈ এতিয়া ঘনাই আহিবলৈ ধৰিলে আৰু সকলো জৰুৰী কাৰ্যসূচীত ভাগ ললে। যেতিয়াই দেশবন্ধু কলিকতাৰ পৰা বাহিৰলৈ যায় বা অসুস্থ হৈ পৰে, তেতিয়াই তেওঁ স্বৰাজ্য দলৰ সকলো কামতে আত্মনিয়োগ কৰে।

বংগদেশত স্বৰাজ্য দলৰ মুখ্য কাম আছিল বংগীয় বিধান সভাৰ (বেংগল লেজিচ-লেটিভ কাউন্সিল, নৱেম্বৰ 1923) আগন্তুক নিৰ্বাচন। দেশবন্ধুৰ আলৌকিক ক্ষমতাৰ বলত আৰু প্ৰচণ্ড ব্যক্তিত্বৰ ফলত স্বৰাজ্য দলে নিৰ্বাচনত বিৰাট সাফল্য লাভ কৰিলে। আনকি সুৰেন্দ্ৰনাথ বানাৰ্জী, এচ. এন. মল্লিক আদিৰ দৰে প্ৰখ্যাত লোকেও সাধাৰণ, অনভিজ্ঞ স্বৰাজ্য প্ৰাৰ্থীৰ হাতত পৰাজয় মানিব লগীয়াত পৰিল। চল্লিশ জন স্বৰাজ্য প্ৰাৰ্থী কাউন্সিললৈ নিৰ্বাচিত হ'ল আৰু একক গৰিষ্ঠতা অৰ্জন কৰিলে। চিত্তৰঞ্জন দাস দলপতি নিৰ্বাচিত হৈ নেচনেল পাৰ্টিৰ লগত যুক্ত হৈ সংযুক্ত মৰ্চা গঠন কৰিলে। দাসৰ

যত্নতে সংগঠিত হ'ল, হিন্দু মুছলিম চুক্তি, যাৰ দ্বাৰা সংযুক্ত মৰ্চাৰ শক্তি দুগুণে বৃদ্ধি পালে। এই চুক্তি "বেংগল পেক্ট" নামেৰে জনাজাত।

1924 চনৰ মাৰ্চত চি.আৰ. দাসে জে.এম. সেনগুপ্তৰ সহযোগিতাত দ্বৈত-শাসনতন্ত্ৰৰ বিৰুদ্ধে অভিযান চলাইছিল। কাউন্সিলৰ তেওঁলোক আছিল শক্তিশালী দলৰ বিধায়ক নেতা। সেই সময়ৰ বংগদেশৰ গৰ্ণৰ লৰ্ড লিটনে সাংবিধানিক বিজ্ঞতা দেখুৱাই হস্তান্তৰিত বিষয়সমূহ শাসন কৰিবলৈ চি. আৰ. দাসক মন্ত্ৰীসভা গঠন কৰিবলৈ নিমন্ত্ৰণ জনালে। কিন্তু দাসে এই নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰিলে। তেওঁৰ দলে চৰকাৰে চলোৱা দ্বৈত-শাসনৰ বিৰুদ্ধে ঠিয় দিছিল বাবে তেওঁ দলীয় নীতি উপেক্ষা নকৰিলে।

দাসৰ নেতৃত্বও স্বৰাজ্য দলে বিধানসভাত চৰকাৰী পক্ষই বেতন বৃদ্ধি কৰা প্ৰস্তাৱটো অগ্ৰাহ্য কৰাত গ্ৰহণযোগ্য নহ'ল। তিনি মাহৰ মূৰত চৰকাৰে প্ৰস্তাৱটো পুনৰ দাভি ধৰিলে। এইবাৰো ইয়াক অগ্ৰাহ্য কৰা হ'ল। দুয়োবাৰ স্বৰাজ্য দলৰ হাতত চৰকাৰৰ প্ৰস্তাৱ গ্ৰহণ নোহোৱাত স্বৰাজ্য দলৰ দলীয় ক্ষমতা আৰু সন্মান বৃদ্ধি পালে। এই জয়লাভ তেওঁলোকৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছিল। তৃতীয় বাৰৰ বাবেও চৰকাৰে মন্ত্ৰীসকলৰ বেতন সংক্ৰান্তীয় বিলখন সদনত দাভি ধৰিছিল। কিন্তু সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰাত অগ্ৰাহ্য হ'ল আৰু মন্ত্ৰীসভাই পদত্যাগ কৰিবলৈ বাধ্যত পৰিল। দ্বৈত-শাসনৰ বাবে চৰকাৰে বিৰোধীপক্ষৰ পৰা পদে পদে আহুকাল পাবলৈ ধৰিলে। বংগ চৰকাৰে বিশেষ ক্ষমতা প্ৰয়োগ কৰি এখন অধ্যাদেশ জাৰি কৰিলে।

এইখন আছিল ৰাওলাট আইনৰ সমতুল্য বিল। বিধান পৰিষদলৈ খৰ খেদা কৰি অধ্যাদেশ বিলখন প্ৰেৰণ কৰা হ'ল। সেই সময়মত সুভাষ বসু, অনিলবৰণ ৰায় আৰু সত্যেন্দ্ৰচন্দ্ৰ মিত্ৰ প্ৰভৃতি স্বৰাজ্য দলৰ সদস্যসকল অধ্যাদেশৰ কবলত পৰি জেললৈ গৈছিল। দাসে এই বিলখনৰ দোৰ্ঘোৰ আপত্তি দৰ্শালে আৰু কলিকতাত ইয়াৰ বিৰুদ্ধে জনমত গঠন কৰিলে। তেওঁ বিলখনক "ক'লা আইন" বুলি অভিহিত কৰিছিল। বিলৰ পৰ্যায়ত অধ্যাদেশখন বিধান সভালৈ আহোতে দেশবন্ধু অসুস্থ হৈ পৰিছিল। তেওঁ অসুখীয়া গা'ৰেই ষ্ট্ৰেচাৰত বিধানসভালৈ গৈছিল। তেওঁক তেনে অৱস্থাত দেখি সদনত এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হৈছিল। আনকি অনেক বিপক্ষীয় নেতায়ো তেওঁৰ আগমণত বিস্ময় মানিছিল। যেতিয়া বিলখনৰ ওপৰত ভোট লোৱা হ'ল, তেতিয়া দেখা গ'ল বিলখন অগ্ৰাহ্য হ'ল। কিন্তু গৰ্ণৰে নিজৰ বিশেষ ক্ষমতা প্ৰয়োগ কৰি অধ্যা-দেশৰ বিলখন আইনত পৰিণত কৰিলে। সদনত গ্ৰহণ নকৰা বিল এখন চৰকাৰে ক্ষমতাৰে বলত আইনত পৰিণত কৰা কাৰ্যই সদস্যসকলক মাজত প্ৰতিক্ৰিয়াৰ সূচনা কৰিলে।

দেশবন্ধুৰ মৃত্যু হোৱাৰ পাছত (1925) জে. এম. সেনগুপ্ত বিধানসভাৰ স্বৰাজ্য দলৰ দলপতি নিৰ্বাচিত হ'ল আৰু সাধাৰণ সম্পাদক হ'ল নলিনী ৰঞ্জন চৰকাৰ। 1925 চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত বিধান সভাত জে. এম. সেনগুপ্তৰ নেতৃত্বত স্বৰাজ্য দলে উল্লেখযোগ্য জয় লাভ কৰিছিল। "বেংগল মিউনিচিপলে বিলখন গ্ৰহণ কৰাত এই দলে

সাফল্য লাভ কৰিছিল। ৰাজনৈতিক বন্দীসকলক বিভিন্ন জেলত ৰাখি বেয়া ব্যৱহাৰ কৰাত সদনত স্বৰাজ্য দলে এটা অনাস্থাসূচক প্ৰস্তাৱ আনিছিল। প্ৰস্তাৱটোৰ সপক্ষে সেনগুপ্তই এটা তেজোদীপ্ত বক্তৃতা দিছিল। তেওঁ কৈছিল "আমি কোনো ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি প্ৰস্তাৱটো দাঙি ধৰা নাই। এইটো এটা মানৱীয় সমস্যা। আমি অত্যন্ত মৰ্মাহত হৈছো যে—এই বন্দীসকলক শীতৰ হাড়কপোৱা জাৰত ৰাতি বস্ত্ৰহীন ভাৱে এখন জেলৰ পৰা আন এখন জেললৈ স্থানান্তৰ কৰা হৈছে। সেইবাবে মই কওঁ যে চৰকাৰ ৰাজনৈতিক বন্দীসকলৰ ওপৰত অতিশয় নিৰ্দয় ব্যৱহাৰ কৰিছে। এই ব্যৱহাৰ অমানৱিক। চৰকাৰে আইনৰ অপব্যৱহাৰ কৰিছে আৰু বিচাৰ নকৰাকৈয়ে বন্দীসকলক কাৰাগাৰত ৰাখি নিৰ্মম অত্যাচাৰ চলাইছে।"

স্বৰাজ্য দলৰ প্ৰস্তাৱটো 58-60 ভোটৰ ব্যৱধানত জয়ী হয়। সেনগুপ্তৰ বাবে এই জয়লাভ আছিল গৌৰৱৰ বিষয়। 1926 চনত বংগদেশকে আদি কৰি কোনো কোনো প্ৰদেশত দ্বিতীয়বাৰৰ বাবে নিৰ্বাচন পতা হৈছিল। সেনগুপ্তই স্বৰাজ্য দলৰ হৈ আন আন প্ৰদেশলৈকো প্ৰচাৰ কাৰ্য চলাবলৈ গৈছিল। বংগদেশত স্বৰাজ্য দলৰ হৈ আন কিছু মনোমালিন্য ঘটি দলৰ ভাঙন ধৰিছিল। তথাপিও সেনগুপ্তই বিপুল ভোটত জয়লাভ কৰি স্বৰাজ্য দলৰ সংখ্যা গৰিষ্ঠতা ৰক্ষা কৰিছিল। অৱশ্যে আগৰ বাৰৰ দৰে এইবাৰ উল্লেখযোগ্য সংখ্যা-গৰিষ্ঠতা লাভ হোৱা নাছিল। সেনগুপ্তই কলিকতা পৌৰ-সভাৰ মেয়ৰ পদটো জয়লাভ কৰি স্বৰাজ্যদলৰ গৌৰৱ বঢ়াইছিল।

এই সময়তে কলিকতাত হিন্দু-মুছলমানৰ এটা সাম্প্ৰদায়িক সংঘৰ্ষ লাগে। মেয়ৰ সেনগুপ্ত, ছাত্ৰ সংস্থা, কৰপোৰেশনৰ সদস্যসকল আৰু আন আন নেতাৰ অশেষ চেষ্টাত এই দুৰ্ভাগ্যজনক সংঘৰ্ষ নিয়ন্ত্ৰিত কৰা হ'ল। এই সংঘৰ্ষৰ পাছতে কিছু সংখ্যক মুছলমান সদস্যই স্বৰাজ্যদলৰ লগত সহযোগিতা নকৰা হ'লত বংগ চৰকাৰে সুযোগ বুজি দ্বৈত-শাসন পুনৰ প্ৰতিষ্ঠা কৰে।

দ্বৈত-শাসন পুনৰ প্ৰতিষ্ঠা কৰাত স্বৰাজ্য দলৰ নেতা যতীন্দ্ৰমোহনে সদনত এটা বক্তৃতা দিছিল আৰু চৰকাৰক তীব্ৰ ভাষাত সমালোচনা কৰিছিল। তেওঁৰ বক্তৃতাৰ সাৰাংশ আছিল এনে ধৰণৰ :—

"চৰকাৰে আমি তিনি বছৰৰ আগতে প্ৰত্যাখান কৰা দ্বৈত-শাসন আজি পুনৰ জীয়াই তুলিব খুজিছে। আজি চৰকাৰৰ এই প্ৰস্তাৱত আমি জিকো নে হাৰো কব নোৱাৰো। ফলাফল যিয়েই নহওঁক লাগিলে, মই কিন্তু দৃঢ়তাৰে কওঁ যে এই দ্বৈত-শাসনৰ পক্ষে জনগণৰ কোনো সমৰ্থন নাই। আমাৰ মহান নেতা দেশবন্ধু দাসে এই কুলক্ষণীয়া বিলখনৰ বিৰুদ্ধে যি অংকুৰ ৰোপন কৰি গৈছে তাৰ বীজ এতিয়াও সজীৱ হৈ আছে। দ্বৈত-শাসনৰ কোনো দৈত্যই এই সজীৱতাক ম্লান পেলাব নোৱাৰে। দ্বৈত শাসনৰ জকাটো হয়তো আপোনালোকে থিয় কৰাব পাৰিব, কিন্তু প্ৰকৃত অৰ্থত ইয়াক জীৱন্ত কৰিব নোৱাৰিব। ইয়াৰ ভিতৰখন কোপোলা হৈয়ে ৰৈ যাব। আমি মাত্ৰ দুজন মান মন্ত্ৰী পাম যি সকলে মোটা অংশৰ বেতন পাই জনসাধাৰণক প্ৰতাৰণা কৰি শাসনতন্ত্ৰত

হাত দিব আৰু ক্ষমতা লাভৰ মৰিচিকাৰ পিছত দৌৰাদৌৰি কৰিব। মহাশয়, মই এই প্ৰস্তাৱৰ লক্ষ্য কি তাক সহজেই বুজিব পাৰিছো। 1921 চনত কংগ্ৰেছে কৈছিল যে বৰ্তমান যি সংবিধান চলিছে, তাত একো সজ উদ্দেশ্য নাই। মন্ত্ৰীসকল মাত্ৰ চৰকাৰৰ হাতৰ পুতলা। তেওঁলোকে কৰো বুলি একো কৰিব নোৱাৰে। সেই কথা বুজি কংগ্ৰেছৰ লোকসকলে সদনৰ বাহিৰত থাকি জনসাধাৰণৰ সোৱাৰ কামত সতী হ'ল।

তেওঁলোকে উপলব্ধি কৰিলে যে যি সকলে সংবিধান ভাল পায় আৰু দেশৰ মুক্তিৰ হকে কাম কৰে সেই সকলৰ প্ৰতি অন্যায় আচৰণ দেখুৱা বৰ্তমান মন্ত্ৰী মণ্ডলীৰ এটা অঘোষিত নীতি। তেওঁলোকৰ লক্ষ্য হৈছে এই জাতীয় অনুষ্ঠানটোক নিৰ্মমভাৱে হত্যা কৰা আৰু দেশবন্ধু দাসে জনসাধাৰণৰ হৃদয়ত ৰোপন কৰা দেশপ্ৰেম উভালি পেলোৱা। এই প্ৰস্তাৱটো সদনলৈ অনা হৈছে অনুষ্ঠানটো দমন কৰিবলৈ আৰু সদনৰ ভিতৰতো ইয়াৰ প্ৰভাৱ বিনষ্ট কৰিবলৈ, যাক অকল বংগদেশৰ প্ৰাদেশিক চৰকাৰ বা আমোলাতন্ত্ৰই নহয়, স্বয়ং ইংলণ্ডৰ চৰকাৰেও ভয় কৰে"।

স্বৰাজ্য দলৰ ক্ৰমবৰ্ধমান প্ৰভাৱত প্ৰমাদগণি বংগ চৰকাৰে নিজৰ ৰাজকীয় ক্ষমতা সুদৃঢ় কৰিবলৈ হিন্দু-মুছলমানৰ মাজত মতানৈক্যৰ বীজ ছটিয়াই দিলে। পৰাধীন ভাৰতবৰ্ষত বৃটিছ চৰকাৰে কোনো কাম সহজে কৰিব নোৱাৰিলেই হিন্দু-মুছলমানৰ মাজত এখন কাজিয়া পাতি দিয়ে আৰু বুদ্ধিৰে নিজৰ উদ্দেশ্য সমাধা কৰে। এই অভিসন্ধি পাতি চৰকাৰে তিনিজনীয়া মন্ত্ৰীসভাত দুজন মুছলমান মন্ত্ৰী লবলৈ প্ৰস্তাৱ আগবঢ়ালে। স্বৰাজ্য দলৰ সাময়িক শক্তি হ্ৰাস পোৱাত চৰকাৰ পক্ষই সুবিধাটো গ্ৰহণ কৰিবলৈ বিচাৰিছিল। স্বৰাজ্য দলৰ দলীয় শক্তি অৱশ্যে ক্ৰমাৎ ভাললৈ আহিল। নতুন মন্ত্ৰীসভা গঠনৰ প্ৰস্তাৱটো গৃহীত নহ'ল। কবলৈ গলে বংগীয় কাউন্সিলত স্বৰাজ্য দলৰ এইটো শেষ কৃতকাৰ্য।

বংগীয় সদনত চাঞ্চল্যকৰ ঘটনা

1926 চনৰ ওঠৰ ফেব্ৰুৱাৰীত বহা বংগীয় বিধানসভাৰ বৈঠকত এটা অঘটন ঘটিল। বৈঠক বহি থকা সময়তে চট্টগ্ৰামৰ সদস্য মৌলবী নুৰুল হক চৌধুৰীয়ে (কলিকতা হাইকৰ্টৰ অধিবক্তা) স্বৰাজ্যদলৰ মাজৰ পৰা থিয় দি আলোচিত বিষয়টোৰ ওপৰত এটা সংশোধনী প্ৰস্তাৱ দাঙি ধৰিলে। অধ্যক্ষ কুমাৰ শিৱশেখৰেশ্বৰে প্ৰস্তাৱ নাকচ কৰাত হক চৌধুৰীয়ে বিৰক্ত হৈ কলে, "অধ্যক্ষ মহোদয়ে এয়া নিজ ক্ষমতাৰ অপপ্ৰয়োগ কৰি বিধিবহিৰ্ভূত কাম কৰিছে"। হক চৌধুৰীৰ মন্তব্যত অধ্যক্ষৰ মেজাজ গৰম হ'ল আৰু হক চৌধুৰীক তেওঁ মন্তব্য পুনৰ দোহাৰিবলৈ আদেশ দিলে। হক চৌধুৰীয়ে মৌনতা অৱলম্বন কৰাত অধ্যক্ষই পুনৰ তেওঁক পূৰ্বৰ কথাষাৰ সদনত কবলৈ বাধ্য কৰালে। বাধ্য হৈ হক চৌধুৰীয়ে আগৰ কথা পুনৰ দোহাৰিলে। অধ্যক্ষই তেতিয়া এনে মন্তব্য উঠাই লবলৈ পৰামৰ্শ দিয়াত হক চৌধুৰী মান্তি নহ'ল। অধ্যক্ষই তেতিয়া নিজৰ ৰুলিং সদনত পাঠ কৰিলে। আপত্তিকৰ আচৰণ দেখুৱা বাবে সেইদিনাৰ কাৰ্যসূচীত ভাগ

লোৱাৰ পৰা হকা চৌধুৰীক বিৰত কৰিলে আৰু দিনটোৰ বাবে তেওঁক সদনকক্ষ ত্যাগ কৰিবলৈ আদেশ দিলে।

হক চৌধুৰী সদন কক্ষ ত্যাগ কৰোতে অধ্যক্ষৰ ফালে চাই কলে, "আপুনি যি মন যায় তাকে কৰিব পাৰে"। এই মন্তব্যৰ প্ৰতি সহাঁৰি জনাই বিৰোধী পক্ষই "লাজৰ কথা, লাজৰ কথা" (ছেইম, ছেইম) বুলি মেজত টকিয়ালে। অধ্যক্ষই ক্ৰোধৰে বিপক্ষ দললৈ দৃষ্টি পেলাই চকুৰ আগত স্পষ্ট হোৱা ড. কুমুদ শংকৰ ৰায়ক চিঞৰাৰ অপৰাধত সদন ত্যাগ কৰিবলৈ আদেশ দিলে। স্বৰাজ্য দলৰ দুজন সদস্যক এনেদৰে উলিয়াই পাঠিওৱা কাৰ্যত দলপতি জে. এম, সেনগুপ্ত অতিষ্ঠ হ'ল আৰু থিয় হৈ উচ্চস্বৰে কলে :

"মাননীয় অধ্যক্ষই শিশুসুলভ কাম কৰি আমাৰ দলৰ এজন এজনকৈ দুজন সদস্যক সদন ত্যাগৰ আদেশ দিলে। সদনৰ মজিয়াত 'Shame Shame' কোৱাটো কোনো সংবিধান বিৰোধী কাম নহয়। এনে ধৰণৰ শব্দ হাউছ অব কমন্সটো কোৱা নজিৰ আছে। (এনেতে চৰকাৰী ফালৰ পৰা 'অৰ্ডাৰ, অৰ্ডাৰ' শুনা গ'ল)। মাননীয় অধ্যক্ষৰ আচৰণৰ প্ৰতি মই ক্ষোভ প্ৰকাশ কৰো।"

অধ্যক্ষই সেনগুপ্তক 'Childish' শব্দটো উঠাইল বলৈ ক'লে। কিন্তু তেওঁ উঠাই নোলোৱাত সদন ত্যাগ কৰিবলৈ নিৰ্দেশ আহিল। পূৰ্বৰ সহযোগী সদস্য দুজনৰ দৰে তেওঁ কোনো আপত্তি নজনাই সংযতভাৱে সদনৰ বাহিৰ ওলাল। সদনত আকৌ হুলস্থুল লাগিল। আন এজন স্বৰাজ্য দলৰ সদস্যই চিঞৰি ক'লে, "মই কওঁ যে অধ্যক্ষৰ আচৰণ শিশুসুলভতকৈয়ো বেয়া। তেওঁকো অধ্যক্ষই ওলাই যাবলৈ আদেশ দিলে। আন এজনে কোৱা সদনৰ কাণত পৰিল তেওঁ কৈছিল "অধ্যক্ষৰ আচৰণে কাণ্ডজ্ঞান-হীনতাৰ পৰিচয় দিছে।"

স্বৰাজ্য দল আৰু নিৰ্দলীয় সদস্যসকলে সদনকক্ষ ত্যাগ কৰিলে। মাত্ৰ বৈ গ'ল বি. চক্ৰবৰ্তী বোলা সদস্যজন। তেওঁ কিয় ন'গল বুজিব পৰা নহ'ল। হয়তো তেওঁ কিবা ভাবি সদনতে বহি থাকিল।

পিছদিনা সদনৰ বৈঠকত (উনৈশ ফেব্ৰুৱাৰী) পাঁচোটা অনাস্থা প্ৰস্তাৱ আহিল। ইয়াৰ বাবে আগতীয়া নটীছ দিছিল, যথাক্ৰমে ড. আৰ. চি. ৰায়, নলিনীৰঞ্জন সৰকাৰ, বি. এন. চাছমল, নিৰ্মল চন্দ আৰু মঃ আব্দুল ৰক চৌধুৰীয়ে। চাছমলে অধ্যক্ষৰ আগদিনাৰ আচৰণৰ বাবে সদনত অনাস্থা প্ৰস্তাৱটো দাঙি ধৰিছিল। বাকী কিজনে তেওঁকে দায়িত্ব দিলে। প্ৰস্তাৱটো সদনত অনাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰি দলপতি সেনগুপ্তই কৈছিল, "আগদিনা অধ্যক্ষই বিৰোধী পক্ষৰ প্ৰতি যি পক্ষপাতিতা দেখুৱালে তাৰ প্ৰতি প্ৰতিশোধ লবলৈ এই অনাস্থা প্ৰস্তাৱটো দাঙি ধৰা হোৱা নাই। প্ৰস্তাৱটো দাঙি ধৰা হৈছে বিৰোধী পক্ষৰ প্ৰতিবাদ তালিকাভুক্ত কৰিবলৈ। কিয়নো কাৰ্যক্ষেত্ৰত দেখা গৈছে যে অধ্যক্ষ মহোদয়ে নিজৰ সন্মান ৰক্ষা কৰোতে নিৰপেক্ষতা অৱলম্বন নকৰি চৰকাৰী পক্ষৰ ওপৰত গুৰুত্ব দিছে। সদনৰ সকলো সদস্যৰে প্ৰতি অধ্যক্ষ মহোদয়ৰ আস্থা থকাটো আমি কামনা কৰো।

প্ৰস্তাৱটো অৱশ্যে নিটিকিল, 57-72 ভোটত পৰাজয় বৰণ কৰিলে। কিন্তু প্ৰস্তাৱটোৱে অধ্যক্ষৰ মৰ্যাদা আৰু সন্মানৰ ওপৰত গুৰুতৰ আঘাত হানিলে।

স্বৰাজ্য দলৰ সংসদীয় পদত্যাগ (15 মাৰ্চ 1926)

কানপুৰ কংগ্ৰেছৰ নিৰ্দেশানুযায়ী বংগদেশৰ স্বৰাজ্য দলৰ সদস্যসকলে বিধানসভাৰ পদ ইস্তফা দিবলৈ ঠিক কৰিলে। বিধানসভা ত্যাগ কৰা আগমুহূৰ্তত দলৰ নেতা যতীন্দ্ৰমোহনে এটা বিবৃতি দিছিল। তাৰ সাৰমৰ্ম এনে ধৰনৰ ঃ

"মাননীয় অধ্যক্ষ মহোদয়, আপুনি বোধ কৰো কানপুৰ কংগ্ৰেছে লোৱা প্ৰস্তাৱৰ কথা ইতিমধ্যে গম পাইছে। এই প্ৰস্তাৱ অল ইণ্ডিয়া কংগ্ৰেছ কমিটিৰ দিল্লী বৈঠকত বিচাৰ-বিবেচনা কৰি গ্ৰহণ কৰিছে। এই প্ৰস্তাৱ মতে স্বৰাজ্য দলৰ সকলোসদস্যই আজি বিধানসভাৰ পৰা বিদায় লব।

দুবছৰৰ আগতে আমি এই সদনলৈ আহিছিলো। চৰকাৰে ৰাইজৰ সমৰ্থনত শাসনভাৰ বহন কৰিছে বুলি যি মিছা জাহিৰ কৰিছে তাকে প্ৰমাণ কৰিবলৈ আমি ইয়াত মিলিত হৈছিলো। আমি দ্বৈত-শাসন নিৰ্মূল কৰিলো। এই শাসনত আমি গ্ৰহণ কৰা নীতি বাহিৰত গৈ সকলোকে জনাব লাগিব। আমি দেশৰ জনসাধাৰণৰ কাষলৈ গৈ আমাৰ ভৱিষ্যত কাৰ্যপন্থা নিৰ্ণয় কৰিম। জনসাধাৰণে আমাক শক্তি আৰু অনুপ্ৰেৰণা যোগাব। আমি দেশলৈ ওলাই যাম আমি গ্ৰহণ কৰা নীতিৰ সমৰ্থন বিচাৰি। অকল সেয়ে নহয়, আমি আজিৰ দৰে সংখ্যা লঘিষ্ঠ হৈ থাকিব নোৱাৰো। সদনত দলীয় গৰিষ্ঠতা নহ'লে একো বিশেষ কাম কৰিব নোৱাৰি।

আমি শক্তি আৰু সংখ্যা গৰিষ্ঠতা লাভ কৰি পুনৰ ইয়ালৈ আহি যদি দেখো যে বৰ্তমানৰ শাসনযন্ত্ৰ বদলোৱা মুস্কিল, ই কঠিন আৰু দুৰ্দমনীয়, আমাৰ জাতীয় জাগৰণৰ প্ৰতি সম্পূৰ্ণ সহাঁৰিবিহীন, তেতিয়া মই ভাৱো যে ভাৰতবাসীয়ে আন পন্থা গ্ৰহণ কৰিবলৈ ইতস্ততঃ নকৰিব। যি পন্থা হব কাৰ্যকৰী, কিন্তু ন্যায়সঙ্গত, নিৰস্ত্ৰ, পৰাধীন আৰু নিষ্পেষিত জাতি এটাৰ বাবে যি উপায় আটাইতকৈ উপযোগী, তেনে এটা উপায়কে আমি কামত খটুৱাব লাগিব।

বঙ্গচুক্তি

কাউন্সিলত ইংৰাজ ৰাজত্বৰ বিৰুদ্ধে থিয় দি স্বৰাজ্য দলৰ শক্তি বৃদ্ধি কৰিবলৈ দেশবন্ধু দাসে যি হিন্দু-মুছলিম চুক্তি যুগুত কৰিছিল, সেই চুক্তি বঙ্গ চুক্তি বা বেঙ্গল পেক্ট (1922-23) নামেৰেহে অধিক জনাজাত হৈছিল। স্বৰাজ্য দলৰ বাবে কাউন্সিলত মুছলমান সভ্যসকলৰ আনুগত্য লাভ আছিল এটা শক্তিশালী ৰাজনৈতিক মিত্ৰতা। এই মিত্ৰতাৰ ফলতে বঙ্গদেশৰ শাসনত অৱস্থিত মন্ত্ৰী মণ্ডলক কাউন্সিলৰ বৈঠকত সঘনাই শলঠেকত পেলাবলৈ স্বৰাজ্য দল সমৰ্থ হৈছিল। পৌৰসভাতো বেঙ্গল পেক্টে স্বৰাজ্য দলক নিজৰ দলীয় মৰ্যাদা ৰক্ষা কৰাত সহায় কৰিছিল।

ৰাজনৈতিক সুবিধা প্ৰদানৰ বাহিৰেও বেঙ্গল পেক্টে মুখ্য সম্প্ৰদায় দুটাক সামাজিক সম্পৰ্ক দৃঢ় কৰাত সহায় কৰিছিল। কাৰণ, জাতীয় ঐক্য, সমন্বয় আৰু ভ্ৰাতৃত্ব ৰক্ষা কৰাৰ সকলো আঁচনিতে এই সামাজিক বান্ধোন নিতান্তই প্ৰয়োজন হৈ পৰিছিল। ইয়াৰ অবিহনে সাম্প্ৰদায়িক মতবিৰোধ আৰু সংঘৰ্ষই দেশখনত অশান্তিৰ সূচনা কৰিছিল। এই বিষয়ত দেশবন্ধুৱে মহাত্মা গান্ধীৰ লগত একমত হৈ কৈছিল যে, ভাৰতৰ মুক্তি আন্দোলনৰ বাবে এই সংঘবদ্ধ প্ৰচেষ্টাত সৎ উদ্দেশ্য, দৃষ্টি থাকিলেও দুৰ্ভাগ্যবশতঃ ইয়াৰ বিপক্ষে বঙ্গদেশৰ আৰু ইয়াৰ বাহিৰতো কোনো কোনোৱে বিৰূপ মনোভাব পোষণ কৰিছিল। হিন্দু নেতা সকলত আপত্তি আছিল, সদনত মুছলমান সম্প্ৰদায়ৰ লোকে কিছু অধিক আসন লাভ কৰা বা আৰু তেওঁলোকক চাকৰি বাকৰিৰ ক্ষেত্ৰত জনসংখ্যা ভিত্তিক অধিক গুৰুত্ব দিয়া বিষয় দুটাক লৈ। আপত্তি থকা স্বত্বেও এই চুক্তিখন বি পি চি চি-ৰ বৈঠকত অনুমোদিত হৈছিল। কিন্তু 1923 চনৰ ডিচেম্বৰ মাহত বহা কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশনত ইয়াৰ বিৰুদ্ধে অধিক সভ্যই মত পোষণ কৰাত প্ৰত্যাখান হৈছিল। দেশবন্ধুৱে চুক্তিখন গৃহীত কৰাৰ হকে বলিষ্ঠ যুক্তি প্ৰদৰ্শন কৰিও হাৰ মানিব লগাত পৰিছিল। তেওঁ কৈছিল, "স্বৰাজ্য লাভ কৰিবলৈ আমাক অহিংসা আৰু অসহযোগ কাৰ্যসূচীৰ সফল ৰূপায়ণ লাগে। অসহযোগ কাৰ্যসূচী সফল কৰিবলৈ হিন্দু-মুছলমান ঐক্য অতি আৱশ্যক। ইয়াৰ অবিহনে অসহযোগ ফলৱতী হব নোৱাৰে। যদি স্বৰাজ লাভ কৰিব লাগে তেতিয়াহলে সকলোৱে ঐক্য আৰু সংহতিৰ হকে কাম কৰিব লাগিব।

দেশবন্ধুৰ বিপক্ষে যি নিৰ্মম অভিযান আৰম্ভ হৈছিল তাৰ বিৰুদ্ধে দেশপ্ৰিয় সেনগুপ্তই যুঁজিব লগাত পৰিছিল। দেশবন্ধুৰ সোঁহাত স্বৰূপে তেওঁ কেইবাখনো সভাত বক্তৃতা দিছিল আৰু দেশবন্ধুৰ সপক্ষে যুক্তি দৰ্শাইছিল। এই ক্ষেত্ৰত দুটা উদাহৰণ দিব পাৰি। এটা হৈছে, তেইশ ডিচেম্বৰ তাৰিখে ডাৰভাঙ্গাৰ মহাৰাজাৰ সভাপতিত্বত যুনিভাৰচিটি ইনষ্টিটিউতত এখন সভা অনুষ্ঠিত হৈছিল আৰু সভাৰ মুখ্য বক্তা আছিল বিপিনচন্দ্ৰ পাল। ইয়াত জে, এম, সেনগুপ্তই তেওঁৰ সতীৰ্থ সকলৰ লগত লৈ সভাত যোগদান দি বঙ্গ-চুক্তিৰ হকে মনোগ্ৰাহী বক্তৃতা দি ইয়াৰ বিপক্ষে থকা তথাকথিত ৰাজহুৱা প্ৰতিবাদ খণ্ডন কৰিছিল।

আনটো উদাহৰণ হৈছে, অঠাইশ ডিচেম্বৰ তাৰিখে সুৰেন্দ্ৰনাথ বানাৰ্জীৰ পৌৰহিত্যত এখন বঙ্গ-চুক্তি বিৰোধী সভা বহিছিল। যিহেতু সভাখনক ৰাজহুৱা বুলি ঘোষণা কৰা হৈছিল, সেইবাবে যতীন্দ্ৰমোহনৰ নেতৃত্বত চুক্তি সমৰ্থকৰ ডাঙৰ দল এটাই সভাত যোগ দিবলৈ সুবিধা পাইছিল। যতীন্দ্ৰমোহনৰ দলে সংখ্যাগৰিষ্ঠতা লাভ কৰাত সভাৰ কাৰ্যসূচীত বঙ্গ-চুক্তিৰ সপক্ষে অধিক বক্তাই প্ৰাধান্য লাভ কৰিছিল। সভাৰ মতিগতি দেখি চাৰ সুৰেন্দ্ৰনাথে সভাপতিৰ আসনৰ পৰা ঘোষণা কৰিলে যে সভাখন অনুষ্ঠিত হৈছে বেঙ্গল পেক্টৰ বিপক্ষে আলোচনা কৰিবলৈ। সেইবাবে যি সকলে বেঙ্গল পেক্ট সমৰ্থন কৰে তেওঁলোকে সভাত অংশগ্ৰহণ কৰা সুবিধা নাই। তেওঁলোকে সভাত্যাগ কৰা

উচিত। সভাপতিৰ মন্তব্যত সভাত উপস্থিত থকা লোকসকলৰ মাজত হুলস্থুল লাগিল। উপায়ান্তৰ হৈ চাৰ সুৰেন্দ্ৰনাথে বেঙ্গল পেক্টৰ অনুগামী সকলৰ পৰা মাত্ৰ এজনকহে মঞ্চলৈ আহি বক্তৃতা দিবলৈ অনুমতি দিলে। জে, এম, সেনগুপ্তই বেঙ্গল পেক্টৰ হকে বক্তৃতা দিবলৈ আগবাঢ়ি আহিল। এনেতে চাৰ সুৰেন্দ্ৰনাথে ঘোষণা কৰিলে, "উপস্থিত ৰাইজ, আজিলৈ সভাৰ কাৰ্যসূচী ইমানতে অন্ত পৰিল। মই সভা ভঙ্গ হ'ল বুলি ঘোষণা কৰিলো।" কবলৈ গ'লে প্ৰতিবাদ সভাখন যতীন্দ্ৰমোহন আৰু তেওঁৰ অনুগামী সকলে ব্যৰ্থ কৰিলে।

দেশবন্ধুৰ নেতৃত্বত আৰু তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ উত্তৰাধিকাৰী দেশপ্ৰিয় সেনগুপ্তৰ পৰিচালনাত এই বেঙ্গল পেক্টে দুই সম্প্ৰদায়ৰ মাজত একতা স্থাপন কৰাত অভূতপূৰ্ব সাফল্য লাভ কৰিছিল। কবলৈ গ'লে, এনে সমিলমিল মনোভাৱ সময় সাপেক্ষ আছিল আৰু দেশৰ শান্তি আৰু উন্নতিৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা সকলোৱে উপলব্ধি কৰিছিল। কিন্তু অত্যন্ত পৰিতাপৰ কথা যে গান্ধীজীৰ হিন্দু-মুছলিম সদভাবৰ যি আদৰ্শ তাক বহল দৃষ্টিভংগীৰে নেতাসকলে গ্ৰহণ নকৰিলে। ইকালে দেশবন্ধুৰ সুপৰিকল্পিত বেঙ্গল পেক্টে নেতাসকলৰ সদয়তাৰ অভাৱত পৰিত্যক্ত হৈ পৰিল। জাতীয় উন্নয়নৰ বহুতো সজ প্ৰচেষ্টা আমাৰ দেশত ভুল মুল্যায়নৰ বাবে কাৰ্যকৰী হৈ নুঠাৰ নজীৰ আছে যাৰ ফলত সাম্প্ৰদায়িক সংঘৰ্ষৰ নিচিনা মাৰাত্মক ঘটনা আমি ভোগ কৰো। জাতীয় কংগ্ৰেছে সাম্প্ৰদায়িক সংহতিৰ দিশত কোনো বলিষ্ঠ কৰ্মসূচী গ্ৰহণ কৰিব নোৱাৰাৰ ফলত আৰু ইংৰাজ শাসকৰ বিভেদ নীতি প্ৰৱৰ্তনৰ ফলত এদিন ভাৰতবৰ্ষৰ ৰাজনৈতিক জগতত জন্ম হ'ল, মুছলিমলীগ নামৰ ৰাজনৈতিক দলটোৰ। এই দলে দেশৰ আভ্যন্তৰীণ বেমেজালি, সাম্প্ৰদায়িক তিক্ততা আৰু শাসকগোষ্ঠীৰ কূট চক্ৰান্তৰ সুবিধা পূৰ্ণদমে গ্ৰহণ কৰিলে।

ধৰ্মীয় গোড়ামীয়ে ৰাজনৈতিক জগতত ওখ স্থান অধিকাৰ কৰিলে। ইয়াৰ চূড়ান্ত প্ৰতিক্ৰিয়া ভাৰতবাসীয়ে স্বচক্ষুৰে দেখিবলৈ পালে পৰৱৰ্তী দুই দশকৰ ভিতৰত। দেশ বিভাজন হ'ল। কষ্টৰে লাভ কৰা স্বাধীনতাৰ ওপৰত মাৰঘাত পৰিল। চিত্তৰঞ্জন দাসৰ দুৰদৃষ্টি আৰু যতীন্দ্ৰমোহনৰ অগ্ৰগামী বাস্তৱ-চিন্তা চূৰ্ণবিচূৰ্ণ হৈ পৰিল। তেওঁলোকে হিন্দু-মুছলিমৰ ঐক্যৰ বাবে যি আন্তৰিক প্ৰচেষ্টা চলাইছিল, সেই প্ৰচেষ্টাৰ অপমৃত্যু ঘটিল। ফলত দেশলৈ আহিল অনিশ্চয়তা, অশান্তি আৰু প্ৰচণ্ড হিংসাত্মক কাৰ্যকলাপ। আহিল কষ্টভোগ, নিদাৰুণ যন্ত্ৰণা আৰু বিপৰ্যয়।

দেশবন্ধুৰ মৃত্যু

বিদেশী চৰকাৰৰ বিৰুদ্ধে দেশবন্ধুৰ বিশ্ৰামবিহীন আন্দোলন, কষ্ট-বহুল কৰ্মব্যস্ততা আৰু লগতে তেওঁৰ সজ উদ্দেশ্য প্ৰণোদিত থৰতকীয়া মুক্তি সংগ্ৰাম আঁচনি আৰু কাৰ্য-পদ্ধতিৰ প্ৰতি নিজদেশত মানুহৰ মাজত থকা দুৰ্ভাগ্যজনক বিভ্ৰান্ত ধাৰণা এই সকলো-বিলাক মিলি তেওঁৰ ইতিমধ্যে অৱনতি ঘটা স্বাস্থ্য ক্ৰমাৎ আৰু বেয়াৰ ফালে গ'ল। তেওঁ

1925 চনৰ ষোল জুনত পঁচপন্ন বছৰ বয়সতে দাৰ্জিলিঙত মৃত্যু বৰণ কৰি দেশবন্ধুৱে নশ্বৰ দেহা ত্যাগ কৰিলে। তেওঁৰ মৃত্যুতে দেশৰ স্বাধীনতা সংগ্ৰামৰ এজন আগশাৰীৰ যোদ্ধা নোহোৱা হৈ অপূৰণীয় ক্ষতি হ'ল। জীৱনৰ শেষ দিনকেইটাত তেওঁ ভাৰতৰ ৰাজনৈতিক অস্থিৰতা দূৰ কৰিবলৈ প্ৰয়োজন হলে বৃটিছ চৰকাৰৰ লগতো এটা সন্মানজনক মীমাংসা কৰিবলৈ মত পোষণ কৰিছিল আৰু এই সঙ্গ উদ্দেশ্যত মহাত্মা গান্ধীক প্ৰমূখ্য কৰি অনেকে তেওঁক উৎসাহ দিছিল। কিন্তু যি সময়ত চিত্তৰঞ্জনৰ প্ৰয়োজন আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছিল সেই সময়তে নিষ্ঠুৰ কালে তেওঁক ভাৰতবাসীৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল।

গান্ধীজীৰ অনুসন্ধান—দেশবন্ধুৰ পাছত কোন ওলাব ?

জাতীয় ক্ষতিৰ দুৰ্যোগ মুহূৰ্ত্তত এক গভীৰ হৃদয় ব্যথাৰে মহাত্মা গান্ধীয়ে তেওঁৰ দুশ্চিন্তা এনেদৰে ব্যক্ত কৰিছিল ; "মই অকলশৰীয়া অনুভৱ কৰিছিলো যেতিয়া কালে আমাৰ মাজৰ পৰা লোকমান্যক কাঢ়ি লৈ গৈছিল। মই সেই বেদনা এতিয়াও প্ৰশমিত কৰিব পৰা নাই। এতিয়াও তেওঁৰ অভাৱ মই পূৰণ কৰিব পৰা নাই। দেশবন্ধুৰ মৃত্যুৱে মোৰ অৱস্থা আৰু বিষম কৰি তুলিলে। কাৰণ যেতিয়া লোকমান্যই আমাক এৰি গৈছিল তেতিয়া দেশখনত আশাৰ বন্তিগছ জ্বলি আছিল। আমি এখন ৰণৰ বাবে তেতিয়া প্ৰস্তুতি চলাইছিলো। কিন্তু এতিয়া ? (মহাত্মা গান্ধীয়ে 1925 চনৰ 25 জুনত ওলোৱা ইয়ং ইণ্ডিয়াত লিখা প্ৰবন্ধ)

মহাত্মা গান্ধীয়ে দেশবন্ধুৰ মৃত্যুৰ বাতৰি পোৱাৰ পাছত ৰেলেৰে খুলনাৰ পৰা কলিকতালৈ যাওঁতে একে খোটালিতে ভ্ৰমণ কৰা তেওঁৰ পৰম বন্ধু আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰয়ক দেশবন্ধুৰ পাছত কোন যোগ্যতম নেতা হব বুলি প্ৰশ্ন কৰিছিল। মহাত্মা গান্ধীয়ে আচাৰ্যক সোধা প্ৰশ্নটো আছিল এনে ধৰণৰ :—

···আপুনি সেনগুপ্তৰ বিষয়ে কি ভাবে ? তেতিয়া বিনা দ্বিধাই আচাৰ্যই উত্তৰ দি কৈছিল যে যতীন্দ্ৰমোহনেই চিত্তৰ (দেশবন্ধুক আচাৰ্যই মৰমতে চিত্ত বুলি মাতিছিল) যোগ্যতম উত্তৰাধিকাৰী হব আৰু তেওঁক সকলো দায়িত্বৰ ভাৰ গ্ৰহণ কৰিব পাৰিব।

উল্লেখযোগ্য যে আচাৰ্য ৰয়ে যতীন্দ্ৰমোহনক খুব ভালকৈ চিনি পাইছিল আৰু তেওঁৰ কৰ্ম্ম পাৰদৰ্শিতাক প্ৰশংসা কৰিছিল। (আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায় জন্মশতবাৰ্ষিকি গ্ৰন্থ পৃষ্ঠা 271)

যতীন্দ্ৰমোহনক স্বৰাজ্য দলৰ দলপতি নিৰ্বাচন

দেশবন্ধুৰ মৃত্যু উপলক্ষে আয়োজিত শ্ৰাদ্ধাদি কৰ্ম শেষ হোৱাৰ বাৰ দিনৰ পাছত স্বৰাজ্য দলৰ এখন সভা বহিছিল। সভাৰ মূল উদ্দেশ্য আছিল দলৰ নেতা দেশবন্ধু দাসৰ অকাল মৃত্যু হোৱাত শোক প্ৰকাশ কৰা আৰু সম্ভৱ হ'লে দলৰ নতুন সভাপতি নিৰ্বাচন কৰা। সভাখনত প্ৰদেশখনৰ চাবিশ গৰাকী দলীয় সদস্য উপস্থিত আছিল আৰু

সভাৰ সভাপতিত্ব কৰিছিল বিজয়কুমাৰ বসুৱে। শোক প্ৰস্তাৱ আলোচনা কৰাৰ পাছত দ্বিতীয় প্ৰস্তাৱ আলোচনা হৈছিল আৰু এইটো আছিল দলৰ সভাপতি নিৰ্বাচন। দুটা নাম প্ৰস্তাৱ কৰা হৈছিল, যতীন্দ্ৰমোহন সেনগুপ্ত আৰু মৌলানা আক্ৰাম খান। মৌলানাই যতীন্দ্ৰমোহনৰ সপক্ষে নিজৰ নাম উঠাই ললে। সৰ্বসন্মতিক্ৰমে যতীন্দ্ৰমোহন স্বৰাজ্য দলৰ দলপতি ৰূপে নিৰ্বাচিত হ'ল। কাৰো মনত একো অসন্তোষ নাথাকিল।

ঠিক তেনে সময়তে মহাত্মা গান্ধী আহি সভাত উপস্থিত হৈছিল। তেওঁ সভাৰ নতুন দলপতি নিৰ্বাচনত সকলো একমতত উপস্থিত হোৱাৰ বাবে আনন্দ প্ৰকাশ কৰিলে আৰু নতুন নেতাক আশীৰ্বাদ জনালে। মহাত্মা গান্ধীয়ে এটা চমু বক্তৃতাৰে উপস্থিত সভ্যবৃন্দক দেশবন্ধুৰ ঠাইত এজন যোগ্য নেতাক সৰ্বসন্মতিক্ৰমে বাছি লোৱাত অভিনন্দন জনাই কৈছিল যে স্বৰাজ্য দলৰ নেতৃত্ব লব পৰা সকলো গুণ যতীন্দ্ৰমোহনে আয়ত্ব কৰি নিজ দক্ষতা প্ৰকাশ কৰিছে। বিধানসভাত দেশবন্ধুৰ অনুপস্থিতিৰ কালত তেওঁ বিশেষ পাৰদৰ্শিতা দেখুৱাইছে। গান্ধীজীয়ে সকলোকে যতীন্দ্ৰমোহনক পূৰ্ণ সহযোগ আগবঢ়াবলৈ আহ্বান জনায় আৰু দলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

বি, পি, চি, চি-ৰ দলপতি স্বৰূপে যতীন্দ্ৰমোহন

বঙ্গীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ বৈঠক অনুষ্ঠিত হৈছিল দেশবন্ধুৰ মৃত্যুৰ পাছত ঊনত্ৰিছ জুন তাৰিখে। শোকপ্ৰস্তাৱৰ পাছত দেশবন্ধুৰ ঠাইত নতুন দলপতি নিৰ্বাচনৰ বিষয়ে সমিতিত আলোচনা হৈছিল। যতীন্দ্ৰমোহনে ইমান দিন ইয়াৰ উপসভাপতি হৈ কাৰ্য চলাইছিল। এতিয়া সভাপতিৰ বাবে তেওঁৰে নাম প্ৰস্তাৱ কৰা হ'ল। ললিত-মোহন দাসৰ নামো সভাপতি পদৰ বাবে উঠিছিল। কিন্তু দাসে নিজৰ নাম উঠাই লোৱাত যতীন্দ্ৰমোহনেই বংগীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি নিৰ্বাচন হ'ল। যতীন্দ্ৰমোহন সভাপতি ৰূপে নিৰ্বাচিত হোৱাত ৰাজনৈতিক মহলত সকলোৱে আনন্দ প্ৰকাশ কৰিলে আৰু দেশবন্ধুৰ খালী ঠাই এজনযোগ্য লোকৰ দ্বাৰা পূৰণ হোৱাত তেওঁলোক পৰিতৃপ্ত হ'ল।

মেয়ৰ পদৰ সমস্যা

কলিকতা পৌৰ নিগমৰ মেয়ৰ পদ পূৰণ কৰা বিষয়টো বৰ সহজ নাছিল। আন দুটা অনুষ্ঠানত যতীন্দ্ৰমোহন দলপতি নিৰ্বাচিত হওঁতে কোনো অসুবিধা নাছিল। স্বৰাজ্য দলৰ আৰু বংগীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি পদ দুটাত তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছিল। এই দুটা অনুষ্ঠানে এক বৃহৎ সংখ্যক লোকক প্ৰতিনিধিত্ব কৰিছিল। সৰ্বভাৰতীয় চক্ৰত একেজন ব্যক্তিকে কলিকতা পৌৰ নিগমৰ মেয়ৰ নিৰ্বাচন কৰা সপক্ষে মত দিয়া হৈছিল। দেশবন্ধুৰ জীৱিত কালত এনে একক নেতৃত্ব পৰিলক্ষিত হৈছিল আৰু সুফল পোৱা গৈছিল। যতীন্দ্ৰমোহনৰ ক্ষেত্ৰটো সকলোৱে একে অৱস্থাকে বাহাল ৰখাটো পচন্দ কৰিলে।

গান্ধীজীয়েও একেজন নেতাৰ নেতৃত্বৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তেওঁ ইয়ং ইণ্ডিয়াত এই সন্দৰ্ভত এটা প্ৰৱন্ধ লেখিছিল আৰু যতীন্দ্ৰমোহনৰ কথা উল্লেখ কৰিছিল। আইৰিচ নেতা মেক্‌চোৱাইনিৰ লগত এটা তুলনামূলক ব্যাখ্যা দি গান্ধীজীয়ে লিখিছিল :····· এই উদ্দেশ্যৰেই দেশবন্ধুৱে কলিকতাৰ পৌৰনিগমৰ মেয়ৰ পদটো অধিকাৰ কৰিছিল। যি অধিকাৰৰ সুদূৰপ্ৰসাৰী অভিপ্ৰায় আছিল বংগদেশত কংগ্ৰেছৰ ক্ষমতা একত্ৰিত কৰা আৰু লগতে স্বৰাজ্য পাৰ্টিক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰা। এনে দায়িত্ব গধুৰ হলেও কোনোটোতে দেশবন্ধুৱে কৰ্তব্য পালনত হেলা কৰা নাছিল। পৌৰ নিগমৰ মেয়ৰ হৈ থাকোতে দেশবন্ধুৱে কিবা অৱহেলা কৰা উদাহৰণ আছেনে? মই দৃঢ়তাৰে কও এনে অভিযোগ নাই। বৰং তেওঁ পৌৰ নিগমৰ দায়িত্বক আন ৰাজনৈতিক দায়বদ্ধতাৰ দৰে গণ্য কৰিছিল।

এতিয়া প্ৰশ্ন হ'ল দেশবন্ধুৰ ঠাইত কোন মেয়ৰ হোৱা উচিৎ? তেওঁ যি দল গঠন কৰি গ'ল, তাৰে এজন উপযুক্ত ব্যক্তিক এই উপহাৰ প্ৰদান কৰা দৰ্কাৰ। যি গৰাকীয়ে দেশবন্ধুৰ ঐতিহ্য ৰক্ষা কৰিব পাৰিব, যি গৰাকীয়ে দলৰ সন্মান অধিক বঢ়াব পাৰিব, যি গৰাকী পৌৰ নিগমৰ মেয়ৰ পদৰ বাবে পৰমযোগ্য ব্যক্তি হব তেনেজনকে দলে নিৰ্বাচিত কৰিব লাগিব। মই ভাৱো দলৰ কাৰ্যসূচী পৰিচালনা কৰিবলৈ যতীন্দ্ৰমোহন সেনগুপ্ত উপযুক্ত নেতা। তেওঁ যদি স্বৰাজ্য দলৰ নেতৃত্ব লওতে পাৰদৰ্শিতা দেখুৱাব পাৰিছে, তেওঁ সকলোৰে পূৰ্ণ সমৰ্থন আৰু সহযোগ আশা কৰাটো ন্যায়সঙ্গত। দেশবন্ধুৰ উজ্জ্বল আৱৰণেৰে যতীন্দ্ৰমোহন শোভিত হওঁক, সন্মানিত হওঁক তাকে মই কামনা কৰো।

'কিন্তু এই তিনিটা পদত তেওঁ সমানে ন্যায়পৰায়ণতা, নিৰপেক্ষতা ৰক্ষা কৰিব পাৰিবনে? তেওঁ ইতিমধ্যে প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি হৈছে। এতিয়া প্ৰশ্ন হৈছে, তেওঁ স্বৰাজ্য পাৰ্টিৰ দায়িত্ব লৈ একেলগে কংগ্ৰেছৰ গঠনমূলক কাৰ্যসমূহ আৰু কলিকতা পৌৰ নিগমৰ মেয়ৰ পদৰ গধুৰ দায়িত্ব বহন কৰিব পাৰিবনে? যদি দায়িত্বসমূহ লৈ তেওঁ ভাঙি পৰে, তেন্তে এই ত্ৰয়ী সন্মানৰ প্ৰয়োজন কি? মোৰ উত্তৰ হব মিঃ সেনগুপ্তই তেওঁৰ ক্ষমতা কিমান তাক নিৰ্ণয় কৰিবলৈ তেৱেঁই প্ৰকৃত বিচাৰক হব লাগিব।"

গান্ধীজীয়ে পুনৰ লিখিছিল",···তেওঁৰ মূৰৰ ওপৰত ক্ষমতা জাপি দিব নালাগে। এনে কাৰ্য বাস্তৱিক ক্ষেত্ৰত এটা বিপদজনক পৰীক্ষা। এই দৃষ্টিভংগীৰে চালে তেওঁক স্বৰাজ্য দলৰ নেতা নিৰ্বাচন কৰাটো বিপদজনক কথা আছিল। দেশবন্ধুৰ কোনো অনুগত নেতাই বা কংগ্ৰেছ কৰ্মীয়ে সন্মানৰ থাটিৰত বলে নোৱাৰা দায়িত্ব লোৱাটো ঠিক কথা নহয়।

মই ভাৱো, মিঃ সেনগুপ্তৰো আইৰিচ নেতা মেক্‌চোৱাইনিৰ দৰে অৱস্থা এটা হৈছে। মেক্‌চোৱাইনিয়ে ব্যক্তিগত যশস্যা লভিবলৈ কৰ্কৰ লৰ্ড মেয়ৰ হব খোজা নাছিল। কাৰণ, তেওঁ ভালকৈ জানিছিল যে এনে এটা মৰ্যাদাপূৰ্ণ পদবী আশা কৰা মানে

সন্মুখত থকা কিছুমান বিপদৰ মুখামুখি হোৱা। দেশবন্ধুৰ উত্তৰাধিকাৰীজনেও বোধকৰো একে বিপদৰে সন্মুখীন হব লাগিব। হয়তো, বিপদৰ মাত্ৰা মেক্‌চোৱাইনিতকৈ বেছিও হব পাৰে। মেক্‌চোৱাইনিয়ে তেওঁৰ জীৱন সংকটাপূৰ্ণ কৰি তুলিছিল। কিন্তু দেশবন্ধুৰ উত্তৰাধিকাৰী জনে তেওঁৰ সমগ্ৰ খ্যাতি সংকটাপূৰ্ণ কৰিব। দেশবন্ধুৰ ত্যাগৰ মানদণ্ড আৰু সন্মানৰ গভীৰতাত অলপ বিচ্যুতি ঘটিলেই তেওঁৰ উত্তৰাধিকাৰী জনে সমগ্ৰ জীৱনৰ বাবে খ্যাতি হেৰুৱাব। এই অৱস্থা তেওঁৰ বাবে হব জীয়াতে মৰা স্বাভাৱিক মৃত্যুতকৈ এই মৃত্যু হব মৰ্মান্তিক আৰু শোকাবহ। সেই বাবে মিঃ সেনগুপ্তই কলিকতাৰ মেয়ৰ পদৰ বাবে উঠা বিষয়টোৰ প্ৰতি গুৰুত্ব সহকাৰে ভাবি চাইছো। ভাবি চাইছো, মই বা মোৰ বন্ধুসকলে তেওঁক এই পদৰ বাবে উঠিবলৈ কোৱাটো যুক্তি সঙ্গত হয় নে নহয়? মই কবলৈ পাই সুখী হৈছো যে কংগ্ৰেছ পাৰ্টি আৰু কংগ্ৰেছ মিউনিচিপেল পাৰ্টি দুয়োটাই মোৰ যুক্তি বুজি পাইছে আৰু যথেষ্ট মূল্য আৰোপ কৰিছে। কিন্তু কিছু সংখ্যক ভিন্নমতাৱলম্বী সভ্যই মিঃ সেনগুপ্তাই প্ৰাৰ্থীত্ব গ্ৰহণ কৰিছে। মই মাত্ৰ আশা কৰো যে এই সংখ্যক সভ্যই মিঃ সেনগুপ্তাৰ কামৰ বোজা সিমানখিনি পাৰে কমাবলৈ যত্ন কৰিব। মিঃ সেনগুপ্তাই দেশবন্ধুৱে ৰাখি যোৱা নিৰ্ধাৰিত মান বা আদৰ্শ অক্ষুণ্ণ ৰাখিবলৈ যে যত্ন কৰিব, সেই বিষয়ত মোৰ কোনো সন্দেহ নাই।" "মিউনিচিপেল জীৱনৰ প্ৰতি মোৰ সদভাৱ আৰু ইয়াৰ গুৰুত্বৰ প্ৰতি মোৰ জ্ঞান থকা সত্বেও কিয় মই একেজন মানুহৰ ওপৰতে তিনিটা গধুৰ দায়িত্ব অৰ্পণ কৰাত সন্মতি জনাইছো, ইয়াৰ কাৰণ নোহোৱা নহয়। বৰ্তমান এনে এটা বিশেষ পৰিস্থিতিৰ উদ্ভৱ হৈছে তাৰ বাবে এই ভয়াবহ সিদ্ধান্তৰ বাহিৰে বিকল্প উপায় মই উলিয়াব পৰা নাই। মই আশা কৰো ভগবানে মিঃ সেনগুপ্তক প্ৰয়োজনীয় জ্ঞান আৰু ক্ষমতা প্ৰদান কৰিব।"

কিন্তু সেনগুপ্তক মেয়ৰ নিৰ্বাচন কৰা বিষয়ত প্ৰতিবাদ উঠিল। কলিকতাৰ এদল মানুহে কংগ্ৰেছ বা স্বৰাজ্য দলক চকুপাৰি দেখিব নোৱাৰিছিল। এওঁলোকে প্ৰতিবাদৰ ধ্বনি তুলিলে। প্ৰেছৰ একাংশই বিশেষকৈ পৃথ্বিশচন্দ্ৰ ৰায়ৰ সম্পাদনাত ওলোৱা "বেঙ্গলী" কাকত খ'নে সেনগুপ্ত মেয়ৰ পদত উঠাত কটু-সমালোচনা কৰিলে। কোৱা প্ৰয়োজন যে এই কাকত খ'নৰ প্ৰতিস্থাপক আছিল সুৰেন্দ্ৰনাথ বানাৰ্জী আৰু সম্পাদক আছিল পৃথীশচন্দ্ৰ ৰয়। (ৰায় আছিল চি. আৰ. দাসৰ জীৱনীকাৰ) কাকতখনত সেনগুপ্তৰ সু-নামত কলংক সানি ব্যক্তিগত আক্ৰমণ কৰা হৈছিল আৰু সম্পাদকীয় শিতানত তেওঁক সুদূৰ চট্টগ্ৰামৰ অনাধিকাৰ প্ৰৱেশকাৰী (Intruder from distant Chittagong) বুলি আখ্যা দিয়া হৈছিল। এংলো ইণ্ডিয়ান কাকত কেইখনেও বিৰূপ মনোভাৱ প্ৰকাশ কৰি লিখিছিল যে আকৌ এজন কংগ্ৰেছ নেতা আহি পৌৰনিগমৰ প্ৰশাসনীয় গুৰিয়াল হব খুজিছে।

কংগ্ৰেছৰ কাৰ্যনিৰ্বাহকে স্থিৰ কৰিলে যে দলীয় স্বাৰ্থ আৰু প্ৰশাসনীয় একত্ৰীকৰণৰ সুবিধাৰ বাবে কলিকতা পৌৰনিগমৰ মেয়ৰ পদটো বংগীয় প্ৰদেশিক কমিতিৰ সভাপতিয়ে গ্ৰহণ কৰা উচিত। পৌৰ সভাৰ কংগ্ৰেছ দলেও প্ৰস্তাৱটো সপক্ষে 31 আৰু

বিপক্ষে 6 ভোটৰ ব্যৱধানত অনুমতি দান কৰিলে। সভাৰ বৈঠক মুকলি ভাৱে বহিছিল বাবে সভাৰ সিদ্ধান্তৰ কথা তুৰন্তে জনসাধাৰণে গম পালে। কংগ্ৰেছৰ মুখপাত্ৰ এগৰাকীয়ে কৈছিল, "সেনগুপ্তৰ নাম প্ৰস্তাৱৰ বিষয়ে ৰাজহুৱা ভাৱে জনাজাত হোৱাৰ পাছত আমি ভাবিছিলো,—হৈ-চৈ লাগিব, ঠায়ে ঠায়ে বিক্ষোভ, প্ৰতিবাদ ধ্বনিত হব। কিন্তু ক'তা ? কৰদাতা সকলে এখনো প্ৰতিবাদ সভা নাপাতিলে, আপত্তি নজানালে। এনে সভা পাতিবলৈ কলিকতাত সংগঠক বা বক্তাৰ অভাৱ নাছিল। কোনো কোনো খৱৰ কাগজত সম্পাদকীয় কলম খৰচ কৰি সেনগুপ্তৰ বিৰুদ্ধে বাতৰি পৰিৱেশন কৰা হ'ল। দুই এজন সম্পাদকে সেনগুপ্তক 'চট্টগ্ৰামৰ ডেকা বেৰিষ্টাৰ' বুলি ইতিকিং-সূচক মন্তব্য দিলে। কিন্তু সকলোবোৰ ফুটুকাৰ ফেন। কৰদাতা সকলে সেনগুপ্তৰ সমৰ্থনত একগোট হ'ল। তেওঁলোকে বুজি পালে যে ৰাজনৈতিক মেয়ৰ এজন নিৰ্বাচন কৰাৰ যি প্ৰচেষ্টা সেইয়া মাত্ৰ বাহিৰৰ চক্ৰ এটাৰ হাতত ক্ষমতা অৰ্পণ কৰা এটা চাল মাথোন।

যতীন্দ্ৰমোহনৰ পথ-মুকলি

যতীন্দ্ৰমোহনৰ বিৰুদ্ধে উঠা ন্যস্ত স্বাৰ্থৰ বাধা লাহে লাহে আঁতৰিল। মেয়ৰ পদত উঠাৰ আগতে প্ৰাৰ্থীজনে পৌৰ নিগমৰ নিম্ন দায়িত্বৰ পদাধিকাৰী (অল্ডাৰ মেন) হোৱাৰ দৰকাৰ। পৌৰ নিগমৰ কোনো কোনো বিৰোধী সদস্যই নতুন অল্ডাৰ মেন আৰু মেয়ৰজনৰ নিৰ্বাচন একে লগে, একেসময়তে হোৱাটো বিচাৰিছিল। কিন্তু কংগ্ৰেছ দলে এই কাৰ্যৰ প্ৰতিবাদ কৰিলে চৈধ্য জুলাইত অল্ডাৰ মেন আৰু ষোল জুলাইত মেয়ৰ নিৰ্বাচন অনুষ্ঠিত হোৱা প্ৰস্তাৱ গ্ৰহণ কৰিলে।

অল্ডাৰ মেন নিৰ্বাচনৰ সভাখন হুলস্থুলীয়া হৈছিল। ৰায় ৰামৰতন বানাৰ্জী বাহাদুৰ আছিল সভাখনৰ সভাপতি। টি. চি. গোস্বামীয়ে জে. এম. সেনগুপ্তৰ নাম প্ৰস্তাৱ কৰে আৰু তেওঁক সমৰ্থন কৰে—ডঃ বি. চি. ঘোষে। সভাত আৰু তিনিজনৰ নাম প্ৰস্তাৱ কৰা হৈছিল। তেওঁলোক আছিল যথাক্ৰমে উইলচন, ৰায়বাহাদুৰ, জে. চি. ঘোষ আৰু পি. চি. ৰায়। প্ৰফুল্লচন্দ্ৰ ৰায়ে পলমকৈ হলেও নিজৰ নামটো উঠাই ললে। মনোনীত সদস্য ৰায়বাহাদুৰ হৰিধন দত্ত আৰু চি. চি. বিশ্বাসে সেনগুপ্তৰ বিপক্ষে প্ৰতিবাদ জনালে। কিন্তু তেওঁলোকৰ প্ৰতিবাদ কংগ্ৰেছদলৰ বিপুল সমৰ্থনত তল পৰিল। যেতিয়া ভোট গণনা হ'ল, তেতিয়া দেখা গ'ল যে সেনগুপ্তই 48টা ভোটত জয়লাভ কৰিলে। বিৰোধীপক্ষ বেয়াকৈ হাৰিল। যতীন্দ্ৰমোহনক চি. আৰ. দাসৰ খালী আসনত অল্ডাৰ মেন ৰূপে ঘোষণা কৰা হ'ল।

তিনিদিনৰ পাছত মেয়ৰ পদৰ নিৰ্বাচন পতা হ'ল, পৌৰনিগমৰ কাউন্সিল অনুষ্ঠিত হল বিশেষ গুৰুত্বপূৰ্ণ নিৰ্বাচনত। এই সভাত দৰ্শক ৰূপে উপস্থিত আছিল কংগ্ৰেছৰ উৰ্ধতম মহলৰ নেতা ভিটল ভাই পেটেল, সৰোজিনী নায়ডু, যমুনাদাস মেহতা, ৰংগস্বামী আয়েংগাৰ, নেলী সেনগুপ্তা আৰু চহৰৰ বিশিষ্ট ব্যক্তিসকল।

অৱশেষত মেয়ৰ ৰূপে নিৰ্বাচিত

সেইদিনা সভাখন পৰিচালনা কৰিছিল ডেপুটি মেয়ৰ এইচ. এচ. সুহাৰ্দীয়ে। সেনগুপ্তই অল্ডাৰ মেন হিচাপে আনুষ্ঠানিক শপত লোৱাৰ পাছতে মেয়ৰ নিৰ্বাচন আৰম্ভ হ'ল। মনোনীত আৰু মাননীয় ৰায় বাহাদুৰ ৰামৰতন বানাৰ্জীয়ে মেয়ৰ পদৰ বাবে যতীন্দ্ৰ-মোহন সেনগুপ্তৰ নাম প্ৰস্তাৱ কৰিলে। এম. এ. ৰাজাকে অনুমোদন আৰু অল্ডাৰ মেনে চান্দ ছুচেইনে সমৰ্থন আগবঢ়ালে। এজন য়ুৰোপীয় সদস্যই প্ৰস্তাৱটো বিৰোধিতা কৰাত গণ্ডগোল আৰম্ভ হ'ল। গণ্ডগোলৰ মাজতে সদস্য মিঃ ষ্টুৱাৰ্ট স্মিথে মেয়ৰ পদৰ বাবে মিঃ জি. মৰগানৰ নাম প্ৰস্তাৱ কৰিলে আৰু সমৰ্থন কৰিলে মিচ লয়েডে। ভোট গণনালৈ তৰ্ক-বিতৰ্ক চলিল। মৰগানৰ সমৰ্থকসকলে বেলট-বাকচৰ যোগেদি ভোট লোৱাত যুক্তি দেখুৱালে। আনফালে কংগ্ৰেছে হাত দাঙি ভোট দিয়াত হয়ভৰ দিলে। শেষত কংগ্ৰেছৰ দাবী ৰ'ল আৰু ভোট গণনাত যতীন্দ্ৰমোহন 52 ভোট পাই বিজয়ী হ'ল। মৰগানে পালে 10টা। যতীন্দ্ৰমোহনক সভাপতিয়ে জয়ী বুলি ঘোষণা কৰিলে। সভাকক্ষত উল্লাস পৰিলক্ষিত হ'ল। য়ুৰোপীয় দলৰ দলপতিয়ে সেনগুপ্তক অভিনন্দন জনাই মেয়ৰৰ আসনত বহুৱাই দিলে। চাৰিওকালে হৰ্ষধ্বনি আৰু হাত চাপৰিৰে সভাঘৰ ৰজন জনাই গ'ল। এটা আনন্দমুখৰ পৰিৱেশত যতীন্দ্ৰমোহন মেয়ৰৰ আসনত বহিল।

কলিকতাৰ মেয়ৰ পদত যতীন্দ্ৰমোহন

যতীন্দ্ৰমোহনে কলিকতাৰ মেয়ৰ পদত একেৰাহে পাঁচবাৰ বহিল। মাত্ৰ এবাৰ ব্যতিক্ৰম ঘটিছিল। এনে সন্মান আনৰ ভাগ্যত কমহে দেখা যায়। সেনগুপ্ত যেতিয়া মেয়ৰ পদত প্ৰথম থিয় দিছিল, তেতিয়া কোনো কোনো ৰাজনৈতিক মহলে তেওঁক কংগ্ৰেছৰ প্ৰতিনিধি বুলি সমৰ্থনত আপত্তি জনাইছিল। এই বিষয়ত য়ুৰোপীয় দলটোৰ আপত্তি আছিল প্ৰবল কিন্তু সেনগুপ্তৰ কাৰ্য পৰিচালনাত দলীয় স্বাৰ্থ নেদেখি দলটোৱে তেওঁক জনসাধাৰণৰ প্ৰতিনিধিৰূপে সৈমান হৈছিল আৰু তেওঁক প্ৰশংসা কৰি সহযোগ আগবঢ়াইছিল। সঁচা কথা, তেওঁৰ আদৰ্শ আছিল উদাৰ, কোনো দলীয়, সাম্প্ৰদায়িক বা ধাৰ্মিক প্ৰভাৱে তেওঁৰ উদ্দেশ্যক গতিৰোধ কৰিব নোৱাৰিছিল।

সেনগুপ্তৰ কাৰ্যকালৰ প্ৰথম বছৰটো (1925-26) আছিল উল্লেখযোগ্য। কিয়নো, এই সময়তে অধিক সংখ্যক ছোৱালীৰ বাবে প্ৰাথমিক স্কুল স্থাপন হৈছিল। সেনগুপ্তই খৃষ্টিয়ান স্কুল সমূহকে ধৰি সকলোধৰণৰ স্কুলৰ মানদণ্ড উচ্চ খাপলৈ নিয়াত গুৰুত্ব দিছিল। চিকিৎসা, জনস্বাস্থ্য, সেৱা, পানী যোগান, খাদ্য যোগান, গাখীৰ-যোগান, আলি-পদূলি নিৰ্মাণ, মেৰামতি আৰু পৰিষ্কাৰ, নলা-উন্নয়ন, যাতায়ত-ব্যৱস্থা, বস্তি উন্নয়ন আৰু নিৰক্ষৰতা দূৰীকৰণ প্ৰভৃতি-সমস্যাৰ প্ৰতি তেওঁ সজাগ দৃষ্টি ৰাখিছিল। তেওঁৰ দিনতে মিউনিচিপেল গেজেটে প্ৰকাশৰ মুখ দেখে। সেনগুপ্তৰ আন এটা ভাল কাম আছিল—সমবায় প্ৰতিষ্ঠানক কাৰ্যকৰী কৰা। সাম্প্ৰদায়িক ঐক্য আৰু সম্প্ৰীতি আছিল

তেওঁৰ লক্ষ্য। হিন্দু-মুছলমানৰ মাজত মিলা-প্ৰীতি ৰক্ষা কৰি জাতীয় সংহতি সুদৃঢ় কৰাত তেওঁ অশেষ কষ্ট স্বীকাৰ কৰিছিল। এই আদৰ্শ তেওঁ গ্ৰহণ কৰিছিল দেশবন্ধু চিত্তৰঞ্জন দাসৰ অনুপ্ৰেৰণাত। কোনো বাধা-বিপত্তিত তেওঁ বিচলিত হোৱা দেখা নগৈছিল। কবলৈ গ'লে, সমস্যাৰে জৰ্জৰিত কলিকতা মহানগৰীৰ মেয়ৰৰ দায়িত্ব বহন কৰা অত্যন্ত কঠিন কাম। সেনগুপ্তই নিষ্ঠা, সততা আৰু সাহসেৰে এই গুৰুভাৰ বহন কৰিছিল।

সেনগুপ্তৰ প্ৰথম বছৰৰ কাৰ্যকাল শেষ হৈছিল 1926 চনৰ মাৰ্চ মাহত। তেওঁকেই দলে পুনৰ নেতা নিৰ্বাচন কৰি দ্বিতীয় বাৰৰ বাবে মেয়ৰ পদত থিয় কৰালে। নিৰ্বাচন অনুষ্ঠিত হ'ল 1926 চনৰ এক এপ্ৰিল তাৰিখে। শৰৎচন্দ্ৰ বসুৱে যতীন্দ্ৰমোহনৰ নাম প্ৰস্তাৱ কৰিলে আৰু এম. এ. ৰাজাকে সমৰ্থন কৰিলে। বিনা প্ৰতিদ্বন্দ্বিতাৰে সেনগুপ্ত দ্বিতীয় বাৰৰ বাবে মেয়ৰ নিৰ্বাচিত হ'ল। কোৱা দৰকাৰ যে তেওঁৰ প্ৰথম বছৰৰ কাৰ্যকাল আছিল আঠ মাহ। দেশবন্ধুৰ মৃত্যুৰ বাবে এই আসন খালী হৈছিল আঠ মাহৰ বাবে। এই কেইটা মাহতে তেওঁ অভূতপূৰ্ব সফলতা লাভ কৰাত পৌৰসভাৰ সকলো সদস্যই বিনা আপত্তিতে তেওঁক পুনৰ মেয়ৰ পাতি শ্ৰদ্ধা-বিশ্বাস প্ৰদৰ্শন কৰিলে। সকলোৱে তেওঁক "প্ৰিয় মেয়ৰ" বুলি আদৰ-সম্ভাষণ জনাইছিল। সেনগুপ্তৰ কটু-সমালোচক আৰু তেওঁৰ বিপক্ষে আন্দোলনত যোগ দিওতা চি. চি. বিশ্বাস, ৰায়বাহাদুৰ এন. এন. বানাৰ্জী আৰু ব্ৰাটশ্বন প্ৰভৃতিয়েও বক্তৃতা প্ৰসংগত সেনগুপ্তৰ মেয়ৰ পদবীটোৰ গৌৰৱময় কাৰ্য্যকাল বহুমুখে বখানিছিল। কৰদাতা সকলৰ প্ৰকৃত অভাৱ-অভিযোগৰ প্ৰতি তেওঁ যি কাম কৰিছিল তাত সকলোৱে আনন্দ লভিছিল আৰু সকলোৱেই তেওঁকেই পুনৰ কলিকতাৰ মেয়ৰ হবলৈ অনুৰোধ জনাইছিল।

যতীন্দ্ৰমোহনে তেওঁক জনোৱা সম্বৰ্ধনাৰ উত্তৰত এটা সময়োপযোগী বক্তৃতা দিছিল। তেওঁৰ বক্তৃতা শুনি সকলো মোহিত হৈছিল আৰু তেওঁক কৰ্মযোগী বুলি অভিনন্দিত কৰিছিল।

"ভালকামত বাধা আছেই।" কথাষাৰ যতীন্দ্ৰমোহনৰ গাতে ফলিয়ালে। তেওঁ কাৰ্যভাৰ লোৱাৰ দ্বিতীয় দিনাই, অৰ্থাৎ দুই এপ্ৰিল (1926) তাৰিখে এটা ডাঙৰ সাম্প্ৰদায়িক অশান্তিয়ে হঠাৎ মূৰ দাঙি উঠিল। আৰ্য সমাজৰ ভক্ত সকলে হাৰিশ্বন ৰোডৰ (আজিকালি মহাত্মাগান্ধী পথ) আৰু চিত্তৰঞ্জন এভিনিউৰ সংযোগ স্থানত অৱস্থিত এটা মছজিদৰ আগেদি বেণ্ড বজাই, গীত গাই এটা শোভাযাত্ৰা উলিওৱাৰ ফলত দুই সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ লাগে আৰু গোটেই বৰবজাৰ এলেকাটোত শান্তি ভংগ হয়। খুন-জখম, হাই-উৰুমি, চিঞৰ-বাখৰ, জুই-ফটকা আদিৰে অঞ্চলটো উত্তপ্ত হৈ পৰে। চহৰখনৰ মধ্য আৰু পূব অঞ্চলত বিক্ষুদ্ধ জনতাই বহুত ক্ষতি সাধন কৰে, ৰাজহুৱা সা-সম্পত্তি নষ্ট কৰে। শান্তিপ্ৰিয় নাগৰিক অনেকে আতংকিত চহৰ এৰিবলৈ আৰম্ভ কৰে। মছজিদৰ আগেদি বেণ্ড বজাই শোভাযাত্ৰা যাব পাৰেনে নোৱাৰে, এই প্ৰশ্নলৈ সচেতন নাগৰিকৰ মাজত বিতৰ্কৰ সৃষ্টি হ'ল। কোনেও সকলোৱে গ্ৰহণযোগ্য

সমাধান উলিয়াব নোৱাৰিলে। চৰকাৰেও মীমাংসা দিব নোৱাৰাত জটিলতা বাঢ়িল। ৰাজহুৱা প্ৰচেষ্টায়ো একো সুফল দেখুৱাব নোৱাৰিলে। বিদেশী শাসক সকলেতো ভালেই পালে। তেওঁলোকৰ 'ডিভাইড এণ্ড ৰুল' শাসন পদ্ধতিয়ে কাম কৰা যেন দেখি তেওঁলোক উৎসাহিত হ'ল। দেশবন্ধুৱে ভাৰতবৰ্ষত হিন্দু-মুছলমানৰ ভিতৰত সদভাৱ আৰু মিলা-প্ৰীতি অক্ষুণ্ণ ৰাখিবলৈকে 'বেংগল-পেক্ট' বা বংগ-চুক্তি উলিয়াই ছিল। ভাৰতীয় জাতীয়তাবাদী নেতা সকলে কানপুৰত শ্ৰীমতী সৰোজিনী নাইডুৰ সভানেত্ৰীত্বত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত এই 'বেংগল পেক্ট' প্ৰস্তাৱ গ্ৰহণ কৰিছিল। যতীন্দ্ৰমোহনে দেশবন্ধুৰ নীতিকে কাৰ্যত পৰিণত কৰিবলৈ চেষ্টা কৰিছিল। কলিকতা পৌৰনিগমৰ সাংগঠনিক দিশত দলীয় সহযোগিতাত আৰু বাহিৰৰ পূৰ্ণ সমৰ্থনত তেওঁ এই বেংগল এক্টৰ নীতি বাস্তৱত ৰূপায়িত কৰিব খুজিছিল। কিন্তু অনেক লোকে এই পেক্টখন সন্দেহৰ চকুৰে চাইছিল আৰু ইয়াৰ বিৰুদ্ধে গোপনে কাম কৰিছিল। দেশবন্ধুৱে যথাৰ্থতে উপলব্ধি কৰিহে এনে এখন চুক্তিপত্ৰ ৰচনা কৰিছিল—সিখনৰ সুদূৰ-প্ৰসাৰী সুফল বংগদেশে কামনা কৰে। বংগদেশৰ বাহিৰেও সমগ্ৰ ভাৰতে এই চুক্তিৰ ফলদায়ক ক্ৰিয়া সহজে পৰিলক্ষিত হৈছিল। কিন্তু সাম্প্ৰদায়িকতাৰ বিষাক্ত বতাহে ভাৰতবৰ্ষক মাজে মাজে জোকাৰ মাৰে। ফলত বিচ্ছিন্নতা বাঢ়ে, দেশত অশান্তিয়ে বাহ লয়। যতীন্দ্ৰমোহনে সাম্প্ৰদায়িক সংঘৰ্ষ যাতে নহয় তাৰ প্ৰতি যত্নবান হৈ পৰিছিল আৰু কৰবাত কিবা কিৰিঙতি দেখিলেই তাক সৰ্বশক্তিৰে থুমাবলৈ ব্যৱস্থা লৈছিল।

আৰ্য সমাজৰ শোভাযাত্ৰা আৰু মছজিদৰ আগেদি বেণ্ড বজাই যোৱা ঘটনাক উপলক্ষ্য কৰি কলিকতা চহৰত যি সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি হৈছিল, তাক কঠোৰ হাতেৰে দমন কৰিবলৈ মেয়ৰ সেনগুপ্তই তুৰন্তে কাম হাতত ল'লে। তেওঁ চহৰৰ বিশিষ্ট লোক সকলকলৈ শান্তিসমিতি গঠন কৰিলে। সাম্প্ৰদায়িক সংঘৰ্ষই চহৰৰ জীৱন বিপন্ন কৰিছিল, পৌৰনিগম নিষ্ক্ৰিয় হৈছিল। এই দুয়োটা দিশত তেওঁ মনোযোগ দি শান্তি ওভটাই অনাত গুৰুত্ব দিছিল। যতীন্দ্ৰমোহনৰ সহায় কৰিবলৈ আগবাঢ়ি আহিছিল মৌলানা আবুল কালাম আজাদ, 'দ্যা চাৰ্ভেণ্ট' কাকতৰ সম্পাদক পণ্ডিত শ্যামসুন্দৰ চক্ৰবৰ্তী, কিৰণশংকৰ ৰায়, ডাঃ জে. এম. দাসগুপ্ত, ড. প্ৰতাপচন্দ্ৰ গুহৰায় (বংগীয় বিধান পৰিষদৰ সভাপতি) আৰু আন আন গণ্যমান্য লোকসকল। তেওঁলোকে অশান্ত অঞ্চল ভ্ৰমণ কৰি দুয়ো সম্প্ৰদায়ৰ লোকক লগ ধৰিলে, সংঘৰ্ষ ৰোধ কৰিবলৈ আৰু সদভাৱ ঘূৰাই অনাৰ বাবে কাম কৰিবলৈ বুজনি দিলে। যতীন্দ্ৰমোহনে ছাত্ৰ-সম্প্ৰদায়কে এই কামত সহায় কৰিবলৈ আহবান জনালে। ছাত্ৰ সকলে দল বান্ধি ওলাই আহিল। তেওঁলোকে আলিবাটও দ'ম হৈ পৰি থকা আৱৰ্জনাবোৰ আঁতৰ কৰাত লাগি গ'ল। তেওঁলোকে শ্ৰমদান দি দুৰ্গন্ধ নলা, খাল, পিতনি প্ৰভৃতি পৰিষ্কাৰ কৰিলে। তেওঁলোকৰ লগত মেয়ৰ নিজে উপস্থিত থাকি উৎসাহ যোগালে। এনেকৈয়ে একেবাহে কেইবাদিনো দিনে নিশাই কঠোৰ পৰিশ্ৰম কৰাৰ ফলত সাম্প্ৰদায়িক সংঘৰ্ষ সাম কাটিলে, চহৰ খনলৈ ক্ৰমাৎ শান্তি আহিবলৈ আৰম্ভ হ'ল।

যদিও শান্তি আৰু স্বাভাৱিক অৱস্থা ঘূৰি আহিল, তথাপি সংঘৰ্ষৰ ফলত সামাজিক আৰু সাম্প্ৰদায়িক বান্ধোনত যিটো কাকৃমেলে খালে তাক মেৰামত কৰা টান হৈ পৰিল। কলিকাতা চহৰৰ ঘটনাই বংগদেশৰ জিলা কিছুমানত প্ৰতিক্ৰিয়াব সৃষ্টি কৰিলে। আনকি, বংগদেশৰ বাহিৰৰ ৰাজ্য সমূহতো ইয়াৰ নানা গুজৱ ৰটনা হ'ল। পৌৰসভাৰ পোন্ধৰ জন মুছলমান সদস্যই প্ৰতিবাদ তুলি মেয়ৰৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰিলে। যতীন্দ্ৰমোহনে ভাবি চিন্তিয়েই তেওঁলোকৰ পদত্যাগ গ্ৰহণ নকৰিলে। তেওঁ শান্তি মিছনৰ কামত অধিক মনোযোগ দি সাহায্য কাম অব্যাহত ৰাখিলে। কোৱা প্ৰয়োজন যে যতীন্দ্ৰমোহনৰ শান্তি মিছনৰ কাম-কাজত অনেক গোড়া হিন্দুয়ে আৰু উচ্চবৰ্ণৰ বৃত্তিধাৰীয়ে ভাল চকুৰে চাব পৰা নাছিল। পৌৰনিগমৰ নৈষ্ঠিক হিন্দু সদস্য কিছুমানেও যতীন্দ্ৰমোহনক এই কামত সমালোচনা কৰিছিল। পদত্যাগ দাখিল কৰা পোন্ধৰ গৰাকী সদস্যৰ বাৰ গৰাকীয়ে পাছত তেওঁলোকৰ পদত্যাগ পত্ৰ উঠাই লয় আৰু এটা জটিল সমস্যাৰ পৰা যতীন্দ্ৰমোহনক সকাহ দিয়ে। অৱশ্যে পক্ষ-প্ৰতিপক্ষ বিৰোধী পক্ষৰ মাজত সমস্যাটোক কেন্দ্ৰ কৰি বাদানুবাদ বৈ গ'ল।

বছৰটোৰ শেষৰ ফালে যতীন্দ্ৰমোহনে এটা বাদানুবাদৰ লগত জড়িত হৈ পৰিছিল। য়ুৰোপীয় এছোচিয়েশ্বনৰ সভাপতি লেংকোৰ্ড জেম্‌ছে তেওঁলোকৰ বাৰ্ষিক অধিৱেশনত অশিষ্ট কথাৰে মত প্ৰকাশ কৰি ক'লে যে ভাৰতীয় সকলৰ সহযোগিতা নোহোৱাকৈয়ে তেওঁলোকে নিজ নিজ স্বাৰ্থৰক্ষাৰ বাবে সকলো ব্যৱস্থা লব লাগিব। এই সভাত ভাৰতৰ ভাইস্‌ৰয় আৰু গৱৰ্ণৰ জেনেৰেল লৰ্ড আৰউইন বংগদেশৰ গৱৰ্ণৰ লৰ্ড লিটন আৰু ভালেমান উচ্চপদস্থ ইংৰাজ বিষয়া উপস্থিত আছিল। বৰলাট লৰ্ড আৰউইন আহিছিল তেওঁৰ ঠাণ্ডাকালৰ ভ্ৰমণকালত। তেওঁৰ উপস্থিতিতে লেংকোৰ্ড জেম্‌ছে এনে এটা অশোভনীয় মন্তব্য দাঙি ধৰিছিল। খবৰ কাগজত এই মন্তব্যটো প্ৰকাশ পালে আৰু মন্তব্যটোৰ বিষয়ে ভাৰতীয়লোকে অতিশয় দুখ পালে। অনেক ক্ষুণ্ণ হ'ল আৰু জেমছৰ মন্তব্যক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিলে। যতীন্দ্ৰমোহনে এনে মন্তব্য যুক্তি সংগত বুলি নাভাৱি তুৰন্তে এছোচিয়েটট প্ৰেছ অব ইণ্ডিয়াৰ (আজিকালি পি. টি. আই) যোগেদি এটা বিবৃতি দাঙি ধৰিলে। বিবৃতিত কোৱা হৈছিল :—

"...মই ভাবোঁ, ভাৰতবাসীয়ে প্ৰকৃততে চৰকাৰী আৰু বেচৰকাৰী কোনো য়ুৰোপীয় বাসিন্দাকে বেলেগ চকুৰে নাচায়। যেইদিনা মাত্ৰ লৰ্ড লিটনে ভাৰতীয় আৰু ইংৰাজলোক সকলৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সহঅৱস্থানৰ বিষয়ে এটা শক্তিশালী ভাষণ দিছিল আৰু দুয়োৰ মাজত ঘনিষ্ঠ আদান প্ৰদান গঢ়ি তুলিবলৈ পৰামৰ্শ দিছিল। কিন্তু, অত্যন্ত পৰিতাপৰ কথা যে য়ুৰোপীয়ান এছোচিয়েশ্বনৰ মাননীয় সভাপতিজনাই বংগদেশৰ মাননীয় গৱৰ্ণৰ আৰু ভাৰতবৰ্ষৰ বৰলাট বাহাদুৰৰ উপস্থিতিতে এই সৌহাৰ্দ্য-পূৰ্ণ সম্পৰ্ক ৰক্ষা কৰাৰ বিপৰীতে মনোভাৱ উদঙাই দিলে। পৰম দুৰ্ভাগ্য যে মাননীয় গৱৰ্ণৰ আৰু মাননীয় বৰলাট বাহাদুৰ স্বয়ং উপস্থিত থাকিও মিঃ জেমছৰ উক্তিৰ প্ৰতি আপত্তি নজনালে। সেনগুপ্তই এনেকুৱা মনোভাৱক গৰিহণা দিছিল। তেওঁ কৈছিল

যে, লেংকোৰ্ড জেমছ এজন ইংৰাজ হিচাপে এনে কথা কোৱাহেঁতেন বিশেষ গুৰুত্ব নিদিলেহেঁতেন, কিন্তু জেমছে এনে মন্তব্য দিছে বংগদেশৰ এটা বিশিষ্ট অনুষ্ঠান য়ুৰোপীয়ান এছোচিয়েশ্যনৰ সভাপতি হিচাপে। এনে মন্তব্যৰ বাবে তেওঁ ক্ষুন্ন হৈছে আৰু সজোৰে ইয়াৰ প্ৰতিবাদ কৰিছে।

যতীন্দ্ৰমোহনে আৰু কৈছিল, "ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন সভ্য হিচাপে, বংগীয় স্বৰাজ্য দলৰ নেতা হিচাপে আৰু কলিকতা মহানগৰৰ মেয়ৰ হিচাপে মই এটা সাৱধান সূচক বাণী শুনাব খোজো সম্পূৰ্ণ দায়িত্ব নিজে বহন কৰি মই কওঁ যে মিঃ লেংকোৰ্ড জেমছ আৰু তেওঁৰ স্বদেশবাসীয়ে যদি যোৱা বৃহস্পতি বাৰে সন্ধিয়া (ডিচেম্বৰ 13, 1926 চন) দিয়া ভাৰতবিদ্বেষী বক্তৃতাটো সঠিক বুলি ভাবে আৰু ইয়াক পুনৰ দোহাৰে তেনেহ'লে মই কব খোজো যে এইটো এটা প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ ভাৰতবাসীয়ে কুণ্ঠাবোধ নকৰে। মই কিন্তু এতিয়াও ভাবো যে মিঃ লেংকোৰ্ড জেমছৰ আৰু তেওঁৰ অনুগামী সকলৰ সুবুদ্ধি উদয় হ'ব। তেওঁলোকে নিজৰ ভুলৰ বাবে অনুশোচনা কৰিব। চীনদেশত ঘটা ঘটনাই য়ুৰোপীয় বাসিন্দা সকলৰ চকুমেল খুৱাব বুলি মই ভাবো"।

দেশপ্ৰিয় যতীন্দ্ৰমোহনৰ আন এটা উল্লেখযোগ্য কথা আছিল তেওঁৰ নিৰ্ভীক মনোভাৱ। তেওঁ দ্বিতীয় বাৰৰ বাবে মেয়ৰ হৈ থাকোতে তেওঁৰ পৰম সহকৰ্মী আৰু বন্ধু সুভাষচন্দ্ৰ বসুক ৰাজবন্দীৰূপে কাৰাগাৰত আৱদ্ধ কৰি ৰখা হৈছিল। সুভাষচন্দ্ৰই দেশবন্ধু চিত্তৰঞ্জন মেয়ৰ হৈ থাকোতে কলিকতা পৌৰনিগমৰ মুখ্য কাৰ্যনিৰ্বাহক বিষয়াৰ দায়িত্ব বহন কৰিছিল। সুভাষ বসুৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামত প্ৰত্যক্ষভাৱে যোগ দিছিল আৰু সেই বাবে ইংৰাজ চৰকাৰে তেওঁক ৰাজনৈতিক কাৰ্যকলাপৰ পৰা আঁতৰাবলৈকে আটক অৱস্থাত ৰাখিছিল। জেলত থাকোতে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে। যতীন্দ্ৰমোহনে পৌৰনিগমৰ এখন জৰুৰী বৈঠক বহুৱাই নিগমৰ মুখ্য কাৰ্যনিৰ্বাহক বিষয়া গৰাকীৰ অসুস্থতাৰ বিষয়ে উদ্বিগ্ন প্ৰকাশ কৰে আৰু নেতা গৰাকীৰ ততালিকে মুক্তি কামনা কৰে।

পৌৰনিগমৰ প্ৰস্তাৱটো যতীন্দ্ৰমোহনে দাঙি ধৰি অনতিপলমে সুভাষৰ মুক্তি দাবী কৰিছিল। উল্লেখ কৰিব পাৰি যে ভাৰতৰ বৰলাট লৰ্ড আৰউইনে এখন ঘোষণাপত্ৰৰ যোগে জনাইছিল যে ভাৰত সাম্ৰাজ্যৰ প্ৰশাসনে নিয়াৰিকৈ চলাবৰ বাবে ইংৰাজ বিৰোধী কাৰ্যকলাপত জড়িত ভাৰতীয় যুৱক আৰু ৰাজহুৱা কৰ্মীক বিনাবিচাৰে আটক কৰা হব। সেনগুপ্তই চৰকাৰক এই ঘোষণা উঠাই লবলৈ দাবী কৰি কৈছিল যে এই ঘোষণাৰ অজুহাতত চৰকাৰে দমননীতি লৈছে। তেওঁ বলিষ্ঠ ভাষাৰে নিগমৰ প্ৰস্তাৱটো দাঙি ধৰোতে কৈছিল···"আজি পৌৰনিগমৰ এই আৱেদন লৰ্ড আৰউইনে ন্যায়ভাৱে বিচাৰ কৰক। সকলো ইংৰাজবাসীয়ে এই প্ৰস্তাৱৰ মৰ্মকথা উপলব্ধি কৰক। মই ভাৰতৰ ভিতৰৰ আৰু বাহিৰৰ মানৱতাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছো। যি সকলে সৰ্বশক্তিমান বিষ্ণুৰ ৰূপ ধৰি সৃষ্টি পালন কৰিব খোজে, সেই সকলে কেনেকৈ দেশৰক্ষা

আৰু শাসনৰ নামত এজন অসুস্থ মানুহৰ জীৱন ইমান অন্যায়ভাবে বিপদজনক কৰি তুলিব পাৰে? মই দাবী কৰো সুভাষ বসুক আজিয়েই মুক্তি দিয়ক। সেনগুপ্তই দৃঢ়ভাৱে কৈছিল, "মই মাননীয় আইনৰ দোহাই দি কব খোজো, যে ইংৰাজ শাসকে ভাৰতবাসীক ভয়, প্ৰৱঞ্চনা আৰু দমননীতিৰে সৈমান কৰা অধিকাৰ পোৱা নাই। ক্ষমতাৰ প্ৰাচুৰ্যত থাকিও বৰলাট বাহাদুৰে আমাৰ কথা শুনিব লাগে। বৰলাটে নিজৰ বিবেককো প্ৰশ্ন কৰিব পাৰে। সুভাষ বসুক মুক্তি দিয়ক। এইটো আমাৰ ন্যায্য দাবী। গোটেই দেশবাসীয়ে আজি আশা কৰিছে, সুভাষৰ মুক্তি। যি অগণন লোকৰ হিতৰ অৰ্থে আইন তৈয়াৰ হৈছে, ক্ষমতা দিয়া হৈছে, সেই আইন আৰু ক্ষমতাৰ মৰ্যাদা ৰক্ষাৰ বাবে সুভাষ চন্দ্ৰক মুক্তি দিয়ক" 'সেইদিনা নগৰ পালিকাৰ সভাঘৰত যি সকলে যতীন্দ্ৰমোহনৰ অন্তৰভৰা বক্তৃতা শুনিছিল, সি সকলে বাতৰি কাকতত সভাৰ বিতং বিৱৰণ পঢ়িছিল আৰু সি সকলে নিৰপেক্ষ আৰু নিঃস্বাৰ্থ ভূমিকাৰে বিষয়টো অধ্যয়ন কৰিছিল সেই সকলো লোকে উপলব্ধি কৰিছিল যে বয়সত আৰু অভিজ্ঞতাত সামান্য প্ৰভেদ থকা নেতা দুজনে পৰস্পৰক কিমান ভাল পাইছিল আৰু তেওঁলোক দুয়ো কেনেকৈ দেশবন্ধু দাসৰ লগতে দেশবাসীৰ প্ৰিয় নেতা হোৱাৰ যোগ্যতা লাভ কৰিছিল। আন এটা ঘটনাও এইখিনিতে উনুকিয়াব পাৰি। কিছুদিনৰ আগতে অসহযোগ আন্দোলনত লাগি যতীন্দ্ৰমোহন আৰু সুভাষচন্দ্ৰই একেলগে আলিপুৰ জেলত কাটেক খাইছিল। তেওঁলোকৰ ওপৰত সশ্ৰম কাৰাদণ্ডৰ আদেশ দিয়া হৈছিল। এদিন জেলৰ ভিতৰত হুলস্থূল লগাত জেল ৱাৰ্ডেনে লাঠি চাৰ্জ কৰালে। ফলত দুয়োজন খাইল হ'ল। সুভাষে বেছি আঘাত পাই মূৰ্চ্ছা গৈছিল। যতীন্দ্ৰনাথ লাঠিৰ কোষ কেৰেপ নকৰি সুভাষক ৰক্ষা কৰিছিল আৰু আহত অৱস্থাত হস্পিতেললৈ স্থানান্তৰ কৰাইছিল। এনেকুৱা উদাহৰণ বহুতো আছে যিবোৰে দুয়ো গৰাকী নেতাৰ মাজত থকা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ পৰিচয় দিয়ে।

ৰাজনীতিক এটা 'লেতেৰাখেল' বুলি কোৱা হয়। ইয়াত সোমালে ভাল মানুহেও বাধ্যত পৰি বেয়া কামত হাত দিব লাগে। দুৰ্ভাগ্যৰ কথা, কুৰি শতিকাৰ শেষ ভাগত, দেশবন্ধুৰ মৃত্যুৰ কিছুদিনৰ পাছত, দেশপ্ৰিয় যতীন্দ্ৰনাথে এটাৰ পাছত আনটো দায়িত্বপূৰ্ণ পদবীত আৰোহণ কৰা উদাহৰণ স্পষ্টত বংগদেশৰ ৰাজনীতি খেলা মানুহে ভাল চকুৰে চাব পৰা নাছিল। তেওঁলোকে এক প্ৰকাৰ অৱিয়া-অৰি আৰম্ভ কৰি যতীন্দ্ৰনাথৰ বিপক্ষে এটা চক্ৰ গঢ়ি তুলিলে। এটা পাঁচজনীয়া বিৰোধী দল গঠন হ'ল আৰু এই দলটোত সুভাষ বসুৰ অনুগামী সকলেই আগ ভাগ ললে। যতীন্দ্ৰমোহন আছিল গান্ধীজীৰ আদৰ্শৰে আৰু দেশবন্ধুৰ স্বদেশপ্ৰেমেৰে অনুপ্ৰাণিত হোৱা এজন বহল মনৰ ৰাজনৈতিক নেতা। তেওঁ সকলো বাধা বিপত্তিৰ সাহসেৰে সন্মুখীন হৈ নিজৰ পথ অতিক্ৰম কৰিছিল। তেওঁক সহায় কৰিছিল এছাম কংগ্ৰেছ কৰ্মীয়ে। তেওঁলোকে যতীন্দ্ৰমোহনক উৎসাহিত কৰিছিল আৰু তেওঁৰ সত্য প্ৰচেষ্টাত সহায় কৰিছিল। বংগীয় ৰাজনীতিৰ যি সকল নিৰপেক্ষ পৰ্যবেক্ষক, সেই সকলে বুজিছিল যে

এই ৰাজনীতিত এনেকুৱা মানুহ আছে যি সকলে নিজ ক্ষমতা বিস্তাৰৰ বাবে দেশখনৰ অহিতো চিন্তা কৰিব পাৰে। এওঁলোকে অভিসন্ধি মূলক কাৰ্যকলাপত লাগি দেশৰ অমংগল চপাই আনে। কবলৈ গলে, সুভাষচন্দ্ৰ বসু হ'ল এনে এগৰাকী বিশিষ্ট ব্যক্তি সি জ'নে আনৰ অপকৰ্মৰ ফল ভোগ কৰিব লগাত পৰিছিল। বিৰুদ্ধাচৰণ কৰা কংগ্ৰেছ নেতা সকলে নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ দৰে কাম কৰিলত যতীন্দ্ৰমোহনে অতিশয় বেজাৰ পাইছিল। কিন্তু তেওঁ আছিল আশাবাদী। সেই বাবে তেওঁ ভাবিছিল যে এই দলীয় বিবাদ ওৰ পৰিব আৰু তেওঁ সুভাষ বসুৰ লগ লাগি মনোমালিন্য আঁতৰ কৰিব। কিন্তু, তেওঁ ভৱামতে কাম হৈ নুঠিল। বংদেশৰ ভাগ্যৰ যি বিপৰ্যয় ঘটিব লগা আছিল, ঘটিল। পিছ বছৰতে যতীন্দ্ৰমোহনৰ জীৱনলৈ আন এটা বিপদ আহিল। কলিকতা পৌৰনিগমৰ মেয়ৰ হিচাপে তেওঁ তৃতীয় বাৰৰ বাবেও নিৰ্বাচিত হ'ল। (27 এপ্ৰিল 1927 চন) আগৰ দুবাৰ তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছিল। কিন্তু এইবাৰ তেওঁ নিৰ্বাচনত নামিব লগাত পৰিল। তেওঁ দ্বিতীয়বাৰ মেয়ৰ হওতে (1926) কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষ লাগি এক বুজন সংখ্যক মুছলিম কংগ্ৰেছ সদস্য কাউন্সিলৰ পৰা বিচ্ছিন্ন হৈছিল। কিন্তু যতীন্দ্ৰমোহনৰ অশেষ চেষ্টাৰ ফলত এই ভাঙোন ৰোধ হৈ এটা ভাল অভিলেখৰ সৃষ্টি হৈছিল। সকলোৱে তেওঁৰ যত্নৰ প্ৰশংসা কৰিছিল। যতীন্দ্ৰমোহন যেতিয়া তৃতীয়বাৰ মেয়ৰ পদৰ বাবে উঠিল, তেতিয়া তেওঁক মহম্মদ আলিকে ধৰি তিনিজন আগশাৰীৰ মুছলিম কাউন্সিলাৰে দি ভোট দিলে। যতীন্দ্ৰমোহনক প্ৰতিদ্বন্দ্বিতা কৰিছিল উদাৰপন্থী দলৰ বিশিষ্ট নেতা যতীন্দ্ৰনাথ বসুৱে। ভোট গণনাত যতীন্দ্ৰমোহন সেনগুপ্তই 45 টা আৰু যতীন্দ্ৰনাথ বসুৱে 39 ভোট লাভ কৰিলে। দ্বিতীয়বাৰ ভোট গণনাত চেয়াৰমেনৰ ভোটটো গণনাত উঠিলত যতীন্দ্ৰমোহনৰ ভোট লাভৰ সংখ্যা 46টা হ'ল আৰু তেওঁ জয়ী বুলি ঘোষিত হ'ল। যতীন্দ্ৰমোহনৰ নাম প্ৰস্তাৱ কৰিছিল ৰায় ৰামৰতন বানাৰ্জী বাহাদুৰে আৰু সমৰ্থন কৰিছিল দাউদে। এই নিৰ্বাচন আছিল উত্তেজনাপূৰ্ণ আৰু বিজয়ী সেনগুপ্তক বিপুল দৰ্শকে হৰ্ষধ্বনিৰে অভিনন্দন জনাইছিল।

ইকালে বংগদেশৰ ৰাজনৈতিক আৰু প্ৰগতিমূলক আন্দোলনক এটা অশুভ শক্তিয়ে ম্লান পেলাবলৈ অহৰহ চেষ্টা চলাইছিল। এই অশুভ শক্তিৰ কাম আছিল কুমাৰী ছোৱালী আৰু গাভৰু মহিলাক পলুৱাই নিয়া আৰু বেশ্যাবৃত্তিত নমোৱা। এই অপকৰ্মত লিপ্ত দালালবোৰক ধৰি শাস্তি দিবলৈ সমাজকৰ্মীৰ এটা দলে চৰকাৰক অনুৰোধ জনাইছিল। গৱৰ্ণৰ লৰ্ড লিটনৰ পৰামৰ্শমতে অপহৃতা ছোৱালীবোৰক উদ্ধাৰ কৰি পুনৰ সংস্থাপনৰ ব্যৱস্থা হ'ল। কিন্তু দেখা গ'ল যে পুনৰ সংস্থাপনৰ পাছত সমাজে এই ছোৱালীবোৰ গ্ৰহণ কৰিবলৈ আগ্ৰহ নেদেখুৱাই ঘৃণাৰ চকুৰেহে চাবলৈ ধৰিলে। এনে উপায়হীন অৱস্থাতে দালালে পুনৰ প্ৰলোভন দেখুৱাই ছোৱালীবোৰ পলাই যোৱাত উৎসাহ যোগালে। যিহেতু এনে এটা সামাজিক ব্যাধি নিৰ্মূল কৰাত ৰাইজৰ সহযোগ দৰকাৰ, সেইবাবে লৰ্ড লিটনে মেয়ৰ যতীন্দ্ৰমোহনৰ সহায় বিচাৰিলে। যতীন্দ্ৰ-

মোহনে সহাঁৰি জনাই পৌৰনিগমৰ তত্বাৱধানত এটা সাহায্য পুঁজি খুলি ৰাইজৰ বৰঙনি বিচাৰিলে।

লৰ্ড লিটনে মেয়ৰ যতীন্দ্ৰনাথৰ সহাঁৰিত আনন্দ পাই এখন চিঠিৰে তেওঁক ধন্যবাদ জনাইছিল। (মাৰ্চ 21, 1927) গৱৰ্ণৰে মেয়ৰ পুঁজিত জমা হোৱা বৰঙনি চৰকাৰে গঠন কৰি দিয়া বেচৰকাৰী সতৰ্কতা ৰক্ষা সমিতিৰ হাতত দিবলৈ অনুৰোধ জনালে। এই সমিতিৰ উদ্দেশ্য আছিল এই সামাজিক অপৰাধৰ বিৰুদ্ধে জনমত গঢ়ি উপযুক্ত ব্যৱস্থা হাতত লোৱা ; হতভগীয়া ছোৱালীবোৰক সংস্থাপন কৰা।

লৰ্ড লিটনৰ কাৰ্যকাল শেষ হোৱাত বংগদেশৰ গৱৰ্ণৰ হৈ আহিল চাৰ ষ্টেন্‌লি জেকশ্বন। তেঁৱো লৰ্ড লিটনৰ দৰে উৎসাহ দেখুৱাই সামাজিক উন্নয়নৰ কামবোৰ বহাল ৰাখিলে। পুঁজি সংগ্ৰহৰ কাম জোৰেৰে চলাবলৈ গৱৰ্ণৰৰ পৰামৰ্শত কলিকতাৰ টাউন হ'লত 1927 চনৰ 11 জুলাই তাৰিখে এখন ৰাজহুৱা সভা অনুষ্ঠিত হ'ল। ইয়াত সভাপতিত্ব কৰিছিল গৱৰ্ণৰ জেকশ্বনে। মেয়ৰ আছিল মুখ্য বক্তা। যতীন্দ্ৰমোহনে গৱৰ্ণৰ জেকশ্বনক সভাৰ সভাপতি পদৰ বাবে নাম প্ৰস্তাৱ কৰি কৈছিল যে কংগ্ৰেছৰ এজন একনিষ্ঠ কৰ্মী হিচাপে ইংৰাজ গৱৰ্ণৰ জনাৰ নাম প্ৰস্তাৱ কৰাৰ প্ৰধান কাৰণ হ'ল যে এই সভাখন কোনো দলীয় ৰাজনীতিৰ সভা নহয়। জাতি, বৰ্ণ সম্প্ৰদায় সকলোৰে এই সভা সাৰ্বজনীন। সভাৰ উদ্দেশ্যই হৈছে এটা সামাজিক অপৰাধ আঁতৰ কৰা। এই কামত সকলো আগবাঢ়ি অহা উচিত। ইয়াত কোনো মতবিৰোধ বা ৰাজনীতি নাই।

গৱৰ্ণৰ চাৰ জেকশ্বনে সভাপতিৰ ভাষণত মেয়ৰ যতীন্দ্ৰমোহনক প্ৰশংসা কৰিছিল আৰু কৈছিল যে তেওঁ মিঃ লিটনে হাতত লোৱা ৰাজহুৱা কাম এটাকে আগবঢ়াই নিব খুজিছে। মিঃ লিটনৰ সময়ত জনসাধাৰণৰ সহযোগ সীমিত থকাৰ বাবে কামৰ গতি মন্থৰ হৈছিল। এতিয়া বহল ক্ষেত্ৰ এখন তৈয়াৰ কৰা প্ৰয়োজন হৈছে আৰু এই সভা আহ্বান কৰা হৈছে। জেকশ্বনে বক্তৃতা প্ৰসংগত কৈছিল, "মই মেয়ৰ মিঃ সেনগুপ্তক ধন্যবাদ জনাইছো, কিয়নো তেওঁ অনুগ্ৰহ কৰি আহি সভাত যোগদি আগভাগ লৈছে। মই ভাবিছো, এনে এজন মেয়ৰৰ নেতৃত্বত আমাৰ এই মহৎ উদ্দেশ্য সফল হব ; আমি ভৱামতে অগ্ৰসৰ হব পাৰিম"। সেইদিনা সভাত উদ্ধাৰ কৰা ছোৱালীবোৰ ৰাখিবলৈ এটা উদ্ধাৰ শিবিৰ স্থাপন, ছোৱালীবোৰৰ ভৰণপোষণৰ বাবে আৱশ্যকীয় পুঁজি ৰাইজৰ মুক্তহস্তে দান-দক্ষিণা কামনা, বিষয়ত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। প্ৰস্তাৱটো দাঙি ধৰোতে যতীন্দ্ৰমোহনে নিজৰ যুক্তি প্ৰদৰ্শন কৰিছিল আৰু আইন প্ৰণয়ন কৰি দোষী লোকক কঠোৰ শাস্তি বিহিবলৈ চৰকাৰক পৰামৰ্শ দিছিল। তেওঁ আক্ষেপৰ সুৰত কৈছিল যে পৌৰনিগমৰ মেয়ৰৰ ক্ষমতা থকাহেঁতেন এনে ব্যৱস্থা লবলৈ তেওঁ অলপো কুণ্ঠাবোধ নকৰিলেহেঁতেন। আনকি এনে সমাজবিৰোধী মানুহবোৰক ৰাজহুৱা ঠাইত থিয় কৰাই পিঠিত সৌকাৰ কোব লগাই ভৱিষ্যতে যাতে সিহঁতে এনে জঘন্য কামত লিপ্ত নহয় তাৰ ব্যৱস্থাও হাতত ল'লেহেঁতেন।

বক্তৃতা সামৰি গৱৰ্ণৰে কৈছিল. "মেয়ৰ গৰাকীয়ে কৈছে যে তেওঁ আৰু মই একেলগে একেখন ৰাজহুৱা সভাত মিলিত হোৱাটো অনেকৰ দৃষ্টিকটু হৈছে। আমি ইয়াত একেলগে মিলিত নোহোৱাহেঁতেন হে ৰাইজৰ চকুত আঁচৰিত যেন লাগিলহেঁতেন। তেওঁলোকে কোৱা-কুই কৰিলেহেঁতেন। শ্ৰদ্ধেয় মেয়ৰ মহোদয়, আপুনি হৈছে এই চহৰখনৰ প্ৰধান গুৱিয়াল, আৰু মই, সৌভাগ্যই বোলক বা দুৰ্ভাগ্যই বোলক গৱৰ্ণৰ হব লগা হৈছে। (হাঁহিৰ ৰোল) দুয়ো দুটা দায়িত্বপূৰ্ণ পদবী গ্ৰহণ কৰিছো জনসাধাৰণক সেৱা কৰিবলৈ। আপোনাৰ বিশেষ দায়িত্ব কলিকতা চহৰখনৰ বিভিন্ন সমস্যা সমাধান কৰা। ময়ো কলিকতাবাসীৰ উন্নতিৰ বাবে আগ্ৰহশীল। গৱৰ্ণৰ হিচাপে গোটেই বংগদেশৰ কথাও মই ভাবিব লাগে"। গৱৰ্ণৰ জেকশ্যনে সেনগুপ্তৰ প্ৰস্তাৱ আৰু পৰামৰ্শ যত্ন সহকাৰে বিবেচনা কৰিব বুলি মন্তব্য দিলে আৰু চৰকাৰৰ পক্ষৰ পৰা এই মানৱীয় প্ৰচেষ্টাও যথাসম্ভৱ সকলো ব্যৱস্থা হাতত লব বুলিও প্ৰতিশ্ৰুতি ঘোষণা কৰিলে।

1927 চনৰ শেষৰ ফালে সুভাষ বসু জেলৰ পৰা ওলাল আৰু লগে লগে প্ৰাদেশিক কংগ্ৰেছৰ নেতৃত্বৰো পৰিৱৰ্তন হ'ল। জেলৰ পৰা মুকলি হৈ অহাৰ লগে লগে সুভাষ বসুৰ সমৰ্থক গোটটোৱে তেওঁৰ হকে কাম কৰাত ব্যস্ত হৈ পৰিল। অধিক সংখ্যক ভোটেৰে সুভাষ বসু বি, পি, চি, চি-ৰ সভাপতি নিৰ্বাচিত হ'ল। স্বাভাৱিকতে 1928 চনৰ বাবে সুভাষ বসুকে কলিকতা পৌৰনিগমৰ মেয়ৰ পাতিবলৈ তেওঁৰ সমৰ্থক সকলে কামনা কৰিলে। যতীন্দ্ৰমোহন 1925 চনৰে পৰা একাধিকবাৰ মেয়ৰ হৈছিল। এতিয়া তেওঁ চতুৰ্থ বাৰৰ বাবে উঠিব নুখুজি সুভাষ বসুৰ সমৰ্থনত নিজৰ নাম প্ৰত্যাহাৰ কৰিলে। সমস্যাটো তাতে অন্ত নপৰিল। অধিক সংখ্যক অ-কংগ্ৰেছী সদস্যই এটা পৰিৱৰ্তন বিচাৰিলে। এই দলটোত আছিল—মুছলিম, চৰকাৰৰ মনোনীত য়ুৰোপীয় আৰু ভাৰতীয় সদস্যসকল। তেওঁলোকে অ-কংগ্ৰেছী সদস্য বিজয় কুমাৰ বসুক মেয়ৰ পদত থিয় কৰালে। কাউন্সিলত কংগ্ৰেছ দল আছিল সংখ্যালঘিষ্ঠ। মনোনীত প্ৰভাৱশালী সদস্য ফিলিপছ আৰু চি, চি, বিশ্বাসে যতীন্দ্ৰমোহনকে পুনৰ মেয়ৰ পদত উঠিবলৈ জোৰ কৰিলে। কিন্তু যতীন্দ্ৰমোহনে নিজে অমান্তি হৈ সুভাষ বসুক মেয়ৰ হোৱাটো আশা কৰিলে। তেৱেঁই সুভাষৰ নামটো প্ৰস্তাৱ কৰি সকলোকে সমৰ্থন জনাবলৈ আহবান জনালে। কিন্তু ভোটত সুভাষ হাৰিল (দুই এপ্ৰিল, 1928) আৰু কংগ্ৰেছৰ হাতৰ পৰা মেয়ৰ পদবীটো হেৰাল। বিজয় কুমাৰ বসু নিৰ্বাচিত হৈ ঘোষণা কৰিলে যে তেওঁ পূৰ্ববৰ্তী সকলে যি পদ্ধতিত কাম কৰিছিল, তাকে অনুসৰণ কৰিব। তেওঁৰ মনত কোনো কংগ্ৰেছ বিৰোধী মনোভাৱ নাই।

পিছ বছৰত অৰ্থাৎ 1929 চনতো কংগ্ৰেছৰ দূৰ্যোগ আঁতৰ নহ'ল। কংগ্ৰেছৰ মাজত দল-উপদল সৃষ্টি হৈ পৰিৱেশ বেয়া হৈ পৰিল। এই বছৰটো যাতে কংগ্ৰেছে মেয়ৰ পদটো নেহেৰুৱায় সেই উদ্দেশ্যে অনেক কংগ্ৰেছ সদস্যই যতীন্দ্ৰমোহনক মেয়ৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আৰু কংগ্ৰেছৰ হেৰোৱা ক্ষমতা দখল কৰিবলৈ অনুৰোধ জনালে।

যথা সময়ত নিৰ্বাচন আৰম্ভ হ'ল। শৰৎচন্দ্ৰ বসু আছিল নিৰ্বাচনী সভাখনৰ সভাপতি। মেয়ৰ পদৰ বাবে নাম প্ৰস্তাৱ কৰিবলৈ সভাপতিয়ে অনুৰোধ কৰাৰ লগে লগে সুভাষ বসুৱে যতীন্দ্ৰমোহনৰ নাম প্ৰস্তাৱ কৰিলে। সমৰ্থক আছিল অল্ডাৰ মেন মিঃ ডাউদ। যতীন্দ্ৰমোহনৰ বিপক্ষে আন কোনো নাম প্ৰস্তাৱ নোহোৱাত তেওঁ আকৌ কলিকতাৰ মেয়ৰ হ'ল। (দহ এপ্ৰিল, 1929) সভাপতি শৰৎচন্দ্ৰ বসুৱে নিৰ্বাচিত মেয়ৰক অভিনন্দন জনালে, মালা পিন্ধাই আদৰ-সম্ভাষণ জনালে। সকলো সদস্যই হাত চাপৰিয়ে তেওঁক আদৰণি জনালে, গোলাপ ফুল চটিয়ালে। সেনগুপ্তই হিয়াভৰা অনুভূতিৰে ঠিয়হৈ হাতযোৰ কৰি বিনম্ৰভাৱে অভিবাদন মূৰ পাতি ললে। তেওঁ অল্ডাৰ মেন আৰু কাউন্সিলাৰ সকলক সম্বোধি কৈছিল,···"আপোনাসকলে জানে যে এই অভাজন দেশবন্ধু দাসৰ এজন অনুগামী কৰ্মী মাথোন। আপোনালোকে মোৰ ৰাজনীতি কেনে তাকো ভালকৈ জানে। এই সদনত আমাৰ কাৰ্যসূচী হব কংগ্ৰেছৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ উদ্দেশ্য সত্য আৰু গঠনমূলক। কাৰো ওপৰত অন্যায়ভাৱে বাধা আৰোপ কৰা আমাৰ নীতিবিৰুদ্ধ। আপোনালোকৰ পূৰ্ণ সমৰ্থন পালে মই বহুতো বল পাম, উৎসাহ পাম। মই এটা কথা স্মৰণ কৰি কওঁ যে ব্যক্তিৰ স্বাৰ্থতকৈ দেশৰ স্বাৰ্থ সদায় ওপৰত আৰু মোৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ সকলোতকৈ ওপৰত। তাৰ আদৰ্শতে মই সদায় কাম কৰি আহিছো। এতিয়াও মই এই আদৰ্শতে ব্ৰতী হম আৰু এই ডাঙৰ চহৰখনৰ মংগলৰ বাবে সৰ্বদা যত্নপৰ হম।" তেওঁ পুনৰ কৈছিল, "আমি ইংৰাজবিৰোধী বা মুছলমানবিৰোধী নহঁও। আমি সকলো সম্প্ৰদায়ৰ প্ৰতিনিধি। সকলোৰে মাজত ঐক্য, সম্প্ৰীতি স্থাপন কৰাটো আমাৰ উদ্দেশ্য। আমি ভাৰতবৰ্ষৰ মহান জাতীয় আদৰ্শৰে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰতিশ্ৰুতিক যদি ৰাজনীতি বুলি কোৱা হয়, তেনেহ'লে কব লাগিব আমি এটা ৰাজনৈতিক দল।

যতীন্দ্ৰমোহন চতুৰ্থ বাৰৰ বাবে মেয়ৰ হোৱা বছৰতে লাহোৰ জেলত অনশন কৰি যতীন্দ্ৰনাথ দাস মৃত্যুৰ মুখত পৰিছিল। জেল কতৃপক্ষই ৰাজনৈতিক বন্দীসকলক নিৰ্দয় ব্যৱহাৰ কৰাত যতীন্দ্ৰনাথ দাসে প্ৰতিবাদ কৰিবলৈ অনশন ব্ৰত লৈছিল। 1929 চনৰ তেৰ চেপ্তেম্বৰত 90 দিন পূৰ্ণ কৰি অনশনকাৰী দাসে প্ৰাণত্যাগ কৰিলে। দাসৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰদেশতে শোকৰ ছাঁ পেলালে কলিকতা ম্ৰিয়মান হ'ল। কলিকতা আছিল তেওঁৰ ৰাজনৈতিক জীৱনৰ কৰ্মক্ষেত্ৰ। এসময়ত তেওঁ আছিল দক্ষিণ কলিকতা কংগ্ৰেছৰ সহকাৰী সম্পাদক। যতীন্দ্ৰনাথৰ মৃত্যুৰ বাতৰি পাই কলিকতা পৌৰনিগমৰ জৰুৰী সভা বহিল। সভাত মেয়ৰ সেনগুপ্তই সভাপতিৰ আসনৰ পৰা মৃতব্যক্তিজনালৈ গভীৰ শ্ৰদ্ধা নিৱেদন কৰি কৈছিল, "যতীন্দ্ৰনাথ দাসে ৰাজনৈতিক বন্দীসকলৰ প্ৰতি ভাল ব্যৱহাৰ দাবী কৰি অনশন আৰম্ভ কৰিছিল আৰু শেষত প্ৰাণ আহুতি দিছিল। ৰাজনৈতিক বন্দীসকল সাধাৰণ বন্দী নহয়। তেওঁলোকে ৰাজনৈতিক কাৰণত আটক হোৱা সন্মানীত ব্যক্তি। 'সমাজত তেওঁলোকৰ খিতাপি আছে। জেলত থাকোতেও তেওঁলোকৰ মান-সম্ভ্ৰম যাতে ক্ষুণ্ণ নহয়, সেই বিষয়ে জেল কৰ্তৃপক্ষই চকু দিব লাগিব। যতীন দাসৰ

অপমৃত্যুত চৰকাৰৰ হয়তো কিবা অভিপ্ৰায় পূৰণ হ'ল। কিন্তু, বংগবাসীৰ বাবে তেওঁৰ মৃত্যু এটা অপূৰণীয় ক্ষতি। প্ৰাণ বলিদান দি তেওঁ আজি অকল বংগদেশতে নহয়, সমগ্ৰ ভাৰততে শ্ৰদ্ধাৰ পাত্ৰ হ'ল। তেওঁ এতিয়া শ্বহীদ ৰূপে পৰিগণিত হ'ল। তেওঁৰ মৃত্যুত চৰকাৰ জয়ী হৈছে বুলি ভাবিব নোৱাৰি। এনে এটা ধাৰণা মেক্চোৱাইনিৰ ক্ষেত্ৰটো হৈছিল। যতীন্দ্ৰনাথৰ ক্ষেত্ৰটো একেই ঘটিব। শাসনৰ বাঘজৰী টনা চৰকাৰে আমাৰ দেহাটো জেলত ভৰাই থব পাৰে, কিন্তু আমাৰ আত্মাটোক কেতিয়াও পিঞ্জৰাবদ্ধ কৰিব নোৱাৰে। ই চৰকাৰৰ নিয়ন্ত্ৰণৰ বাহিৰত।

পৌৰনিগমত ত্ৰিৰংগ পতাকা

দেশপ্ৰিয়ৰ মেয়ৰ কাৰ্যকালৰ চতুৰ্থ কালছোৱাত আন এটা উল্লেখযোগ্য ৰাজনৈতিক ঘটনা ঘটিছিল। লাহোৰ কংগ্ৰেছৰ প্ৰায় এমাহৰ পাছত, 1930 চনৰ জানুয়াৰীত কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে লাহোৰ কংগ্ৰেছৰ মূল প্ৰস্তাৱ অনুসৰি পূৰ্ণ স্বাধীনতাৰ প্ৰস্তুতি প্ৰতিপন্ন কৰিবলৈ বছৰটোৰ 26 জানুৱাৰী তাৰিখে সমগ্ৰ ভাৰতবৰ্ষতে আনুষ্ঠানিক ভাৱে জাতীয় পতাকা উত্তোলন কৰাৰ নিৰ্দেশ দিলে। এই পতাকা উত্তোলনৰ তাৎপৰ্য আছিল দেশবাসীৰ অন্তৰত পূৰ্ণ স্বাধীনতাৰ আশা উজ্জ্বল কৰি তোলা আৰু বিদেশী শাসকৰ বিৰুদ্ধে বলিষ্ঠ জনমত গঢ়ি তোলা।

সেই সময়ত ভাৰতবৰ্ষই স্বাধীনতা সংগ্ৰামৰ এক নতুন অধ্যায়ত প্ৰৱেশ কৰিছিল। আগ শাৰীৰ কংগ্ৰেছ নেতা সেনগুপ্তই 25 জানুৱাৰীত পৌৰসভাৰ এখন বিশেষ বৈঠক বহুৱালে। সেই সময়ত তেওঁ অসুস্থ আছিল, শৰীৰ আছিল দুৰ্বল। ফুৰা-চকা, মেল-মিটিং আদিত অনবৰত লাগি তেওঁৰ ৰক্তচাপ বেছি হৈছিল। ডাক্তৰৰ বাধা নামানি তেওঁ ৰাজহুৱা কামত ওলাই গৈছিল। 25 জানুৱাৰীৰ সভাখনলৈ তেওঁক ধৰি মেলি লৈ গৈছিল তেওঁৰ স্ত্ৰী নেলী সেনগুপ্তা আৰু আন আত্মীয় স্বজনে। ডেপুটি মেয়ৰ ৰাজাক আৰু কাউন্সিলাৰ সন্তোষকুমাৰ বসুৱে তেওঁক মেয়ৰৰ আসনত বহুৱাই দিব লগাত পৰিছিল। সেইদিনা সেনগুপ্তই অত্যন্ত দুৰ্বল শৰীৰ লৈ সভাকক্ষত উপস্থিত হৈছিল আৰু ডেপুটি মেয়ৰকে সভাৰ কাম পৰিচালনা কৰিবলৈ ভাৰ দিছিল। ডেপুটি মেয়ৰেই সেনগুপ্তৰ ভাষণ পঢ়ি শুনাইছিল। সেনগুপ্তৰ ভাষণত ভাৰতৰ জাতীয় পতাকাখনৰ তাৎপৰ্য্য ব্যাখ্যা কৰা হৈছিল। ভাষণত কোৱা হৈছিল এনেদৰে···"···আজি সভাৰ কাৰ্যসূচীত থকা প্ৰস্তাৱটো অতিশয় গুৰুত্বপূৰ্ণ। আমাৰ দেশৰ সম্মান ইয়াৰ লগত জড়িত আছে। জনসাধাৰণে আমাৰ পৰা এনে এটা প্ৰস্তাৱ আশা কৰি আছে। মই ভাবো, কলিকতা পৌৰনিগমে জনসাধাৰণৰ আশাৰ প্ৰতি সঁহাৰি জনাব। দেশৰ আহ্বানৰ প্ৰতি যে পৌৰনিগম সম্পূৰ্ণ সজাগ, তাকে প্ৰতিপন্ন কৰিবলৈ এই প্ৰস্তাৱ দাঙি ধৰা হৈছে"। যি সকলৰ নিজা জাতীয় পতাকা আছে (ইংৰাজ সদস্য) তেওঁলোকক উদ্দেশ্য কৰি সেনগুপ্তৰ ভাষণত কোৱা হৈছিল," গোপন কৰি লাভ নাই। "য়ুনিয়ন-জেক" খন আমাৰ জাতীয় পতাকা নহয়। এই পতাকাৰ তলত সমবেত হোৱাটো

আমাৰ বাবে দুৰ্ভাগ্যজনক আৰু অপমানসূচক। ইংৰাজ শাসকৰ পতাকাখনৰ তলত আমাৰ সন্মান, জাতীয়তাবোধ ক্ষুণ্ণ হৈছে। অৱশ্যে এই পতাকাখনক অসন্মান জনোৱা আমাৰ উদ্দেশ্য নহয়। মই ক'ব খুজিছো, আমাৰ নিজা পতাকাখন আমাৰ নিজৰ দেশত সদায় জিলিকি থাকিব। আজি আমি এটা জাতীয় দায়িত্ব পালন কৰিবলৈ লৈছো। আমি আমাৰ জাতীয় পতাকাখন পূৰ্ণ সন্মানেৰে উত্তোলন কৰি ইয়াৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিব খুজিছো। এই কাম আমাৰ সত্য ইচ্ছাৰে উদ্ভাসিত।"

মেয়ৰৰ আবেদনৰ প্ৰতি সদস্য সকলে হাত চাপৰি মাৰি সমৰ্থন জনালে। অৱশ্যে ভোট গ্ৰহণ আৱশ্যক হলত ডেপুটি মেয়ৰে ভোট লোৱাটোত সন্মতি জনালে। প্ৰস্তাৱৰ সপক্ষে 38 আৰু বিপক্ষে 7 জনে ভোট দিলে। ইংৰাজ সদস্যসকলে আৰু মনোনীত সদস্য কেইজন ভোটদানৰ পৰা বিৰত থাকিল। প্ৰস্তাৱটো এনে ধৰণৰ—

"কলিকতা পৌৰনিগমে ইয়াৰ সংলিষ্ট সকলো কাৰ্যালয়তে 1930 চনৰ 26 জানুৱাৰী তাৰিখে, দেওবাৰে ভাৰতৰ জাতীয় পতাকাখন পূৰ্ণ সন্মানেৰে উত্তোলন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ভৱিষ্যতেও এই পতাকাই সকলো কাৰ্যালয় আৰু অনুষ্ঠানত আনুষ্ঠানিকভাৱে সন্মানিত হয়। নিগমৰ মুখ্য কাৰ্যনিৰ্বাহক বিষয়াক কাইলৈ, অৰ্থাৎ 26 জানুৱাৰীত এই শুভ উত্তোলনৰ বাবে যাবতীয় আয়োজন সম্পূৰ্ণ কৰিবলৈ ভাৰ দিয়া হ'ল।"

প্ৰস্তাৱটো যথাবিহিতভাৱে কাৰ্যকৰী হ'ল। পৌৰ নিগমৰ সকলো ভৱনতে ৰাইজৰ বিপুল জয়ধ্বনিত ভাৰতৰ ত্ৰিৰংগ পতাকা উৰিল। ইংৰাজ শাসক আৰু সম্প্ৰদায়ে নিলগৰে পৰা এই দৃশ্য উপভোগ কৰিলে। তেওঁলোকে বুজিবলৈ বাকী নাথাকিল যে 26 জানুৱাৰী তাৰিখটো ভাৰতবাসীৰ বাবে সদায় স্মৰণীয় আৰু বৰণীয় হৈ থাকিব। কেইদিনমানৰ আগতে কলিকতাৰ মুখ্য প্ৰাদেশিক বিচাৰপতিয়ে মন্তব্য দি কৈছিল যে ভাৰতীয় ত্ৰিৰংগ পতাকাখন উৰুৱাটো আইন বিৰোধী নহয়। ইয়াত আপত্তি কৰা কাৰণ নাই। এই কাৰ্যৰ দ্বাৰা ৰাজদ্ৰোহ নুবুজায়।

দেশপ্ৰিয় যতীন্দ্ৰমোহনে 26 জানুৱাৰী তাৰিখটো কলিকতা হেন মহানগৰীত একো গণ্ডগোল নোহোৱাকৈ অতিবাহিত হোৱাত অতিশয় প্ৰফুল্লিত হৈছিল। এই ডাঙৰ চহৰখনৰ প্ৰথম নাগৰিক ৰূপে তেওঁ এই কাম ইমান শৃঙ্খলাৰে সমাধা কৰিব পৰাত বিপুল আনন্দ লভিছিল। গোটেই কলিকতা আৰু আশে পাশে সেই দিনটোত মহা ধুমধামেৰে ত্ৰিৰংগ পতাকা উত্তোলন হৈছিল। উত্তৰ কলিকতাৰ দেশবন্ধু পাৰ্কত এই উৎসৱ ডাঙৰকৈ পতা হৈছিল। ভগ্ন শৰীৰ লৈয়ো যতীন্দ্ৰমোহন সভাত উপস্থিত হৈছিল। তেওঁৰ লগত আহিছিল শ্ৰীমতী সেনগুপ্তা আৰু মেয়ৰৰ ব্যক্তিগত সচিব কাশীতিশ্ব গাংগুলী। অনুষ্ঠানত যতীন্দ্ৰমোহনে এটা আৱেগভৰা ভাষণ দিছিল। তেওঁৰ ভাষণত জাতীয় পতাকাখনৰ তাৎপৰ্য আৰু জাতীয় কংগ্ৰেছৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামত অৱদান ব্যক্ত হৈছিল। অনুষ্ঠানত উপস্থিত থকা বিৰাট ৰাইজে তেওঁৰ বক্তৃতা গভীৰ মনোযোগেৰে শুনিছিল।

শাৰীৰিক অসুস্থতাৰ বাবে যতীন্দ্ৰমোহনক চিকিৎসকে সাগৰ ভ্ৰমণ কৰিবলৈ উপদেশ দিছিল। তেওঁৰ বাবে বিশ্ৰাম আছিল জৰুৰী কথা। কিন্তু কামৰ হেচাত যতীন্দ্ৰমোহনে আজৰিৰ সময় নাপাইছিল। শৰীৰ বেয়াৰ ফালে ঢাল লোৱাত অৱশেষত তেওঁ ফেব্ৰুৱাৰী মাহৰ এক তাৰিখে (1930) সপৰিবাৰে চিংগাপুৰলৈ যোৱাটো স্থিৰ কৰিলে। চিংগাপুৰত যতীন্দ্ৰমোহন মাত্ৰ তিনি সপ্তাহ আছিল। এনে সময়তে (মাৰ্চ, এপ্ৰিল 1930) গান্ধীজীৰ আইন অমান্য আন্দোলনৰ কাৰ্যসূচী মতে 'নিমখ-আইন' ভংগ অভিযান ঘোষণা হ'লত দেশৰ ৰাজনীতি উতপ্ত হৈ পৰিল। কলিকতা চহৰতো ইয়াৰ প্ৰতিক্ৰিয়াই দেখা দিলে। যতীন্দ্ৰমোহন চিংগাপুৰ এৰি গুছি আহি কলিকতা পালেহি। দেশপ্ৰিয় ৰেংগুণলৈ যোৱাৰ কথাও আছিল। বাৰ্মাদেশ ভাৰতবৰ্ষৰ পৰা বেলেগ হৈ পৰাত তাত থকা ভাৰতীয় সকলে নানান সমস্যাত দিন কটাব লগাত পৰিছিল। ভাৰতীয় সকলৰ এটা প্ৰতিনিধি দলে যতীন্দ্ৰমোহনক জাহাজত লগ ধৰি তেওঁলোকৰ অসুবিধা বোৰৰ বুজ লবলৈ ৰেংগুণলৈ এবাৰ যাবৰ বাবে খাটনি ধৰিছিল। যতীন্দ্ৰমোহন আইন অমান্য আন্দোলনত আগ ভাগ লোৱাৰ বাবে জেললৈ যাব লগাত পৰিছিল। ৰেংগুণৰ পৰিস্থিতিৰ ওপৰত তেওঁ এটা বিবৃতি দিছিল। যতীন্দ্ৰমোহনৰ মেয়ৰ পদৰ কাৰ্যকাল সেই সময়তে অন্ত পৰিছিল (31 মাৰ্চ, 1930)। নতুন মেয়ৰ নিৰ্বাচনৰ বাবে এপ্ৰিল মাহৰ 29 তাৰিখ ধাৰ্য হ'ল। দেশপ্ৰিয়ই যেতিয়া জেলত ছ'মাহ সশ্ৰম কাৰাদণ্ড খাটিছিল। যতীন্দ্ৰমোহনে জ্ঞানাৰ্জন নিয়োগী ৰচিত 'দেশেৰ ডাক' নামৰ নিষিদ্ধ কিতাপ এখন ছাত্ৰ আন্দোলনৰ সভা এখনত (12 এপ্ৰিল) পাঠ কৰিছিল। এই অপৰাধত তেওঁ আটক হয় আৰু ছ'মাহ সশ্ৰম কাৰাবাস ভোগ কৰে। চৰকাৰে যতীন্দ্ৰমোহনক আটক কৰি ৰাজনীতিৰ পৰা আঁতৰত ৰাখিবলৈকে এই ব্যৱস্থা লৈছিল। ইফালে, তেওঁ জেলত থকা সময়তে নতুন মেয়ৰ নিৰ্বাচনৰ দিন ধাৰ্য হ'ল। এতিয়া তেওঁৰ অনুপস্থিতিত কোন মেয়ৰ হব, জল্পনা-কল্পনা চলিল। তাৰিখ মতেই কাম হ'ল। অল্ডাৰ মেন শৰৎচন্দ্ৰ বসুৰ সভাপতিত্বও নিৰ্বাচন অনুষ্ঠিত হৈ মেয়ৰৰ বাবে নাম প্ৰস্তাৱ কৰিবলৈ সদস্য সকলক কোৱা হ'ল। অল্ডাৰ মেন ড. বিধানচন্দ্ৰ ৰায়ে যতীন্দ্ৰমোহন সেনগুপ্তৰ নামকে প্ৰস্তাৱ কৰিলে। কাউন্সিল সদস্য ড. যতীন্দ্ৰনাথ মৈত্ৰই ড. ৰায়ৰ প্ৰস্তাৱটো সমৰ্থন কৰিলে। আন কোনো নাম নোহোৱাত যতীন্দ্ৰমোহনকে কলিকতাৰ মেয়ৰ ৰূপে ঘোষণা কৰা হ'ল। যতীন্দ্ৰমোহন জেলত থকা অৱস্থাতে মেয়ৰ নিৰ্বাচিত হ'ল। এইয়া আছিল পঞ্চম বাৰৰ বাবে মেয়ৰ পদৰ সন্মান লাভ। তেওঁৰ ওপৰত সদস্য সকলৰ অগাধ বিশ্বাস আৰু শ্ৰদ্ধা আছিল। এডভোকেট সন্তোষ কুমাৰ বসু ডেপুটি মেয়ৰ হ'ল। তেওঁ আছিল এগৰাকী সৰবৰহী কংগ্ৰেছ সদস্য। ডেপুটি মেয়ৰ নিৰ্বাচিত হোৱাৰ পিছতে বসুৱে যতীন্দ্ৰমোহন সেনগুপ্তৰ এখন পূৰ্ণ অবয়ৱৰ প্ৰতিকৃতি স-সন্মানেৰে খালী মেয়ৰৰ আসনত প্ৰতিষ্ঠা কৰি মাল্যদান কৰি নমস্কাৰ জনালে। সকলোৱে এই স্পৰ্শকাতৰ দৃশ্যত অভিভূত হ'ল আৰু থিয়দি সন্মান জনালে। এজন নেতাৰ অনুপস্থিতিত এনেদৰে অভূতপূৰ্ব সন্মান দেখুৱা উদাহৰণ বংগীয় ৰাজনীতিত বিৰল। কাউন্সিল সদস্য শশীন্দ্ৰনাথ মুখাৰ্জীয়ে

তেওঁৰ ৰসাল বক্তৃতাত সেনগুপ্তৰ প্ৰতি অভিনন্দন জনালে। তেওঁ কৈছিল, "আজি বংগদেশহে নালাগে, গোটেই ভাৰতবৰ্ষই আশা কৰা মতে কলিকতাৰ পৌৰনিগমৰ অল্ডাৰ মেন আৰু কাউন্সিল সদস্য সকলে মিলিত হৈ এটা মহৎ কামৰ সমাধান কৰিলে। হেজাৰ বছৰ আগতে অযোধ্যাৰ ৰাজকোঁৱৰ শ্ৰীৰামচন্দ্ৰ পিতৃবাক্য পালন কৰিবলৈ বনবাস খাটিছিল। সত্যৰক্ষাৰ বাবে শ্ৰীৰামচন্দ্ৰৰ ভাতৃ ভৰতে ককায়েক খৰমজোৰ সিংহাসনত থৈ ৰাজ্যভাৰ গ্ৰহণ কৰিছিল। আমিও আজি মেয়ৰৰ আসনত আমাৰ সকলোৰে পৰমবন্ধু যতীন্দ্ৰমোহন সেনগুপ্তৰ এখন প্ৰতিকৃতি স্থাপন কৰি আমাৰ কৰ্তব্য সমাপন কৰিবলৈ ওলাইছো। তেওঁ সোঁ-শৰীৰেৰে আজি উপস্থিত নাথাকিলেও আমি তেওঁৰ উপস্থিতি মানসিকভাৱে হলেও অনুভৱ কৰিছো। যিমান দিনলৈকে তেওঁ আমাৰ পৰা নিলগত থাকিব, সিমান দিনলৈকে আমি তেওঁৰ প্ৰতিকৃতি ৰখা আসনখনলৈ শ্ৰদ্ধাৰে দৃষ্টি ৰাখিম আৰু অনুপ্ৰেৰণা লাভ কৰিম।"

যতীন্দ্ৰমোহনে 1930 চনৰ চেপ্তেম্বৰ মাহৰ শেষলৈকে জেলত আছিল। আইনমতে নিৰ্বাচনৰ তিনিমাহৰ ভিতৰতে তেওঁ পৌৰনিগমৰ অল্ডাৰ মেন হিচাপে শপত লব লাগিছিল। কিন্তু জেলত সোমাই থকাৰ বাবে তেওঁ এই নিয়ম ৰক্ষা কৰিব নোৱাৰিলে। সেই কাৰণত তেওঁ অল্ডাৰ মেন পদটোৰ লগতে মেয়ৰ পদটো বাহাল ৰখা কঠিন হৈ পৰিল। ইফালে বি, পি, চি, চি তো দলীয় মতানৈক্যই দেখা দিলে। যতীন্দ্ৰমোহনৰ বাবে আইনৰ বাধা অতিক্ৰম কৰা সম্ভৱ হৈ নুঠিল। ফলত তেওঁ পৌৰসভাৰ পৰা বিদায় ললে। তথাপি এটা কথা প্ৰতিপন্ন হ'ল এইবুলি যে আইনৰ বাধা নোহোৱাহেঁতেন, তেওঁ পঞ্চমবাৰৰ বাবেও পৌৰনিগমৰ মেয়ৰ পদত থাকিব পাৰিলেহেঁতেন। তেওঁৰ নিৰ্মল চৰিত্ৰ, একনিষ্ঠ সমাজসেৱা আৰু সকলো শ্ৰেণীৰ মানুহৰ প্ৰতি সহৃদয়তা আৰু সমাদৰ আছিল দেশপ্ৰিয় হোৱা বিৰল দৃষ্টান্ত।

স্বাধীনতা সংগ্ৰামত বিশিষ্ট ভূমিকা

ভাৰতৰ স্বাধীনতা সংগ্ৰামত যি সকল নেতাই মহান ত্যাগ আৰু কষ্টৰ মাজেদি নিজৰ আদৰ্শ অটুট ৰাখি দেশবাসীক আগবঢ়াই লৈ গৈছিল, সেই সকল অগ্ৰদূতৰ মাজত দেশপ্ৰিয় যতীন্দ্ৰমোহন সেনগুপ্ত অন্যতম। স্বাধীনতা সংগ্ৰামত তেওঁৰ ভূমিকা সদা স্মৰণীয়। তেওঁ 1921 চনত অসহযোগ আন্দোলনত আগভাগ লৈ ভাৰতীয় ৰাজনীতিত নিজৰ প্ৰতিভাৰ পৰিচয় দিছিল। যতীন্দ্ৰমোহনে ইংৰাজ শাসকৰ বিৰুদ্ধে চট্টগ্ৰাম, কলিকতা, জালিয়ানাবাগ, দিল্লী, ৰেংগুণ আৰু বৃটেইনৰ খাচ ভূমিতো আন্দোলন চলাইছিল আৰু তেজস্বী বক্তৃতাৰে ইংৰাজ শাসনৰ কু-ফল বৰ্ণনা কৰিছিল। তেওঁৰ যুক্তি বা প্ৰত্যাহ্বান কোনেও খণ্ডন কৰিব নোৱাৰিছিল। যতীন্দ্ৰমোহনে কোনো পৰিস্থিতিতে নিজৰ লক্ষ্যৰ পৰা পাচ হোঁহকি যোৱা নাছিল। তেওঁ নিজৰ জীৱন বিপন্ন কৰিও দেশমাতৃকাৰ সন্মান ৰক্ষা কৰিছিল। দুবছৰতকৈয়ো অধিকদিন তেওঁ বিনা বিচাৰে, বিনা অভিযোগত ৰাজনৈতিক বন্দী হিচাপে দিন যাপন কৰি অকালতে মৃত্যুমুখত

পৰিছিল আৰু সমগ্ৰ ভাৰতবাসীক শোকত ম্ৰিয়মান কৰি পেলাইছিল। বন্দী অৱস্থাতে মৃত্যুবৰণ কৰি তেওঁ আত্মবলিদানৰ উজ্জ্বল দৃষ্টান্ত দাঙি ধৰিছিল।

সেনগুপ্তৰ দ্বাৰা চাইমন কমিচনৰ অভিপ্ৰায় উদঘাটন

যতীন্দ্ৰমোহন সেনগুপ্তই 1928 চনৰ সাত এপ্ৰিল তাৰিখে বছিৰহাটত অনুষ্ঠিত বংগীয় প্ৰাদেশিক অধিৱেশনত চাইমন কমিচনৰ কু-অভিপ্ৰায় উদঘাটন কৰি এটা তেজাল বক্তৃতা দিছিল আৰু ইয়াক বয়কট কৰিবলৈ আহ্বান জনাইছিল। ভাৰতবৰ্ষত সেইসময়ত চাইমন কমিচনক কেন্দ্ৰ কৰি বাদানুবাদ চলিছিল। বিষয়টোৰ প্ৰতি যতীন্দ্ৰমোহনে অধ্যয়ন কৰি কৈছিল।

"...ভাৰতে এনে এটা কমিচন বিচৰা নাছিল। কিন্তু বৃটিছ চৰকাৰে নভৱা-নিচিন্তাকৈ, খৰধৰ কৰি এই কমিচন প্ৰেৰণ কৰিলে, ইয়াৰ অভিপ্ৰায় হৈছে, ভাৰতৰ সাম্প্ৰদায়িক মনোমালিন্য বেছি কৰা আৰু ইয়াৰ সুবিধা আদায় কৰি ভাৰতৰ পৰাধীনতা দীৰ্ঘস্থায়ী কৰা। এই কমিচনৰ অভিপ্ৰায় অসৎ। ই ভাৰতৰ ঐক্য, শান্তি, সম্প্ৰীতি, আশা-আকাঙ্ক্ষা বিনষ্ট কৰিব। ভাৰতবাসীয়ে এই অভিসন্ধি বুজি পাইছে আৰু সেইবাবে কমিচনক উভতি যাবলৈ দাবী কৰিছে। ভাৰতীয় জাতীয় কংগ্ৰেছ, ট্ৰেড য়ুনিয়ন কংগ্ৰেছ, খিলাফৎ সভা, হিন্দু মহাসভা আৰু লিবাৰেল ফেডাৰেশ্যনকে ধৰি সকলোৱে কমিচন বয়কট কৰিবলৈ আহ্বান জনাইছে, শোভাযাত্ৰা উলিয়াইছে। এই সিদ্ধান্ত যুক্তিসংগত। এটা তৃতীয় শক্তিক আমাৰ মাজত সোমাবলৈ কিয় দিম? কিয় আমি তেওঁলোকক আমাৰ শক্তি-সামৰ্থ্য জুলি চাবলৈ দিম? কিয় আমি তেওঁলোকৰ উদ্ধত, উদ্দেশ্য-প্ৰণোদিত, নিৰ্লজ্জ্য দাবী সহ্য কৰি যাম? "খাদিমেন কমিটিৰ" আগত অনেক যুক্তি প্ৰদৰ্শন কৰা হ'ল। এতিয়া আৰু নহব, নচলিব। এনে ধৰণৰ প্ৰস্তাৱত আমি উপযুক্ত উত্তৰ দিব লাগিব, অপমান সূচক চাইমন কমিচন সজোৰে প্ৰত্যাখ্যান কৰিব লাগিব। প্ৰিয় ভাই-ভনী সকল, আমাৰ জন্ম-স্বত্বক এনেদৰে খেলৰ-পুতুলা হবলৈ এৰি দিব নোৱাৰো। প্ৰতিশোধপৰায়ণ বিদেশী শাসকক বুজাব লাগিব যে আমি তেওঁলোকৰ চক্ৰান্ত ধৰা পেলাইছো। ৰাজনৈতিক দল সমূহে কমিচন বয়কটৰ যি আহ্বান দিছে, তাৰ প্ৰতি সকলোৱে বুজা দৰকাৰ যে কমিচনৰ লগত সহযোগ কৰা মানেই দেশৰ সংহতি ধ্বংস কৰা। আনফালে, সম্পূৰ্ণ বয়কট মানেই আগন্তুক বিজয়ৰ বাবে প্ৰস্তুত হোৱা।

আমি কেতিয়াও এনে আত্মঘাটী প্ৰচেষ্টাত সহযোগ কৰিব নোৱাৰো। আমি দাবী কৰিছো, ঘূৰণীয়া মেজ মেল (Round Table Conference) এখনৰ বাবে। 'কমিচন' আমাৰ দাবী নহয়। যদিহে 1921 আৰু 1924 চনত ঘূৰণীয়া মেজ-মেল হৈছিল, তেনেহ'লে তেনে এখন বৈঠক এতিয়া পাতিব নোৱাৰাৰ কাৰণ নাই। চাইমন কমিচনে আমাক একো দিব নোৱাৰে, আমিও ইয়াৰ পৰা একো নাপাও। কমিচনৰ স্বৰূপটো কি? এটা উদাহৰণ দিলে বুজাত সহজ হ'ব। 1922 চনত 'আইৰিচ সংবিধান বিলৰ

বিষয়ে চাৰ জ'নে এষাৰ তাৎপৰ্য্যপূৰ্ণ কথা কৈছিল। তেওঁ কৈছিল "এইখন সংবিধানৰ বিশেষত্ব হ'ল—এই সংবিধানখন আইৰিচ সকলে আয়াৰলেণ্ডত থাকি, আয়াৰলেণ্ডৰ বাবেই ৰচনা কৰিছে; ইয়াৰ খচৰাখন বৃটিছ চৰকাৰে যুগুত কৰা নাই। আইৰিচ সকলে নিজেই তেওঁলোকৰ সংবিধান তৈয়াৰ কৰি বৃটিছ পাৰ্লিয়ামেণ্টলৈ অনুমোদনৰ বাবে পঠাইছে।" এতিয়া আমাৰ ক্ষেত্ৰত কি হৈছে? চাৰ জ'ন চাইমনে ভাৰতলৈ আহি বেলেগ সুৰত কথা কৈছে। আইৰিচ সকলৰ প্ৰতি তেওঁৰ যি উদাৰ মনোভাৱ, তেনে মনোভাৱ তেওঁ ভাৰতবাসীৰ প্ৰতি দেখুৱা নাই। ইয়াৰ কাৰণ ব্যাখ্যা কৰি 'নিউ ষ্টেটমেন' কাকত খনে লিখিছে, "প্ৰথমতে হ'ল আইৰিচ সকলে নিজ সংবিধান নিজে নিজ দেশতে ৰচনা কৰাৰ ঐক্যমত দাভি ধৰিছিল আৰু দ্বিতীয়তে হ'ল, আইৰিচ নেতা মাইকেল কলিন্স আদিৰ দৰে পণ্ডিত মতিলাল নেহৰু প্ৰভৃতি ভাৰতীয় নেতাসকল শক্তিশালী নহয়। আইৰিচ সকল যোদ্ধাজাতি। তেওঁলোকে ন্যায্য দাবী পূৰণ নোহোৱাহেঁতেন হাতত অস্ত্ৰ লবলৈকো কুণ্ঠাবোধ নকৰিলেহেঁতেন। ভাৰতবৰ্ষৰ কথা বেলেগ, তেনে ক্ষমতা ভাৰতবাসীৰ হাতত নাই।

'নিউ ষ্টেটমেন' কাকতৰ এই যুক্তি নিশ্চয় প্ৰশংসনীয়; কিন্তু কাৰণ যিয়েই নহওক, আমি কিন্তু চাৰ জ'নে আয়াৰলেণ্ডৰ ক্ষেত্ৰত যি কৈছিল, সেই কথাতহে গুৰুত্ব দিম। আয়াৰলেণ্ডৰ দৰে আমাৰ সংবিধান আমি নিজেই প্ৰস্তুত কৰিম আৰু দাবী কৰিম—আমি প্ৰস্তুত কৰা সংবিধানেৰে আমাৰ শাসন ব্যৱস্থা পৰিচালনা কৰিবলৈ। যদিহে সেয়ে নহয়, আমি মান্তি নহও। জোৰকৈ জাপি দিয়া ব্যৱস্থাৰ বিৰুদ্ধে আমি থিয় দিম, তুমুল সংগ্ৰাম কৰিম। আয়াৰলেণ্ডত যিটো পৰিস্থিতি হব বুলি ভয় কৰি আয়াৰলেণ্ড-বাসীক নিজৰ সংবিধান নিজে ৰচনা কৰিবলৈ স্বাধীনতা দিয়া হৈছিল, তেনে এটা পৰিস্থিতি ভাৰতবৰ্ষতো যে নহব, কি নিশ্চয়তা আছে? কিবা অঘটন ঘটিলে আমি কিন্তু জগৰীয়া নহম। চাইমন কমিচন ভাৰতলৈ আহিল, দেশ ভ্ৰমণ কৰিলে, চৰকাৰী ভাৱে আয়োজিত অভ্যৰ্থনা, মেল-মিটিং, ভোজ-ভাতত যোগ দিলে, আনন্দিত মনেৰে উলটিল"।

সেনগুপ্তই কৈছিল, "যদিও মই ৰাজনৈতিক দৃষ্টিকোণৰ পৰা হিন্দু-মুছলিম সাম্প্ৰদায়িক সংঘৰ্ষৰ ওপৰত বিশেষ গুৰুত্ব নিদিও, মই ভাবো যে বৰ্তমানৰ যিটো জাতীয় সংকট তাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে হিন্দু-মুছলমানৰ সমস্যাটো জীয়াই ৰাখিব খুজিছে। ভাৰতবৰ্ষৰ দুৰ্ভাগ্যৰ কথা এয়ে যে ইংৰাজে হিন্দু-মুছলমানৰ বিভেদৰ সুযোগ লৈয়ে এদিন এই দেশত সোমাইছিল আৰু শাসনভাৰ দখল কৰিছিল। আকৌ এই বিভেদৰ সুবিধাতে তেওঁলোকে সংঘৰ্ষৰ পথ খুলি দিছে; নিজৰ আধিপত্য অধিক কটকটিয়া কৰিছে আৰু এই আধিপত্য বিস্তাৰত সহায় কৰিবলৈকে চাইমন কমিচন ভাৰতলৈ আনিছে।"

কংগ্ৰেছ অধিবেশন ঃ

কলিকতা কংগ্ৰেছ (1928)

যদিও 1928 চনত যতীন্দ্ৰমোহন কলিকতাৰ মেয়ৰ নাছিল তথাপি তেওঁৰ জনপ্ৰিয়তা মুঠেই কমা নাছিল। সকালোৱেই তেওঁৰ মতামতক গুৰুত্ব দিছিল, শ্ৰদ্ধা কৰিছিল। তেওঁ চাইমন কামিচন বয়কট কৰিবলৈ জনোৱা আবেদন সকলোৱে অকপট চিত্তে গ্ৰহণ কৰিছিল। এই বয়কটে সকলোকে মিলিত হবলে সুযোগ দিছিল। আনকি, বংগ কংগ্ৰেছৰ মাজত থকা দল-উপদল সমূহেও বিভেদ পাহৰি জাতীয় সম্মান ৰক্ষাৰ হকে চাইমন কামিচন বিৰোধী অভিযানত একেলগে কাম কৰিছিল। কংগ্ৰেছ, মুছলিম লীগ, লিবাৰেল ফেডাৰেশ্যনে ৰাজনৈতিক মিত্ৰভাৱে ভাৰতবৰ্ষৰ বাবে নিজা এখন সংবিধান যুগুত কৰিবলৈ সৰ্বদলীয় বৈঠক পতাত জোৰ দিছিল।

1928 চনত অনুষ্ঠিত কলিকতা কংগ্ৰেস বিশেষ তাৎপৰ্যপূৰ্ণ। এই অধিৱেশনে ভাৰতবৰ্ষৰ ৰাজনৈতিক স্বাধীনতা লাভৰ বাবে ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছিল। 1927 চনত বহা মাদ্ৰাজ অধিৱেশন আৰু 1929 চনত বহা লাহোৰ অধিৱেশনৰ মাজত এই কলিকতা অধিৱেশনখন আছিল পৰিপক্ক সিদ্ধান্তৰ উল্লেখনীয় বৈঠক। যথেষ্ট সতৰ্কতা আৰু দৃঢ়তাৰে ইয়াত কংগ্ৰেছৰ ভৱিষ্যত কাৰ্য্যসূচী নিৰ্ণয় কৰা হৈছিল। অধিৱেশনৰ সভাপতি আছিল পণ্ডিত মতিলাল নেহেৰু। মহাত্মা গান্ধী আছিল উপদেষ্টা আৰু যতীন্দ্ৰমোহন সেনগুপ্ত আছিল অভ্যৰ্থনা সমিতিৰ সভাপতি। সেনগুপ্তই অভ্যৰ্থনা সমিতিখন কাৰ্য্যকৰী কৰিবলৈ বহল ভিত্তিত সভ্য নিৰ্বাচিত কৰিছিল। ড. বিধানচন্দ্ৰ ৰায় আছিল সমিতিখনৰ সম্পাদক আৰু সেইসময়ৰ উৎসাহী যুৱনেতা সুভাষচন্দ্ৰ বসু আছিল স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক (জি, অ', চি)। নলিনীৰঞ্জন চৰকাৰক দিয়া হৈছিল প্ৰদৰ্শনীৰ ভাৰ। এজন সুদক্ষ সংগঠক ৰূপে নলিনী চৰকাৰ সেই সময়ৰ পৰিচিত ব্যক্তি। কুচ্‌কাৱাজেৰে সু-সজ্জিত স্বেচ্ছাসেৱক বাহিনী আৰু স্বদেশী বয়-বস্তুৰে শোভাযুক্ত প্ৰদৰ্শনী আছিল অধিৱেশনখনৰ অন্যতম আকৰ্ষণ। বংগীয় কংগ্ৰেছৰ কৰ্মী সকলে অধিৱেশনৰ সাফল্যৰ বাবে দেহেকেহে খাটিছিল। তেওঁলোকৰ আন্তৰিক ঐক্যবদ্ধ প্ৰচেষ্টাই অধিৱেশনৰ সন্মান বৃদ্ধি কৰি সৰ্বভাৰতীয় নেতাসকলক পৰম উৎসাহ যোগাইছিল।

অৱশ্যে, আদৰ্শ নীতি প্ৰয়োগত মতবিৰোধ হৈছিল বিষয়-বাছনি সভা আৰু মুকলি অধিৱেশনত। প্ৰবীন নেতাসকলৰ লগত তৰুণ নেতা সকলৰ অনেক বিষয়ত কথাৰ কটাকটি হৈছিল। প্ৰবীণ সকলৰ প্ৰতিনিধিত্ব কৰিছিল—গান্ধীজী, মতিলাল নেহেৰু আৰু যতীন্দ্ৰমোহন সেনগুপ্তই। কবলৈ গ'ল এওঁলোক আছিল সেই সময়ত কংগ্ৰেছৰ কৰ্ণধাৰ, ডব্লিউ. চি. বানাৰ্জী, দাদাভাই নৌৰজী, লোকমান্য তিলক, আনন্দমোহন বোস, চি. আৰ. দাস, প্ৰভৃতি পূৰ্বৱৰ্তী নেতাসকলৰ আদৰ্শতে এওঁলোকে পৰবৰ্ত্তী কালত কংগ্ৰেছৰ কাৰ্যপন্থা নিৰ্ণয় কৰিছিল। ইফালে তৰুণ শক্তিৰ নেতৃত্ব দিছিল জৱাহৰলাল

নেহেৰু আৰু সুভাষ বসুৱে। এওঁলোকে গান্ধীজী আৰু তেওঁৰ অনুগামী নেতাসকলে সমৰ্থন কৰা ঔপনিবেশিক স্বায়ত্ত শাসনৰ পৰিৱৰ্তে পূৰ্ণ স্বাধীনতা দাবী কৰিছিল। জৱাহৰলাল নেহেৰুৱে যুক্তি প্ৰদৰ্শন কৰি কৈছিল যে যেতিয়ালৈকে বৃটিছ সাম্ৰাজ্যৰ লগত ভাৰতবৰ্ষৰ ৰাজনৈতিক সম্পৰ্ক সম্পূৰ্ণভাৱে ছেদ নহয়, তেতিয়ালৈকে ভাৰতবৰ্ষই পূৰ্ণ স্বাধীনতা ভোগ কৰিব নোৱাৰে। অনেক বাক্-বিতণ্ডাৰ পাছত সংশোধনীৰে সৈতে মূল প্ৰস্তাৱটো অধিৱেশনে গ্ৰহণ কৰিলে। এই প্ৰস্তাৱটোত কোৱা হৈছিল যে বৃটিছ চৰকাৰে 1921 চনৰ 31 ডিচেম্বৰৰ ভিতৰত কংগ্ৰেছে বিচৰা স্বায়ত্ত শাসনৰ দাবী মানি লব। "যদিহে নলয়, তেতিয়াহ'লে কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ সংগ্ৰাম চলাবলৈ বাধ্য হব। বিদেশী চৰকাৰৰ লগত অসহযোগ কৰি ভাৰতে অহিংস আন্দোলন আৰম্ভ কৰিব, কোনো কৰ-কাটল চৰকাৰক দিয়া নহব।"

উল্লেখযোগ্য বৈশিষ্ট্য

যিয়েই নহওক লাগিলে। এটা কথা কব লাগিব যে ৰাজনৈতিক মঞ্চৰ আগশাৰীৰ নেতা পণ্ডিত মতিলাল নেহেৰুৰ সভাপতিত্বত, মহাত্মাগান্ধীৰ ব্যক্তিগত উপস্থিতিত আৰু লগতে প্ৰেৰণাদায়ক উপদেশ-বাণীত, অভ্যৰ্থনা সমিতিৰ সভাপতি যতীন্দ্ৰমোহন সেনগুপ্তৰ সময়োপযোগী ৰাজনৈতিক বিচক্ষণতাত, কলিকতাৰ কংগ্ৰেছ অধিৱেশনে বিৰাট সাফল্য অৰ্জন কৰিলে। যতীন্দ্ৰমোহনৰ বুদ্ধিদীপ্ত আৱেদনে সকলোৰে মন চুই গৈছিল। তেওঁৰ স্থিৰ আৰু সতৰ্কতাপূৰ্ণ ভাষণে অধিৱেশনৰ পৰিবেশ সৌহাৰ্দ্যপূৰ্ণ কৰি তুলিছিল। স্বাধীনতা লাভৰ পৰৱৰ্তী কালৰ কংগ্ৰেছ নেতা অতুল্য ঘোষে তেওঁৰ "কষ্ট-কল্পিত" নামৰ ধাৰাবাহিক প্ৰৱন্ধত এই প্ৰসংগ উল্লেখ কৰিছে। (দেশ পত্ৰিকা ছয় আগষ্ট, 1977 দ্ৰষ্টব্য)

যতীন্দ্ৰমোহনে তেওঁৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণত বংগদেশৰ উল্লেখ কৰিছিল আৰু কলিকতা চহৰখনৰ লগত সাঙোৰ খাই থকা ঐতিহ্য-মণ্ডিত জাতীয়তা-বোধ দাঙি ধৰিছিল। কলিকতা যে প্ৰকৃততে ভাৰতৰ নৱজাগৰণৰ আৰু জাতীয় আন্দোলনৰ জন্মক্ষেত্ৰ, সেইকথা সকলোকে স্মৰণ কৰাইছিল। সেনগুপ্তই জাতীয় সংহতিৰ ওপৰত অধিক গুৰুত্ব দিছিল আৰু স্বাধীনতা সংগ্ৰামত সকলোকে ভেদাভেদ পাহৰি একগোট হৈ থিয় দিবলৈ আহ্বান জনাইছিল। নেহেৰু ৰিপোৰ্টত এই সংঘবদ্ধ প্ৰচেষ্টাৰ কথা ভাৰতবৰ্ষক অৱগত কৰোৱা হৈছিল। সেনগুপ্তই এই কথা প্ৰসংগত উনুকিয়াইছিল আৰু কৈছিল, "এই ৰিপোৰ্ট বৃটিছ শাসকৰ পৰা ঔপনিবেশিক স্বায়ত্ত শাসন ভিক্ষা কৰিবলৈ প্ৰস্তুত কৰা হোৱা নাই। এই ৰিপোৰ্ট প্ৰস্তুত কৰা হৈছে, আমাৰ স্বাধীনতা সংগ্ৰামৰ ৰক্ষা-কৱচ হিচাপেহে। বৰ্তমান সময়ত নেহৰু-ৰিপোৰ্টৰ বাহিৰে আমাৰ আগত আন কোনো কাৰ্যকৰী প্ৰস্তাৱ নাই যি প্ৰস্তাৱে আমাক বিকল্প পথ দেখুৱাই দিব'। সেনগুপ্তই উদাত্ত কণ্ঠেৰে সকলো প্ৰতিনিধিকে নেহৰু প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল।

সেনগুপ্তই গুৰুত্ব সহকাৰে কৈছিল, "ঔপনিবেশিক স্বায়ত্ত-শাসন আদায় কৰা আমাৰ হব প্ৰথম পদক্ষেপ। এই পদক্ষেপেৰে আমি আগবাঢ়িম পূৰ্ণ স্বৰাজ লাভ কৰিবলৈ'। বৃটিছ শাসকক আমাৰ অসহযোগ আন্দোলনেৰে গভীৰভাৱে বুজাব লাগিব যে যি পদ্ধতিত তেওঁলোকে ভাৰতবৰ্ষৰ শাসন চলাইছে সেই শাসন আৰু নচলে। তেওঁলোকে আমি সম্প্ৰতে দাবী কৰা স্বায়ত্ত-শাসন প্ৰদান নকৰিলে তেওঁলোকৰ অন্য গতি নাই। আমিও এতিয়া এই স্বায়ত্ত শাসন আদায় কৰিবলৈকে কামত হাত দিব লাগিব আৰু ইয়াক লাভ কৰি আমাৰ লক্ষ্য পূৰ্ণ স্বৰাজৰ পথ সুনিশ্চিত কৰিব লাগিব।"

সেনগুপ্তই কৈছিল, "ভাৰতবৰ্ষৰ স্বাধীনতাৰ হকে ভাৰত সন্তানে নিজৰ চাৰি-সীমাতে প্ৰবল সংগ্ৰাম চলাব লাগিব। আমি ইয়াৰ বাবে নিজৰ সংগ্ৰামী যোদ্ধা সমবেত কৰিব লাগিব, সকলোকে একেলগ কৰিব লাগিব। নিজৰ ভৰিৰ ওপৰত ৰাজহাড় পোন কৰি দণ্ডায়মান হব লাগিব। ইয়াৰ বাবে দৰকাৰ আমাৰ জাতীয় জীৱনধাৰাৰ আমূল পৰিবৰ্তন। এই পৰিৱৰ্তনৰ সন্মুখীন হওঁতে আমি প্ৰথমতে নিজকে প্ৰশ্ন কৰিব লাগিব। কিয় আমাৰ ভাৰতবৰ্ষত বৰেণ্য নেতাসকলৰ অনুপ্ৰেৰণাত আৰম্ভ হোৱা বৃহৎ জাতীয় আন্দোলনবোৰ কৃতকাৰ্য হব পৰা নাই? অথচ তাৰ্কী, পাৰ্চিয়া আৰু চীন দেশত এনে আন্দোলনে অভূতপূৰ্ব কৃতকাৰ্যতা লাভ কৰিছে। ভাৰতবৰ্ষৰ ভাগ্যৰ কথা যে মহাত্মাগান্ধীৰ নিচিনা এজন মহান নেতাৰ নেতৃত্ব পায়ো তেওঁৰ দ্বাৰা উদ্ভাৱন কৰা অসহযোগ আন্দোলন অকৃতকাৰ্য হ'ল? বিপ্লবী অৰবিন্দ সংসাৰ ত্যাগী হ'ল, চিত্তৰঞ্জন দাসে ভগ্নহৃদয়লৈ মৃত্যুক আকোঁৱালি ললে। গান্ধীজীয়ে হতাশাভৰা মনেৰে সৰৱমতী আশ্ৰমত অৱসৰ গ্ৰহণ কৰিলে। ইফালে কামাল পাৰ্ছা, ৰেজাখান আৰু চিয়াং কাইচেক প্ৰভৃতি নেতাই নিজ নিজ দেশত স্বাধীন নাগৰিকৰূপে শাসনৰ দায়িত্ব লবলৈ উৎসাহ পাইছে। কিয় এনে হবলৈ পাইছে? আমাৰ পৰাজয়ৰ কাৰণ কি? এই উত্তৰ আমি বিচাৰিব লাগিব।

অতীতৰ দাসত্বৰ মোহ, সাম্প্ৰদায়িক মতভেদ, জাতিভেদ, পৰ্দা প্ৰথা, বহুবিবাহ প্ৰথা, বাল্যবিবাহ আদি সামাজিক সংস্কাৰবোৰে আমাৰ জাতীয় চৰিত্ৰ ম্লান কৰি পেলাইছে। আমি খণ্ড খণ্ড হৈ জীৱন অতিবাহিত কৰিছো। স্বাৰ্থই আমাক ছিন্নভিন্ন কৰি পেলাইছে। আমাৰ জাতীয়তাবোধ সাম্প্ৰদায়িক হৈছে, আমাৰ ঐক্য হৈ পৰিছে— সাধাৰণ ভাৱে একত্ৰিত হোৱা এক প্ৰক্ৰিয়া মাত্ৰ। অজ্ঞতা, কুসংস্কাৰ আৰু বন্ধনত সোমাই অৰ্ধেকে পৰ্দাৰ আঁৰত নিষ্প্ৰাণ জীৱন অতিবাহিত কৰিছে। আন অৰ্ধেকে জাতি, বৰ্ণ, ধৰ্মক লৈ খৰিয়াল কৰি নিজৰ শক্তি ক্ষয় কৰিছে। ইংলণ্ড অথবা জাপানৰ জন-সংখ্যাৰ আধাতকৈয়ো বেছি লোকে আমাৰ দেশত অস্পৃশ্যতাৰ কৱলত জীৱাতু ভুগিছে। এনে এটা পৰিবেশ লৈ আমি বৃটিছৰ লগত খুঁজো কেনেকৈ? আজি আমাৰ নতুন চেতনাৰ প্ৰয়োজন হৈছে। প্ৰয়োজন হৈ পৰিছে নৱ-নৱ চিন্তা ভাৱনা, বন্ধন মুক্তিৰ সন্ধান আৰু আধুনিক অগ্ৰসৰৰ সা-সুবিধা। আধুনিক কামান-বাৰুদ, বৰটোপ, দুৰ্ভেদ্য ৰণতৰী আৰু আকাশী জাহাজৰ প্ৰচণ্ড আক্ৰমণৰ লগত আমি আদিম ধুনুকাড়েৰে যুদ্ধ

দিব পাৰিম জানো? যন্ত্ৰপাতিৰ ক্ষেত্ৰত যিটো যুক্তি, ৰণবলৰ ক্ষেত্ৰটো একেই যুক্তি। অৰ্থাৎ ভাৰতৰ জনশক্তি, আধুনিক মূল্যবোধ আৰু বৰ্ণাঢ্য বিকাশেৰে নিজৰ ভৱিষ্যত সুদৃঢ় কৰিব লাগিব।"

সেনগুপ্তই সামৰণিত কৈছিল, "নিষ্ঠাবান হওঁক। স্বাধীনতাৰ আকাঙ্খাই আপোনা-লোকৰ মনত দিনে নিশাই অহৰহ উৎসাহ যোগাওক। ভাৰতৰ তৰুণ শক্তিয়ে জাতীয় পতাকাৰ তলত একত্ৰিত হৈ সমান অধিকাৰ আৰু ভ্ৰাতৃত্বৰ ধ্বনি কৰক। তেওঁলোকে আগবাঢ়ি ওলাই আহক মুক্ত জীৱন আৰু মুক্ত জাতিৰ নতুন ভাৰতবৰ্ষ ৰচনা কৰিবলৈ তেওঁলোকৰ পদক্ষেপ হব লাগিব দুৰ্জেয়, অদম্য আৰু বীৰত্বপূৰ্ণ। ৰাজশক্তিৰ বিৰুদ্ধে তেওঁলোকে নিজৰ ভেদাভেদ পাহৰি, সকলো সংকট অতিক্ৰম কৰি অগ্ৰসৰ হব লাগিব মুক্তিৰ নতুন দিগন্তৰ ফালে। হতাশ নহ'ব, সকলো শক্তিৰে বিদেশী শাসনৰ বিৰুদ্ধে থিয় দিয়ক। সম্প্ৰদায়ৰ কথা, গোষ্ঠীৰ কথা নাভাবিব। আপোনালোকৰ সামগ্ৰিক শক্তিৰ বিৰুদ্ধে পৃথিবীৰ কোনো শক্তিয়ে সন্মুখীন হব নোৱাৰে। আপোনালোকৰ বিজয় অভিযানৰ ওপৰতে নিৰ্ভৰ কৰিছে সুন্দৰ ভাৰতবৰ্ষ গঢ়াৰ স্বপ্ন। এই স্বপ্ন দিবপাত পৰিণত হব লাগিব। ভাৰতবৰ্ষই পৃথিবীৰ ভিতৰতে শক্তিমান দেশ বুলি পৰিচয় দিব লাগিব। এই আশা ৰাখিছে। ভাৰতবৰ্ষই স্বাধীনতা অৰ্জন কৰি ক'লা, বিজ্ঞান, প্ৰযুক্তি বিদ্যাত চৰম উন্নতি লাভ কৰিব। স্মৰণীয় হৈ উঠিব ভাৰতবৰ্ষৰ আদৰ্শ। জ্ঞান আৰু ভ্ৰাতৃত্বৰ অপূৰ্ব নিদৰ্শন। গোষ্ঠীনিৰপেক্ষ নীতিৰে ভাৰতবৰ্ষই বিশ্বৰ সৈতে মিলন ঘটাব। এতিয়া আফ্ৰিকাৰ বৰ্ণ-বৈষম্যৰ কবলত জৰ্জৰিত হৈ থকা জনগণক প্ৰেৰণা যোগাব।

কানপুৰ কংগ্ৰেছ

সৰোজিনী নাইডুৰ সভানেত্ৰীত্বত বহা 1925 চনৰ ডিচেম্বৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ কানপুৰ অধিবেশনত জে. এম. সেনগুপ্তই ভাষণ দিছিল। তেওঁৰ বক্তৃতাৰ প্ৰসংগ আছিল ৰাজনৈতিক বন্দীৰ প্ৰতি দেখুৱা অশোভনীয় ব্যৱহাৰ। বেংগল অৰ্ডিনেন্স'ৰ যোগেদি ইংৰাজ শাসকে ৰাজনৈতিক বন্দীক, বিশেষকৈ কংগ্ৰেছ আৰু স্বৰাজ্য দলৰ কৰ্মী সকলৰ ওপৰত উৎপীড়ন চলাইছিলা। সেনগুপ্তই এই অৰ্ডিনেন্সখন প্ৰত্যাহাৰ কৰিবলৈ সজোৰে দাবী জনাইছিল।

সুৰমা উপত্যকা অধিৱেশন ঃ

যতীন্দ্ৰমোহনে বংগীয় ৰাইজৰ মনত গভীৰ ৰেখাপাত কৰিছিল। ৰাইজে তেওঁক অপ্ৰতীম জননেতা হিচাপে সন্মান দেখুৱাইছিল আৰু সকলো গুৰুত্বপূৰ্ণ বিষয়ত তেওঁৰ সহযোগ কামনা কৰিছিল। 1926 চনৰ তেৰ ফেব্ৰুৱাৰীত যি সুৰমা উপত্যকা অধিৱেশন অনুষ্ঠিত হৈছিল, সেই অধিৱেশনৰ সভাপতি ৰূপে ৰাইজে তেওঁকেই নিৰ্বাচিত কৰি অবিচলিত শ্ৰদ্ধা যাচিছিল। অধিৱেশনত সেনগুপ্তই দিয়া ভাষণ চমু হ'লেও প্ৰাঞ্জল আৰু

অৰ্থপূৰ্ণ আছিল। তেওঁৰ শেষবাণী আছিল এনে ধৰণৰ: "মোক হয় স্বাধীনতা দিয়া, নহয় মৰিবলৈ দিয়া। এই পণৰ মাজেদিহে স্বাধীন ভাৰতৰ জন্ম হব।"

কংগ্ৰেছৰ সভাপতি পদত (অস্থায়ীৰূপে)

আগতেই উল্লেখ কৰা হৈছে যে অসহযোগ কাৰ্যসূচী অনুসৰি সেনগুপ্তই এখন ৰাজহুৱা সভাত চৰকাৰে নিষিদ্ধ ঘোষণা কৰা পুস্তিকা এখন পাঠ কৰা বাবে তেওঁৰ ছমাহ কাৰাদণ্ড হৈছিল। তেওঁ কাৰাগাৰৰ পৰা মুকলি হৈ অহাৰ সময়ত দেশত অসহযোগ আন্দোলন পূৰ্ণদ্যমে চলিছিল। কংগ্ৰেছ কমিটিকে ধৰি সমগ্ৰদেশৰ কংগ্ৰেছ অনুষ্ঠান-বোৰক চৰকাৰে বে-আইনী ঘোষণা কৰিছিল। কংগ্ৰেছৰ শীৰ্ষস্থানীয় নেতাসকলক আটক কৰা হৈছিল। কংগ্ৰেছ সভাপতি জৱাহৰলাল নেহৰুক বন্দী কৰি ৰখা হৈছিল।

এতিয়া কংগ্ৰেছ সভাপতিৰ দায়িত্ব কোনে লব? গান্ধীজীক ইতিমধ্যে জেলত ভৰোৱা হৈছিল। চৰ্দাৰ পেটেলো কাৰাৰুদ্ধ হৈছিল। পণ্ডিত মতিলাল নেহৰু বাহিৰত আছিল যদিও স্বাস্থ্যজনিত কাৰণত তেওঁ সভাপতিৰ গধুৰ দায়িত্ব লবলৈ টান পাইছিল। সেইবাবে জৱাহৰলালৰ পৰামৰ্শমতে পণ্ডিতজীয়ে কংগ্ৰেছ সভাপতিৰ দায়িত্ব অস্থায়ীভাৱে যতীন্দ্ৰমোহনকে দিবলৈ ঠিৰাং কৰিলে।

যতীন্দ্ৰমোহনৰ শৰীৰৰ অৱস্থা ভাল নাছিল। ভগ্ন শৰীৰেৰেই তেওঁ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰিলে। তেওঁ সভাপতি হৈয়েই লগত নেলী সেনগুপ্তাক লৈ উত্তৰ ভাৰতৰ পাটনা, এলাহবাদ, কানপুৰ, লক্ষ্ণৌ আৰু শেষত অমৃতচৰ ভ্ৰমণ কৰিলে। কোৱা প্ৰয়োজন যে সেনগুপ্তই কংগ্ৰেছ সভাপতি হোৱাৰ লগে লগেই তেওঁৰ ওপৰত ক্ৰিমিনেল পি. চি'ৰ 144 ধাৰা জাৰি কৰা হৈছিল আৰু তেওঁৰ মুখ বন্ধ কৰি চলন-ফুৰণ নিয়ন্ত্ৰিত কৰা হৈছিল। এই বাধা আৰোপ থকা স্বত্বেও সেনগুপ্তই অক্টোবৰৰ 24 তাৰিখে কানপুৰলৈ গৈছিল আৰু তাত এখন ৰাজহুৱা সভাত উপস্থিত থাকি বক্তৃতা দিবলৈ কাৰ্যসূচী গ্ৰহণ কৰিছিল। কিন্তু দোপালপিৰ্চা বৰষুণ দিয়াত সভা অনুষ্ঠিত নহ'ল। সেনগুপ্তই অৱশ্যে এটা বিবৃতি লিখিতভাৱে বিতৰণ কৰালে। ইয়াত গান্ধীজী আৰু জৱাহৰলালে সমৰ্থন কৰা কংগ্ৰেছৰ পৰবৰ্তী কাৰ্যসূচী ব্যাখ্যা কৰা হৈছিল। 144 ধাৰাৰ বাধা আওকান কৰি তেওঁ লক্ষ্ণৌত উপস্থিত হৈছিল গৈ। ৰেল ষ্টেচনতে হাকিমৰ নটীচ তেওঁক দিবলৈ নিৰ্দেশ আছিল যদিও পুলিচ অফিচাৰে তেওঁ কেতিয়া নামিল, ততকে ধৰিব নোৱাৰিলে।

জালিয়ানৱালাবাগ ভ্ৰমণ আৰু আটক

সেনগুপ্তৰ 25 অক্টোবৰৰ অমৃতচৰ ভ্ৰমণ আছিল ঘটনা বহুল। যদিও তেওঁ হঠাৎ গৈ সেই ঠাইত উপস্থিত হৈছিল তথাপি তেওঁক লগ পাবলৈ ষ্টেচনত এটা ডাঙৰ জনতাৰ দল গোটে খাইছিল। ইয়াত 144 ধাৰাই তেওঁৰ চলন-ফুৰণত বাধাদান কৰিছিল।

তেওঁ আৰু শ্ৰীমতী নেলী সেনগুপ্তাই অমৃতচৰত ড. কিট্‌শ্লিলোৰ (Dr. Kitchlew) বাসভৱনত বিশ্ৰাম লৈছিল। তেওঁৰ দিনটোৰ ব্যস্ততাপূৰ্ণ কাৰ্যসূচীত স্থানীয় কাপোৰ ব্যৱসায়ী সকলৰ লগত তাৰ কংগ্ৰেছ কৰ্মী সকলৰ মতানৈক্য আঁতৰ কৰা বিষয়টোৱে ঠাই পাইছিল। সেনগুপ্তই বিচক্ষণতাৰে বিষয়টো নিষ্পত্তি কৰিলে। পাছৰ দিনা সন্ধিয়া তেওঁ নিষেধ-আজ্ঞা ভংগ কৰি, জালিয়ান্‌ৱালাবাগত সমবেত হোৱা প্ৰায় 30,000 হেজাৰ লোকৰ জনসভাত উপস্থিত হ'ল। তাত এজন হাকিম সহ এদল সশস্ত্ৰ পুলিচ-বাহিনী সষ্টম হৈ আছিল। সেনগুপ্ত উপস্থিত হোৱাৰ লগে লগে হাকিমে 144 ধাৰাৰ নটীচ পাঠ কৰি শুনালো। সেনগুপ্তই এই পাঠদান আওকান কৰি ওখ মঞ্চত থিয় হৈ উদাত্ত কণ্ঠে তেওঁৰ বক্তৃতা আৰম্ভ কৰিলত তেওঁক বলপূৰ্বক ধৰি পুলিচৰ গাড়ীত ভৰোৱা হ'ল। সভাত হৈ-চৈ লাগিল।

সেনগুপ্তক এনেদৰে বন্দী কৰাৰ বাবে হৰতাল আৰম্ভ হ'ল। কলিকতা, নাগপুৰ আৰু আন আন চহৰত হৰতাল পালন কৰিলে। অমৃতচৰ চহৰত বিক্ষোভ প্ৰদৰ্শন হ'ল, অমৃতচৰ পৌৰসভাই প্ৰতিবাদ কৰি সভা স্থগিত ৰাখিলে। দিল্লীত শোভাযাত্ৰা ওলাল। চাৰিওফালে প্ৰতিবাদৰ ৰোল উঠিল। সেনগুপ্তই আটক হৈয়ে এটা বিবৃতি দিলে আৰু প্ৰেছলৈ পঠালে।

"মই আজি ইতিহাস প্ৰসিদ্ধ চহৰ অমৃতচৰত আটক হৈছো, ইয়াত মই ক্ষুণ্ণ হোৱা নাই, বৰং গৌৰৱ অনুভৱ কৰিছো। ভাৰতীয় জাতীয় কংগ্ৰেছৰ দৰে মহান অনুষ্ঠান এটাৰ সভাপতি হিচাপে মই এই কাৰ্যক পৰম সৌভাগ্য বুলি ভাবিছো। হিন্দু, মুছলমান আৰু শিখৰ তেজেৰে জাতীয়তাবাদৰ পবিত্ৰ নৈখন প্ৰবাহিত হোৱা এই সু-প্ৰসিদ্ধ তীৰ্থক্ষেত্ৰ, জালিয়ানাৱালাবাগত অনুষ্ঠিত বিৰাট সভা এখনতে মোক বন্দী কৰি ইংৰাজ শাসকে বীৰত্ব দেখুৱালে। ইয়াত মোৰ বেজাৰ নাই। মই উৎসাহিত হৈছো, যে ভাৰতৰ জনগণে সংগ্ৰাম কৰিবলৈ এটা নতুন প্ৰেৰণা লাভ কৰিলে। দেশপ্ৰেমৰ উজ্জ্বল দৃষ্টান্ত দেখুৱাবলৈ এই ঘটনাই তেওঁলোকৰ মনত সাহস বঢ়ালে।"

সেনগুপ্তক অমৃতচৰৰ জেলত ৰখা হ'ল। শ্ৰীমতী সেনগুপ্তাই জেলত তেওঁক দেখা কৰিলে আৰু প্ৰফুল্লিত দেখি আশ্বস্ত হ'ল। পিচদিনা শ্ৰীমতী সেনগুপ্তাই জালিয়ানাৱালা-বাগতে এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁৰ স্বামীৰ প্ৰতি পঞ্জাৱৰ লোকসকলে দেখুৱা অভূতপূৰ্ব সন্মানৰ বাবে কৃতজ্ঞতা জনালে।

শ্ৰীমতী সেনগুপ্তা দিল্লীলৈ উভতি গ'ল। যতীন্দ্ৰমোহনক বিচাৰৰ বাবে দিল্লীৰ জেলত ৰখা হৈছিল। তেওঁক বিচাৰ কৰা ধাৰা দুটা আছিল,' (1) (124 ক) চ্ছেদ, আই, পি, চি আৰু (2) চ্ছেদ (17) ক্ৰিমিনেল ল' এমেণ্ডমেণ্ট এক্ট লগতে চ্ছেদ (3), ইন্‌ষ্টিগেশ্যন অৰ্ডিনেন্স। দিল্লীৰ হাকিমৰ আদালতত এই বিচাৰ হৈছিল। আৰম্ভণিৰে পৰা সেনগুপ্তই আদালতৰ শুনানীত অংশ লবলৈ অমান্তি হৈছিল। কট্টৰ পুলিচ ইন্‌স্পেক্টৰে যেতিয়া ভুল ব্যাখ্যাৰে তেওঁৰ বক্তৃতাৰ বিৰুদ্ধে ৰিপোৰ্ট দাখিল কৰিছিল, তেতিয়া তেওঁ অসত্য কথা প্ৰতিবাদ কৰিবলৈ থিয় দিছিল আৰু কৈছিল, "এই পুলিচ

বিষয়াজনে মোৰ বক্তৃতাৰ মূল লক্ষ্য ধৰিব পৰিলেও তাক হৃদয়ংগম কৰা নাই। বৰং তেওঁ বক্তৃতাতে সম্পূৰ্ণ বিকৃত কৰিহে ৰিপোৰ্ট দাখিল কৰিছে"।

বিচাৰ চলি থকা সময়ত হাকিমে সেনগুপ্তক আত্মপক্ষ সমৰ্থনত কিবা কবলৈ নিৰ্দেশ দিছিল। সেনগুপ্তই তেওঁৰ বিবৃতিও এনেদৰে কৈছিল :

"বৃটিছে ভাৰতবৰ্ষ শাসন কৰিছে নিজ দেশ ইংলণ্ডৰ স্বাৰ্থত'। এই উক্তি সত্যহলেও ইয়াক আমি কলে ৰাজদ্ৰোহ বুলি আখ্যা দিয়া হৈছে। আৰু যদি কোনোবাই কয় যে 'বৃটিছ শাসন অন্ত পৰিব লাগে, তাকো ৰাজদ্ৰোহ অপৰাধিত শাস্তি বিহা হয়। এনে সত্য কথা উচ্চাৰণ কৰা বাবেই ইংৰাজ শাসকে হেজাৰ বিজাৰ ভাৰতবাসীক জেললৈ পঠাইছে। হেজাৰ-বিজাৰ ভাৰতবাসীয়ে দিনে-নিশাই বৃটিছ শাসন অৱসান ঘটাটোকে কামনা কৰিছে। আনকি, মুখ ফুটাই কব নোৱাৰিলেও অনেক চৰকাৰী চাকৰিয়ালে মনে-প্ৰাণে এই আশাকে পোষণ কৰিছে। স্বাধীন হোৱা যি অদম্য বাসনা, তাতকৈ কিবা উচ্চাকাঙ্ক্ষা ভাৰতবাসীৰ বাবে কি থাকিব পাৰে? মই ভালকৈ জানো যে মোৰ আত্মপক্ষ সমৰ্থনত যিমান যুক্তিয়েই নাথাকক লাগিলে, আপোনালোকৰ বিচাৰ ব্যৱস্থাত মোৰ কাৰাবাস অৱশ্যম্ভাৱী। আপোনালোকে মোৰ দৰে বহুতো স্বদেশ-প্ৰেমীৰ বিচাৰ কৰিছে আৰু ফাটেকলৈ পঠাইছে। মই আনন্দমনেৰে ফাটেকলৈ যাব খুজিছো, কাৰণ, মই সুনিশ্চিত যে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ দিন চমুচাপি আহিছে। যি পদ্ধতিত আপোনালোকে আজি এশ পঞ্চাছৰো অধিককাল ব্যাপি ভাৰতবৰ্ষ শাসন কৰিছে, সেই বিষয়ে স্বাধীন ভাৰতৰ নৰ-নাৰীক আপোনাসকলৰ প্ৰভু আৰু ইংৰাজ জাতিয়ে কৈফিয়ৎ দিব লাগিব। মই আৰু অধিক বাক্য অপচয় নকৰো"।

সেনগুপ্তৰ দ্বিতীয় বিচাৰটো তেওঁ গ্ৰেচিয়া পাৰ্কত দিয়া বক্তৃতাটোৰ অপৰাধক কেন্দ্ৰ কৰি শুনানী হৈছিল। সেনগুপ্তই বক্তৃতাটোত দিল্লী আৰু পঞ্জাৱৰ ছাত্ৰসকলকৰ বংগদেশৰ ছাত্ৰসকলৰ দৰে কৰ নিদিয়া আন্দোলন এটা চলাবলৈ পৰামৰ্শ দিছিল। সেনগুপ্তৰ বিৰুদ্ধে যি অভিযোগ অনা হৈছিল সেই বিষয়ে অৱগত হৈ তেওঁ বিচাৰপতিক চৰকাৰৰ অভিযোগটো যে অমূলক, সেই কথা যুক্তি সহকাৰে ব্যাখ্যা কৰিছিল। তেওঁ কৈছিল, "মহোদয়। মোৰ নিশ্চয় এইকেৰা বিচাৰবুদ্ধি আছে যে ছাত্ৰসকল বিদ্যাৰ্থী, তেওঁলোকে কৰ নিদিয়ে"। কোৱা প্ৰাসংগিক যে সেনগুপ্তৰ ভাষণটো এজন চোৰাংচোৱা বিষয়াই সভাস্থলিত টুকি লৈছিল আৰু সেইটোৰ ভিত্তিতে সেনগুপ্তৰ বিৰুদ্ধে অভিযোগ আনা হৈছিল। ভুল অৰ্থ বুলি প্ৰতিপন্ন হোৱাত কৰ্টত সেইদিনা হাঁহিৰ খলকনি উঠিছিল। সেনগুপ্তই বিচাৰপতিক উদাত্তস্বৰে কৈছিল, "ৰাজনীতি সমূলঞ্চে বুজি নোপোৱা, কলিকতা আৰু বম্বেৰ নিৰপৰাধী গাঁৱলীয়া ৰাইজে আইন আৰু শান্তিভংগৰ মিছা অপৰাধত শাস্তি পাইছে। তেওঁলোকৰ মনত ত্ৰাসৰ সঞ্চাৰ হৈছে, তেওঁলোকৰ মূৰত লাঠিৰ কোৱ পৰিছে।

সেনগুপ্তৰ বিৰুদ্ধে চৰকাৰ পক্ষৰ সাক্ষীয়ে বিশ্বাসযোগ্য উত্তৰ দিব পৰা নাছিল। সেইদিনা সেনগুপ্তৰ যুক্তিত কৰ্টত উপস্থিত থকা সকলো ব্যক্তিয়ে বিস্ময় হৈ তেওঁৰ

বাগ্মিতাক প্ৰশংসা কৰিছিল। সেনগুপ্তক যেতিয়া নিজৰ দোষ স্বীকাৰ কৰিবলৈ চৰকাৰৰ উকীলে যুক্তি প্ৰদৰ্শন কৰিছিল, তেতিয়া তেওঁ অধিক দৃঢ়তাৰে কৈছিল যে যিহেতু তেওঁৰ প্ৰতি সুবিচাৰ হোৱা নাই, সেইবাবে তেওঁ অধিক কথা কোৱা নিষ্প্ৰয়োজন। তেওঁৰ বক্তৃতাটোৰ যি ভুল ব্যাখ্যা ৰিপোৰ্টত দাঙি ধৰা হৈছিল তাক তেওঁ অসংগত আৰু ভ্ৰান্ত বুলি আখ্যা দিছিল।

কৰ্টে পাছত ৰায়দান দি সেনগুপ্তক এবছৰ কাৰাদণ্ড বিহিলে।

দেশবন্ধু চি. আৰ. দাসৰ আৱক্ষ প্ৰস্তৰ-মূৰ্তি উন্মোচন

জে. এম সেনগুপ্ত 1930 চনৰ 14 অক্টোবৰত কৰাচীত উপস্থিত হৈছিল। জেমছেদ এম, আৰ মেহতা আছিল সেই সময়ত কৰাচী পৌৰনিগমৰ সভাপতি। তেওঁ দেশবন্ধু চি, আৰ, দাসৰ আৱক্ষ-প্ৰস্তৰ মূৰ্তি এটা দান দিছিল আৰু সেইটো উন্মোচন কৰিবলৈ জে, এম, সেনগুপ্তক আমন্ত্ৰণ কৰি আনিছিল। সেই সময়ত সেনগুপ্ত কলিকতাৰ মেয়ৰ হৈ আছিল। তেওঁক কৰাচীত বিভিন্ন অনুষ্ঠানে আদৰ সম্ভাষণ জনাইছিল। পৌৰনিগমৰ মূৰ্তি-উন্মোচন উৎসৱত সেনগুপ্তই দিয়া ভাষণৰ পাছত, সভাখনৰ সভাপতি তাৰাচান্দে তেওঁৰ বক্তৃতাত সেনগুপ্তৰ বহুসংখ্যক গুণৰ কথা শুনাইছিল আৰু কৈছিল যে কৰাচী-বাসীয়ে তেওঁক 1931 চনত অনুষ্ঠিত হব লগা ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতিৰূপে পৰৱৰ্তী ভ্ৰমণত আদৰণি জনাবলৈ অপেক্ষা কৰি থাকিব।

উল্লেখ কৰিব পাৰি যে 1931 চনত কৰাচীত বহিবলগা কংগ্ৰেছ অধিৱেশনৰ সভাপতিৰূপে সেনগুপ্তই অধিক সংখ্যক প্ৰাদেশিক সমিতিৰ পৰা সমৰ্থন লাভ কৰি নিৰ্বাচিত হৈছিল। সেনগুপ্তই কিন্তু এই সম্মান গ্ৰহণ নকৰি ঘোষণা কৰিলে যে তেওঁতকৈ ছয় বছৰৰ জ্যেষ্ঠ নেতা চৰ্দাৰ বল্লভভাই পেটেল কংগ্ৰেছৰ সভাপতি হ'লে তেওঁ বৰং অতিশয় আনন্দিত হব। সভাপতি হবলৈ তেওঁ নিজে পাছতো সুবিধা পাব।

কিন্তু দেশবাসীৰ পৰম দুৰ্ভাগ্য যে এই সম্মানৰ অধিকাৰী হোৱাৰ আগতেই 1933 চনত সেনগুপ্তই দেহত্যাগ কৰিলে।

কৰাচী কংগ্ৰেছ (1931)

কৰাচী কংগ্ৰেছৰ সময়ত সেনগুপ্তৰ শৰীৰ অসুস্থ আছিল। তেওঁ ৰক্তচাপত ভুগিছিল আৰু ৱাকিং কমিটিৰ বৈঠকত সক্ৰিয়ভাৱে আলোচনা, তৰ্ক-বিতৰ্ক আদিত ভাগ লৈ তেওঁ ভাগৰি পৰিছিল। বৈঠকত পাছৰদিনা উত্থাপন কৰিব লগা বহু বিতৰ্কপূৰ্ণ 'গান্ধী-আৰউইন চুক্তি'ক কেন্দ্ৰ কৰি কমিটিৰ বৈঠকত তুমুল বাক্‌বিতণ্ডা চলিছিল। বিষয়টোৰ প্ৰস্তাৱক আছিল জৱাহৰলাল নেহৰু আৰু সমৰ্থক আছিল সেনগুপ্ত। তিনিদিনৰ আগতে ভগত সিংহক ফাঁচী দিয়া হৈছিল বাবে সমগ্ৰ দেশতে ৰাজনৈতিক পৰিবেশ উত্তপ্ত হৈ পৰিছিল। সেনগুপ্তৰ ব্যক্তিগত সচিব ৰৰদা প্ৰসাদ নন্দীৰ পৰা গম পাব পাৰি যে

মাজৰাতি জি, অ' চি, য়ুচুক মেহেৰ আলি দৌৰি আহি সেনগুপ্তক টোপনিৰ পৰা জগাই ঘটনাৰ সবিশেষ অৱগত কৰাইছিল।

পণ্ডিত নেহৰুৱে কৰাচী কংগ্ৰেছত প্ৰস্তাৱ কৰা 'গান্ধী-আৰউইন চুক্তি'য়ে বৈঠকত যথেষ্ট উত্তেজনাৰ সৃষ্টি কৰিছিল। সেনগুপ্তই প্ৰস্তাৱটো সমৰ্থন কৰি কংগ্ৰেছ কৰ্মী সকলক ধৈৰ্য আৰু সাহসেৰে পৰিস্থিতিৰ মুখামুখি হবলৈ আহবান জনাইছিল। সেনগুপ্তই কৈছিল, "...গান্ধীজীয়ে ভাৰতৰ স্বাধীনতা বাগ্মিতা বা মধুৰ বিচাৰ বুদ্ধিৰে বিচৰা নাই। তেখেতে ভাৰতবৰ্ষৰ জনগণৰ ঐক্যবদ্ধ প্ৰচেষ্টা আৰু সংগ্ৰামী শক্তিৰ পৰিচয় অহিংস আন্দোলনৰ মাজেদি দাঙি ধৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিছে। আমিও ইংৰাজ চৰকাৰৰ লগত মধুৰ বচনেৰে আপোচ কৰিব খোজা নাই। আমি নিৰ্ভৰ কৰিছো ভাৰতীয় জাতীয় কংগ্ৰেছৰ আৰু লগতে ভাৰতীয় জনসাধাৰণৰ শক্তি সামৰ্থত। বন্ধু সকলে আমাৰ লগত বৃটিছ সম্পৰ্কৰ কথা সঘনাই উল্লেখ কৰিছে। মই দৃঢ়তাৰে কব খুজিছো যে পুৰণি বৃটিছ-ভাৰত সম্পৰ্কটো আছিল প্ৰভূ-ভৃত্যৰ সম্বন্ধ, সাম্ৰাজ্যবাদী আৰু দাম্ভিক বৃটিছ পৰাধীন ভাৰতবৰ্ষৰ সম্বন্ধ। আমি আজি এই সম্বন্ধ চিঙি পেলাব খুজিছো। আপোনাসকলক নিৰ্ভয় দি ক'ব খুজিছো যে এই প্ৰস্তাৱৰযোগে মহাত্মাগান্ধীয়ে কংগ্ৰেছক ঘূৰণীয়া মেজমেল' লৈ যাবৰ বাবে বাধ্য কৰা নাই। এনে অভিপ্ৰায় তেখেতৰ নাই।

আপোনাসকলে জানে যে ঘূৰণীয়া মেজমেলত যোগ দিয়াৰ সময়ৰ পৰা সাম্প্ৰতিক সময়লৈকে বহুতো ঘটনা ঘটি গৈছে। আমি পুনৰ এনে মেজমেলত নবহিবও পাৰো। কিন্তু যি সাময়িক আন্দোলন-বিৰতি চুক্তিত আমি সাক্ষ্যদান কৰিছিলো তাক পালন কৰা সকলো কংগ্ৰেছ কৰ্মীৰ অৱশ্যে কৰ্তব্য। আমি যদি দেখো যে চুক্তিৰ মতে ঠিক সময়ত এজনো ৰাজনৈতিক বন্দীক মোকলাই দিয়া নাই চুক্তিত থকা আন আন বিষয়, যেনে নিমখ উৎপাদন, বিদেশী বস্ত্ৰ প্ৰচলন আদি ভংগ হৈছে, তেতিয়া চুক্তি অৱমাননা কৰা বৃটিছৰ লগত পুনৰ ঘূৰণীয়া মেজমেলত বহা প্ৰস্তাৱ আমি প্ৰত্যাখ্যান কৰিবলৈ অলপো ইতস্তত: নকৰো। এই কথা আমি সমগ্ৰ বিশ্ববাসীক জনাব পাৰিম আৰু বৃটিছৰ প্ৰতাৰণা উদঙাই দিব পাৰিম।

আপোনালোকে স্মৰণ কৰিলে গম পাব যে ভাৰতবৰ্ষৰ আধুনিক ইতিহাসত এনে কোনো নজীৰ নাছিল, যিটোৱে দেখুৱাব পাৰিব যে ভাৰতবৰ্ষৰ প্ৰতিনিধি মহাত্মা গান্ধীজীৰ লগত শক্তিবান ইংৰাজ চৰকাৰে সমভাবে আৰু ন্যায়সংগত নীতি অক্ষুন্ন ৰাখি আলাপ আলোচনা কৰিবলৈ কিবা গুৰুত্ব দিছিল। কিন্তু, এইবাৰ আমি দেখিছো যে ইংৰাজে নিজৰ ভুল বুজিব পাৰিছে। ইমান দিনে অৱজ্ঞা কৰি এই ক্ষীণ, নিশকতীয়া মানুহজনৰ কিমান ক্ষমতা, তেওঁলোকে এতিয়া বুজিছে আৰু বুজিছে যে সমগ্ৰ ভাৰতবাসীৰ সৰ্বশক্তি এই মানুহজনৰ গাত মিলিত হৈছে। আপোনালোকে জানে যে মহাত্মাগান্ধী ভাৰতীয় জাতীয় কংগ্ৰেছক কেতিয়াও হেয় নকৰে। তেখেতে কোনো অপমান-জনক আলোচনাৰ সম্মতি নিদিয়ে। দেশৰ স্বাৰ্থ তেখেতৰ চৰম লক্ষ্য।

সেইবাবে, মই কওঁ যে এনে এগৰাকী মহান নেতাৰ প্ৰতি আপোনালোকে সম্পূৰ্ণ আস্থা ৰাখক।"

কেৰেলা সন্মিলন

কৰাচী কংগ্ৰেছৰ বক্তৃতাটোৱে যতীন্দ্ৰমোহনক এগৰাকী উল্লেখযোগ্য আগশাৰীৰ কংগ্ৰেছ নেতা হিচাপে প্ৰতিষ্ঠিত কৰিলে। 1931 চনৰ তিনি মে' তাৰিখে কেৰেলাৰ বাদগাৰাত অনুষ্ঠিত প্ৰাদেশিক সন্মিলনত সভাপতিত্ব কৰিবলৈ তেওঁক নিমন্ত্ৰণ জনোৱা হৈছিল। ভাষণত তেওঁ গান্ধী-আৰউইন চুক্তিৰ তাৎপৰ্য ব্যাখ্যা কৰি কৈছিল, "এই চুক্তি মতে দুয়ো পক্ষই বৈৰীভাব আঁতৰ কৰি মীমাংসাৰ পথ মুকলি কৰিব লাগিব"। বৰ্তমান আমি এই চুক্তিমতে যি দিন অতিবাহিত কৰিছো, সেইদিন শান্তিৰ দিন বুলি নকৈ চুক্তি পালনৰ দিন বুলিহে কব লাগিব। কাৰণ চুক্তিত আছে যে ইয়াত সন্নিবিষ্ট দফাবোৰ দুই পক্ষই পালন কৰিব আৰু মূল লক্ষ্যত উপনীত হব। যদিহে চৰকাৰ পক্ষই প্ৰতিশ্ৰুত ঘোষণাবোৰ পালন নকৰে, তেনে হ'লে কংগ্ৰেছে পুনৰ আন্দোলনৰ পথ বাছি লব আৰু চৰকাৰৰ লগত মিত্ৰতা ভংগ হব। মহাত্মা গান্ধীয়ে কৈছে যে অহা কেইমাহমানৰ ভিতৰতে যদি আমি পূৰ্ণস্বৰাজ নাপাওঁ তেতিয়া গান্ধী আৰু বল্লভ ভাই পেটেল দুয়ো ইংৰাজৰ বিৰুদ্ধাচৰণ কৰিব, ফাটেকলৈ যাব। এনে এটা অৱস্থাত আমি কি কৰিম? প্ৰতিশ্ৰুত স্বাধীন দেশ এখন নাপালে, শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰিলে, আমাৰ আৰু কি গত্যন্তৰ থাকিব পাৰে? এতিয়াও বৃটিছ চৰকাৰৰ সুমতি হওঁক, তেওঁলোকে পৰৱৰ্তী ঘূৰণীয়া মেজমেলত বহি এটা গ্ৰহণযোগ্য সিদ্ধান্ত লওঁক, ভাৰতবাসীৰ প্ৰতি ন্যায়-সংগত ধাৰণা গ্ৰহণ কৰক। ইয়াৰ ওপৰতে নিৰ্ভৰ কৰিছে আমাৰ পৰৱৰ্তী আন্দোলনৰ কাৰ্যসূচী।

আপোনাসকলে নিশ্চয় মন কৰিছে যে আমাৰ চুক্তিখনত এনেকুৱা কোনো বাধা নাই যিটোৰ বাবে কংগ্ৰেছৰ প্ৰতিনিধিয়ে ভাৰতৰ বাবে পূৰ্ণ স্বৰাজ দাবী কৰিব নোৱাৰে। বৃটেইনৰ লগত সংযুক্ত নোহোৱাকৈ বা বৃটিছৰ লগত অংশীদাৰ হৈয়ো আমাৰ ৰাজনৈতিক স্বাধীনতা জীয়াই থাকিব পাৰে। অৱশ্যে ভাৰতবাসীয়ে কোনটো বিচাৰে, সেইটোৱে বিচাৰ্যৰ বিষয় কোনটো পন্থা উত্তম হব সেই সিদ্ধান্ত ভাৰতবাসীয়ে নিৰূপণ কৰিব। কিন্তু এটা কথা ঠিক যে ইংৰাজবাসীৰ মনোবৃত্তিৰ ওপৰত বহুতো কথা নিৰ্ভৰ কৰিছে। আমাৰ দেশে বিচাৰিছে ৰাজনৈতিক পদমৰ্যাদা। এই প্ৰতিষ্ঠাই আমাক দিব স্বকীয় ক্ষমতা যাৰ বলত ভাৰতবৰ্ষই নিজৰ আভ্যন্তৰীণ শাসন আৰু বৈদেশিক যোগাযোগ নিজে নিয়ন্ত্ৰণ কৰিব। ৰাজনৈতিক সৰ্বময় কৰ্তৃত্ব বা সাৰ্বভৌম ক্ষমতাৰ ক্ষেত্ৰত কোনো আপোচ সম্ভৱ নহয়।"

ৰেঙ্গুনৰ অদ্ভুত বিচাৰ-ফান্দত সেনগুপ্ত

সেনগুপ্তই সপৰিবাৰে স্বাস্থ্যজনিত কাৰণত 1930 চনৰ ফেব্ৰুৱাৰী-এপ্ৰিল মাহৰ

ভিতৰত জাহাজেদি চিঙ্গাপুৰলৈ গৈছিল। জাহাজখন ফেব্ৰুৱাৰী মাহৰ 3 তাৰিখে ৰেঙ্গুনত ৰওঁতে বৰ্মাদেশৰ ধনী ব্যৱসায়ী আব্দুলবাৰী চৌধুৰী আহি জাহাজতে সেনগুপ্তক দেখা কৰি উভতি যাওঁতে ৰেঙ্গুনত সোমাই যাবলৈ অনুৰোধ কৰিছিল। বৃটিছৰ স্বাৰ্থজনিত কাৰণত বৰ্মাদেশক ভাৰতৰ পৰা পৃথক কৰা কাৰ্যত সেই দেশত বসবাস কৰি তাহা ভাৰতীয় বংশধৰ সকলৰ বিস্তৰ ক্ষতি সাধন হৈছিল। এই পৃথকী-কৰণ যাতে নঘটে, সেই উদ্দেশ্যে ৰেঙ্গুনৰ ভাৰতীয় সকলে প্ৰতিবাদ জনাইছিল আৰু ভাৰতৰ লগত ৰাজনৈতিক, আৰ্থ-সামাজিক সম্পৰ্ক ৰক্ষা কৰাৰ হকে ওকালতি কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনে বৰ্মাদেশকো স্পৰ্শ কৰি তাত আন্দোলনৰ ক্ষেত্ৰ এখনো তৈয়াৰ কৰি পেলাইছিল। এতিয়া বৰ্মাদেশ ভাৰতৰ পৰা অংগচ্ছেদ হ'লে তাত থকা ভাৰতীয়সকল যে বিপন্ন হ'ব এই কথা ভাবি বৰ্মাদেশীয় ভাৰতীয়সকল দুশ্চিন্তাত পৰিছিল আৰু সেনগুপ্তৰ দৰে আগশাৰী ভাৰতীয় নেতা এজনক ৰেঙ্গুনলৈ নিমন্ত্ৰণ কৰি, তেওঁৰ পৰা পৰামৰ্শ লবলৈ উৎসুক হৈ পৰিছিল। সেনগুপ্তই তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰিছিল আৰু এটা ভাষণ দিছিল। কৰ্তৃপক্ষই এই ভাষণত আপত্তি তুলি তেওঁৰ বিৰুদ্ধে ৰাজদ্ৰোহ অভিযোগ আনিছিল।

দেশপ্ৰিয় যতীন্দ্ৰমোহন (1930)ৰ বিৰুদ্ধে ৰাজদ্ৰোহ অভিযোগ অনা এই বিচাৰটো আছিল এটা প্ৰহসন। ভাৰতৰ স্বাধীনতা আন্দোলনৰ বুৰঞ্জীত এনে ধৰণৰ নজীৰ নাই। আন দেশতো এনে অদ্ভুত বিচাৰ আছে বুলি বিশ্বাস নহয়। এই বিচাৰৰ পিছত থাকি যি গৰাকী শাসনকৰ্তাই উচটনি দিছিল তেওঁ আছিল অবিচাৰৰ চৰম প্ৰতীক বৃটিছ প্ৰাদেশিক গৱৰ্ণৰ। ৰেঙ্গুনৰ পুলিচ কমিছনাৰ মেৰীকীন আছিল তেওঁৰ মুখ্য অভিযোগকাৰী। সেনগুপ্তৰ বিচাৰ হৈছিল মৰিচ্ কলিচ্ নামেৰে এজন আই. চি. এচ বিচাৰকৰ আদালতত। বিচাৰকে লক্ষ্য কৰিছিল যে "সেনগুপ্তই তেওঁৰ ভাষণত চাৰ চাৰ্লচ ইন্‌চৰ বিষয়ে অশালীন শব্দ প্ৰয়োগ কৰিছে। তেওঁ আৰু কৈছিল যে এইটো এটা অস্বাভাৱিক ঘটনা, যিটোৰ অভিযোগ অনা হৈছে এগৰাকী বিশিষ্ট জননেতাৰ ওপৰত, যি জন কলিকতাৰ মেয়ৰ আৰু আন এখন প্ৰাদেশিক চৰকাৰৰ এলেকাভুক্ত নাগৰিক। যিহেতু অভিযোগটো গুৰুতৰ ধৰণৰ, আৰু ৰাজদ্ৰোহৰ অপৰাধত অভিযুক্ত। সেইবাবে ইয়াৰ বিচাৰ কৰিবলৈ এই আদালতে সন্মতি জনাইছে। 16 মাৰ্চত পুলিচ কমিচনাৰ মেৰীকীনে সেনগুপ্তক এৰেষ্ট কৰিবলৈ হুকুম আদায় কৰে। এই পৰোৱানা চহী কৰিছিল কলিচে। প্ৰাদেশিক গৱৰ্ণৰ আৰু তেওঁৰ পৰিষদে ইয়াত সন্মতি জনাইছিল।

সেইকালত এজন সুপৰিচিত স্বাধীনতা সংগ্ৰামী নেতাক আটক কৰা আৰু জেলত ভাৰোৱা একো ডাঙৰ ঘটনা নাছিল। কিন্তু বিবেক-বুদ্ধি সম্পন্ন এজন শ্বেত ইংৰাজ বিচাৰকৰ অদূৰদৰ্শী আচৰণত ইংলণ্ডৰ ৰজাৰ মনত অসন্তোষে দেখা দিছিল। সেনগুপ্ত নহৈ স্বাধীন দেশ এখনৰ নেতা এজনৰ ক্ষেত্ৰত এনে ঘটনা সংঘটিত হোৱাহেঁতেন, পৃথিৱী ব্যাপি উত্তেজনাৰ সৃষ্টি হ'লহেঁতেন। চাৰিওফালে হৈ-চৈ লাগিলহেঁতেন।

বিচাৰক কলিচে সেনগুপ্তৰ বিৰুদ্ধে তৰা গোচৰটোলৈ বিবুদ্ধিত পৰিছিল। তেওঁৰ মনত চিন্তাই খেলি-মেলি লগাইছিল। যেতিয়া তেওঁ গম পালে যে সেনগুপ্তক ৰেঙ্গুনলৈ আনি তেওঁৰ আদালতকে বিচাৰ পাতিব, তেতিয়া তেওঁ বুজিবলৈ বাকী নাথাকিল যে এইটো এটা সহজ কাম নহব। গোটেই বিচাৰ পদ্ধতিটোৱে দেশত চাঞ্চল্যৰ সূচনা কৰিব। উল্লেখ কৰিব পাৰি যে মৰিচ্ কলিচ্ আছিল অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ মেধাৱী ছাত্ৰ। তেওঁ ইণ্ডিয়ান চিভিল চাৰ্ভিচ পৰীক্ষা কৃতকাৰ্যতাৰে উত্তীৰ্ণ হৈছিল (1911) আৰু বাইছ বছৰ বৰ্মাদেশত চাকৰি কৰিছিল। (1912—34) পাছত তেওঁ সাহিত্য চৰ্চা কৰিবলৈ ধৰে আৰু কেইবাখনো সু-প্ৰসিদ্ধ গ্ৰন্থ ৰচনা কৰে। "ট্ৰায়েলচ্ ইন বাৰ্মা" (Trials in Burma, Biography Services Edition, Penguin Books) নামৰ কিতাপখনত কলিচে সেনগুপ্তৰ বিচাৰটোৰ বৰ্ণনা কৰিছে। তাত তেওঁ লিখিছে, "এজন যশস্বী ব্যক্তিৰ বিচাৰ কৰিবলৈ চাৰ চালৰ্চৰ পৰামৰ্শত মোৰ ওপৰত ভাৰ পৰিল। সেনগুপ্তৰ বিৰুদ্ধে অনা এই মোকৰ্দমাটো সাধাৰণ নাছিল। এই মোকৰ্দমাটোৰ ওপৰত চাৰ চালৰ্চৰ মান-সম্ভ্ৰমৰ প্ৰশ্ন জড়িত আছিল। মই গম পাইছিলো যে চাৰ্লচৰ হুকুমতে সেনগুপ্তক বন্দী কৰা হৈছিল। যদি মই বিচাৰত তেওঁক শাস্তি বিহিব নোৱাৰো, তেতিয়া চালৰ্চৰ লগতে চৰকাৰো লঘু হব আৰু সমালোচনাৰ সম্মুখীন হব। সঁচা কথা কবলৈ গলে, কাগজপত্ৰত চকু ফুৰাই মই বুজিলো যে অভিযোগটো সিমান গুৰুতৰ বিধৰ নহয়। মই অলপ দিনৰ আগতে এনেকুৱা ধৰণৰ মোকৰ্দমা এটা হিউজৰ সংক্ৰান্তত বিচাৰ কৰি অত্যন্ত দুৰ্বল হৈ পৰিছিলো। এই মোকৰ্দমাটোত মোৰ স্নায়ু ঠিক থাকিবনে নাই, মই সুনিশ্চিত নাছিলো'। কলিচে লিখিছিল যে তেওঁ 124 (এ) ধাৰাটোৰ (ইণ্ডিয়ান পেনেল ক'ড) মূল কথাখিনি অধ্যয়ন কৰিছিলো। বিখ্যাত আইন সদস্য মেকলেই এই ধাৰাটোৰ খচৰা তৈয়াৰ কৰিছিল বুলি তেওঁৰ ধাৰণা আছিল। এই ধাৰাটো ভয়ানক। কাৰণ, উচ্চাৰন কৰা, লিখা, আনকি সামান্য বিৰুদ্ধাচৰণ কৰা অপৰাধকো দেশদ্ৰোহিতাৰ দোষত সাব্যস্ত কৰিব পাৰি। পণ্ডিত মালব্যৰ দৰে বিচক্ষণ ব্যক্তি এগৰাকীয়ে এটা সৰু মন্তব্য কৰা অভিযোগত এবাৰ অৱৰোধ হোৱা নজীৰ আছে। মালব্যই বিধান সভাৰ আলোচনা এটাৰ কথা প্ৰসংগত কৈছিল, "প্ৰত্যেকজন ভাৰতবাসীয়ে বৰ্তমান চৰকাৰৰ বিৰুদ্ধে বিদ্বেষৰ ভাৱ আনিব লাগিব, বিদ্বেষৰ ভাৱ প্ৰচাৰ কৰিব লাগিব"।

কলিচে কিতাপখনত বৰ্ণনা কৰিছিল, "মোকৰ্দমাটোৰ জটিলতাৰ প্ৰশ্নটোৱে মোৰ মনত ভালকৈয়ে ক্ৰিয়া কৰিছিল। কেতিয়াবা মোৰ মনলৈ আহিছিল যে অভিযোগ প্ৰমাণ কৰা সহজ নহয়। ইয়াৰ বাবে শাস্তি বিহিব নোৱাৰি। কি কৰিম, কি নকৰিম ভাবি চিন্তি মই দোধৰ মোধৰত পৰিছিলো"। কলিচে লিখিছে যে তেওঁ মোকৰ্দমাৰ বিষয়ে পুলিচ ডিপুটি কমিছনাৰ ফ্ৰেংক ফেয়াৰ্নলে হুইটিংষ্টলৰ লগত খোলাখুলি ভাৱে আলোচনা কৰিছিল। "বাৰু কওঁকছোন, কিয় গৱৰ্ণৰ বাহাদুৰ এই মোকৰ্দমাটো চলাবলৈ ইমান জোৰ দিছিল? ইয়াৰ ৰহস্য কি?" ফ্ৰেংকে উত্তৰ দিছিল, "গৱৰ্ণৰে

কোনো ভাৰতীয় আন্দোলনকাৰীয়ে বৰ্মাদেশ হস্তক্ষেপ কৰাটো সহ্য নকৰিছিল। অকল সেয়ে নহয়। তেখেতে বৰ্মাদেশক ভাৰতবৰ্ষৰ লগত সম্পৰ্ক ৰখাটোকে নিবিচাৰিছিল। যেতিয়া চোৰাংচোৱা বিষয়াৰ ৰিপোৰ্ট গৱৰ্ণৰ হাতত পৰিল, তেতিয়া তেখেতে সেনগুপ্তই বাৰ্মাদেশীয় লোকৰ মূৰত ৰাজনীতিৰ বিষাক্ত বিজাণু সুমুৱাইছে বুলি অভিযোগ তুলিবলৈ এটা ডাঙৰ সুযোগ পালে"।

সেনগুপ্তক আটক : কলিকতাত উত্তেজনা

1930 চনৰ মাৰ্চ মাহৰ এঘাৰ তাৰিখে কলিকতা পুলিচ প্ৰধানৰ সহযোগত ৰেঙ্গুন পুলিচে কলিকতাৰ এলগিন ৰোডত অৱস্থিত সেনগুপ্তৰ বাসভৱনত উপস্থিত হৈ যেতিয়া ৰাজদ্ৰোহিতা আৰু ৰেঙ্গুনৰ জনসভাত ফেব্ৰুৱাৰী 20 আৰু 21 তাৰিখে দিয়া বিদ্বেষ-মূলক বক্তৃতাৰ অপৰাধত দোষী সাব্যস্ত কৰি সেনগুপ্তক 'চমন' জাৰি কৰিছিল। তেতিয়া সেনগুপ্তই নিজেই চৰকাৰৰ কাণ্ডকাৰখানা দেখি বিস্ময় মানিছিল। তেওঁক জামিনত দিবলৈ মান্তি হৈছিল যদিও তেওঁ সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল। দুটা অভিযোগৰ বাবে প্ৰত্যেকটোতে 5000 হেজাৰ টকাকৈ জামানত দিয়া অপমান সূচক প্ৰস্তাৱত সেনগুপ্ত মান্তি হবলৈ টান পাইছিল। কলিকতা পুলিচ কমিছনাৰে কাৰ্যটোত অস্বস্তি অনুভৱ কৰিছিল। কাৰণ, সেনগুপ্ত আছিল পৌৰ সভাৰ মেয়ৰ, এজন অতি গণ্য-মান্য ব্যক্তি। তেওঁ উপায়ান্তৰ হৈ সেনগুপ্তক গৃহবন্দী ৰূপে ৰাখিবলৈ ব্যৱস্থা কৰিলে আৰু ঘৰত পহৰা দিবলৈ পুলিচ নিয়োগ কৰিলে।

মেয়ৰ সেনগুপ্তক আটক কৰা বাতৰিয়ে চহৰখনত উত্তেজনাৰ সৃষ্টি কৰিছিল। কলিকতাত প্ৰতিবাদ-হৰতাল ঘোষিত হ'ল। ইফালে উত্তেজনাৰ বৃদ্ধি হোৱাত পুলিচে সেনগুপ্তক ৰেঙ্গুনলৈ স্থানান্তৰ কৰিলে। "সিদ্ধানা" নামে জাহাজেৰে সেনগুপ্তক ৰেঙ্গুনলৈ নিয়া হৈছিল। নিৰৰ দিনা নিচেই পুৱাতে আউটৰাম ঘাটত হেজাৰ-বিজাৰ পুৰুষ-মহিলা জমা হৈছিল। কাউন্সিল সদস্য সুৰেশ চন্দ্ৰ মজুমদাৰ (আনন্দ বাজাৰ পত্ৰিকা) আৰু কলিকতা মিউনিচিপেল গেজেটৰ সম্পাদক অমলহোম প্ৰমুখ্যে বহুতো গণ্যমান্য ব্যক্তি মেয়ৰক জাহাজত তুলি দিছিল। পুলিচে সমাগত জনতাক দমাবলৈ কঠোৰ ব্যৱস্থা লব লগত পৰিছিল। আনকি, শ্ৰীমতী সেনগুপ্তাক স্বামীৰ লগত যাবলৈ বাধা আৰোপ কৰা হৈছিল। সেনগুপ্তৰ আত্মীয়-স্বজন আৰু মহিলা-নেত্ৰী মিচ জ্যোতিৰ্ময়ী গাংগুলীয়ে তেওঁলোকৰ পৰম চেনেহৰ নেতাজনক কপালত সেন্দুৰৰ ফেটি আঁকি, মালাপিন্ধাই বিদায় দি চকুপানী টুকিছিল। সমূহ জনতাৰ কোলাহল আৰু দেশপ্ৰেম মূলক জয়ধ্বনিৰে সেনগুপ্তক কঢ়িয়াই লৈ যোৱা জাহাজখন সাগৰ অভিমুখে সোমাই গৈছিল।

পৌৰ নিগমৰ প্ৰতিবাদ

কলিকতা পৌৰনিগমে মেয়ৰ যতীন্দ্ৰমোহন সেনগুপ্তক 1930 চনৰ 17 মাৰ্চ

সোমবাৰে ৰেঙ্গুন হাকিমৰ আদেশত আটক কৰা কাৰ্যক দুৰ্যোৰ প্ৰতিবাদ কৰিছিল। নিগমে এটা প্ৰস্তাৱযোগে কলিকতাৰ মেয়ৰ আৰু প্ৰথম নাগৰিক জনক আটক কৰা কাৰ্যৰ ক্ষোভ প্ৰকাশ কৰি কৈছিল যে এনে অন্যায় কাৰ্যই বৰ্মা চৰকাৰৰ অবাঞ্চিত আৰু উদ্দেশ্য-প্ৰণোদিত হস্তক্ষেপ প্ৰমাণ কৰিছে। কথা কোৱা ক্ষমতা, জনমত প্ৰকাশ কৰা ন্যায্য অধিকাৰ, আনকি ভাৰতৰ জাতীয় আন্দোলনৰ মূল শিপাত এই বৰ্বৰ কাৰ্যই কুঠাৰাঘাত কৰিছে।

ৰেঙ্গুনত বিচাৰ

17 মাৰ্চৰ ৰাতিপুৱা সময়ত সেনগুপ্ত ৰেঙ্গুনত উপস্থিত হ'ল। ৰেঙ্গুনত থকা ভাৰতীয়সকল, ভাৰত হিতৈষী বাৰ্মিজ নাগৰিক, বৌদ্ধ সন্ন্যাসী প্ৰভৃতিয়ে বন্দৰত উপস্থিত হৈ তেওঁক 'স্বাগতম' জনালে। ৰেঙ্গুনৰ পুলিচ চুপাৰিনটেনদেণ্ট ফিপছ আহি সেনগুপ্তক জিলা দণ্ডাধীশ কলিচৰ বাংলোলৈ গাড়ীত তুলি লৈ গ'ল। তাত ক'লিচ্ আৰু পুলিচ কমিচনাৰ মেৰীকীন অপেক্ষা কৰি আছিল। আনুষ্ঠানিক পৰিচয় হৈ যোৱাৰ পাছত সেনগুপ্তক চাহ-জলপানেৰে আপ্যায়ন আৰু নাম মাত্ৰ টাকাৰ জামিন-মুক্তি আগবঢ়োৱা হ'ল। সত্যাগ্ৰহী সেনগুপ্তই হাঁহিমুখে চাহ আৰু জামিন-মুক্তি দুয়োটা প্ৰত্যাখ্যান কৰিলে। তেওঁ কলে, সত্যাগ্ৰহী হিচাপে মই আনকি আত্মপক্ষকো সমৰ্থন কৰিব নোৱাঁৰো। উপায়ন্তৰ হৈ তেওঁক জেললৈ প্ৰেৰণ কৰা হ'ল আৰু বিচাৰৰ বাবে মাৰ্চৰ ওঠৰ তাৰিখে এঘাৰ বজাত হাজিৰ কৰাবলৈ নিৰ্দেশ দিয়া হ'ল।

বিচাৰৰ দিনা চৰকাৰ পক্ষৰ উকীল এগাৰে মোকৰ্দমাটো মুকলি কৰিলে। পুলিচ কমিছনাৰ মেৰীকীনে চৰকাৰৰ প্ৰথম সাক্ষীহৈ মোকৰ্দমাৰ পক্ষে যুক্তি দৰ্শালে। সেনগুপ্তই সত্যাগ্ৰহী হিচাপে মেৰীকীনৰ আৰু আন আন সাক্ষীৰ সাক্ষীদানত জেৰা নকৰিলে। দণ্ডাধীশ কলিচ্ আছিল বিচক্ষণ বিচাৰক। তেওঁ সেনগুপ্তৰ অসহযোগ মনোভাব বুজিব পাৰি, যি সকল ব্যক্তিয়ে ৰাজহুৱা-সভাপতি সেনগুপ্তক বক্তৃতা দিবলৈ আমন্ত্ৰণ কৰি আনিছিল, সেই সকলৰ পৰা প্ৰতিৰক্ষক বিচাৰিলে। বাহিৰত সমবেত হোৱা লোকসকল অধৈৰ্য হৈ পৰাত মোকৰ্দমা সুকলমে চলোৱাত অসুবিধা হৈছিল। দণ্ডাধীশ কলিচে, সেইবাবে, সেইদিনা বিচাৰ স্থগিত ৰাখি পাছৰ দিনা, অৰ্থাৎ 19 মাৰ্চত অভিযুক্তকাৰীক আদালতত হাজিৰ কৰাবলৈ নিৰ্দেশ দি কক্ষ ত্যাগ কৰিলে। পিছদিনা বিচাৰৰ সময়ত হুলস্থূল বেছিকৈ হৈছিল। আদালতৰ বাহিৰত মানুহে হৈ-হাল্লা লগাইছিল। কলিচে সেইবোৰ গ্ৰাহ্য নকৰি বিচাৰ আৰম্ভ কৰিলে। তেওঁ লক্ষ্য কৰিছিল যে সেনগুপ্তই অমনযোগী হৈ এখন খবৰ কাগজ পৰাৰ ভাওঁ জুৰিছে আৰু মুখখন খবৰ কাগজখনেৰে আগুৰি থৈছে। মাত্ৰ এখন টেলিগ্ৰামৰ উল্লেখ হওতে তেওঁ কিছু অস্বস্তি ভোগ কৰা পৰিলক্ষিত হৈছিল। কলিচে তেওঁৰ কিতাপত কৈছে, "···তেওঁ তেওঁৰ অভিনয় কৰিছিল আৰু মই সেই অভিনয় চাই আমোদ পাইছিলো"। কলিচে লিখিছিল, "মই বঢ়িয়াকৈ বুজিছিলো যে এজন জনাবুজা লোক হিচাপে তেওঁ মোৰ বিচাৰত

সেইদিনা যথেষ্ট গুৰুত্ব দিছিল। তেওঁ বুজিছিল যে সেই বিচাৰ তেওঁক কেন্দ্ৰ কৰিয়েই আৰম্ভ হৈছে। কিন্তু এটা ৰাজনৈতিক দলৰ এজন নেতা হিচাপে তেওঁ মোৰ বিচাৰত সহযোগিতা কৰাৰ পৰা বিৰত থাকিব লগা হৈছিল"।

কলিচে পুনৰ ব্যাখ্যা কৰিছিল : "সেনগুপ্তই জানিছিল যে তেওঁৰ বিৰুদ্ধে টনা এই মোকৰ্দমাটো অত্যন্ত দুৰ্বল। ইয়াৰ দোষত অভিযুক্ত কৰি শাস্তি বিহিলে তেওঁ 'শ্বহীদ' হব। এজন মানুহ হিচাপে তেওঁ এই মোকৰ্দমাটোত পৰাজয় মানি কাটেকলৈ যাব নোখোজে। কিন্তু এজন ৰাজনৈতিক নেতা হিচাপে তেওঁৰ আদৰ্শ বেলেগ। ৰাজহুৱা স্বাৰ্থৰ লগত তেওঁৰ জীৱন উছৰ্গা কৰা হৈছে। তেওঁ সাহস আৰু কৰ্তব্যনিষ্ঠাৰে দলীয় আদৰ্শ ৰক্ষা কৰিব লাগিব। ব্যক্তিগত সুখশান্তিৰ কথা তেওঁ নেভাবে। এবাৰ মাত্ৰ তেওঁক চঞ্চল হোৱা লক্ষ্য কৰিছিলো। কিন্তু অধিক সময় তেওঁ হৈ পৰিছিল বিচাৰ-বিমুখী। সকলোৰে দৃষ্টি পৰিছিলো তেওঁৰ ওপৰত। মহাদেশৰ বিভিন্ন বাতৰি কাকতৰ সংবাদদাতা আহি বিচাৰকক্ষত হেচা-ঠেলা লগাইছিল। তেওঁ বিচাৰ বিমুখী হৈয়ো সেইদিনাৰ উত্তপ্ত পৰিবেশৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিছিল। আলিবাটত হোৱা হুলস্থুলে যাতে শান্তি আৰু আইনৰ সীমা লঙ্ঘন কৰি পৰিস্থিতি বেয়াৰ ফালে নিব নোৱাৰে, সেইফালে সাৱধান হৈছিল। তেওঁক কেন্দ্ৰ কৰি এটা বিক্ষোভ হোৱা তেওঁ কামনা নকৰিছিল। মই তেওঁৰ চকুৰে চকুৰে পৰি এবাৰ এই সত্য উপলব্ধি কৰিছিলো। বুজিছিলো, কিয় তেওঁ খবৰ কাগজখনৰ আঁৰত ইমান মুখ্যহৈ নিজকে লুকাই ৰাখিছে"।

পাছৰ দুদিন প্ৰতিবাদী পক্ষৰ সাক্ষী আৰু চৰকাৰ পক্ষৰ জেৰা শুনানীত অতিবাহিত হ'ল। বাহিৰত গোট লোৱা মানুহৰ মাজত যি উত্তেজনা হৈছিল, সেই উত্তেজনাই যাতে শান্তি-শৃংখলা ভংগ কৰিব নোৱাৰে তাৰ বাবে সৈন্য-বাহিনী সাজু কৰি ৰখা হৈছিল। মিঃ কলিচে তেওঁৰ ৰায়দান স্থগিত ৰাখিলে। তেওঁ লিখিছিল, "সকলোৰে চকু মোৰ ওপৰত। মই কি ৰায় দিম? মই যদি সেনগুপ্তক খালাচ দিওঁ, তেতিয়াহ'লে চৰকাৰে মোক কি কৰিব?"

পাছদিনা কলিচে বিচাৰৰ ৰায় দিওতে আধাঘণ্টা সময় লৈছিল। তেওঁ সেনগুপ্তক দহদিনৰ বাবে সাধাৰণ কাৰাদণ্ড বিহিলে। বিচাৰৰ ৰায় শুনি সেনগুপ্তৰ মুখত হাঁহি বিৰিঙিছিল। সেই হাঁহি আছিল বিদ্ৰুপৰ ইংগিত মাত্ৰ। কলিচেও ৰায় দি আমোদ পাইছিল। "গোটেই জাতীয়তাবাদী খবৰ কাগজবোৰে এই ৰায়দানত হাঁহিৰ খোৰাক পাব। মই জানো, মোকৰ্দমাই এজন ছহি উলিয়াব নোৱাৰিলে, বৰং চৰকাৰক হাঁহিয়াতৰ পাত্ৰ কৰিলে। আদালতৰ ৰায় প্ৰদানত এই কথা ওলাই পৰিল। কিন্তু ভাৰতীয় প্ৰেছ সমূহে ইয়াৰ বাবে বৃটিছ জাতিক হাঁহিব নোৱাৰে। কাৰণ, এই বিচাৰ হৈছে বৃটিছ কৰ্তত এজন বৃটিছ বিচাৰকেৰ অধীনত। তেওঁ কাৰ্যনিৰ্বাহ কৰিছে সম্পূৰ্ণ আইনৰ বিধি অনুসৰি। কাৰো প্ৰভাৱে তেওঁক লক্ষ্যভ্ৰষ্ট কৰিব পৰা নাই"।

সৰ্বভাৰতত হুলস্থুল

মাৰ্চৰ 31 তাৰিখে নতুন দিল্লীত এক বু-বু-বা-বা চলিল। বিধান সভাৰ প্ৰশ্নোত্তৰ কালত কে, এম, মুন্সী, পণ্ডিত মালব্য আদি সদস্যসকলে গৃহ বিভাগৰ দায়িত্বত থকা অস্থায়ী গৃহমন্ত্ৰী হেইগক প্ৰশ্ন কৰি থকা-সৰকা কৰিলে। তেওঁলোকে সেনগুপ্তক এনেদৰে আটক কৰাৰ কাৰণ বিচাৰিলে। হেইগে যিবোৰ কাৰণ দৰ্শালে, সেইবোৰ আছিল অস্পষ্ট আৰু যুক্তিহীন। এটা এনে ধৰণৰ :

প্ৰশ্ন : মাননীয় বৰলাট মহোদয়ে 25 জানুৱাৰীত কৈছিল যে দেশদ্ৰোহিতাৰ অপৰাধত আটক কৰিবলৈ হ'লে দেশদ্ৰোহৰ লগত হিংসাত্মক কাৰ্যকলাপ জড়িত থাকিব লাগিব। বক্তৃতাৰ ক্ষেত্ৰত কব পাৰি যে যি বক্তৃতাই বিধি সংগত আইনশৃংখলা আৰু চৰকাৰৰ কৰ্তৃত্ব ধ্বংস কৰাৰ বাবে প্ৰত্যক্ষ প্ৰৰোচনা জগাই জনসাধাৰণক উত্তেজিত কৰে, তেনে বক্তৃতা-দান কৰোতাজনক দেশদ্ৰোহিতাৰ অপৰাধত জগৰীয়া কৰিব পাৰি। এতিয়া প্ৰশ্ন হ'ল, ভাৰত চৰকাৰে বৰলাট বাহাদুৰৰ অভিমত মানি লয় নে ?

উত্তৰ : হয়।

প্ৰশ্ন : মিঃ সেনগুপ্তৰ বক্তৃতা তেনেধৰণৰ আছিল নে ?

উত্তৰ : হয়।

গয়াপ্ৰসাদ সিংহই প্ৰশ্ন কৰিছিল : "মাননীয় চৰকাৰৰ সদস্য গৰাকীয় উপলব্ধি কৰিছিনে যে যি অপৰাধৰ বাবে সেনগুপ্তক আটক কৰা হৈছিল, সেই অপৰাধটো মাননীয় বৰলাট বাহাদুৰৰ ব্যাখ্যাৰ সম্পূৰ্ণ পৰিপন্থী, কিহৰ বাবে আজি বৰ্মা চৰকাৰ আৰু ভাৰতচৰকাৰ উভয়ে হাঁহিয়াতৰ পাত্ৰ হৈ পৰিছে" ? এই প্ৰশ্নৰ লগে লগে বিধান সভাৰ সভাপতিয়ে ৰুলিং দিয়ে, 'অৰ্দাৰ', 'অৰ্দাৰ'।'

নৰমপন্থী নেতা পণ্ডিত এইচ, এন, কুনজুন্নৰ (মৃত্যু 1978 চন, এপ্ৰিল মাহ) মতে এই কাৰ্যৰ দ্বাৰা চৰকাৰ আইনৰ পবিত্ৰতা নষ্ট কৰিছে। ৰাজা ঘজনাফৰ আলিয়ে কৈছিল, "ক'ৰ্টৰ আগত দাখিল কৰা প্ৰমাণ আৰু সেনগুপ্তক এৰেষ্ট কৰি বৰ্মাদেশলৈ নিয়া প্ৰক্ৰিয়াটো এটা ডাঙৰ প্ৰহসন"। মহাত্মা গান্ধী নিমখ-আইন ভংগ কৰা আভিযানত ব্যস্ত থকাৰ সময়তো সেনগুপ্তক আটক কৰা বিষয়টোৱে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিল। মহাত্মা গান্ধীয়ে তেওঁৰ ইয়ং ইণ্ডিয়া কাকতত এই বিষয়ে এটা প্ৰবন্ধত লিখিছিল। তেওঁ সেনগুপ্তৰ তৎকালীন মুকলিৰ হকে আৰু চৰকাৰৰ অবিবেচক কাৰ্যৰ বাবে সজোৰ প্ৰতিবাদ জনালে। মহাত্মা গান্ধীয়ে প্ৰবন্ধটোত কৈছিল, "যদি অসন্তোষ মনোভাৱ প্ৰকাশ কৰাটো অপৰাধ আৰু যদি 124এ ধাৰাটোৰ কিবা বাস্তৱ মূল্য আছে, তেতিয়া-হ'ল দেখোন মোৰে কেতিয়াবাই বিচাৰ হ'লহেঁতেন আৰু গুৰুতৰ শাস্তি মই ভোগ কৰিলোহেঁতেন। কাৰণ, ৰাজদ্ৰোহিতাই মোৰ ধৰ্মত পৰিণত হৈছে। কিন্তু চৰকাৰে বিশ্বৰ জনমতক ভয় কৰে বাবেই মোৰ ওপৰত তেনেধৰণৰ ব্যৱস্থা লবলৈ সাহস গোটাব পৰা নাই। মই জানো যে অহিংস আন্দোলন কৰিবলৈ আমাৰ পূৰা অধিকাৰ আছে ; অদূৰ ভৱিষ্যতত আমাৰ জয় সুনিশ্চিত"।

ৰেঙ্গুন সংকট সমাপ্তি

সেনগুপ্তই জেলত চাৰিদিন অতিবাহিত কৰোতে কলিচে তেওঁক গৈ দেখা কৰিছিল আৰু সুখ-স্বাচ্ছন্দ্যৰ ফালে চকু দিছিল। সেনগুপ্তই কলিচৰ সৌজন্যতাত আনন্দ প্ৰকাশ কৰিছিল। তেওঁক অষ্টম দিনৰ দিনা খালাচ দিয়া হ'ল। ইয়াৰ পাছৰ দিনাই তেওঁক এখন ৰাজহুৱা সভাত ভাষণ দিবলৈ আমন্ত্ৰণ জনালে। সেনগুপ্তই পূৰ্বৰ সুৰতে ভাষণ দিছিল যদিও কিছু সাৱধানতা অৱলম্বন কৰিছিল।

সেনগুপ্তই ইয়াৰ পাছতে ভাৰতলৈ প্ৰত্যাৱৰ্তনৰ আয়োজন কৰিলে আৰু বিদায় বেলাৰ মাত লগাবলৈ বিচাৰপতি কলিচৰ বাংলোলৈ গ'ল। দুয়ো সৌহাৰ্দ্যপূৰ্ণ আলাপ-আলোচনা কৰি কৰমৰ্দন কৰিলে। সেনগুপ্তই ৰগৰ কৰি কলিচক কলে, "আপুনি যেতিয়া প্ৰথমবাৰৰ বাবে মোক ল'গ পাইছিল, তেতিয়া মোক চাহ খাবলৈ দিছিল। মই কিন্তু নাখালো। আপুনি এতিয়া বালি পানী দিব পাৰে। মই খাম"। সেনগুপ্ত আৰু কলিচৰ এই মিলন আছিল অন্তৰংগ আৰু স্মৰণীয়। সেনগুপ্তই কলিচক কৈছিল, "কাইলৈ নিচেই পুৱাতে মই বংগদেশলৈ উভতিম। তাত আকৌ সংগ্ৰামত ব্যস্ত হৈ পৰিম, আপোনাক আকৌ ল'গ নাপাব পাৰো।" উল্লেখ কৰিব পাৰি যে, উনৈছ মাহৰ পাছত 1931 চনৰ দুই নৱেম্বৰত সেনগুপ্তই লণ্ডনৰ ভিক্টোৰিয়া ষ্টেচনত কলিচক ল'গ পাইছিল। কলিচে কৈছিল, "আপুনি এজন বৰ উদাৰ ব্যক্তি, আমাৰ এই মিলন বাস্তৱিকতে এটা স্মৰণীয় মুহূৰ্ত। এই মুহূৰ্তৰ শুভক্ষণত, এটা ক্ষুদ্ৰ উপহাৰ আপোনাক দিব খুজিছো। আশা কৰো, গ্ৰহণ কৰিব।" কলিচে জেপৰ পৰা বগা খাঁজকটা, পদুমৰ ফুল অংকিত নেজ থকা এটা প্ৰতীকধৰ্মী সৰু সিংহৰ পুতলা সেনগুপ্তৰ হাতত গুজি দিলে। সেনগুপ্তই পুতলাটো আথে-বেথে জেপত ভৰাই অন্তৰ ভৰা ধন্যবাদ জনাই বিদায় ললে।

শ'লঠেকত বংগীয় ৰাজনীতি

1925 চনত যতীন্দ্ৰমোহন কলিকতাৰ পৌৰ নিগমৰ মেয়ৰ হোৱাৰ সময়তে বংগদেশৰ ৰাজনীতিৰ যি বিভেদৰ সৃষ্টি হৈছিল, সেই বিবাদ কিছুদিনৰ বাবে তল পৰি থাকিলেও, উমি-উমি ইয়াৰ বিদ্ৰোহৰ শিখা অ'ত-ত'ত জ্বলি আছিল। বিশেষকৈ 1926 চনত কৃষ্ণনগৰত বহা প্ৰাদেশিক সন্মিলনত এই তুই-জুইকুৰাই সকলোৰে চকুত পৰাকৈ দপদপাই জ্বলি উঠিছিল। ইয়াৰ ফল স্বৰূপে বংগীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ জৰুৰী বৈঠক বহিছিল। এই বৈঠক হৈ পৰিছিল মহাযুদ্ধৰ স্থান। সভাপতি, প্ৰতিনিধি, প্ৰাদেশিক কমিটিৰ কাৰ্যনিৰ্বাহক সদস্য আৰু আন আন সভাৰ দুৰ্ঘোৰ বাকবিতণ্ডা চলিছিল। এই বৈঠকত কংগ্ৰেছৰ মাজত তিনিটা উপদলৰ সৃষ্টি হৈছিল। এটা দলে চলিত বছৰৰ সভাপতি সেনগুপ্তক সমৰ্থন কৰিছিল। দ্বিতীয়টোৱে সেনগুপ্ত বিৰোধী উপদল হিচাপে থিয় দিছিল আৰু তৃতীয়টো আছিল নিৰপেক্ষ উপদল। ইয়াৰ সংখ্যা আছিল তাকৰ। নেতা আছিল ললিত মোহন দাস। প্ৰাদেশিক কমিটিৰ যিবোৰ

উপ-সমিতি গঠন হৈছিল, সেইবোৰৰ বেছিভাগ সদস্যপদ সেনগুপ্ত বিৰোধী উপদলে অধিকাৰ কৰিছিল। বি. চি. ৰয়, টি. চি. গোস্বামী, নিৰ্মল চন্দ্ৰ চন্দ্ৰ, নলিনীৰঞ্জন চৰকাৰ আৰু শৰৎচন্দ্ৰ বসু, এই পাঁচগৰাকী কংগ্ৰেছ নেতাই সেনগুপ্তৰ বিপক্ষে এখন বিজ্ঞপ্তি উলিয়াই তাত সেনগুপ্তই বংগীয় কংগ্ৰেছৰ প্ৰতি দেখুৱা অৱহেলা, দোষ-অপকাৰ আদি বৰ্ণনা কৰিছিল। সেনগুপ্তই এই দোষাৰোপ শান্ত আৰু সুস্থমনেৰে শুনি তেওঁৰ প্ৰতিবাদ এখন বিবৃতি পত্ৰেৰে প্ৰচাৰ কৰিছিল। অলপ সময়ৰ ভিতৰত দুয়োপক্ষৰ মাজত কথাৰ কটাকটি ক্ৰমাৎ বৃদ্ধি পাইছিল আৰু বিৰোধ সংকটজনক হৈ পৰিছিল।

এই বিৰোধ চলি থকা অৱস্থাতে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বৈঠক বহিছিল কলিকতাত। কমিটিৰ অন্যতম নেত্ৰী সৰোজিনী নাইডুৱে এই বিৰোধৰ ওৰ পেলাবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। তেওঁৰ পৰামৰ্শত সেনগুপ্ত আৰু গোস্বামীয়ে যুটীয়া বিবৃতিৰে সকলো কংগ্ৰেছ কৰ্মীৰ মাজত ঐক্য স্থাপনৰ বাবে আহ্বান জনায়। এখন নতুন প্ৰাদেশিক সমিতি গঠিত হ'ল। কিন্তু ইয়াত ওপৰত উল্লেখ কৰা পাঁচ গৰাকী বিশিষ্ট কংগ্ৰেছ নেতাই এই নতুন সমিতিত যোগদান নকৰিলে। দেখা গ'ল, অসন্তোষৰ বীজ নিৰ্মূল নহ'ল। বংগদেশৰ ৰাজনৈতিক আকাশৰ পৰা ডাৱৰ আঁতৰি নগ'ল। 'দ্য ফৰৱাৰ্ড' কাকতৰ সম্পাদক পি. কে. চক্ৰৱৰ্তীয়ে বংগীয় কংগ্ৰেছৰ ৰাজনীতিৰ ওপৰত কটু সমালোচনা কৰি এটা সম্পাদকীয় লিখিব খুজিছিল। কিন্তু এজন নেতাৰ হস্তক্ষেপত এইটো যেনিবা প্ৰকাশ নহ'ল। এই নেতাজন আছিল কাগজখনৰ অন্যতম মালিক। পি. কে. চক্ৰৱৰ্তী আছিল প্ৰবীণ সাংবাদিক। এনে হস্তক্ষেপত বিৰক্ত হৈ তেওঁ কাগজ-খনৰ লগত থকা সম্পৰ্ক ত্যাগ কৰিলে। তেওঁ পাছত জে. এম. সেনগুপ্তৰ কাৰ্যাৱলী সমৰ্থন কৰি অন্য কাকতত এলানি প্ৰবন্ধ লিখিছিল। কোৱা বাহুল্য যে দেশবন্ধুৱে প্ৰতিষ্ঠা কৰা 'দ্য ফৰৱাৰ্ড' পত্ৰৰ কাগজখনে এই ঘটনাৰ আগলৈকে দেশপ্ৰিয়ক পূৰ্ণ সমৰ্থন দি আহিছিল। কিন্তু এতিয়া এই কাগজখনে তেওঁৰ বিৰুদ্ধে লিখিবলৈ ধৰিলে।

বংগীয় প্ৰাদেশিক কংগেছ কমিটিৰ মাজত দেখা দিয়া দলীয় মতানৈক্যই চট্টগ্ৰাম জিলা কংগ্ৰেছতো প্ৰতিক্ৰিয়াৰ সূচনা কৰিলে। কবলৈ গ'লে, সেনগুপ্ত আছিল চট্টগ্ৰাম কংগ্ৰেছৰ একচত্ৰী নেতা। তাৰ সকলোৱে সেনগুপ্তৰ হ'কে কাম কৰে। তেওঁৰ নেতৃত্বতে চট্টগ্ৰামত আইন অমান্য আন্দোলন গঢ়ি উঠিছিল। কিন্তু ৰাজনীতি এনেকুৱা এটা বস্তু যাৰ স্থিৰতা সদায় একে নাথাকে। সেনগুপ্তৰ ক্ষেত্ৰটো এনে এটা দশা আহি উপস্থিত হ'ল। বংগীয় ৰাজনীতিৰ দলীয় প্ৰভাৱত তেওঁ প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি পদৰ বাবে নিৰ্বাচনত নামি পৰাজিত হ'ল। চট্টগ্ৰাম জিলা কংগ্ৰেছৰ সভাপতি নিৰ্বাচনতো তেওঁ হাৰিল। কলিকতা আৰু চট্টগ্ৰামত সেনগুপ্তৰ পৰাজয়ে উত্তেজনা বৃদ্ধি কৰিলে। সেনগুপ্তই কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সদস্যপদত ইস্তফা দিছিল। কিন্তু অনেক নেতাৰ প্ৰবল হেঁচাত তেওঁ এই পদত্যাগ উঠাই লব লগা হ'ল।

1928 চনত বহা কলিকতা কংগ্ৰেছৰ পাছতো বংগীয় কংগ্ৰেছৰ দলীয় মতানৈক্য নকমিল। বৰং বাঢ়িলহে। সুভাষ বসু আৰু মতিলাল নেহৰুৰ মাজত হোৱা

বাকবিতণ্ডা এটাই এই মতানৈক্য বেছি কৰিলে। লাহোৰত অনুষ্ঠিত 'কংগ্ৰেছ সপ্তাহত' এই বাকবিতণ্ডাই প্ৰত্যক্ষভাৱে বীজ বিয়পাই পেলাইছিল। সেনগুপ্ত আৰু বসুৰ মাজত এয়ে লৈ মত বিবাদ ঘনীভূত হ'ল। কাউন্সিল যোগদান প্ৰশ্নত দুয়ো নেতাই বেলেগ বেলেগ স্থিতি গ্ৰহণ কৰিলে। (ডঃ পি. সীতাৰামিয়া প্ৰণীত হিষ্ট্ৰি অৱ দ্য ইণ্ডিয়ান কংগ্ৰেছ, 360 পৃষ্ঠা দ্ৰষ্টব্য)।

"এডভান্স" কাকতৰ জন্ম

কলিকতাৰ দৈনিক বাতৰি কাকত 'লিবাৰ্টি' (পুৰণি ফৰৱাৰ্ডৰ নতুন সংস্কৰণ) সেনগুপ্তৰ প্ৰত্যেকটো কামতে কটু সমালোচনা ওলাইছিল। যতীন্দ্ৰমোহনে এই প্ৰত্যাহবানৰ সম্মুখীন হবলৈ 1929 চনৰ ডিচেম্বৰ মাহত নিজে এখন 'এড্ভান্স' নাম দি বাতৰি কাকত উলিয়াই পি, কে, চক্ৰৱৰ্তীক সম্পাদক পাতিলে আৰু তেওঁ নিজে মুখ্য সম্পাদক হ'ল। দৈনিক খনৰ পৰিচালনাৰ ভাৰ বিলাতৰ পৰা সদ্যহত উভতি অহা তেওঁৰ ভ্ৰাতৃ আৰ, এম, সেনগুপ্তক দিয়া হ'ল। কাগজখনৰ প্ৰথম সংখ্যাটো লাহোৰত বহা কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশনত বিতৰণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰা হ'ল। সকলোৱে ইয়াক পঢ়ি আদৰ জনালে।

কংগ্ৰেছৰ উৰ্ধতম মহলে বংগীয় ৰাজনীতিত দেখা দিয়া বিবাদ দূৰ কৰিবলৈ যে যত্ন কৰা নাছিল, এনে নহয়। 1929 চনত পণ্ডিত মতিলালে ৱৰ্কিং কমিটিৰ বৈঠকত এই বিষয়ে নিজৰ অভিমত দাঙি ধৰিছিল। কোনো কোনো সদস্যই আপত্তি দৰ্শাই বিষয়টো আগবাঢ়িবলৈ নিদিলে। আকৌ আলোচনা হলত, ড. এম. এচ. আনে'ক এটা প্ৰতিৱেদন দিবলৈ কোৱা হ'ল। কিন্তু, দেশত সত্যাগ্ৰহ আন্দোলন আৰম্ভ হোৱাত এই আভ্যন্তৰিণ বিষয়টো তল পৰিল। সকলোৱে জাতীয় সংকটৰ কথা ভাবি ভেদাভেদ সাময়িকভাৱে স্থগিত ৰাখিলে।

বংগদেশত দুটা বিপ্লৱীদলে সমান্তৰালভাৱে কাম কৰিছিল। অনুশীলন মানি চলা উপদল এটাই মাত্ৰ সেনগুপ্তৰ শক্তিশালী সমৰ্থকৰূপে বৈশিষ্ট্য ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল। 'যুগান্তৰ দল' বুলি পৰিচিত উপদলটোৱে সুভাষ বসুৰ হৈ সক্ৰিয়ভাৱে কাম কৰিছিল। বংগীয় কংগ্ৰেছৰ মাজত দেখা দিয়া এই দলীয় বিভাজন সেই সময়ৰ এটা উল্লেখনীয় ঘটনা। লাহোৰ কংগ্ৰেছৰ বাবে সভাপতিৰ নাম প্ৰস্তাৱ কৰিবলৈ কংগ্ৰেছ কমাণ্ডৰ পৰা নিৰ্দেশ অহাত বংগীয় প্ৰাদেশিক কংগ্ৰেছে যুগান্তৰ উপদলৰ সংখ্যা গৰিষ্ঠতাৰ সুবিধাত প্ৰাদেশিক শাখাৰ সভাপতি সুভাষচন্দ্ৰ বসুৰ নাম প্ৰস্তাৱ কৰে আৰু ভোটত জয়লাভ কৰে। যুগান্তৰ দলে আমেৰিকাৰ নাগৰিক ড. তাৰকনাথ দাসৰ নামটো দ্বিতীয় স্থানত অনুমোদন জনাইছিল। অনুশীলন মানি চলা উপদলটোৱে সন্মানৰ প্ৰশ্নত যদিও জে, এম, সেনগুপ্তৰ নামটো প্ৰস্তাৱ কৰিছিল, শেষত নিৰ্বাচনৰ শেষ পৰ্যায়ত ভোটত নিটিকিল। জে, এম, সেনগুপ্ত এজন জনপ্ৰিয় নেতা আছিল। তেওঁ বংগীয় কংগ্ৰেছৰ সভাপতি আৰু কলিকতাত বহা জাতীয় কংগ্ৰেছ (1928)

অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হৈছিল। কিন্তু জনপ্ৰিয়তাই সদায় বিজয়ৰ মালা কঢ়িয়াই নানে। নিৰ্বাচনত নামিলে ভোট-সংগ্ৰহৰ বাবে অভিযানো চলাব লগাত পৰে। বিপক্ষদলৰ এই অভিযান আছিল প্ৰবল আৰু কাৰ্যক্ষম। তেওঁলোকে সেনগুপ্তক হৰুৱাবলৈ সক্ষম হ'ল।

ঢাকা জিলাত (1929) অৱস্থিত মুঙ্গীগঞ্জৰ হৰিজন সকলে মন্দিৰ প্ৰৱেশৰ বাবে এটা আন্দোলন চলাইছিল। এজন জনপ্ৰিয় কংগ্ৰেছ নেতা হিচাপে দেশপ্ৰিয় সেনগুপ্তই হৰিজন সকলক সমৰ্থন জনাইছিল। কিন্তু স্থানীয় উচ্চকৰি উকীলসকলে এই আন্দোলনৰ বিৰুদ্ধাচৰণ কৰিলে। এই উকীলসকলক গোপনে কিছুমান কংগ্ৰেছৰ লোকে উচটনি দিছিল। আচলতে এওঁলোকে সেনগুপ্তই হৰিজনসকলক সমৰ্থন জনোৱাটো সহ্য কৰিব পৰা নাছিল আৰু সেইবাবে পক্ষান্তৰে উকীলসকলক উৎসাহ যোগাইছিল। সেনগুপ্তৰ দৃষ্টিভংগী আছিল কংগ্ৰেছৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। সেয়েহে তেওঁ হৰিজনসকলক ন্যায্য দাবীত সমৰ্থন জনাইছিল আৰু বিষয়টোৰ এটা সন্মানজনক আপোচ বিচাৰি উলিয়াবলৈ প্ৰাদেশিক কংগ্ৰেছক পৰামৰ্শ দিছিল। দলীয় স্বাৰ্থৰ প্ৰতিবন্ধকত এনে মীমাংসা সম্ভৱপৰ হৈ নুঠিল বাবে মুঙ্গীগঞ্জৰ স্থানীয় লোকৰ তৎপৰতাত আৰু দেশপ্ৰিয়ৰ মহৎ উদ্দেশ্য সিদ্ধিৰ ফলপ্ৰসূ প্ৰচেষ্টাত হৰিজন সকলৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি হ'ল। এই সংবাদ সংগ্ৰহ কৰা হৈছে, অধ্যাপক এ. চি. ভট্টাচাৰ্যৰ লগত দেখা সাক্ষাৎ কৰি। অধ্যাপক ভট্টাচাৰ্য এসময়ত বংগীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ কাৰ্যবাহী সদস্য আছিল। বুদ্ধদেব ভট্টাচাৰ্যৰ Satyagraha in Bengal (1921-1933, Minarva Publication 1977) নামৰ গ্ৰন্থটো উল্লেখ আছে। বংগীয় কংগ্ৰেছৰ পুৰণি ঘা নিৰীক্ষণ নকৰাকৈয়ো কব পাৰি যে দলীয় বিৰোধৰ সংকীৰ্ণ ফাটটো পৰৱৰ্তী কালৰ বহুদিনলৈকে মেলখোৱা অৱস্থাত বৈ গৈছিল।

সময় অতিবাহিত হোৱাৰ লগে লগে দলীয় বিবাদে অনুৰূপ ধাৰণ কৰিলে আৰু যি সকলে এই পৰিৱৰ্তন লক্ষ্য কৰিছিল, তেওঁলোকে বুজিবলৈ বাকী নাথাকিল। এই বিবাদৰ বাবে জগৰীয়া কোন ? আৰু শুদ্ধ পথত চলিছে কোনে ? এসময়ৰ সুপৰিচিত কংগ্ৰেছ নেতা অতুল্য ঘোষ দেশ পত্ৰিকাত লিখা ধাৰাবাহিক প্ৰবন্ধ এটাত (কষ্ট কল্পিত) উল্লেখ কৰিছিল, "····· প্ৰতিকূল পৰিবেশত দলীয় ৰাজনীতিয়ে প্ৰাধান্য লাভ কৰিছিল। জে. এম. সেনগুপ্তই এনে এটা পৰিবেশটো অসাধাৰণ বৈশিষ্ট্য ৰক্ষা কৰি নিজৰ স্বভাৱ আৰু ব্যক্তিত্বৰ উজ্জ্বল দিক অক্ষুণ্ণ ৰাখিছিল"। ঘোষ মহাশয় সম্ভৱ "পাঁচজনীয়া বৰ নেতা বনাম জে. এম. সেনগুপ্ত আৰু তেওঁৰ সহযোগী সকলৰ দিনবোৰলৈ আঙুলিয়াই এই কথা লিখিছিল।

চট্টগ্ৰামৰ ওপৰত উৎপীড়ন

অবিভক্ত ভাৰতবৰ্ষৰ চট্টগ্ৰাম আছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগত জড়িত

ৰহুতো ভয়াবহ কিন্তু গৌৰৱময় ঘটনাৰ ৰণক্ষেত্ৰ। চট্টগ্ৰাম সম্পৰ্কে অনেক ঘটনা এতিয়াও অবিদিত। প্ৰকৃত তথ্যৰে এইবোৰ প্ৰকাশ পালে বিস্ময় মানিব লাগিব। ইন্‌স্পেক্টৰ আছানুল্লাক (আগষ্ট-চেপ্তেম্বৰ 1931) হত্যা কৰা ঘটনাটোক চেলু লৈ ইংৰাজ শাসকে চট্টগ্ৰামৰ ওপৰত যি অমানুষিক উৎপীড়ন চলাইছিল, সেইয়া এক শোকাবহ অধ্যায়। চট্টগ্ৰামৰ যুব শক্তিয়ে চলোৱা 1930-1935 চনৰ চট্টগ্ৰাম বিপ্লৱ ভাৰত বুৰঞ্জীৰ এক অভূত আৰু স্মৰণীয় ঘটনা। চট্টগ্ৰামত নিৰীহ মানুহৰ ওপৰত যি নিদাৰুণ অত্যাচাৰ চলোৱা হৈছিল, তেনে উদাহৰণ সভ্য সমাজত বিৰল। সেইয়া আছিল বৃটিছ ৰাজত্বৰ নিৰ্মম আৰু জঘন্য কাহিনী।

কাহিনীৰ সূত্ৰপাত হৈছিল 1931 চনৰ 30 আগষ্টত। "নিজাম পল্টন" নামে জনাজাত এখন খেল পথাৰত ফুটবল খেলাৰ চূড়ান্ত খেলখন শেষ হৈছিল মাত্ৰ। বিজয়ী দলটো আছিল টাউন ক্লাব। ইয়াৰ অধিকাংশ খেলুৱৈ আছিল পুলিচ আৰু সভাপতি আছিল দুঃসাহসী পুলিচ ইন্‌স্পেক্টৰ খানবাহাদুৰ আছানুল্লা। দলটো বিজয়ী হোৱাত আছানুল্লাৰ আনন্দৰ সীমা নোহোৱা হৈছিল। জিলাখনৰ গণ্যমান্য চৰকাৰী, বেচৰকাৰী লোক, উচ্চ পদস্থ ইংৰাজ বিষয়াৰে খেল পথাৰ ভৰি পৰিছিল। জিলাখনত সঘনাই ঘটি থকা ৰাজনৈতিক ঘটনা আৰু বিশেষকৈ চট্টগ্ৰাম অস্ত্ৰাগাৰ লুণ্ঠন কাৰ্যৰ লগত সংযোগ থকা আনুষংগিক অশান্তিকৰ অৱস্থাৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰিবলৈ সেইদিনা খেল পথাৰত সামৰিক আৰু বে-সামৰিক পুলিচ বাহিনীক সষ্টম কৰি ৰখা হৈছিল। সকলো উপস্থিত গণ্যমান্য লোকে বিজয়ীদলৰ সভাপতি খান বাহাদুৰক অভিনন্দন জনাইছিল। এনে এটা আনন্দমুখৰ উৎসৱৰ সময়তে হঠাৎ পিস্তলৰ শব্দ কাণত পৰিল। 'গুৰুম্', 'গুৰুম্' শব্দ! খান বাহাদুৰ আছানুল্লা মাটিত বাগৰি পৰিল। চাৰিওফালে হুৰা-দুৰা, ভয়, আতংক, আৰ্তনাদ! পুলিচে আততায়ীক বিচাৰি উলিয়ালে সচেষ্ট তৎপৰতাৰে।

আততায়ী আছিল এটা চেমনীয়া ল'ৰা চৌদ্ধ বছৰৰ হৰিপদ ভট্টাচাৰ্য। দুটা ৰিভলভাৰেৰে তাক হাতে-লোটে ধৰি হাত কেৰেয়া লগোৱা হ'ল। তাৰ ওপৰত চৰ, গোৰ, কিল্, ভুকু চলিল নিৰ্মমভাৱে। তাক সদৰ থানালৈ নি আৰু জঘন্য অত্যাচাৰ আৰম্ভ হ'ল। পুলিচে ষড়যন্ত্ৰৰ উৰাদিহ বাহিৰ কৰিবলৈ তাৰ ওপৰত পাশৱিক উৎপীড়ন চলালে। কিন্তু আধামৰা ল'ৰাটোৰ মুখৰ পৰা একো কথাকে বাহিৰ কৰিব নোৱাৰিলে। সি সৰু ল'ৰা হ'লেও মৃত্যুক ভয় নকৰা সাহসী ল'ৰা আছিল। তাৰ অদমনীয় জাতীয়তাবোধ আছিল একমাত্ৰ শক্তি। সেই শক্তিৰে সি সকলো পীড়ন সহ্য কৰিছিল। পুলিচে হৰিপদৰ দুৰ্জয় সাহস দেখি তবধ মানিছিল আৰু বুজিছিল যে সি এনে কামত হাত দিছে। চট্টগ্ৰাম অস্ত্ৰাগাৰ লুণ্ঠনৰ পলাতক বিপ্লৱী সূৰ্যসেন আৰু নিৰ্মল সেনৰ অধীনত সশস্ত্ৰ বিপ্লৱৰ প্ৰশিক্ষণ লাভ কৰি। হৰিপদৰ দৰে হয়তো অনেক ল'ৰাই এনে প্ৰশিক্ষণ পাই ধ্বংসাত্মক কাৰ্যত লিপ্ত হৈছে। সেই সময়ত অস্ত্ৰাগাৰ লুণ্ঠনত অভিযুক্তকাৰী সকলৰ বিচাৰ বিশেষ আদালতত চলি আছিল। খেল পথাৰত

সংঘটিত হোৱা হত্যাকাণ্ডটোৰ কথা চট্টগ্ৰাম জেলত সোমাই থকা বিচাৰাধীন কয়েদী-সকলে গম পাই প্ৰফুল্লিত হৈছিল আৰু শ্লʼগান দিছিল। নিহত পুলিচ ইনস্পেক্টৰ আছানুল্লাই বিপ্লৱত যোগদান দিয়া ডেকা লʼৰাবোৰৰ ওপৰত কঠোৰ অত্যাচাৰ চলাইছিল। তেওঁলোকৰ মানত আছানুল্লা আছিল নিষ্ঠুৰতাৰ প্ৰতিমূৰ্তি। অস্ত্ৰাগাৰ লুণ্ঠন ঘটনাটো তেওঁ জিলা চোৰাংচোৱা বিভাগৰ বিশেষ বিষয়া হিচাপে অনুসন্ধান কৰিছিল আৰু বেপৰোৱা ভাৱে যাকে তাকে উৎপীড়ন কৰি জেলত ভৰাইছিল।

প্ৰতিশোধ মূলক ব্যৱস্থা

খেল পথাৰৰ হত্যাকাণ্ডৰ পাছতে জিলা প্ৰসাশন আৰু পুলিচে বেচৰকাৰী ইউৰোপিয়ান বাসিন্দা সকলৰ সহযোগত চট্টগ্ৰামৰ হিন্দু সম্প্ৰদায়ৰ ওপৰত প্ৰতিশোধ লোৱাৰ ব্যৱস্থা ললে। এই অনাবৃত প্ৰতিশোধ ব্যৱস্থাৰ প্ৰথম পৰ্যায়তে ৰাজনৈতিক অপৰাধত সন্দেহযুক্ত এশৰো অধিক ডেকা লʼৰাক, কোনো কোনো ক্ষেত্ৰত লʼৰাৰ অভি-ভাৱককো চহৰখনত আগুৰি আটক কৰা হʼল। এই আটক কৰা লোকসকলক চহৰৰ পুলিচ থানাত (কটুৱালি) ৰাখি কঠোৰ শাস্তিৰে উপদ্ৰৱ চলোৱা হʼল। বন্দীসকলৰ পৰা অস্ত্ৰাগাৰ লুণ্ঠনৰ লগত জড়িত ব্যক্তিসকলৰ নাম ধাম বিচাৰিলে। পলাতক সকলৰ গোপন থকা ঠাইৰ বিৱৰণ দিবলৈ কলে। অশুভ শক্তিৰ সহায়ত পুলিচে নিৰপৰাধী লোককো ধৰি মেলি. টানি আজুৰি আনি থানাত হাজিৰ কৰিলে।

খবৰ কাগজো আক্ৰান্ত হʼল। খবৰ কাগজৰ মুখ বন্ধ কৰিবলৈ কু-অভিসন্ধিমূলক ব্যৱস্থা হাতত লোৱা হʼল। আগদিনা ৰাতি বেচৰকাৰী ইউৰোপীয় লোকৰ দল এটাই 'পাঞ্চজন্য' নামৰ বঙলা দৈনিক কাকতখনৰ কাৰ্যালয়ত প্ৰৱেশ কৰি তাৰ আবাসিক সহকাৰী সম্পাদক হৰেন্দ্ৰ চৌধুৰীক আক্ৰমণ কৰি ঘাইল কৰিলে। চৌধুৰীক মাৰধৰ কৰি ৰক্তাক্ত কৰিলে। গুণ্ডাবদলে প্ৰেছক মেচিন আৰু আন আন যন্ত্ৰপাতি হাতুৰিৰে কোবাই গুড়ি কৰিলে, কাগজপত্ৰ লণ্ডভণ্ড কৰিলে। এনে এটা অৱস্থাত খবৰ কাগজখন পুনৰ প্ৰকাশৰ আশা সমূলঞ্চে নোহোৱা হʼল। এই ঘটনাৰ মাজেদি আক্ৰমণকাৰীয়ে চট্টগ্ৰামৰ সকলো বাতৰি কাকতকে ভয়-বিহ্বল কৰি পেলালে। বৃটিছ শাসনৰ শক্তিৰ প্ৰতিভূ আৰু অহমিকাই চূড়ান্ত পৰ্যায়ত ভৰি দিলে। এই প্ৰসংগত উল্লেখ কৰা দৰকাৰ যে কিছুদিনৰ আগতে কলিকতাৰ পৰা ওলোৱা এখন এংলো-ইণ্ডিয়ান কাগজত এটা প্ৰৱন্ধ ওলাইছিল। প্ৰৱন্ধটোত চট্টগ্ৰামৰ 'পাঞ্চজন্য' কাকতখনে চট্টগ্ৰামৰ উগ্ৰপন্থী সন্ত্ৰাসবাদীক উচটনি দিছে বুলি অভিযোগ আনিছিল। কলিকতাৰ এই কাগজখনে এনেধৰণৰ প্ৰৰোচনামূলক বাতৰি সঘনাই পৰিৱেশন কৰি চট্টগ্ৰামৰ ইউৰোপীয় সকলক উত্তেজিত কৰিছিল। তেওঁলোকে সেইবাবে পাঞ্চজন্য নামৰ বঙলা কাকতখনৰ ওপৰত প্ৰতিশোধ লবলৈ অপেক্ষা কৰি আছিল। অৱশেষত সুবিধা ওলাল। স্থানীয় প্ৰশাসনেই সেই সুবিধা আনি দিলে। পাঞ্চজন্যৰ ওপৰত তেওঁলোকে মৃত্যুসঞ্চাৰী প্ৰতিশোধ লʼলে। স্থানীয় ৰাইজে খবৰ-বাতৰি পঢ়াৰ পৰা একেবাৰে বঞ্চিত হʼল। গোটেই সম্প্ৰদায়ৰ

লগত ওতঃপ্ৰোতভাৱে জড়িত জীৱন মৰণৰ বা-বাতৰি সৰবৰাহ কৰা মাধ্যম নোহোৱা হ'ল।

হৰিপদ আৰু তাৰ মাক বাপেক অমানুষিক অত্যাচাৰৰ বলি হৈছিল। হৰিপদৰ দেউতাকৰ মুখত পাছত গম পোৱা গৈছিল যে পুলিচে হৰিপদৰ সৰুপানী (প্ৰস্ৰাৱ) তাৰ মাক বাপেকৰ মুখত বলেৰে ভৰাই দিছিল।

অকল সেয়ে নহয়; মানুহৰ ঘৰ বাৰীটো পুলিচ সোমাই অত্যাচাৰ কৰিছিল। সৈন্য বাহিনীৰ চোৰাংচোৱা বিষয়। কেপ্তেইন ষ্টীভেনচনে লগত দুটা সৈন্য বাহিনীলৈ অঞ্চলটোৰ হাইস্কুলত প্ৰৱেশ কৰিছিল। পাটিয়া হাইস্কুল আৰু শাৰবাতলি পি. চি. সেন হাইস্কুলত সোমাই ল'ৰাবোৰক জধে মধে কোবাইছিল। যি সকল শিক্ষকে ইয়াত হকবধা কৰিছিল, তেওঁলোককো সৈন্যবাহিনীয়ে নিৰ্দয় ব্যৱহাৰ আৰু প্ৰহাৰ কৰিছিল। এনে নিৰ্মল ঘটনা বিৰল। মধ্যযুগৰ নাদিৰশাহ আৰু ঋেংগিছ খাঁৰ যি অত্যাচাৰৰ কথা আমি শুনিছো, তাতকৈ এই অত্যাচাৰ কোনে গুণে কম নহয়।

ইতিমধ্যে এনে বৰ্বৰ অত্যাচাৰত অতিষ্ঠ হৈ কেই গৰাকীমান বিশিষ্ট নাগৰিকে গোট খাই উপায় বিচাৰিলে। প্ৰশাসনীয় উদগনিত এচাম মানুহে সংঘবদ্ধভাৱে নিৰপৰাধী মানুহৰ ওপৰত এনেধৰণৰে অশোভনীয় উৎপীড়নও দেশত অৰাজকতাৰ সূচনা হোৱাত তেওঁলোক মৰ্মাহত হৈছিল। তেওঁলোকে আলোচনা কৰি দেশপ্ৰিয় জে. এম. সেনগুপ্ত প্ৰমুখ্যে আন আন কলিকতা নিবাসী নেতাক চট্টগামলৈ আহি পৰিস্থিতিৰ বুজ লবলৈ টানি অনুৰোধ জনালে। অস্ত্ৰাগাৰ লুণ্ঠন মোকৰ্দমাৰ লগত জড়িত পলাতক বিপ্লৱীক সহায় কৰিছে বুলি অযথা অভিযোগ তুলি দুখীয়া আৰু নিৰীহ হিন্দুসকলৰ ওপৰত কৰা নিৰ্মম অত্যাচাৰ বন্ধ কৰাত সহায় কৰিবলৈ নেতাসকলক তুৰন্তে চট্টগ্ৰামলৈ আহিবলৈ কোৱা হ'ল। জে. এন. সেনগুপ্তই টেলিগ্ৰাম দি তেওঁৰ আগমনৰ বাৰ্তা প্ৰেৰণ কৰিলে। সেনগুপ্ত চট্টগ্ৰামলৈ আহিব বুলি বাতৰি প্ৰচাৰ হোৱাত এই বাতৰিয়ে জিলাৰ সন্মাহৰ্তা কেম চাহাবক বিচলিত কৰিছিল। তেওঁ আসন্ন বিপদৰ আশংকাত উত্তেজিত হৈ পৰিছিল। ভাবিছিল, সেনগুপ্তৰ দৰে এজন সমাদৃত নেতা আহি পৰিস্থিতি অধ্যয়ন কৰিলে, নিশ্চয় স্থানীয় প্ৰশাসনৰ ওপৰত চেকা পৰিব। কেমে স্থানীয় নেতা ত্ৰিপুৰাচৰণ চৌধুৰীক জনালে যে 'গাওঁ অঞ্চলৰ পৰা তৎক্ষণাৎ পুলিচ আৰু মিলিটেৰী অপসৰণ কৰিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে। আইন আৰু শৃংখলা স্থাপনৰ ব্যৱস্থা লোৱা হৈছে; শান্তি ঘূৰাই আনিবলৈ সকলো উপায় অৱলম্বন কৰা হৈছে। এনে এটা অৱস্থাত সেনগুপ্তক চট্টগ্ৰামলৈ নিমন্ত্ৰণ জনাব নলাগে। কিন্তু ইতিমধ্যে যতীন্দ্ৰমোহনে দলে বলে চট্টগ্ৰাম অভিমুখে যাত্ৰা আৰম্ভ কৰিলে।

কলিকতাত উদ্বেগ প্ৰকাশ

চট্টগ্ৰামৰ কংগ্ৰেছ নেতা মহিমচন্দ্ৰ দাস আৰু কবিৰাজ যতীন্দ্ৰ ৰক্ষিত ইতিমধ্যে কলিকাতাত উপস্থিত হৈছিল। তেওঁলোকৰ মুখৰ পৰা যতীন্দ্ৰমোহনে চট্টগ্ৰামত ঘটা

নিৰ্মম অত্যাচাৰৰ কাহিনী শুনি বিস্ময় মানিছিল। তেওঁ কলিকতাৰ বাতৰি কাকতত এনেবোৰ নিষ্ঠুৰ, অতিশয় বেদনাদায়ক ঘটনা প্ৰকাশ নোপোৱাত আশ্চৰ্য মানিছিল। সেনগুপ্তৰ তৎপৰতাত এলবাৰ্ট হ'লত এখন ৰাজহুৱা সভা বহিল। তাত প্ৰথমতে মহিম দাসে ঘটনাৰ আদ্যোপান্ত বিৱৰণ দাঙি ধৰিলে। যতীন্দ্ৰমোহনেও ইংৰাজ শাসকৰ বৰ্বৰ আচৰণ তেজস্বী ভাষাৰে সমালোচনা কৰিলে। সভাত হিন্দু সম্প্ৰদায়ৰ ওপৰত চলোৱা মাৰাত্মক উৎপীড়নক গৰিহণা দিয়া হ'ল। চট্টগ্ৰাম ঘটনা সংক্ৰান্তত এখন সৰ্বদলীয় সমিতি গঠিত কৰি যতীন্দ্ৰনাথ বসুক সভাপতি পাতিলে। সমিতিৰ সম্পাদক হ'ল নিশীথ সেন আৰু সদস্য সকল হ'ল—মৌলানা আক্ৰাম খান, বি. এন. চাচ্মল, ডঃ জে. এম. দাসগুপ্ত, টি. চি. গোস্বামী, সত্যানন্দ বসু, ডঃ নৰেশ চন্দ্ৰ সেনগুপ্ত, অধ্যাপক নৃপেন্দ্ৰ চন্দ্ৰ বেনাৰ্জী আৰু হাজী আবদুল ৰছিদ খাঁ। পাছত ৰছিদ খাঁৰ ঠাইত আফ্চৰুদ্দিন আহমেদ চৌধুৰীক সদস্য মনোনীত কৰা হ'ল।

সেনগুপ্ত অহাৰ আগতে আগশাৰীৰ কংগ্ৰেছ কৰ্মী আৰু সমাজসেৱী সুশান্ত চৌধুৰী আৰু মই (এই গ্ৰন্থৰ জীৱনীকাৰ) অত্যাচাৰ জৰ্জ্জৰিত অঞ্চলসমূহ পৰিদৰ্শন কৰিছিলো। মই আছিলো সংবাদজীৱী। চট্টগ্ৰামত ঘটা ভয়াৱহ দৃশ্যসমূহৰ এটা দৃষ্টি-গোচৰ বিৱৰণ তৈয়াৰ কৰা, লগতে সেনগুপ্তৰ আগন্তুক ভ্ৰমণৰ বাবে আগতীয়া ৰিপোৰ্ট এটা যুগুত কৰা আছিল মোৰ কাম। আমি দুয়ো এদিন চাৰিওফালে ঘূৰিলো। বিপন্ন গাওঁবিলাকৰ মাজত অত্যাধিক উৎপীড়িত পাঁচখন গাওঁ তন্নতন্নকৈ চালো, অজস্ৰ ধ্বংসপ্ৰাপ্ত ঘৰ-দুৱাৰ লক্ষ্য কৰিলো। অনেক ঘৰত পুলিচে জুই লগাই দিছিল, অনেকৰ সা-সম্পত্তি লুট কৰিছিল। নিৰপৰাধী মানুহক মাৰধৰ কৰি ত্ৰাসৰ সৃষ্টি কৰিছিল। ল'ৰা-বুঢ়া-ডেকা, পুৰুষ-মহিলা কোনো বাদ পৰা নাছিল। অনেকৰ গাত প্ৰচণ্ড কোৰৰ চিন্ দেখিবলৈ পাইছিলো, ঘা-বোৰ তেতিয়াও শুকুৱা নাই। মানুহৰ মুখত গাৰ নোম শিয়ৰি উঠা ঘটনাৰ বৰ্ণনা শুনিছিলো। পুলিচে লাঠি ব্যৱহাৰ কৰিছিল আৰু গোৰ্খা সৈন্যই খুকুৰিৰে আক্ৰমণ চলাইছিল। ৰচিৰে বান্ধি, গছত আৰি মানুহক শাস্তি দিয়া হৈছিল। তেতিয়াও অনেক ৰচি গছত লাগি থকা চকুত পৰিছিল। পুলিচ চাহাবে নিজেও নিৰস্ত্ৰ মানুহক চৰ, কিল, গোৰ মাৰি প্ৰতিশোধ লৈছিল। তেজৰ দাগ তেতিয়াও অ'ত ত'ত দোভা বান্ধি থকা দেখিছিলো। লুট, অগ্নি সংযোগৰ বহুত চিন্ সাক্ষীৰূপে এতিয়াও জিলিকি আছিল। চাৰিওফালে ভয়, ভীতি আৰু চকুপানী আতংকত মানুহৰ মন-প্ৰাণ কম্পমান।

দলেবলে সেনগুপ্তৰ আগমণ

সেনগুপ্ত আৰু চট্টগ্ৰাম অনুসন্ধান সমিতিৰ সতীৰ্থ সকল আহি চট্টগ্ৰাম চহৰৰ ব্যক্তিগত আৰু ব্যৱসায়ী লোকৰ ঘৰলৈ গৈ খা-খবৰ ললে। প্ৰত্যক্ষদৰ্শীৰ পৰা ঘটনাৰ সবিশেষ বিৱৰণ ললে। অনেকৰ ওজৰ আপত্তি, বিলাই-বিপত্তি শুনিলে, স্মাৰক পত্ৰ, আৱেদন নিৱেদন গ্ৰহণ কৰিলে। দুদিন অত্যন্ত ব্যস্ততাৰে চহৰৰ কাম শেষ কৰি

সেনগুপ্ত আৰু নৃপেন বেনাৰ্জীয়ে ভিতকৰা ক্ষতিগ্ৰস্থ গাওঁ পৰিদৰ্শন কৰিলে। সময়টো আছিল বাৰিষাৰ। গাওঁৰ বাট-পথ বোকাৰে গেলি গৈছিল। কিছুমান ঠাইত একাঠু পানী হৈছিল। সেনগুপ্ত আৰু বেনাৰ্জীয়ে "ঘন বৰষুণ পিচল মাটিত পাও দি, সকলো আওকাণ কৰি, গাওঁ অঞ্চলত সোমাই পৰিছিল। মানুহে তেওঁলোকৰ আদৰৰ নেতা 'যতীন বাৰিস্টাৰ' আৰু 'মাস্টাৰ মহাশয়'ৰ অদম্য উৎসাহ দেখি অতিশয় বিস্ময় মানিছিল। নেতা দুগৰাকীয়ে ৰাইজে আনি থোৱা দোলাত উঠিবলৈ অমান্তি হৈছিল। তেওঁলোকে দুৰ্গম বাট-পথ অতিক্ৰম কৰি পুলিচী অত্যাচৰৰ বলি প্ৰত্যেক ঘৰ মানুহৰ ঘৰলৈ গৈছিল, তেওঁলোকৰ হিয়াভগা কৰুণ কাহিনী শুনিছিল। মানুহৰ ওপৰত যে এনেধৰণৰ পাশৱিক অত্যাচাৰ চলিব পাৰে, সেই কথা দেখি, শুনি দুয়োজন নেতা অভিভূত হৈ পৰিছিল। মহিলা, দুখী-দৰিদ্ৰ নিৰপৰাধী সকলৰ ওপৰত বে-পৰোৱা ভাৱে চলোৱা নিৰ্মম অভিযান আছিল হৃদয় বিদাৰক!

সেনগুপ্ত আৰু তেওঁৰ সতীৰ্থ সকলে কেইবাদিনো ধৰি গাওঁবোৰ পৰিদৰ্শন কৰিলে। নিজ চকুৰে দেখা অমানুষিক ঘটনাৰ সাক্ষীবোৰে তেওঁলোকৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। সেনগুপ্তই গোটখোৱা ৰাইজক বুজনি দিছিল ধৈৰ্য আৰু সাহসেৰে বিপদৰ সম্মুখীন হবলৈ। তেওঁ কৈছিল, "এইয়া ভগবানৰ ইচ্ছা মতেই হৈছে। ভগবানে দেখুৱাইছে, শক্তিৰ কিমান ভয়ংকৰ ৰূপ থাকিব পাৰে! বৃটিছ চৰকাৰ আজি শক্তি আৰু ক্ষমতাত মদমত্ত হৈ পৰিছে। বৃটিছ শাসকে সাম্প্ৰদায়িক অশান্তিৰ বৰ বিহ চটিয়াই নগ্ন শোষণ চলাইছে, স্বাধীনতা আন্দোলনৰ যুঁজাৰু সকলৰ ওপৰত কঠোৰ দমন নীতি প্ৰয়োগ কৰিছে"। সেনগুপ্তই লালা লাজপৎ ৰায়ৰ ঐতিহাসিক উক্তি, 'বৃটিছৰাজৰ কফিনত মৰা শেষ গজালটো' স্মৰণ কৰি কৈছিল যে সেই গৰাকী প্ৰবীন মুক্তি যোদ্ধাই চাইমন কমিছনৰ বিৰুদ্ধে লাহোৰত এটা শোভাযাত্ৰাৰ নেতৃত্ব দি লৈ যাওতে তেওঁৰ মূৰত লাঠিৰ কোব্ পৰিছিল। আজি চট্টগ্ৰামটো একেই ঘটিছে আৰু লাজপৎ ৰায়ৰ সেই ঐতিহাসিক উক্তিক বাস্তৱত পৰিণত হৈছে।

চট্টগ্ৰাম ভ্ৰমণৰ অন্তত সেনগুপ্তই কৈছিল যে চট্টগ্ৰামত যি ঘটিল সেইয়া চৰকাৰী বিজ্ঞপ্তিত কোৱাৰ দৰে সাম্প্ৰদায়িক সংঘৰ্ষ নহয়। সেইয়া পুলিচ আৰু সামৰিক বাহিনীৰ উদ্ধত আচৰণ। তেওঁ কৈছিল যে এই উদ্ধতালি তেওঁ কেতিয়াও সহ্য নকৰে। ইয়াৰ বিৰুদ্ধে তেওঁ যুদ্ধ দিব। দোষীক শাস্তি বিহিব লাগিব। বৃটিছৰ মইমতালি চুৰ্ণ কৰিব লাগিব। বৃটিছে আমাৰ দেশ ত্যাগ কৰিব লাগিব।

সেনগুপ্তই কলিকতালৈ উলটি যোৱাৰ আগতে চট্টগ্ৰাম জিলাৰ কমিছনাৰ জনক দেখা কৰি তেওঁৰ অনুসন্ধান মূলক ভ্ৰমণৰ অভিজ্ঞতা জনাইছিল। সেনগুপ্তই কমিছনাৰক এজন 'ন্যায়নিষ্ঠ ইংৰাজ বিষয়া' বুলি অভিবাদন জনাই যথাবিহিত ব্যৱস্থা লবলৈ অনুৰোধ কৰিছিল। সেনগুপ্তৰ অভিবাদনে কিছুমান কাম কৰিলে।

কলিকতালৈ আহি সেনগুপ্ত আৰু তেওঁৰ সতীৰ্থ সকলে তেৰ চেপ্তেম্বৰত টাউন হ'লত এখন ৰাজহুৱা সভা পাতিলে। সভাত সেনগুপ্তই তৈওঁৰ আৰু সহযোগী সকলৰ

চট্টগ্ৰাম ঘটনাৰ অভিজ্ঞতা দাভি ধৰিলে আৰু ইয়াৰ বাবে যে প্ৰশাসনীয় প্ৰৰোচনা থাইকৈ জগৰীয়া সেই কথা প্ৰতিপন্ন কৰিলে। তেওঁ কৈছিল যে পুলিচ আৰু সামৰিক বাহিনীৰ উচ্ছৃংখল আচৰণ, ইউৰোপীয় চৰকাৰী আৰু বেচৰকাৰী লোকসকলৰ মইমতালি-ব্যৱহাৰ আছিল চট্টগ্ৰাম ঘটনাৰ প্ৰধান কাৰণ। সেনগুপ্তৰ উত্তপ্ত আৰু অনুভূতিপূৰ্ণ ভাষণত উপস্থিত ৰাইজৰ মনত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। অনেকৰ চকুৰেদি লোটক বৈছিল। সেনগুপ্তই চৰকাৰক তেওঁ বৰ্ণনা কৰা ঘটনাবোৰ মিছা বুলি প্ৰমাণ কৰিবলৈ প্ৰত্যাহ্বান জনাইছিল।

"চৰকাৰৰ পিঠিত কোব"—ৰবি ঠাকুৰ

ৰবীন্দ্ৰনাথ ঠাকুৰে চট্টগ্ৰামত ইংৰাজে চলোৱা বৰ্বৰ আক্ৰমণ আৰু উন্মত্ত জনতাই চলোৱা হিংসাত্মক কাৰ্যক গৰিহণা দি এটা বিবৃতি দিছিল :

ক্ৰোধাগ্নিৰ উচ্ছাসত মদমত্ত হৈ এচাম কাণ্ডজ্ঞান শূন্য মানুহে চট্টগ্ৰাম চহৰত আৰু বংগদেশৰ কোনো কোনো গাওঁত এটাৰ পাচত আনটো হিংসাত্মক ঘটনা সংঘটিত কৰি যি জঘন্য উদাহৰণ দেখুৱালে, তেন উদাহৰণ অকল মৰ্মান্তিক ঘটনাই নহয়, অসহ্য লজ্জা-জনক পৰিণাম। এইটো ঠিক যে এই ঘটনাই আমাৰ বৃটিছ শাসনৰ ওপৰত থকা বিশ্বাস আৰু ভৰসা বহু পৰিমাণে নোহোৱা কৰিছে। এনে ঘটনাই বৃটিছ চৰকাৰৰ সন্মানত কুঠাৰঘাত মাৰিছে। এই অত্যন্ত বেজাৰেৰে লক্ষ্য কৰিছো যে আমাৰ মাজেৰে এচাম-লোকে ভাৰতবৰ্ষৰ ঐতিহ্যমণ্ডিত জাতীয় সংহতি আৰু গৌৰৱময় ইতিহাস কলুষিত কৰিবলৈ প্ৰয়াস কৰিছে, আমাক পৃথিৱীৰ চকুত হেয় প্ৰতিপন্ন কৰিছে।

সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা আহি এটা বিদেশী শক্তিয়ে ভাৰতবৰ্ষৰ ওপৰত চিৰকাল প্ৰভুত্ব চলাব নোৱাৰে। কিন্তু এটা কথা সত্য যে এই পৱিত্ৰ ভাৰত ভূমিত হিন্দু-মুছলমান সদায় একেলগে থাকিব লাগিব। দুয়ো সম্প্ৰদায়ে সম্মিলিতভাৱে জনৰাষ্ট্ৰ গঠন কৰিব লাগিব। আমি দুয়ো হয় গৌৰৱৰ সমভাগী। তেনেকৈ জাতীয় সংহতি বিনষ্ট কৰা কাৰ্যৰ বাবেও আমি দুয়ো সমানে লজ্জিত হম। এনে কাৰ্যৰ প্ৰকৃত দোষী যিয়েই নহওক লাগিলে, সেই দোষ, সেই অপবাদ আমিয়েই বহন কৰিব লাগিব। আজি আমি এক ডাঙৰ সংকটৰ সন্মুখীন হৈছো। ইজনে সিজনক দোষাৰোপ কৰিছো, ওলোটাই অভিযোগ আনিছো। মই এই মুহূৰ্তত সকলো ধাৰ্মিক মুছলমানৰ প্ৰতি আহ্বান জনাওঁ যেন তেওঁলোকে তেওঁলোকৰ মহান ধৰ্ম আৰু সংস্কৃতিৰ কথা স্মৰণ কৰি এই ৰক্তাক্ত মানৱ সমাজৰ মংগলৰ অৰ্থে আমাৰ লগতে হাত মিলায়। দেখাদিয়া অশুভ দুষ্কৃতিকাৰীক কঠোৰ হাতেৰে আমি মিলিত শক্তিৰে দমন কৰিব নোৱাৰিলে আমাৰ দুৰ্ভগা দেশ চিৰকাললৈ ঘৃণীয়া হব। আমাৰ কলংকই পৃথিৱীৰ চকুত ঘৃণনীয় উদাহৰণ ৰূপে পৰিগণিত হব।

ৰবীন্দ্ৰনাথ ঠাকুৰ
(এ, বি, পত্ৰিকা 6 চেপ্তেম্বৰ 1931)

জাতীয় হিন্দু মহাসভাৰ প্ৰধান সম্পাদক পাটনাৰ পৰা বংগদেশৰ গভৰ্ণৰ চাৰ ষ্টেন্‌লি জেকশ্বনলৈ এখন জৰুৰী টেলিগ্ৰাম দি চট্টগ্ৰামত হিন্দু সকলৰ ওপৰত চলোৱা নিৰ্মম অত্যাচাৰৰ বিৰুদ্ধে গভীৰ উদ্বেগ প্ৰকাশ কৰিছিল। উত্তৰত গভৰ্ণৰৰ সচিৱে জনাইছিল যে, হত্যাকাণ্ডটোৰ পাছত যি লুট, অশান্তি আৰু ধ্বংসাত্মক কাৰ্য্য সংঘটিত হৈছিল— তাৰ বাবে স্থানীয় চৰকাৰ বা চৰকাৰৰ কোনো বিষয়াক জগৰীয়া কৰিব নোৱাৰি। বৰং স্থানীয় প্ৰশাসনৰ দূৰদৃষ্টি আৰু তৎপৰতাৰ বাবেহে এনে এটা মাৰাত্মক ঘটনা ইমান শীঘ্ৰে আয়ত্তাধীন হ'ল।

চৰকাৰৰ প্ৰতি প্ৰত্যাহ্বান

বংগদেশৰ গভৰ্ণৰৰ অভিমতে উত্তেজনা বঢ়ালেহে। চট্টগ্ৰাম অশান্তিৰ অনুসন্ধানৰ বাবে যি সমিতি গঠিত হৈছিল সেই বেচৰকাৰী সমিতিখনে গভৰ্ণৰৰ কথাত আপত্তি জনালে। সমিতিয়ে গভৰ্ণৰক সম্বোধন কৰি এখন পত্ৰ প্ৰেৰণ কৰিলে। তাত উল্লেখ আছিল, "·· ৰাইজৰ দাবী উপেক্ষা কৰি আপোনাৰ চৰকাৰে এতিয়ালৈকে চট্টগ্ৰাম অশান্তিৰ বাবে তদন্ত কমিটি এটা গঠন নকৰিলে। আমি বে-চৰকাৰী তদন্ত কমিটি গঠন কৰি চট্টগ্ৰামলৈ গৈ অশান্তিৰ অঞ্চলসমূহ পৰিদৰ্শন কৰি আহিছো। অনেক প্ৰত্যক্ষদৰ্শীলোকক লগ ধৰি সাক্ষী লৈছো, ক্ষতিগ্ৰস্ত লোকৰ কৰুণ কাহিনী শুনিছো। আপুনি ৰিপোৰ্টৰ ওপৰত নিৰ্ভৰ কৰি ঘটনাৰ যি বিকৃত ব্যাখ্যা দিছে তাৰ আমি দৃঢ়তাৰে প্ৰতিবাদ কৰো। আপুনি যে কৈছে যে স্থানীয় প্ৰশাসনৰ দূৰদৃষ্টি আৰু তৎপৰতাৰ কাৰণেহে অশান্তি ইমান সহজে আৰু শীঘ্ৰে আয়ত্বাধীন হ'ল, এই কথা শুদ্ধ নহয়। আমি ইয়াৰ প্ৰত্যাহ্বান জনাইছো। এই কথা সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ৰাইজক ভুল পথে পৰিচালিত কৰা এটা চালাকি মাথোন। আমি আপোনাৰ ওচৰত পুনৰ দাবী কৰো যে সত্যকথা উদঘাটন কৰি প্ৰকৃত দোষীক বাহিৰ কৰিবলৈ এখন নিৰপেক্ষ তদন্ত কমিটি গঠন কৰক। এই কমিটিক স্থানীয় প্ৰশাসনীয় বিষয়া, চৰকাৰী সাক্ষী আৰু লগত স্থানীয় ৰাইজক প্ৰশ্ন কৰিবলৈ সুবিধা দিয়ক। আপুনি সম্ভৱ জানে যে ভুক্তভোগী ৰাইজে অনেক আপত্তি দাখিল কৰাটো সেইবোৰ স্থানীয় প্ৰশাসনে আইনৰ আঁসোৱাহ উলিয়াই প্ৰত্যাখ্যান কৰিলে। এনে আপত্তি দাখিল কৰিবলৈ চৰকাৰৰ আগতীয়া অনুমতি লোৱা নাই বুলি সেইবোৰ নাকচ কৰিছে। যিবোৰ চৰকাৰী চাকৰিয়ালৰ বিৰুদ্ধে নিৰ্দিষ্ট অভিযোগ আছে, সেইবোৰ বিচাৰ কৰিবলৈ দিলে ৰাইজ আশ্বস্ত হব আৰু অভিযুক্ত চাকৰিয়াল সকলেও নিজকে সমৰ্থন কৰিবলৈ সুযোগ পাব।"

গভৰ্ণৰে সেনগুপ্তলৈ এই পত্ৰৰ প্ৰতিবাদ জনাই উত্তৰ এটা পঠাইছিল। ইয়াত একেবোৰ যুক্তি দেখুৱাই চৰকাৰ পক্ষক ৰক্ষণা দিয়া হৈছিল। বিক্ষুব্ধ ৰাইজে এই যুক্তি প্ৰদৰ্শন অগ্ৰাহ্য কৰিছিল।

চৰকাৰৰ প্ৰতি সেনগুপ্তৰ প্ৰত্যাহ্বান

সেনগুপ্তই চট্টগ্ৰামত ঘটিত প্ৰকাশ্য অত্যাচাৰ দাঙি ধৰি বংগদেশৰ চৰকাৰৰ প্ৰতি যি সাহসী প্ৰত্যাহ্বান জনাইছিল, তাৰ বিতং বিৱৰণ কলিকতাৰ জাতীয়তাবাদী দৈনিক অমৃত বাজাৰ পত্ৰিকাৰ 1931 চনৰ 16 চেপ্তেম্বৰৰ সংখ্যাত প্ৰকাশ পাইছিল। বিৱৰণৰ কিছু অংশ তলত দিয়া হ'ল—

"...মিঃ সেনগুপ্ত ক্ষান্ত নাথাকিল। তেওঁ জিলা হাকিম মিঃ কেমৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনিলে আৰু প্ৰত্যাহ্বান জনাই এনে বিদ্বেষ মূলক অপবাদ অনাৰ বাবে তেওঁক আদালতত হাজিৰ কৰিবলৈ কলে।

মিঃ কেমৰ বিৰুদ্ধে যিবোৰ অভিযোগ সেনগুপ্তই আনিছিল সেইবোৰ আছিল গুৰুতৰ ধৰণৰ। এনে ধৰণৰ অভিযোগ এজন জিলা প্ৰশাসকৰ বিৰুদ্ধে অনাটো কম সাহসৰ কথা নহয়। কোনো নাগৰিকে বা ৰাজহুৱা নেতাই এনেধৰণৰ অভিযোগ অনা উদাহৰণ বিৰল। মিঃ সেনগুপ্ত এগৰাকী সৰ্বভাৰতীয় খ্যাতিসম্পন্ন নেতাই নহয়, তেওঁ এগৰাকী সুদক্ষ আইনজীৱী। তেওঁ যি কৰিছে, তাৰ পৰিণতি কি হ'ব পাৰে, সেই বিষয়ে তেওঁ সম্পূৰ্ণ সচেতন। তেওঁ এনে এটা গুৰুতৰ অভিযোগ জিলা প্ৰশাসনৰ বিৰুদ্ধে আনিছে যি অভিযোগ তেওঁলোকৰ বিচাৰত অখ্যাতিজনক আৰু নিন্দাসূচক। ইয়াৰ দ্বাৰা অকল জিলা প্ৰশাসনেই হেয় হোৱা নাই, চৰকাৰো হেয় হৈছে, খ্যাতি বিনষ্ট হৈছে। সেনগুপ্তই অৱশ্যে নিজৰ শক্তিৰ প্ৰতি সম্পূৰ্ণ আস্থাবান। তেওঁ অভিযোগ আনিছিল অপৰাজিত মনোভাৱেৰে আৰু অপৰিমেয় প্ৰমাণেৰে। এতিয়া চৰকাৰে সেনগুপ্তৰ অভিযোগ কেনেকৈ খণ্ডন কৰে, আৰু ৰাইজৰ চকুত মিছা বুলি প্ৰত্যয় নিয়াব পাৰে—সেইটোহে কৌতূহলৰ বিষয়।"

পৌৰ নিগমৰ গৰিহণা

কলিকতা পৌৰ নিগমে চট্টগ্ৰাম অশান্তিৰ দৰে জাতীয় বিষয়টো আলোচনা কৰিবলৈ 28 চেপ্তেম্বৰত এখন জৰুৰী বৈঠক বহুৱাইছিল। সেই সময়ৰ মেয়ৰ ডঃ বি. চি. ৰয়ে সভাপতিত্ব কৰা এই বৈঠকত শৰৎচন্দ্ৰ বোসে চট্টগ্ৰামত হিন্দুসকলৰ ওপৰত চলোৱা হিংসাত্মক কাৰ্যক গৰিহণা দি এটা নিৰপেক্ষ তদন্ত দাবী কৰিছিল। যতীন্দ্ৰমোহন সেই সময়ত কাউন্সিল সদস্য আছিল। তেৰো এটা তেজস্বী বক্তৃতা দিছিল আৰু চট্টগ্ৰামত নিজে দেখি অহা ঘটনাবোৰৰ বিৱৰণ বৰ্ণনা কৰিছিল। সভাত সি প্ৰস্তাৱ লোৱা হৈছিল, সেই প্ৰস্তাৱক সমৰ্থন কৰি সেনগুপ্তই কৈছিল :

"মই নিজেগৈ আক্ৰান্ত অঞ্চলসমূহ চাই আহিছো। মই ভাবো, এইবোৰ ঘটনা পুনৰ অনুসন্ধান কৰা প্ৰয়োজন নকৰে।

প্ৰস্তাৱৰ দ্বিতীয় অংশত তদন্ত কমিটিত বেচৰকাৰী সদস্য লোৱাৰ কথা কোৱা হৈছে। চৰকাৰে যে ইয়াত সম্মতি জনাব, মোৰ সন্দেহ আছে। আমি চৰকাৰলৈ বাট নাচাই নিজৰ কামহে কৰিব লাগে। আজি বে-চৰকাৰী তদন্ত কমিটিৰ ৰিপোৰ্ট

বাহিৰ হৈছে। ইয়াত মুছলমান সদস্যক লোৱা হৈছিল যদিও সহযোগিতা নকৰিলে। সকলো মুছলমানে এই অশান্তিত আগভাগ লৈছে বুলি কব নোৱাৰি। আগষ্ট মাহৰ 31 তাৰিখ, সোমবাৰে যি অশান্তি হৈছিল সেইদিনা কেৱল কিছুসংখ্যক মুছলমানে চহৰৰ দোকান পোহাৰ লুট কৰাত অংশ গ্ৰহণ কৰিছিল বুলি অভিযোগ আছে। সাম্প্ৰদায়িক সংঘৰ্ষ ইমানেই। ভালকৈ তদন্ত কৰি আমি জানিব পাৰিছিলো যে কিছুমান গুন্দাই এই লুট কাৰ্যত আগভাগ হৈছিল। এই তদন্ত বংগদেশৰ জনসাধাৰণে মানি লৈছে। কোনো সাম্প্ৰদায়িক অভিসন্ধি আছে বুলি ৰিপোৰ্টে ন'দি কোৱা নাই। বেচৰকাৰী চট্টগ্ৰাম তদন্ত কমিটিৰ ৰিপোৰ্ট কলিকতাত 28 চেপ্তেম্বৰত প্ৰকাশ পোৱাত প্ৰেছ মহলত আৰু জনসাধাৰণৰ মাজত হৈ-চৈ লাগিছিল। ৰিপোৰ্টত থকা ঘটনাৰ বিৱৰণে সকলোকে উত্তেজিত কৰিছিল। চৰকাৰে কিন্তু মৌনতা অৱলম্বন কৰি সেনগুপ্তৰ প্ৰত্যাহ্বান আৰু বে-চৰকাৰী তদন্ত কমিটিৰ ৰিপোৰ্টৰ প্ৰতি কোনো সঁহাৰি নজনালে।

চৰকাৰে নিজ পক্ষৰ পৰা এখন তদন্ত কমিটি পাতি দিলে। ইয়াত থাকিল ডিভিজনেল কমিছনাৰ নেলচন আৰু বংগদেশৰ পুলিচ মহা পৰিদৰ্শক। তেওঁলোকে চট্টগ্ৰামৰ অশান্তিৰ বুজ লবলৈ চৰকাৰী-বেচৰকাৰী, প্ৰত্যক্ষদৰ্শী আৰু আক্ৰান্ত ব্যক্তি, পৰিয়াল, অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ সাক্ষ্যদান ললে। আগতে বেচৰকাৰী তদন্ত কমিটিয়ে যিবোৰ ঘটনা লিপিবদ্ধ কৰিছিল, সেইবোৰকে এই চৰকাৰী আয়োগখনে পুনৰ দোহাৰিলে। দেখা গ'ল, দুয়োখন কমিটিৰ একে কামকে কৰা হ'ল।

চৰকাৰে সেনগুপ্তৰ সাহসী প্ৰত্যাহ্বানত মূল্য আৰোপ নকৰিলে যদিও প্ৰতিৰোধ-মূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ খৰধৰ লগালে।

এনে সময়তে এটা ঘটনা ঘটিল। চট্টগ্ৰামৰ অতিৰিক্ত পুলিচ অধিক্ষক জে. বি. চুটাৰ কলিকতাৰ চোৰাংচোৱা বিভাগলৈ বদলি হৈ আহিছিল। জানুৱাৰী মাহৰ 23 তাৰিখ, শনিবাৰে পুৱা ভাগত তেওঁক য়ুনাইটেড চাৰ্ভিছ ক্লাৱৰ নিজৰ কক্ষত মৃত বুলেট-বিদ্ধ হৈ মৃত্যু অৱস্থাত পোৱা গ'ল। তেওঁৰ মৃত শৰীৰৰ কাষতে এটা বিভলভাৰ পৰি আছিল। তেওঁ সেই ৰিভলভাৰটোৰে আত্মহত্যা কৰিছে বুলি সন্দেহ কৰা হৈছিল। (এ. বি. পত্ৰিকা, জানুৱাৰী 24, 1932 খবৰ)।

ইয়াৰ কেইদিন মানৰ পাছতে চট্টগ্ৰামৰ কলেকটৰ এ. এইচ. কেমে আকায়াৰ আৰু ৰেঙ্গুন হৈ নিজ দেশলৈ যাত্ৰা কৰিলে। তেওঁ কলিকতাৰ মাজেদি নাহিল। জনৰৱ উঠিছিল যে কেমক চাকৰি ইস্তফা দিবলৈ কোৱা হৈছিল। আৰু প্ৰতিৰোধ ব্যৱস্থা চলিল। চট্টগ্ৰামৰ পৰা বহুতো পুলিচ বিষয়াক স্থানান্তৰ কৰা হ'ল। কোনো কোনোক চাকৰিৰ পৰা নিলম্বিত কৰা হ'ল। চৰকাৰে চট্টগ্ৰাম অশান্তিৰ পৰিপ্ৰেক্ষিত দুয়োখন ৰিপোৰ্ট (চৰকাৰী আৰু বেচৰকাৰী তদন্ত) চালিজাৰি চাই এটা সমতাপ্ৰাপ্ত সিদ্ধান্ত গ্ৰহণ কৰিলে। যিহেতু ৰিপোৰ্ট দুখনৰ অভিমত অখণ্ডনীয়, চৰকাৰে কিছু পলমকৈ হ'লেও চট্টগ্ৰাম অশান্তিৰ বাবে দোষীলোক সকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লবলৈ বাধ্য হ'ল।

হিজলি হত্যাকাণ্ড আৰু ইয়াৰ পৰিণাম

1931 চনৰ চেপ্তেম্বৰত হিজলি বন্দী শিৱিৰত দুজন বঙালী অন্তৰিত ব্যক্তি (সন্ত্ৰাসবাদী বুলি কোৱা হৈছিল) গুলিয়াই হত্যা কৰা হৈছিল। এই হত্যাকাণ্ডক ইংৰাজ শাসনৰ আন এটা জঘন্য নমুনা বুলি আখ্যা দিয়া হৈছিল। সেই মাহৰ আগতে চট্টগ্ৰামৰ নিধন হোৱা শ্বহীদৰ তেজৰ লগত এই হত্যাকাণ্ডৰ তেজ মিহলি হৈ বৃটিছ ৰাজৰ নিষ্ঠুৰতা দাঙি ধৰিছিল। এই দুই ধৰণৰ হত্যাকাণ্ডত দেশপ্ৰিয় জে. এম. সেনগুপ্তৰ দেশপ্ৰেমৰ জুইকুৰা দপ-দপাই জ্বলি উঠিছিল আৰু ইয়াৰ লেলিহান জুই শিখাই ইংৰাজৰ খাচ ভূমি-ভাগকো উত্তপ্ত কৰি পেলাইছিল। শান্তি আৰু শৃংখলাৰ নামত ইংৰাজ শাসকে ভাৰতবৰ্ষত এটাৰ পিছত আনটো কু-কাৰ্য কৰি বৃটিছ আইনৰ অৱমাননা কৰিছিল।

কোৱা প্ৰয়োজন যে চট্টগ্ৰামত হোৱা চূড়ান্ত অত্যাচাৰৰ পোন্ধৰ দিনৰ পাছতে, অৰ্থাৎ, 1931 চনৰ 16 চেপ্তেম্বৰ হিজলি (মিডনাপুৰ) বন্দী শিৱিৰত গুলি চলোৱা হৈছিল। এটা দুখজনক পৰিস্থিতিত। বিপ্লৱী বুলি আটক কৰি ৰখা ৰাজনৈতিক বন্দী সকলৰ মনত ঘৃণ, ক্ৰোধ আৰু বিদ্ৰোহৰ ভাৱ প্ৰৱল হৈছিল। শিৱিৰৰখীয়া চন্তৰী-বোৰৰ লগত বন্দীসকলৰ সম্পৰ্ক ক্ৰমাৎ বেয়াৰ ফালে ঢাল লৈছিল। কৰ্তৃপক্ষক বন্দী সকলে চন্তৰীবোৰৰ বেয়া ব্যৱহাৰৰ কথা জনাই ছিল যদিও একো ফল পোৱা নাছিল। বৰং কৰ্তৃপক্ষই চন্তৰীবোৰক ৰক্ষণাবেক্ষণহে দিছিল। পৰিস্থিতি বেয়াৰ কাললৈ নিছিল আন এটা ঘটনাই। এজন আন্তৰিক বন্দীৰ লগত বন্দুকধাৰী চন্তৰী এটোৰ তৰ্কাতৰ্কি হৈছিল। বন্দীজনে চন্তৰীটোৰ বন্দুকৰ পৰা বেয়নেটদাল কাঢ়ি আনিলে। শিৱিৰত চিঞৰবাখৰ লাগিল, পৰিস্থিতিয়ে চৰমসীমা পালেগৈ। খন্তেকতে এটা পুলিচ ফৌজ, শিৱিৰ-চন্তৰী আৰু ৱাৰ্ডেনদল অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিতহৈ বন্দীসকলক আক্ৰমণ কৰিলে। প্ৰায় দশ ৰাউণ্ড গুলি মৰা হ'ল। ফলত সন্তোষ কুমাৰ মিত্ৰ আৰু তাৰকেশ্বৰ সেনগুপ্ত নামৰ দুজন অন্তৰিত বন্দী ঠিতাতে মৰিল। সন্তোষ কুমাৰ আছিল মধ্য কলিকতা কংগ্ৰেস কমিটিৰ ভূতপূৰ্ব উপ-সভাপতি আৰু কলিকতা চিটি কংগ্ৰেছ লীগৰ সম্পাদক। এওঁ সেনগুপ্তৰ প্ৰিয় সহকৰ্মী আছিল আৰু কংগ্ৰেছ আন্দোলনত বিস্তৰ সহায় কৰিছিল। তাৰকেশ্বৰ বৰিশালৰ বিশিষ্ট কংগ্ৰেছ কৰ্মী। পুলিচৰ গুলিত সেইদিনা প্ৰায় বিছজন বন্দী ঘাইল হ'ল। ইয়াৰে চাৰিজনৰ অৱস্থা সংকটজনক। শিৱিৰ প্ৰাংগণ এটা বেহুলৈ পৰিণত হৈছিল।

সেইদিনাই যতীন্দ্ৰমোহনক শোকাবহ ঘটনাটো জনোৱা হ'ল। সবিশেষ শুনি তেওঁ বিচলিত হৈছিল আৰু হিজলিলৈ আহিবলৈ সিদ্ধান্ত লৈছিল। পিছদিনা তেওঁ হিজলিত উপস্থিতহৈ ঘটনাক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ আহিল। কিন্তু তেওঁৰ প্ৰবেশ ৰোধ কৰা হ'ল। বন্দীশিৱিৰত তেওঁক সোমাবলৈ দিয়া নহ'ল। কৰ্তৃপক্ষই তেওঁৰ সকলো যুক্তি প্ৰত্যাখ্যান কৰিলে। সেনগুপ্ত উপায়হীনহৈ খড়্গপুৰ পালেহি আৰু তাৰ হস্পিটেলত চিকিৎসাধীন হৈ থকা আহত বন্দীসকলক দেখা কৰিলেগৈ। আহত লোকসকলৰ মুখত তেওঁ গুলিচালনাৰ সকলো বৃত্তান্ত শুনি অত্যন্ত বিষণ্ণ হ'ল।

যতীন্দ্ৰমোহনে শিবিৰ কৰ্তৃপক্ষক মৃতব্যক্তিৰ নশ্বৰ দেহাবোৰ কলিকতালৈ নি সংকাৰ কৰিবৰ উদ্দেশ্যে খড়্গাপুৰত তেওঁক চমজাই দিবলৈ অনুৰোধ জনালে। জেল কৰ্তৃপক্ষই তেওঁৰ অনুৰোধ ৰক্ষা কৰিলে আৰু মৰা শৱ কেইটা জমা দিলে। যতীন্দ্ৰমোহনে নিজ-খৰছত বিশেষ ট্ৰেনযোগে শৱ কেইটা হাওৰালৈ আনিলে। ৰেলস্টেচনত কলিকতাৰ বহুতো লোক জমাহৈ শ্বহীদ তৰ্পণ জনাইছিল। অনেকে ফুলৰ মালা দি সেৱা জনালে, অনেকে কান্দি চকুপানী বোৱালে। এটা ডাঙৰ শোভাযাত্ৰা আৰম্ভ হ'ল। চহৰৰ মূল আলিবাটেদি শৱ কেইটালৈ জনতা আগবাঢ়িল কেওৰাতলা শ্মশান ভূমিলৈ। শ্মশান-ঘাটত লোকে লোকাৰণ্য হৈছিল।

গোটেই ৰাজ্যতে বিষাদৰ ছাঁ পৰিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে অতি দুখ পাইছিল। যতীন্দ্ৰমোহনৰ অনুৰোধ ৰক্ষা কৰি তেওঁ কলিকতা টাউন হলত 26 চেপ্তেম্বৰ তাৰিখে অনুষ্ঠিত ৰাজহুৱা সভাত যোগ দিবলৈ সম্মতি জনালে।

অনুভূতিহীন নৰহত্যা

ৰবীন্দ্ৰঠাকুৰে সভাত কৈছিল, 'হিজলিৰ হত্যাকাণ্ড অকল শোকাৱহ নহয়। এই হত্যাকাণ্ড নিৰ্মম আৰু পাশৱিক। মানৱিক উৎপীড়নৰ জঘন্য দৃষ্টান্ত স্বৰূপে এই ঘটনাই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। মই নিজৰ শাৰীৰিক অসুস্থতাৰ বাবে এনেকুৱা ৰাজহুৱা সভালৈ পৰাপক্ষত নাহো। কিন্তু আজি মই আহিবলৈ বাধ্য হৈছো, কাৰণ যি সকল ৰক্ষকে সেই দুৰ্ভগীয়া বন্দী কেইজনৰ মুখৰ মাত চিৰদিনলৈ বন্ধ কৰিলে, সেই শ্বহিদ কেইজনৰ আত্মাৰ আহ্বান আজি মোৰ কাণত পৰিছে। সেই আহ্বান আওকাণ কৰা মোৰ বাবে সম্ভৱ নহয়।

মই ইয়াত উপস্থিত হৈছোহি, মোৰ দেশবাসীৰ হৈ চৰকাৰক সাৱধানবাণী শ্ৰৱণ কৰাবলৈ। চৰকাৰে আমাৰ স্বাধীনতা খৰ্ব কৰিবলৈ সৰ্বশক্তি প্ৰয়োগ কৰিব পাৰে, চৰকাৰে নিজৰ বিৰাট ক্ষমতাত গৰ্ববোধ কৰিব পাৰে। কিন্তু চৰকাৰে আমাৰ যি আত্মসন্মান, আমাৰ যি ন্যায্য অধিকাৰ, যি দৃঢ় সংকল্প তাক কোনো শক্তিৰে দমন কৰিব নোৱাৰে। অন্যায়ৰ বিৰুদ্ধে থিয় দিবলৈ আমাৰ জনসাধাৰণৰ শাৰীৰিক শক্তি হয়তো নাই, কিন্তু মানৱীয় ৰায় প্ৰদানৰ সি শক্তি জনসাধাৰণৰ অধিকাৰৰ ভিতৰত, তাক কাঢ়ি নিয়া ক্ষমতা কাৰো নাই। প্ৰত্যেকে সাৰ্বভৌম ক্ষমতা মানি নিজৰ অস্তিত্ব ৰক্ষা নকৰিলে অন্য গত্যন্তৰ নাই।

মই পৰিষ্কাৰ ভাষাৰে মোৰ অনুভূতিৰ নিৰৰ্থক প্ৰদৰ্শন কৰিব খোজা নাই। মই আশাকৰোঁ, এই সভাৰ অন্যান্য সকলে এটা কথা স্মৰণ কৰিব যে হিংসাত্মক ঘটনাৰ নগ্নতাই যি উদঙাই দিছে তাক কোনো ঘৃণা মিশ্ৰিত ক্ৰোধৰ ভাষাৰে গৰিহণা দি শেষ কৰিব নোৱাৰি।"

—ৰবীন্দ্ৰনাথ ঠাকুৰ

কবিগুৰুৰ ৰাজহুৱা ঘোষণাত চৰকাৰে ঘটনাটোৰ গুৰুত্ব প্ৰতিক্ৰিয়া উপলব্ধি কৰিলে আৰু গুলিচালনাৰ কাৰণ, ইয়াৰ ন্যায়-সংগত স্বৰূপ উদঘাটন কৰিবলৈ এচ. চি.

মল্লিক আই. চি. এচ. আৰু মিঃ জে. জি. ড্ৰুমণ্ডক লৈ এখন তদন্ত কমিটি পাতি দিলে। কমিটিৰ ৰায়দানত কোৱা হৈছিল :

"...কিন্তু, আমি ভাবো যে চিপাহীবোৰে নিৰ্বিচাৰে গুলি চালনা কৰি (প্ৰায় 29 ৰাউণ্ড গুলি চলোৱা হৈছিল) বন্দী শিবিৰটো আক্ৰমণৰ লক্ষ কৰাটো সম্পূৰ্ণ অবিবেচকৰ কাম হৈছিল। এই আক্ৰমণৰ ফলত দুজন অন্তৰিত বন্দী মৃত্যুমুখত পৰিল। চিপাহী বোৰে শিবিৰৰ ভিতৰত প্ৰৱেশ কৰি আন আন বন্দীসকলৰ প্ৰতি নিৰ্দয় ব্যৱহাৰ কৰিছিল, তেওঁলোকক নানান প্ৰকাৰে ক্ষতিগ্ৰস্থ কৰিছিল।"

পৌৰসভাত গৰিহণা ঃ

কলিকতা পৌৰনিগমে চেপ্তেম্বৰ মাহৰ 28 তাৰিখে হিজলিত গুলিচালনা বিষয়টো আলোচনা কৰি প্ৰস্তাৱ লৈছিল। তিনিটা সভা স্থগিত প্ৰস্তাৱক এটা আনিছিল শৰৎচন্দ্ৰ বসুৱে। এই প্ৰস্তাৱত সংশোধনী দিছিল জে. এম. সেনগুপ্তই। প্ৰস্তাৱটো সংশোধনীৰ সপক্ষে 42 আৰু বিপক্ষে 5 ভোটত গৃহীত হৈছিল। প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল ইংৰাজ কাউন্সিলাৰ মিঃ ৰছে। মিঃ সেনগুপ্তই অসুস্থ অৱস্থাৰে বৈঠকত উপস্থিত আছিল আৰু বিৰোধী সদস্যৰ যুক্তি খণ্ডন কৰি এটা দৃঢ়তাপূৰ্ণ উত্তৰ দিছিল।

তেওঁ কৈছিল :

মই প্ৰস্তাৱটোৰ ওপৰত কোনো মতামত দিব নোখোজো। প্ৰস্তাৱৰ সমৰ্থনত মই কৈছোৱেই যে পৌৰ নিগমে হিজলিত সংঘটিত আক্ৰমণক যুক্তিহীন বুলি বিবেচনা কৰে। মই বিৰোধী পক্ষৰ উত্তৰত বেছি কোৱা প্ৰয়োজনবোধ নকৰো। তাতে মোৰ শৰীৰো ভাল নহয়। কিন্তু মাননীয় কাউন্সিলাৰ মিঃ ৰছে চট্টগ্ৰাম আৰু হিজলি ঘটনা-সংক্ৰান্তত ইংৰাজ বিষয়া আৰু বেচৰকাৰী ইংৰাজ বাসিন্দা সকলৰ সমৰ্থনত যি যুক্তি দেখুৱাইছে, সেই যুক্তি মই মানি লব পৰা নাই বাবেই দুআষাৰ কবলৈ অসুস্থ শৰীৰেৰে থিয় হৈছো।

মোৰ দৰে সকলো বংগভাষীলোকে দৃঢ়তাৰে কৈছে যে হিজলিৰ ঘটনা পূৰ্বপৰিকল্পিত আৰু অভিসন্ধিমূলক। এই কথা চট্টগ্ৰামৰ হত্যাকাণ্ডৰ ক্ষেত্ৰটো প্ৰযোজ্য। চট্টগ্ৰামৰ জিলা দণ্ডাধীশক মই কোৱা এই অভিযোগক ভুল বুলি প্ৰমাণ কৰিবলৈ আৰু প্ৰয়োজন হ'লে মোক আদালতৰ কাঠ-গৰাত থিয় কৰাবলৈ প্ৰত্যাহ্বান মুকলি কৰি ৰাখিছো। মই কলিকতাৰ ফৌজদাৰী মোকৰ্দমাৰ চৰকাৰী উকীলকো কওঁ যে এই পৌৰ নিগমৰ সদস্য সকলে যি অভিযোগ ৰাজহুৱাভাৱে আনিছে তাক মিছা প্ৰমাণিত কৰি তেওঁলোকৰ বিপক্ষে, লগতে মোৰ বিপক্ষেও আদালতৰ আশ্ৰয় লওঁক। মই পুনৰ দোহাৰিছো যে হিজলি বন্দীশিবিৰত যি দুজন লোকক হত্যা কৰা হ'ল, সেই হত্যাকাণ্ড পূৰ্বপৰিকল্পিত, অমানুষিক আৰু নিন্দনীয় নৰমেধযজ্ঞ।

মই এই অভিযোগ অনাৰ এটাৰ যুক্তি হৈছে, সেই দূৰ্ভগীয়া মানুহবোৰ আছিল অন্তৰিত ব্যক্তি, যুদ্ধৰ বন্দী বুলিও আপোনালোকে কব পাৰে। তেওঁলোকৰ হাতত যে কোনো অস্ত্ৰ-শস্ত্ৰ, খাৰ-বাৰুদ নাই, এই কথা প্ৰমাণ কৰা প্ৰয়োজন নকৰে। কটুকটিয়া

নিৰাপত্তাৰে সুৰক্ষিত শিবিৰৰ চৌহদৰ পৰা আটক বন্দীসকল পলাবলৈ চেষ্টা কৰা অভিযোগ ভিত্তিহীন। ইয়াৰ বাবে কোনো মৌখিক বা আন ধৰণৰ প্ৰমাণ নুঠে। আটক বন্দীসকলৰ ওপৰত যে গুলি চলোৱা হৈছিল এই কথাও প্ৰমাণ কৰা নিষ্প্ৰয়োজন। সেই দিনা ৰাতি প্ৰায় চাৰে ন বজাত বন্দী সকল শুবলৈ যোৱাৰ সময়তে এই নিৰ্দয় ঘটনা সংগঠিত হ'ল।

কোৱা হৈছে যে কিছুমান বন্দীয়ে চিপাহীক আক্ৰমণ কৰিছিল আৰু এদল বন্দীয়ে এজন চিপাহীৰ হাতৰ পৰা বেয়েনেট কাঢ়ি লৈছিল। এনে এটা পৰিস্থিতিত চিপাহীয়ে গুলি চলাবলৈ বাধ্য হ'ল। মই মিঃ ৰছ আৰু তেওঁৰ বন্ধু সকলক চৰকাৰী বিজ্ঞপ্তিৰ আৰু এষাৰ যুক্তিলৈ মনত পেলাব খোজো। তাত কৈছে যে চিপাহীজনে তেওঁৰ বন্দুকটো পুনৰ সাজু কৰি লবলৈ সময়, সুযোগ-সুবিধা পাইছিল। এই কথাই কি সূচায়? যদি সঁচাকৈয়ে বন্দীসকলে চিপাহীজনক পৰাভূত কৰি বেয়োনেট-দাল কাঢ়ি নিছিল, তেনেহ'লে চিপাহীজনে তেওঁৰ বন্দুকটো পুনৰ সাজি লবলৈ সুযোগ কেনেকৈ পালে? বন্দীসকলে জানো পৰাস্ত কৰা চিপাহীজনক বন্দুকটো পুনৰ দি গুলি ভৰাই সাজু কৰিবলৈ সময় আৰু সুবিধা দিব? এই কথাও মই পতিয়ন যাব নোৱাৰো।"

সেনগুপ্তৰ লণ্ডন যাত্ৰা ঃ

যতীন্দ্ৰমোহনৰ মানসিক অৱস্থা স্থিৰ নাছিল। চট্টগ্ৰাম উৎপীড়ন, হিজলিৰ আটক বন্দী হত্যা, অন্তৰিত ৰাজনৈতিক বন্দীসকলৰ অনিশ্চিত মুক্তিলাভ, এই তিনিটা জটিল সমস্যাই তেওঁৰ মন অস্থিৰ কৰি তুলিছিল। ইফালে তেওঁ পাছৰ মাহত লণ্ডনলৈ যোৱাৰ কাৰ্যসূচী হৈছিল। এই কাৰ্যসূচী লোৱা হৈছিল স্বাস্থ্যজনিত কাৰণত। ইতিমধ্যে তেওঁৰ শৰীৰ ক্ৰমাৎ অৱনতি ঘটিছিল, ৰক্তচাপৰ বেমাৰ বেছি বেয়ালৈ গৈছিল। ডাক্তৰে তেওঁক ঘনাই শৰীৰৰ অৱস্থাৰ কথা কৈ সাৱধান কৰিছিল আৰু ভগ্ন স্বাস্থ্যৰ বাবে এটা দীঘল পথৰ সাগৰ-যাত্ৰাত ফুৰিবলৈ উপদেশ দিছিল। কিন্তু তেওঁৰ বিশ্ৰাম লবলৈ বা সাগৰ-ভ্ৰমণ কৰিবলৈ সময় ক'ত?

সেই সময়ত ৰাজ্যখনৰ ৰাজনৈতিক পৰিস্থিতি বেয়া। "ক্ৰিমিনেল ল' এমেণ্ডমেণ্ট এক্ট" অনুযায়ী ধৰ-পাকৰ আৰম্ভ হৈছে, সাতজন কংগ্ৰেছ কৰ্মীক আটক কৰা হৈছে। সেনগুপ্তই এই কাৰ্যৰ প্ৰতিবাদ জনাই নৰীয়া বিছনাৰ পৰাই এটা চোকা বিবৃতি দিলে। ময়মনসিংহৰ জিলা কংগ্ৰেছৰ সভাপতি জ্ঞানেন্দ্ৰ চন্দ্ৰ মজুমদাৰ আৰু কলিকতাৰ ছ' জন কংগ্ৰেছ কৰ্মীক অৰ্ডিনেন্সৰ যোগে আটক কৰাত সেনগুপ্তই চৰকাৰক কটু সমালোচনা কৰিছিল। "তেওঁ কৈছিল, "চৰকাৰে যি চুক্তি কৰিছিল তাক ভংগ কৰি এতিয়া অনিষ্ট জনক উপায় অৱলম্বন কৰিছে। এনে ক্ষতিকৰ কাৰ্যত হাত দি চৰকাৰে কংগ্ৰেছৰ সহযোগ আৰু সদাশয়তা কেনেকৈ আশা কৰে? কিমান দিনলৈকে চৰকাৰে 'বেংগল ক্ৰিমিনেল ল' এমেণ্ডমেণ্ট এক্ট'খন প্ৰয়োগ কৰি আটক বন্দীৰ সংখ্যা বঢ়াব খোজে? যদিহে বংগদেশত আইন আৰু শৃংখলা ভংগ হৈছে, শান্তি বিনষ্ট হৈছে, সেই অৱনতিৰ

বাবে সম্পূৰ্ণ জগৰীয়া চৰকাৰ নিজে। মই কওঁ যে চৰকাৰে যদি দমন-নীতি বন্ধ নকৰে, তেনেহলে চৰকাৰে নিজৰ ধ্বংস নিজেই আনিব। বংগদেশে এনে এটা দুৰভিসন্ধি সহ্য নকৰে।"

সেনগুপ্তৰ ইউৰোপ যাত্ৰা আয়োজনত আৰ্থিক অসুবিধাই দেখা দিছিল। চট্টগ্ৰাম আন্দোলনতে তেওঁৰ বহুতো-পইচা ভৰণি হ'ল। তাতে তেওঁৰ ওকালতি ব্যৱসায়ো ৰাজনীতিত ব্যস্ত থাকিব লগা হোৱাত ক্ষতিগ্ৰস্থ হৈছিল। তেওঁ আনৰ পৰা টকা ধাৰে লৈ বিলাতলৈ যাবলৈ ভাল নাপাইছিল। অৱশেষত যেনিবা টকাৰ যোগাৰ হ'ল। তেওঁ জীৱন-বীমা নিগমৰ পৰা পলিচিৰ ওপৰত ঋণ এটা লাভ কৰিলে।

যতীন্দ্ৰমোহন আৰু নেলী সেনগুপ্তাৰ যাত্ৰা আৰম্ভ হ'ল। বোম্বে চহৰত তেওঁলোকক কে. এম. মুন্সী, কে. এম. নৰিমেন প্ৰমুখ্যে গণ্যমান্য লোকে আদৰণি জনালে। বম্বেত কেইদিনমান থাকিব লগা হোৱাত সেনগুপ্তই ৰাজহুৱা কাৰ্যসূচীত যোগ দিলে। তেওঁ স্বদেশী বজাৰ (প্ৰদৰ্শনী) মুকলি কৰিলে আৰু উদ্বোধনী ভাষণত জাতীয় স্বাধীনতাৰ লগত মনে প্ৰাণে মিলিবলৈ, দেশীয় বস্তুৰ প্ৰতি আগ্ৰহশীল হবলৈ দেশবাসীক আহ্বান জনালে। সাগৰৰ পাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। তাতো যতীন্দ্ৰমোহনে ভাৰতৰ স্বাধীনতা আন্দোলনৰ মূল্যবোধ দাঙি ধৰি এটা তেজাল বক্তৃতা দি শ্ৰোতাক উৎসাহিত কৰিছিল।

যতীন্দ্ৰমোহন সপৰিবাৰে কে. এম. মুন্সীৰ ঘৰত আলহী হৈছিল। অক্টোবৰৰ কুৰি তাৰিখে 'লয়েড ট্ৰায়েস্টিনোৰ' জাহাজ 'ব্লেক'ভিয়া'ত উঠি সেনগুপ্ত দম্পতীয়ে ইংলণ্ড অভিমুখে যাত্ৰা কৰিলে। এই সাগৰ যাত্ৰা আছিল দু'মাহৰ। নৰিমেন, কে. এম. মুন্সী, নীলাৱতী মুন্সী আৰু আন আন লোকসকলে সেনগুপ্তক জাহাজত তুলি বিদায় দিছিল।

লণ্ডনত পদাৰ্পণ

সাগৰ যাত্ৰাই সেনগুপ্তৰ শৰীৰ উন্নত কৰিলে। তেওঁৰ ৰক্তচাপ কমিল। তেওঁৰ মন আৰু দেহা প্ৰফুল্লিত হ'ল। সেনগুপ্তই লণ্ডনত থকা ঠাই ঠিক কৰি পোনে পোনেই নেলীৰ মাকৰ ঘৰলৈ গ'ল। নেলীৰ মাক শ্ৰীমতী গ্ৰে' এগৰাকী মৰমিয়াল বৃদ্ধা মহিলা। তেওঁ জীয়েক আৰু জোৱায়েকৰ আগমণৰ বাবে বাট চাই আছিল। প্ৰায় চল্লিছ বছৰৰ পাছত শ্ৰীমতী গ্ৰে'ৰ লগত জোৱাঁয়েক যতীন্দ্ৰমোহন আৰু নেলীৰ দেখা-সাক্ষাৎ ঘটিছিল। কবলৈ গ'লে এই দেখা-সাক্ষাৎ এটা আনন্দমুখৰ উৎসৱ। অৱশ্যে নেলী এবাৰ আহি বুঢ়ীক চাই গৈছিল। নেলীৰ লগত তেওঁৰ ল'ৰা দুটা আহি আইতাকৰ মৰম লভিছিল। নেলীয়ে ভাৰতৰ পৰা সঘনাই মাকলৈ চিঠিপত্ৰ দিবলৈ হেলা নকৰিছিল।

সেনগুপ্তই কেইদিনমান বিশ্ৰাম ললে। লণ্ডনত থকা বন্ধু-বান্ধৱক লগ পালে। সেই সময়ত মহাত্মা গান্ধী দ্বিতীয় ঘূৰণীয়া মেজ মেলত যোগদান দিবলৈ গৈ লণ্ডনত আছিল। সেনগুপ্তই গান্ধীজীক দেখা কৰিলে। চৰ্দাৰ পেটেলে কৈ পঠোৱা খবৰ বাতৰি আৰু বংগদেশত ঘটা অশান্তিবোৰ অৱগত কৰালে। সেনগুপ্তই চট্টগ্ৰাম আৰু হিজলিৰ

উত্তেজনাপূৰ্ণ ঘটনা আৰু হত্যাকাণ্ডৰ বিতং বাতৰি গান্ধীজীক জনালে। এইবোৰ বাতৰি ইংলণ্ডনত কোনেও গম পোৱা নাছিল। বৃটিছ পঢ়ুৱৈ সমাজক এইবোৰ বাতৰি পৰিবেশন কৰাত বাধা আৰোপ কৰা হৈছিল। সেনগুপ্তই ভাৰতৰ বতৰা বন্ধুৰ-বান্ধৱৰ মাজত দাঙি ধৰিলে, দুই এটা বক্তৃতাও দিলে।

লণ্ডনৰ সভাত বক্তৃতা

সেনগুপ্তক কমনৱেলথৰ ইণ্ডিয়া লীগৰ সদন কমিটিৰ আগত বক্তৃতা দিবলৈ নিমন্ত্ৰণ জনোৱা হৈছিল। এই সভাত ভাৰতীয় সমস্যাৰ লগত সুদীৰ্ঘ যোগাযোগ ৰক্ষা কৰা কুৰিজন টৰি পাৰ্লিয়ামেণ্ট সদস্য উপস্থিত আছিল। মিঃ গ্ৰীণফেলে সেনগুপ্তৰ পৰিচয় প্ৰদান কৰিছিল। সেনগুপ্তক কলিকতাৰ ভূতপূৰ্ব মেয়ৰ, ভাৰতৰ জাতীয় কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সমিতিৰ সভ্য, বংগদেশৰ জনপ্ৰিয় নেতা আৰু তীক্ষ্ণবুদ্ধি সম্পন্ন ব্যাৰিষ্টাৰ বুলি হৰ্ষধ্বনিৰ মাজত চিনাকি কৰি দিয়া হৈছিল।

সেনগুপ্তৰ বক্তৃতাৰ মূল বিষয়বস্তু আছিল ভাৰতৰ ৰাজনৈতিক অৱস্থা। এই প্ৰসংগত তেওঁ চট্টগ্ৰাম আৰু হিজলি ঘটনাৰ সবিশেষ বৰ্ণনা কৰিছিল আৰু বেচৰকাৰী তদন্ত কমিটিৰ ৰিপোৰ্টখন সমূহ শ্ৰোতাক দেখুৱাই উৎপীড়নৰ উদাহৰণ দাঙি ধৰিছিল। তেওঁ কৈছিল যে বংগদেশত অধিক সংখ্যক লোকক অৰ্ডিনেন্সৰ অজুহাতত আটক কৰা হৈছে। ইয়াৰে বেছিভাগ কংগ্ৰেছী কৰ্মী। তেওঁলোকৰ পথ অহিংসাৰ, হিংসাত্মক কাৰ্যকলাপত তেওঁলোক জড়িত নহয়।

সেনগুপ্তই উত্তাল কণ্ঠস্বৰেৰে কৈছিল যে ছ' হাজাৰ মাইল নিলগত থকা লণ্ডনৰ পৰা ভাৰতবৰ্ষক শাসন কৰা অসম্ভৱ। ইংৰাজ আৰু ভাৰতীয় পুলিচ বাহিনীয়ে শাসনত অধিষ্ঠিত বিষয়া সকলে ভাৰতবাসীৰ স্বাধীনতা খৰ্ব কৰিছে, সা-সম্পত্তি বিনষ্ট কৰিছে, উৎপীড়ন চলাইছে। আনকি, নাহকত প্ৰাণ মাৰিছে।

আধা ঘণ্টা জোৰা বক্তৃতাৰ অন্তত সেনগুপ্তক উপস্থিত লোকসকলৰ পৰা প্ৰশ্ন কৰা হৈছিল। তেওঁ উত্তৰ দি কৈছিল যে কংগ্ৰেছৰ লগত হিংসাৰ কোনো সম্পৰ্ক নাই। কংগ্ৰেছে কেতিয়াও হত্যাকাৰীক ক্ষমা কৰা নাই। কংগ্ৰেছে হিংসাক প্ৰশ্ৰয় নিদিয়ে। কংগ্ৰেছে ভগত সিংহৰ আৰু তেওঁৰ সহযোগীসকলৰ বাবে ক্ষমাদান বিচাৰিছিল এই বাবেই যে চৰকাৰে এই মনোভাৱ দেখুৱাই বংগদেশৰ বিপ্লৱ-পৰিবেশ বহুত পৰিমাণে সাম কটাব পাৰিলেহেঁতেন। কংগ্ৰেছে কেপ্তেইন কাৰটিছ আৰু তেওঁৰ পৰিয়ালক হত্যা কৰা ঘটনাৰ লগত জড়িত নাছিল। এই জঘন্য হত্যাকাণ্ড কংগ্ৰেছে সমৰ্থন নকৰে। কিন্তু পৰিতাপৰ কথা, চট্টগ্ৰামত হোৱা লুট, অগ্নিসংযোগ উৎপীড়নত বেচৰকাৰী ইংৰাজ বাসিন্দা সকলে দেখ দেখকৈ আগভাগ লৈছিল। যিমান দিনলৈকে বিদেশী শাসন চলিব, সিমান দিনলৈকে বংগদেশ বা ভাৰতত শান্তি স্থাপন সম্ভৱ নহয়। কঠোৰ শাসনৰ পৰিণতি কেতিয়াও ভাল হব বুলি আশা কৰিব নোৱাৰি। দমন নীতিৰে শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰি। মানুহৰ স্বাধীনতা হৈছে শান্তি লাভৰ একমাত্ৰ উপায়।

গান্ধীজীৰ চট্টগ্ৰাম-উৎপীড়ন নিন্দা

মহাত্মা গান্ধীয়ে লণ্ডনৰ 'ফেডাৰেল ষ্টাকৃচাৰ চাবকমিটিৰ' বৈঠকত 24 নৱেম্বৰ তাৰিখে দিয়া বক্তৃতাত ভাৰতত সন্ত্ৰাসবাদ উল্লেখ কৰি কৈছিল, "মিঃ সেনগুপ্ত এই দেশলৈ আহিছে। তেওঁৰ মুখত ভাৰতৰ চট্টগ্ৰাম আৰু হিজলিত সংঘটিত হোৱা কাহিনী শুনিছো। সেনগুপ্তই কৈছে যে দিল্লী চুক্তি স্বাক্ষৰিত হোৱাৰ পাছতে বংগদেশত চুক্তিৰ বিপৰীতে কাম হৈছে। অহিংস কংগ্ৰেছ কৰ্মীক সন্ত্ৰাসবাদ দমনৰ অজুহাতত নিদাৰুণ যন্ত্ৰণা দিয়া হৈছে। বংগদেশৰ সকলো দলৰ সমৰ্থনত গঠিত বে-চৰকাৰী অনুসন্ধান সমিতিৰ বিলটিত প্ৰকাশ পাইছে চট্টগ্ৰামত যি উৎপীড়ন চলিছিল, সেইয়া আছিল অত্যন্ত দুখময় আৰু বীভৎস কাণ্ড"।

মহাত্মা গান্ধীয়ে কৈছিল যে, এনে নীতিৰে চৰকাৰে সন্ত্ৰাসবাদ নিৰ্মূল কৰিব নোৱাৰে। কলিকতাৰ ৰাজপথত উলিওৱা মিলিটেৰি শক্তি-প্ৰদৰ্শনে সন্ত্ৰাসবাদী সকলক ভয় খুৱাব নোৱাৰে। কংগ্ৰেছৰ লোক সকলকো অসহযোগ আন্দোলনৰ পৰা আঁতৰাই পঠাব নোৱাৰে। গান্ধীজীয়ে দৃঢ়ভাৱে ঘোষণা কৰিছিল যে ভাৰতবৰ্ষত যি সন্ত্ৰাসমূলক অপৰাধ ঘটিছে, সেইবোৰৰ লগত কংগ্ৰেছৰ কোনো সম্পৰ্ক নাই।

সেনগুপ্তৰ পৰৱৰ্তী ৰাজহুৱা সভা

ভিক্টোৰিয়া হ'লত লণ্ডনত থকা ভাৰতীয় সকলৰ এখন ডাঙৰ সভা বহিছিল আৰু সেই সভাত সেনগুপ্ত বিশিষ্ট অতিথিৰূপে উপস্থিত আছিল। সেনগুপ্তই বক্তৃতাত চট্টগ্ৰাম আৰু হিজলিৰ ঘটনা উল্লেখ কৰিছিল আৰু যি সকল কংগ্ৰেস-বিৰোধী লোকে ভাৰতত অশান্তি সৃষ্টি কৰোতা সকলক উদ্‌গনি দিছে সেই সকলৰ প্ৰতি তেওঁ কঠোৰ ভাষাৰে সাৱধান বাণী শুনাইছিল। সভাৰ শেষত হিজ্‌লি চট্টগ্ৰামত প্ৰাণ বলি দিয়া লোক সকলৰ পবিত্ৰ স্মৃতিত সমূহ ৰাইজে থিয় হৈ মৌনতা অৱলম্বন কৰে।

সেনগুপ্তই কৈছিল যে অহিংসা আৰু অসহযোগ আন্দোলন পৰাজয় হৈছে বুলি প্ৰমাণ কৰিব পাৰিলে তেওঁ অন্য যেইকোনো পন্থা গ্ৰহণ কৰিবলৈ প্ৰস্তুত আছে। সভাত পণ্ডিত মদনমোহন মালব্যও উপস্থিত আছিল। তেওঁ উপস্থিত ভাৰতীয় সকলৰ প্ৰতি আহ্বান জনাই কৈছিল যে ভাৰতীয় সকলে এটা সমবেত সংগ্ৰাম গঢ়ি তুলিবলৈ নিজৰ ভিতৰত থকা প্ৰভেদবোৰ ৰাজহুৱা মঞ্চলৈ আনি নিজৰ ভিতৰতে সমাধান কৰিব লাগে।

সেনগুপ্তৰ লগত বৃটিছ সদনৰ ভাৰতপ্ৰেমী সদস্য সকলৰ ঘৰুৱা আলাপ-আলোচনা হৈছিল। তেওঁলোকক সেনগুপ্তই জনাইছিল যে যেনেকৈ অনেক হাজাৰ মাইল আহি সাগৰ পাৰহৈ লণ্ডনবাসীকে সুদূৰ বংগদেশৰ তেওঁলোকৰ অজানা ঠাই এডোখৰত কি ঘটিছে—সমূদায় বৃতান্ত জনাব নোৱাৰি, যেনেকৈ এওঁলোকৰ এজন লণ্ডনবাসীয়ে ইংলিচ জগতত কি ঘটিছে তাক ভাৰতলৈ গৈ বিতংভাৱে বুজাব নোৱাৰে, তেনে এটা অৱস্থা তেওঁ (সেনগুপ্তই) লণ্ডনলৈ আহি অনুভৱ কৰিছে। তেওঁ পুনৰ কৈছিল যে ভাৰত-বাসীৰ মনৰ পৰা অসন্তোষ আঁতৰ কৰিবলৈ ভাৰতবৰ্ষৰ স্বাধীনতা ঘোষণা কৰিব লাগিব।

ইংলণ্ডবাসীয়ে ভাৰতবৰ্ষত কি ঘটিছে, সঠিক ধাৰণা কৰিব পৰা নাই। গান্ধীজীৰ লগত এটা আপোচ নিতান্ত দৰকাৰ হৈ পৰিছে। নহলে ভাৰতত অশান্তি মুণ্ডছে।

সেনগুপ্তই 'এছেক্স হ'লটো' বক্তৃতা দিছিল। তাত পণ্ডিত মালব্য আৰু সৰোজিনী নায়ডুৱেও বক্তৃতা দিছিল।

লণ্ডনত প্ৰেছ মেল

সেনগুপ্তই, আমেৰিকান, বৃটিছ আৰু ভাৰতীয় সংবাদদাতাৰ প্ৰেছমেলত উপস্থিত আছিল।

'ফ্ৰি প্ৰেছ'ৰ সংবাদদাতাক তেওঁ কৈছিল : ভাৰতৰ ইংৰাজ বৰলাট বাহাদুৰ আৰু চৰকাৰে কংগ্ৰেছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। ভাৰতৰ বৰলাট প্ৰধানমন্ত্ৰীৰ দৰে। তেওঁ ভাৰতবাসীক কৈছে যে ইংলণ্ডই ভাৰতবৰ্ষক পূৰ্ণ স্বৰাজ দিবলৈ ইতিমধ্যে ঠিৰাং কৰিছে আকৌ তেৰেই ভাৰতীয় নেতাসকলক অবিবেচক বুলি দোষাৰূপ কৰিছে। বৰলাটে এখন মুখেৰে কৈছে যে ভাৰতবাসীয়ে নিজৰ ভাগ্য নিজে স্থিৰ কৰিবলৈ সুবিধা পাব। আনখন মুখেৰে কৈছে, ভাৰতীয়ক বৃটিছ বয়বস্তু বৰ্জন কৰিবলৈ দিয়া নহব। এই দুমুখীয়া আচৰণ কিয়? সত্য কথা যে বৃটিছ চৰকাৰে ভাৰতবৰ্ষক পূৰ্ণ স্বৰাজ দিব খোজা নাই। নিজৰ আধিপত্য অটুট ৰাখিব খুজিছে। আন এটা উদাহৰণ দিছো, একালে বৰলাটে ৰক্ষণাবেক্ষণৰ ওপৰত জোৰ দিছে (ভাৰতবাসীৰ গ্ৰহণযোগ্য হওক বা নহওক) আনকালে ভাৰতৰ এজন বৃটিছ ব্যৱসায়ী মি. ভিলিয়াচে কেন্দ্ৰীয় দায়বদ্ধতা নোহোৱাকৈয়ে তথাকথিত প্ৰাদেশিক স্বায়ত্ত-শাসন প্ৰস্তাৱ কৰিছে। কোন প্ৰদেশৰ বাবে এনে স্বায়ত্ত-শাসন প্ৰযোজ্য হয়, সেইটো আপাতদৃষ্টিত মিঃ ভিলিয়াৰ্চ আৰু ভাৰতত থকা তেওঁৰ জাতিভাই সকলেহে একমাত্ৰ নিৰ্ণয় কৰিব। এনে অবাস্তৱ প্ৰস্তাৱ দূৰ অভিসন্ধিৰ জলন্ত উদাহৰণ।

(অমৃত বাজাৰ পত্ৰিকা, 3 জানুৱাৰী 1931)

লণ্ডন ত্যাগৰ জৰুৰী সিদ্ধান্ত

ইতিমধ্যে দ্বিতীয় ঘূৰণীয়া মেজমেল বিফল হ'ল আৰু ভাৰতৰ জাতীয় কংগ্ৰেছৰ মুখ্য প্ৰতিনিধি গান্ধীজীয়ে 'সুদাহাজেৰে' স্বদেশলৈ উভতিল।

যদিও সেনগুপ্তৰ শৰীৰ অত্যন্ত বেয়া আছিল, তেওঁ ভাৰতত ৰাজনৈতিক পৰিস্থিতি অৱনতিৰ ফালে যোৱা দেখি লণ্ডন ত্যাগ কৰাটো জৰুৰী বুলি বিবেচনা কৰিলে। ইফালে ভাৰতৰ চাৰিওফালে কংগ্ৰেছ নেতা আৰু কৰ্মীক পুলিছে আটক কৰিবলৈ অভিযান চলাইছিল। সেনগুপ্তই তেওঁৰ স্ত্ৰীৰ লগত জানুৱাৰীৰ তিনি তাৰিখে লণ্ডন এৰিলে। তেওঁলোকে জাহাজেৰে আহিছিল আৰু কুৰি জানুৱাৰীত ভাৰতবৰ্ষ পোৱাৰ কথা আছিল। তেওঁলোকে, পেৰিচত সোমাই আহিছিল আৰু তাত ভাৰতীয় ছাত্ৰসকলে জনোৱা সম্বৰ্ধনাত যোগ দিছিল। তাত এখন সভাতো তেওঁ বক্তৃতা দিছিল। ভাৰতীয়

সকলৰ বাহিৰেও কিছু সংখ্যক পেৰিচ চহৰৰ গণ্যমান্য লোক সভাত উপস্থিত হৈছিল। সেনগুপ্তই ভাৰতৰ উত্তপ্ত ৰাজনৈতিক অৱস্থা আৰু তেওঁ খৰধৰকৈ লণ্ডন এৰি স্বদেশ-মুৰাহোৱা কাৰণসমূহ সভাত ব্যাখ্যা কৰিছিল।

কেইদিন মান পেৰিচত কটাই সেনগুপ্ত দম্পতীয়ে জেনৱা নামৰ বন্দৰৰ পৰা ইটালীয় জাহাজ এখনেৰে ভাৰতলৈ পুনৰ যাত্ৰা কৰিলে।

ইংলণ্ডৰ পৰা প্ৰত্যাবৰ্তন আৰু গ্ৰেপ্তাৰ

সেনগুপ্তই 1922 চনৰ কুৰি জানুৱাৰীত বম্বে বন্দৰত ভৰি দিওঁতেই কোনো কাৰণ নোহোৱাকৈ তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। এই সময়ত সেনগুপ্তৰ শৰীৰ অত্যন্ত অসুস্থ আছিল। এটা সুদীৰ্ঘ যাত্ৰা, মানসিক অস্থিৰতা, অসম্পূৰ্ণ চিকিৎসা প্ৰভৃতিয়ে তেওঁৰ ৪৮ বছৰীয়া জীৱনটো ক্ৰমান্বয়ে শেষ কৰি আনিছিল। ইটালীয় জাহাজখন বম্বে বন্দৰত লগাৰ সময়তে চি. আই. ডি প্ৰধানে মিঃ পেটিগড়াই তেওঁক আটক কৰে।

শ্ৰীমতী সেনগুপ্তৰ কথাৰে কবলৈ গলে, "জাহাজখন পাৰত লগাৰ পাছতে এটা পুলিচ বাহিনী পুৱা 4 বজাতে সেনগুপ্তক আটক কৰিবলৈ আহিল। জাহাজৰ কেপ্তেইন গৰাকীয়ে ইটালীৰ নিচান থকা জাহাজখনত পুলিচৰ এনে অনুপ্ৰৱেশৰ প্ৰতিবাদ কৰিছিল। যাত্ৰী হিচাপে সেনগুপ্তক ৰক্ষণাবেক্ষণ দিয়া তেওঁৰ কৰ্তব্য বুলি দাবী কৰিছিল। পুলিচে তেতিয়া ইটালীয় দূতাবাসৰ পৰা হুকুম আনিলে আৰু সেনগুপ্তক গ্ৰেপ্তাৰ কৰি লৈ গ'ল। এনে কৰোতে প্ৰায় সাৰে সাত বাজিছিল।

"বঙ্গ চৰকাৰৰ আদেশত সেনগুপ্তক বন্দী কৰা হৈছিল বুলি খবৰ ওলাইছিল আৰু পুনৰ আদেশ নোহোৱা পৰ্যন্ত জেলত ৰখাৰ ব্যৱস্থা হৈছিল। কলিকতাৰ পৰা সেনগুপ্তক দেখা কৰিবলৈ তেওঁৰ ল'ৰা আৰু ব্যক্তিগত সচিব দুজন আহিছিল। পুলিচ কমিচনাৰৰ কাৰ্যালয়ত এই দেখা-সাক্ষাতৰ বাবে অনুমতি দিয়াত সেনগুপ্তৰ স্ত্ৰী, ল'ৰা আৰু আন আন লোকসকল কলিকতালৈ ৰাতিৰ ৰেলতে উভতি গৈছিল"। (অমৃত বাজাৰ পত্ৰিকা, জানুৱাৰী 21, 1932)

সেনগুপ্তক গ্ৰেপ্তাৰ কৰা ঘটনাক কেন্দ্ৰ কৰি ৰাজহুৱা প্ৰতিবাদ আৰু হৰতাল হৈছিল। বোম্বে চহৰৰ ভালেমান দোকান বজাৰ বন্ধ হৈছিল।

সেনগুপ্তক পুলিচে বোম্বেৰ পৰা কলৈ স্থানান্তৰ কৰিছিল, এই খবৰ গোপনে ৰখা হৈছিল। চৰকাৰে তেওঁৰ ভগ্ন স্বাস্থ্যৰ প্ৰতি কোনো যত্ন লোৱা দেখা নগৈছিল। অমৃত বাজাৰ পত্ৰিকাত ওলোৱা এটা বাতৰিত প্ৰকাশ পাইছিল যে সেনগুপ্তক ৰাণাঘাট ষ্টেচনত নমাই দাৰ্জিলিং জেললৈ লৈ যোৱা হৈছিল। এই কাৰ্য অশোভনীয় আৰু নিৰ্দয়সূচক আছিল বুলি অনেকে চৰকাৰ আৰু পুলিচ বিভাগক দোষাৰূপ কৰিছিল। জানুৱাৰী মাহৰ শেষৰ ফালে দাৰ্জিলিংত যি প্ৰচণ্ড ঠাণ্ডা পৰে তেনে এটা সময়ত সেনগুপ্তৰ দৰে বেমাৰী লোক এজনক তালৈ প্ৰেৰণ কৰা কিমান বেয়া কাম, এই কথালৈ অনেক নিৰপেক্ষ লোকেও দুশ্চিন্তা প্ৰকাশ কৰিছিল। সেনগুপ্তৰ লগত তেনেকৈ

গৰম কাপোৰ নাছিল। নেলী সেনগুপ্তাই খবৰটো পাই ততাতৈয়াকৈ গৰম কাপোৰ গোটাইমেলি, সেনগুপ্তৰ ব্যক্তিগত সচিব এচ. বি. সেনগুপ্তক লগত লৈ দাৰ্জিলিং পালেগৈ। শ্ৰীমতী সেনগুপ্তাৰ অনুৰোধত স্বাস্থ্যজনিত কাৰণত শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ সেনগুপ্তক দাৰ্জিলিংৰ পৰা জলপাইগুড়ি জেললৈ স্থানান্তৰ কৰা হ'ল। কেইদিন মানৰ পাছতে তেওঁক কলিকতালৈ আনি আলিপুৰ জেলত ৰখা হ'ল।

চিত্তৰঞ্জন ৰায় চৌধুৰীয়ে তেওঁৰ স্মৃতিকথাত (অমৃত বাজাৰ পত্ৰিকা, জুলাই 25, 1933) লিখিছিল, "ৰাজনৈতিক বন্দী হিচাপে মই আৰু মোৰ সহকৰ্মীসকল আলিপুৰৰ জেলত থাকতে যতীন্দ্ৰমোহন সেনগুপ্তক জলপাইগুৰি জেলৰ পৰা ইয়ালৈ অনা হৈছিল। তেওঁৰ শৰীৰ বেয়া আছিল, তথাপি তেওঁ আমাৰ লগত সৌহাৰ্দ্যপূৰ্ণ আলাপ-আলোচনা কৰি আমাক সঙ্গসুখ দিছিল"। ৰায়চৌধুৰীয়ে লিখিছিল, "সেনগুপ্তৰ বাবে আমি থকা কোঠা খালি কৰি আমি অন্য ঠাইলৈ গৈছিলো। কাৰণ, তেওঁক এখন লৰচৰ কৰিব নোৱাৰা অসমৰ্থ লোকৰ বাবে তৈয়াৰী চকীত বহুৱাই লৈ অহা হৈছিল। তেওঁক দেখা পায়ে আমি তেওঁক বেঢ়ি আমাৰ প্ৰণাম জনালো। আমাক বন্দী অৱস্থাত লগ পাই তেওঁ আনন্দিত হৈছিল। কিছু সময় বিশ্ৰাম লৈ তেওঁ আমাৰ লগত কথা আৰম্ভ কৰিলে। ৰাজনীতিৰ প্ৰসঙ্গ নহয়, আন ঘৰুৱা কথাহে তেওঁ জেলৰ অভিজ্ঞতাৰ কথা কলে। তেওঁ হাঁহি হাঁহি কৈছিল যে আমাৰ জেলত সাধাৰণ চোৰো গভাইত চোৰ হৈ মুক্তি পায়। জেলত শুদ্ধ হওক চাৰি বেয়া কথাহে শিকে। আজি জেলবোৰত শিক্ষা আৰু বিভিন্ন প্ৰশিক্ষণ দিয়া পদ্ধতি ওলাইছে, যাতে এজন কয়েদীয়ে জেলৰ পৰা ওলাই এটা সত্য আৰু নিৰ্মল জীৱন অতিবাহিত কৰিব পাৰো। কিছুদিনৰ পাছতে জেল কৰ্তৃপক্ষই সেনগুপ্তক ওপৰ মহলাৰ এটা কোঠালৈ স্থানান্তৰ কৰিলে। কিন্তু সেনগুপ্তই আমাৰ লগত সম্পৰ্ক ঠিকেই ৰাখিলে। আমি আটায়ে তেওঁৰ লগত আবেলি বহি তাচ খেলো। মই তেওঁৰ লগত পাৰ্টনাৰ হওঁ, বসন্ত ভট্টাচাৰ্য আৰু জৱাহৰ বক্সী আমাৰ বিপক্ষে খেলে। আমি সেনগুপ্ততকৈ বহুত সৰু, তেওঁৰ ল'ৰাৰ নিচিনা। তেওঁ মোক 'চৌধুৰী' বুলি সম্বোধন কৰিলত মই আপত্তি কৰিছিলো। তেওঁ হাঁহি হাঁহি কৈছিল, 'তোমাৰ আপত্তি নৰজিবদেই'।

সেনগুপ্তই আমাৰ সমাজত প্ৰচলিত কিছুমান নিয়ম সংশোধন কৰাৰ ওপৰত গুৰুত্ব দিছিল। উদাহৰণ স্বৰূপে তেওঁ কৈছিল যে, এটা পৰিয়াল এজন লোকৰ উপাৰ্জনৰ ওপৰতে নিৰ্ভৰ কৰি বহি থাকিব নালাগে। আন সক্ষম লোকসকলেও উপাৰ্জনৰ চিন্তা কৰি সহায় আগবঢ়ালে, জীৱন নিৰ্বাহত বিজুতি নঘটে। আহাৰ পানীৰ দৰে দেশত বাঢ়ি অহা নিবনুৱা আৰু উপাৰ্জন নোহোৱা মানুহৰ সমস্যা সমাধান হোৱাটো জৰুৰী কথা বুলিয়েই জ্ঞান কৰা উচিত। আমাৰ বিয়া-বাৰু, শ্ৰাদ্ধ-উৎসৱ আদিত টকাৰ অপচয় মাত্ৰাধিক। অনেকে সম্পত্তি বিক্ৰী কৰিও পিতৃশ্ৰাদ্ধ ধুমধামেৰে পাতিব লগাত পাৰে। এই নিয়ম ভাল বুলি কব নোৱাৰি। বিয়া-বাৰুৰ ক্ষেত্ৰত আমাৰ ল'ৰা, ছোৱালীৰ মতামতৰ কোনো মূল্য নাই। বিয়া ঠিক-ঠাক্ কৰে মাক বাপেকে। ল'ৰা

ছোৱালীৰ নিজস্ব পছন্দ-অপছন্দ নাথাকে। সেনগুপ্তই কৈছিল, বিবাহ উপযুক্ত ডেকা'লৰাই জীৱন-সঙ্গিনী বাছি লওতে কোনো সামাজিক বাধা থাকিব নালাগে।

সেনগুপ্তই জেলত থকা ডেকা বন্ধুসকলক ৰাজনৈতিক বন্দীৰ বিষয়ে কৈছিল, "আপোনা সকলে বিশ্বাস কৰক, বঙ্গদেশৰ লাট বাহাদুৰক ডেকা বিপ্লৱী বন্দীসকলক মুক্তি দিবলৈ মই বাৰংবাৰ জোৰ দিছে। বন্দীসকলৰ লগত এটা বুজা-বুজি কিয় হব নোৱাৰে ?"

ৰায়চৌধুৰীৰ প্ৰবন্ধত সেনগুপ্তৰ শৰীৰৰ কথা উল্লেখ আছিল। তেওঁ লিখিছিল, "লাহে লাহে সেনগুপ্তৰ শৰীৰ বেছি অসুস্থ হৈ পৰিছিল। জেল অধিকৰ্তাই মোক আৰু মোৰ এজন সহযোগী বন্ধুক সেনগুপ্তৰ কাষত থাকিবলৈ অনুমতি দিছিল। ৰাতি আমি তেওঁক পহৰা দিছিলো, দৰৱ-জাতি খুৱাই পৰ দিছিলো। কিন্তু তেওঁৰ বেমাৰ উপসম হোৱা কোনো লক্ষণ দেখা নাছিলো। তেওঁ গোটেই ৰাতি যন্ত্ৰণাত ছট্‌ফট কৰিছিল আৰু আমাক কৈছিল, "মই আৰু বেছি দিন নাবাচো। এই জেলৰ ভিতৰতে মোৰ মৃত্যু হব"। কেইদিন মান তেওঁক অলপ ভালৰ ফালে অহা যেন দেখিছিলো। এদিন তেওঁ আবেলি পৰত তেওঁৰ বৰ ল'ৰা শিশিৰৰ বাবে বৈ আছিল আৰু আমাক কৈছিল, "শিশিৰে মোক বৰ ভাল পায়। নেলীক সহধৰ্মিনীৰূপে পাই মই ধন্য হৈছো। মিঃ চৌধুৰী, জীৱনটো ভোগ কৰা, জীৱনৰ আনন্দই তোমাক প্ৰেৰণা যোগাব। তোমাক কাম কৰিবলৈ শিকাব"।

ইয়াৰ পাছতে সেনগুপ্তক মেডিকেল কলেজ হস্‌পিটেললৈ স্থানান্তৰ কৰা হ'ল। যাবৰ আগদিনাও তেওঁ আমাৰ লগত কথা পাতিছিল আৰু কথা প্ৰসঙ্গত কৈছিল, "আমি পৰিচিত ব্যক্তি সকলক পাহৰি পেলাও। মৃত্যুৰ পাছতে তেওঁলোক বিস্মৃতিৰ গৰ্ভত হেৰাই যায়। আমি মৃত্যুৰ আগতে এনে কাম কৰি যাব লাগে, যি কাম মানুহে পাহৰিব নোৱাৰে। তেনে কামহে আমাৰ নাম বিস্মৃতিৰ পৰা ৰক্ষা কৰিব। এজন যাত্ৰীয়ে ৰদ-বৰষুণ সমানে সহিব লাগিব। এই সংসাৰ-চক্ৰ কোনোৰে বাবে সহজ নহয়।"

মেডিকেল কলেজ হস্‌পিটেল

সেনগুপ্তক চিকিৎসাৰ বাবে মেডিকেল কলেজ হস্পিটেলত অসুস্থ ৰাজনৈতিক বন্দী হিচাপে ভৰ্তি কৰা হৈছিল। তেওঁক এক নিৰ্দিষ্ট এলেকাত পুলিচৰ নিৰীক্ষণত খোজ কাঢ়িবলৈ দিয়া হৈছিল। নেলী সেনগুপ্তা আৰু তেওঁৰ ল'ৰা-ছোৱালীয়ে আবেলি পৰত দেখা কৰিবলৈ অনুমতি পাইছিল। এই হস্পিটেলত থকা অৱস্থাতে সেনগুপ্তই কলিকতাত চলা পুলিচী অত্যাচাৰৰ সম্ভেদ পাই আছিল আৰু শ্ৰীমতী সেনগুপ্তাক কলিকতাত অনুষ্ঠিত বাৰ্ষিক কংগ্ৰেছ অধিৱেশনত সভাপতিত্ব কৰিবলৈ অনুমতি দিছিল (1933, এপ্ৰিল)।

হস্পিটেলত সেনগুপ্তক বিশেষ অনুমতিলৈ দেখা কৰিবলৈ যোৱা ব্যক্তিসকলৰ ভিতৰত কলিকতাৰ মেয়ৰ আৰু ব্যৱসায়ত অগ্ৰণী ব্যক্তি নলিনীৰঞ্জন চৰকাৰ আৰু

8

কিৰণ শংকৰ ৰায় আছিল অন্যতম। এ সময়ত এওঁলোক দুয়োজন আছিল দেশপ্ৰিয়ৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বী। অৱশ্যে পৰৱৰ্তী কালত ভুল বুজা-বুজিৰ অৱসান ঘটিছিল আৰু এওঁলোকে দেশপ্ৰিয়ৰ প্ৰতি অনুগত হৈ তেওঁৰ নেতৃত্ব স্বীকাৰ কৰিছিল।

সেনগুপ্ত হস্পিটেলত থকা সময়তে 1933 চনৰ কলিকতা পৌৰনিগম নিৰ্বাচন অনুষ্ঠিত হৈছিল। যদিও তেওঁ প্ৰত্যক্ষভাৱে এই নিৰ্বাচনৰ লগত জড়িত নাছিল তথাপি তেওঁৰ পৰোক্ষ প্ৰভাৱ ইয়াৰ ওপৰত পৰিছিল। অনেকে ভাবিছিল যে মেয়ৰ পদত সন্তোষ কুমাৰ বসু, এল্ডাৰমেনৰূপে নেলী সেনগুপ্তা আৰু জে. চি. গুপ্ত নিৰ্বাচিত হোৱাৰ মূলতে সেনগুপ্তৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল।

সেনগুপ্তৰ ৰক্তচাপৰ উপসম নঘটাত চৰকাৰে তেওঁক 1933 চনৰ চাৰি জুন তাৰিখে ৰাঁচী শৈল-স্বাস্থ্য-নিবাসলৈ স্থানান্তৰ কৰে।

ৰাঁচীত শেষ দিন কেইটা

সেনগুপ্তক ৰাঁচীত গৃহবন্দী কৰি ৰাখিবলৈ যিটো ঘৰ ঠিক কৰা হৈছিল, সেইটো 'নগেন্দ্ৰ লজ' নামে জনাযাত। ইয়াত সেনগুপ্তক চোৱা-চিতা কৰিবলৈ শ্ৰীমতী সেনগুপ্তা আৰু যতীন্দ্ৰমোহনৰ ভাতিজা ছোৱাল এলিনক থাকিবলৈ দিয়া হৈছিল। আনৰ ক্ষেত্ৰত দেখা-সাক্ষাৎ সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন আছিল।

অন্ধকাৰময় ৰাত্ৰি

যতীন্দ্ৰমোহনৰ ৰাঁচীৰ কেম্পত থকা দিন কেইটা লাহে লাহে নিষ্প্ৰভ হৈ আহিছিল। তেওঁৰ শৰীৰ ক্ৰমাৎ বেয়াৰ ফালে ঢাল লৈছিল। নেলী আৰু এলিনৰ বাদে আনৰ লগত কথা পতাত তেওঁৰ কষ্ট হৈছিল। তাতে, তেওঁৰ ওপৰত পুলিচৰ নজৰ আছিল কট্‌কটিয়া। পুলিচে কাকো সোমাবলৈ নিদিছিল। ডঃ যদুগোপাল মুখাৰ্জি আছিল ৰাঁচীৰ এগৰাকী পেশাদাৰ ডাক্তাৰ, সেনগুপ্তৰ পুৰণি বন্ধু। তেওঁক বিপ্লৱী বুলি সন্দেহ কৰা হৈছিল বাবে তেওঁকো সেনগুপ্তকে দেখা কৰিবলৈ দিয়া নহৈছিল। সেনগুপ্তই আবেলি পৰত গাড়ীত উঠি এপাক ফুৰিবলৈ ওলাইছিল। লগত নেলী আৰু এলিনৰ বাহিৰেও পুলিচ প্ৰহৰী গৈছিল। ৰাঁচীত এই ভ্ৰমণ তেওঁ স্বাস্থ্যজনিত কাৰণত প্ৰায় সদায় কৰিছিল। 1933 চনৰ 22 জুলাইৰ দিনাত তেওঁ এই ভ্ৰমণ কৰি গলক্‌ক্লাৱত কিছু সময় ৰৈ, গাড়ীৰ পৰা নামি চাইবাছা ৰোডত হৈ থকা হকি খেল এখন খন্তেক উপভোগ কৰিছিল। গা অসুস্থ যেন লগাত তেওঁ পুনৰ গাড়ীত উঠি থকা ঠাই পালেহি আৰু সোনকালে ৰাতিৰ আহাৰ খালে। বিছনাত পৰাৰ লগে লগে তেওঁ মূৰৰ বিষত অস্থিৰ হৈ পৰিল, কথা কবলৈ অসহ্য বেদনা অনুভৱ কৰিলে। নৈশকালীন নিস্তব্ধতা বাঢ়ি অহাৰ লগে লগে তেওঁৰ মূৰৰ বিষো বেছি হ'ল। তেওঁৰ ক'কনি-গে'থনি শুনি কাষৰ কমত থকা নেলী আৰু এলিন দৌৰি আহিল। তেওঁলোক অহাৰ খন্তেক পাছতে সেনগুপ্ত অজ্ঞান হৈ পৰিল। তৎক্ষণাৎ চিভিল চাৰ্জন মেজৰ

হোৱাইটক খৱৰ দিয়াত তেওঁ তুৰন্তে আহি সেনগুপ্তক পৰীক্ষা কৰিলে আৰু ৰক্তচাপ অতিমাত্ৰা বৃদ্ধি পোৱাত হৃদযন্ত্ৰৰ পৰা তেজ চলাচল কৰা ধমনী (আৰ্টাৰি) দাল কাটি দিলে যাতে ৰোগীৰ ৰক্তচাপ কমি আহে। সেনগুপ্ত লৰচৰ নকৰাকৈ, মাতবোল বন্ধ কৰি বিছনাত পৰি থাকিল। পাছত ডাক্তাৰে পৰীক্ষা কৰি কলে যে সেনগুপ্তই ৰক্ত-ছাপৰ প্ৰবল হেঁচাত হঠাৎ ষ্ট্ৰোক্‌ত (Apoplectic Stroke) আক্ৰান্ত হৈছে। আন আন ডাক্তাৰ, নাৰ্চ আহি উপস্থিত হ'ল আৰু সেনগুপ্তৰ জ্ঞান ওভটাই আনিবলৈ আপ্ৰাণ চেষ্টা কৰিলে। কিন্তু সকলো যত্ন অথলে গ'ল। মাজৰাতি ঠিক এক বাজি পঞ্চল্লিছ মিনিটত (22-23 জুলাই, 1933) তেওঁৰ প্ৰাণবায়ু উৰা মাৰিলে। মৃত্যুৰ শেষ সময়ত যতীন্দ্ৰমোহনে নেলী সেনগুপ্তাক কিবা কব খুজিছিল। সম্ভৱ, মৰমৰ জীৱন-সঙ্গিনীৰ পৰা শেষ বিদায় লব খুজিছিল। তেওঁৰ দুচকুত পানীৰে উপচি পৰিছিল, লোটক বাগৰি আহিছিল। সেনগুপ্তৰ নশ্বৰ দেহা পৰি থাকিল। ইংৰাজ চৰকাৰে তেওঁৰ মুক্ত আৰু আলোকিত আত্মাক শৃংখলিত কৰি ৰাখিব নোৱাৰিলে।

দেশপ্ৰিয় অমৰ হৈ গ'ল

মৃত্যুৰ সময়ত যতীন্দ্ৰমোহনৰ আত্মীয় স্বজন, দুই পুত্ৰ আৰু ভ্ৰাতৃ ৰনেন্দ্ৰমোহন উপস্থিত নাছিল। কলিকতালৈ এই মৃত্যুৰ বাতৰি ৰাতি দুই বজাত টেলিফোন যোগে প্ৰেৰণ কৰা হৈছিল। ৰনেন্দ্ৰমোহনে এই বাতৰি ডঃ বি. চি. ৰয়, জে. চি. গুপ্ত, এন. আৰ. চৰকাৰ আৰু আন আন ব্যক্তিক জনালে যাতে মৃত-দেহা কলিকতালৈ আনিব পৰা যায়। কলিকতাৰ খবৰ কাগজতো বাতৰি ওলাল। এখন কাগজত হেডলাইন ওলাল; "বেঙ্গলৰ সিংহপুৰুষ চিৰনিদ্ৰাত!" আন এখনত ওলাল, "দেশৰ মূৰত বজ্ৰপাত।"

ৰাঁচীত এই মৃত্যুৰ বাতৰিয়ে সকলোকে ম্ৰিয়মান কৰিলে। মানুহৰ সোঁত বলৈ স্বৰ্গগত নেতাৰ নশ্বৰদেহা শেষ দৰ্শন কৰিবলৈ। স্থানীয় ইংৰাজ বাসিন্দা সকলো মৰ্মাহত হ'ল। পুলিচ অধিকৰ্তা মিঃ বীয়ন নিজ নেলী সেনগুপ্তা আৰু এলিনৰ ওচৰলৈ আহি গভীৰ দুখ প্ৰকাশ কৰিলে; ডি. এচ. পি. খান বাহাদুৰ আসান আহি সমবেদনা জনালে (মিঃ বীয়নে মৃতদেহ কলিকতালৈ নিবৰ বাবে ৰেলৰ বিশেষ ডবা ঠিক কৰি দিলে। "ৰাঁচী এক্‌প্ৰেছ' খনে মৃতদেহ কঢ়িয়াই 23 জুলাই তাৰিখে আবেলি কলিকতা অভিমুখে যাত্ৰা কৰিলে।

V

যতীন্দ্ৰমোহনৰ বহুমুখী-প্ৰতিভা ঃ

ক্ৰীড়াসক্ত যতীন্দ্ৰমোহন

"যতীন্দ্ৰমোহন আছিল খেলুৱৈ-ৰাজনীতিজ্ঞ। আচামী পক্ষৰ এজন নামজাদা উকীল হিচাপে তেওঁৰ ওকালতি আছিল লাভজনক। এজন ৰাজনীতিবিদ ৰূপে তেওঁৰ সুখ্যাতি আছিল ভাৰতৰ ভিতৰতে জাকতজিলিকা। এজন দেশ-প্ৰেমিক হিচাপে তেওঁ আছিল নিৰ্মল আৰু নিঃস্বাৰ্থ। তেওঁক কব পাৰি এজন সৰ্বগুণী, নিপুণ ভদ্ৰলোক। এজন খেলুৱৈ ৰূপে তেওঁৰ পৰিচয় সমানে বৈচিত্ৰ্যময়। তেওঁ গোটেই জীৱন ধৰি ক্ৰিকেট খেলিছিল। ৰাজনৈতিক মহলত শত্ৰু-মিত্ৰ উভয়ে তেওঁক ভাল পাইছিল, শ্ৰদ্ধা কৰিছিল। খেল পথাৰত তেওঁৰ উপস্থিতি আছিল সকালোৰে বাবে প্ৰেৰণাদায়ক।" (কলিকতা মিউনিচিপেল গেজেটৰ যতীন্দ্ৰমোহনৰ ওপৰত ওলোৱা স্মৃতি সংখ্যা)।

যতীন্দ্ৰমোহন স্কুলীয়া দিনৰে পৰা খেল-ধেমালিত অনুৰক্ত আছিল। প্ৰেচিডেন্সী কলেজত তেওঁ ক্ৰিকেট, ফুটবল আৰু হকিদলৰ খেলুৱৈ ৰূপে সু-নাম অৰ্জন কৰিছিল। টেনিচতো তেওঁৰ ৰাপ আছিল প্ৰচুৰ। ক্ৰিকেট আৰু টেনিচৰ এজন খ্যাতিসম্পন্ন খেলুৱৈ হিচাপে তেওঁ জনাযাত হৈ পৰিছিল। তেওঁ কলেজ এৰাৰ আগলৈকে খেলত অংশ গ্ৰহণ কৰিছিল আৰু 1905 চনলৈকে 'ষ্ট স্পৰ্টিং য়ুনিয়ন ক্লাব'ৰ খেলোৱাৰ আছিল। কেম্বিজত থকা কালতো তেওঁ ক্ৰিকেট আৰু টেনিচত যশস্যা লাভ কৰিছিল। নাওঁ খেলতো তেওঁৰ বুৎপত্তি আছিল, আৰু 1930 চনত নাওঁখেল প্ৰতিযোগিতাত লাগি থকা অৱস্থাতে পুলিচেগৈ তেওঁক গ্ৰেপ্তাৰ কৰি আনিছিল। তেওঁ জেলত সোমাই থাকিও অক্সফোৰ্ড আৰু কেম্ব্ৰিজত অনুষ্ঠিত হোৱা নাওঁখেল প্ৰতিযোগিতাৰ ফলাফল জানিবলৈ উখল-মাখল লগাইছিল।

যেতিয়া তেওঁ কলিকতা হাইকৰ্টত ওকালতি আৰম্ভ কৰিলে, তেওঁ হাইকৰ্ট ক্লাৱৰো এজন উদ্যোক্তা হৈ পৰিল। ল'ন টেনিচত বিশেষকৈ তেওঁ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি বটা লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ আন্তৰ্জাতিক ল'ন টেনিচ ক্লাব এটা সংগঠন কৰাৰ কথাও চিন্তা কৰিছিল। কলিকতা পৌৰ নিগমৰ মেয়ৰ হৈ থাকোতে তেওঁৰ ক্ৰীড়াসুলভ মনটোৱে সকলোতে প্ৰভাৱ পেলাইছিল। বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ উন্নতিৰ হকে তেওঁৰ উৎসাহ আছিল প্ৰৱল। খেল আছিল তেওঁৰ জীৱন-ৰথৰ এটা অন্তৰঙ্গ অনুভৱ। মানুহে তেওঁক 'ক্ৰীড়াসক্ত মেয়ৰ' বুলি আখ্যা দিছিল। এই আখ্যা যথাৰ্থ বুলি ভাবিবৰ কাৰণ আছিল।

চাউথ ক্লাবৰ নিৰ্মাতা

উদবাৰ্ণ পাৰ্কত থকা চাউথ ক্লাবৰ উল্লেখযোগ্য ক্ৰমোন্নতিত যতীন্দ্ৰমোহনৰ নাম সদা স্মৰণীয়। তেওঁ পৌৰনিগমৰ খেল ভালপোৱা সকলো কাউন্সিল সদস্যকে আৰু মূখ্য কাৰ্যবাহী বিষয়া জে. চি. মুখাৰ্জীক এই ক্লাবৰ সভ্য কৰিছিল। উদবাৰ্ণ পাৰ্কত চাউথ ক্লাবৰ পকা গেলেৰিৰে যি কুৰিখন খেল-প্ৰাঙ্গণ তৈয়াৰ হৈছে, তাৰ মূলতে সেনগুপ্তৰ অতুলনীয় আগ্ৰহ আৰু প্ৰচেষ্টা বুলি কলেও বঢ়াই কোৱা নহব। কলিকতাৰ চাউথ ক্লাবে এচিয়াৰ ভিতৰতে এটা আন্তৰ্জাতিক টেনিচ ক্লাব ৰূপে গৌৰৱ বহন কৰিব পাৰিছিল। সেনগুপ্তই মেয়ৰ হৈ থাকোতে কৰাচী আৰু আন আন বিদেশী ৰাষ্ট্ৰৰ টেনিচ ক্লাবক ইয়ালৈ খেল-প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ কৰি আনিছিল। চাউথ ক্লাবত আজিও ক্ৰীড়াপ্ৰেমী মেয়ৰ জনৰ ব্ৰঞ্জৰ মূৰ্তি দৰ্শনীয় হৈ স্থাপিত আছে। সেনগুপ্ত অনেক বছৰ ধৰি ক্লাবৰ উপ-সভাপতি হৈছিল।

অমৃত বাজাৰ পত্ৰিকাই (জুলাই, 25, 1933) লিখিছিল, "তেওঁৰ দৃষ্টান্ত-স্বৰূপ খেলুৱৈ মনোভাৱত কোনো জাতি, বৰ্ণ, সম্প্ৰদায়ৰ ঠাই নাছিল। ক্লাবটো আছিল সকলো খেলুৱৈৰ সাৰ্বজনীন অনুষ্ঠান। এই ভাৱাদৰ্শতে ক্লাবটোৱে সমাদৰ লাভ কৰিছিল।"

সেনগুপ্তই খেল ইমান ভাল পাইছিল যে কলিকতাৰ মেয়ৰ আৰু ব্যস্ত ৰাজনৈতিক নেতা হৈয়ো তেওঁ কলিকতাত অনুষ্ঠিত হোৱা ডাঙৰ ফুটবল, ক্ৰিকেট বা হকিখেল চাবলৈ ধাপলি মেলিছিল। খেল পথাৰত শুদ্ধ বগা খদ্দৰ পৰিধান কৰা ওখ-পাখ মানুহজনৰ খেলৰ প্ৰতি থকা অদ্ভুত নিচা দেখি দৰ্শকে স্তম্ভিত মানিছিল। তেওঁ আছিল সভা-শুৱনি ব্যক্তি।

মেয়ৰ সেনগুপ্তৰ আন এটা অৱদান—ঢাকুৰিয়া লেকৰ বট ক্লাব। ইয়াৰ তেওঁ আছিল সভাপতি আৰু চাৰ বীৰেন্দ্ৰ মুখাৰ্জী, কে. চি. মহিন্দ্ৰৰ দৰে অনেক ক্ৰীড়াপ্ৰেমী-লোক আছিল ইয়াৰ সভ্য। কিন্তু ক্লাবটো যেতিয়া ক্ৰিয়াশীল হৈ উঠিল, তেতিয়া আৰু যতীন্দ্ৰমোহন জীৱিত নাছিল। ক্লাবটোৰ প্ৰতি তেওঁৰ অন্তৰৰ আকৰ্ষণ আছিল। তেওঁক যেতিয়া ৰাঁচীলৈ বন্দী অৱস্থাত স্থানান্তৰ কৰা হৈছিল, তাৰ আগ মুহূৰ্তত তেওঁ এবাৰ ঢাকুৰিয়া লেকটো পাক এটা মাৰি চাই যাবলৈ হেপাহ কৰিছিল। পুলিচ অফিচাৰজনে তেওঁৰ এই আশা পূৰণ কৰিলে আৰু গাড়ীৰে চাৰিওফালে এটা পাক মৰাই তেওঁক পৰম আনন্দ দিলে।

তেওঁ কলিকতাৰ মেয়ৰ হৈ থাকোতে মহানগৰ খনত থকা পাৰ্কবোৰত ল'ৰা-ছোৱালীৰ খেল-ধেমালিৰ বাবে সা-সুবিধা আগবঢ়াইছিল। ৱেলিংটন স্কোৱাৰত (আজি কালি সুবোধ মল্লিক স্কোৱাৰ) ডেকা সকলৰ ব্যায়াম-শিক্ষাকেন্দ্ৰ খোলাৰ বাবে বিখ্যাত খেলুৱৈ বিষ্ণু ঘোষক পৃষ্ঠপোষকতা কৰিছিল। তেওঁ লেক অঞ্চলত এখন ষ্টেডিয়াম পাতি খেলাধূলাৰ উৎকৰ্ষ সাধিবলৈ পৰিকল্পনা হাতত লৈছিল। তেতিয়া খেল পথাৰ-বোৰত এনে সুবিধা নাছিল।

সেনগুপ্তই ডেকাসকলক সকলো ক্ৰীড়া প্ৰসঙ্গত উৎসাহ দিছিল। এদল উৎসাহী

ডেকাই বাই-চাইকেলেৰে পৃথিৱী ভ্ৰমণ কৰিবলৈ ওলোৱাত তেওঁ ডেকা কেইজনক যাত্ৰাৰম্ভৰ শুভেচ্ছা জনাবলৈ এখন সমিতি গঠন কৰিছিল। এই সমিতিৰ তেওঁ আছিল সভাপতি। ড. সৰ্বাধিকাৰী, চাৰ আৰ. এন. মুখাৰ্জীৰ দৰে সন্মানীয় ব্যক্তি এই সমিতিৰ সভ্য হৈছিল। ভ্ৰমণকাৰী ডেকা চাৰিজন আছিল যথাক্ৰমে, অশোক কুমাৰ মুখাৰ্জী (অধিনায়ক), আনন্দ মুখাৰ্জী, বিমল মুখাৰ্জী আৰু মহিন্দ্ৰ বোস (হিন্দুস্থান স্টেণ্ডাৰ্ডৰ প্ৰৱন্ধ, ডিচেম্বৰ 17, 1972)।

আগতেই উল্লেখ কৰি অহা হৈছে যে সেনগুপ্তই মৃত্যুৰ দিনা আবেলি (জুলাই, 22, 1933) ৰাঁচীৰ বন্দীগৃহৰ পৰা ফুৰিবলৈ ওলাই যাওঁতে গলফ পথাৰত নামি অলপদূৰ খোজকাঢ়ি গৈ চাইবাছা ৰ'ডত অনুষ্ঠিত হোৱা হকিখেল কিছুসময় উপভোগ কৰিছিল।

অসাধাৰণ খ্যাতিসম্পন্ন উকীল

জে. এম. সেনগুপ্ত আছিল সৰ্বভাৰতীয় খ্যাতিসম্পন্ন ব্যাৰিস্টাৰ। আচামী পক্ষৰ হৈ ওকালতি কৰি তেওঁ অভূতপূৰ্ব দক্ষতা প্ৰদৰ্শন কৰিছিল। সেই সময়ৰ ভাৰত বিখ্যাত উকীল চি. আৰ. দাস, এম. এ. জিন্না, এম. আৰ. জয়কাৰ, চিমনলাল চিতলবাদ আদিৰ দৰে জে. এম. সেনগুপ্তৰ নামো সুবিখ্যাত হৈ পৰিছিল। সেনগুপ্তই কিন্তু ওকালতি কৰিবলৈ আনৰ দৰে সময় নাপাইছিল। তেওঁৰ ৰাজনৈতিক কৰ্মতৎপৰতা লগতে ঘনাই কাৰাগাৰবাস—এই দুয়োটাৰ বাবে তেওঁ আইন ব্যৱসায়ত একান্তভাৱে লাগিব পৰা নাছিল। কিন্তু যেতিয়াই তেওঁ কোনো মোকৰ্দমাত থিয় হব লগা হৈছিল, কলিকতা বা বাহিৰত, তেতিয়াই তেওঁ নিজৰ বিচক্ষণতা প্ৰতিপন্ন কৰি সকলোকে স্তম্ভিত কৰিছিল। দেশবন্ধু দাসৰ দৰে তেওঁৰ ওকালতি আছিল প্ৰখৰ। তেওঁৰ প্ৰত্যুৎপন্নমতি আছিল দৃষ্টান্ত স্বৰূপ। অনেকবিলাক ৰাজনৈতিক মোকৰ্দমাত তেওঁ ওকালতি কৰিছিল। হত্যা, লুণ্ঠন, অস্ত্ৰলুট, সন্ত্ৰাস মূলক কাৰ্যত জড়িত বুলি অভিযুক্ত বিপ্লৱী দেশপ্ৰেমিকক অভিযোগৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ আচামী পক্ষ সমৰ্থন কৰি শক্তিশালী যুক্তি প্ৰদৰ্শন কৰিছিল। তেওঁৰ জেৰা আছিল উদ্দীপনাময় আৰু আইনসিদ্ধ। আজিও অনেকে তেওঁৰ উদাহৰণ দি গৌৰৱবোধ কৰে।

যতীন্দ্ৰমোহনৰ তীক্ষ্ণ বুদ্ধিৰ পৰিচয় পোৱা গৈছিল যেতিয়া তেওঁ চি. আৰ. দাসৰ জুনিয়ৰ ব্যাৰিষ্টাৰ হৈ চট্টগ্ৰামত বহা বিশেষ ট্ৰিবিউনেলৰ দ্বাৰা চলোৱা কুটুবদিয়া মোকৰ্দমাত অভিযুক্ত 17 জন আটক বন্দীৰ হৈ আচামী পক্ষ সমৰ্থন কৰিছিল। এই মোকৰ্দমাত যতীন্দ্ৰমোহনে ডেকা ব্যাৰিষ্টাৰ ৰূপে খ্যাতি প্ৰতিপন্ন কৰিছিল (1918)। যতীন্দ্ৰমোহনে 1920 চনৰ বছৰটোৰ বহুতো চাঞ্চল্যকৰ ৰাজনৈতিক মোকৰ্দমাৰ উকীল হৈ ডেকা বিপ্লৱীসকলক মুকলি কৰাই আনিছিল। তেওঁৰ ওকালতিৰ কলা-কৌশল আৰু অভিযোগবোৰৰ অস্বীকাৰ প্ৰমাণিত কৰা যুক্তি-সামৰ্থ্যাই অনেকবোৰ কঠিন মোকৰ্দমা আচামীৰ অনুকূল পক্ষে ৰায়দান হৈছিল আৰু খালাচ পাইছিল। এই

প্ৰসঙ্গত) এ. বি. ছাইৰে ডকাইটি কেচত অভিযুক্ত সূৰ্যসেন, অম্বিকা চক্ৰৱৰ্তী আৰু অনন্ত সিংহৰ খালাচ আৰু ঘটনাৰ সংক্ৰান্তত চট্টগ্ৰামত হোৱা অনুসৰণমূলক কাৰ্যাৱলী উল্লুকিয়াব পাৰি। (1923-24) যতীন্দ্ৰমোহনে চট্টগ্ৰামৰ চি. আই. ডি. চাব ইন্‌স্পেক্টৰ জ'নৰ হত্যাকাণ্ডৰ লগত অভিযুক্ত প্ৰেমানন্দ দত্ত আৰু এই মোকৰ্দমাৰ আগৰ সন্তোষ মিত্ৰ (অনন্তৰ সহযোগী বিপ্লৱী) আৰু আন আন ৰাজনৈতিক বন্দীৰ মোকৰ্দমাবোৰত আচামী পক্ষৰ হৈ ওকালতি কৰিছিল আৰু সবল প্ৰতিৰক্ষা দাঙি ধৰিছিল। এইবোৰৰ কিছুমান আছিল উল্টাদাঙা পি. অ' ডকাইটিৰ লগত সংযুক্ত আলিপুৰ ষড়যন্ত্ৰ মোকৰ্দমা (নতুন) সংক্ৰান্ত।

বওলা হত্যাকাণ্ড মোকৰ্দমা

সেনগুপ্তই বওলা হত্যাকাণ্ডৰ লগত জড়িত চাঞ্চল্যকৰ মোকৰ্দমাটোত প্ৰতিৰক্ষা উকীল হিচাপে সৰ্বভাৰতীয় যশস্যা অৰ্জন কৰে। মোকৰ্দমাটো হৈছিল ইন্দোৰৰ নৃত্য পটিয়সী সুন্দৰী বাইজী মুমতাজ বেগমক কেন্দ্ৰ কৰি। মুমতাজক কাৰ জিম্মাত ৰখা হব এইলৈ বিবাদৰ সূত্ৰপাত। মোকৰ্দমাত জড়িত দুই পক্ষ আছিল ধনী আৰু প্ৰভাৱশালী। একপক্ষ আছিল অৱস্থাপন্ন দেশীয় ৰাজ্যৰ মুখ্য ব্যক্তি আৰু আনপক্ষ আছিল বোম্বেৰ এগৰাকী ধনী নাগৰিক আৰু মিউনিচিপাল কাউন্সিলাৰ। মুমতাজ বেগম দেশীয় ৰাজ্যৰ প্ৰধান জনৰ মহলৰ পৰা পলাই আহি বোম্বেৰ লাখপতি জনৰ আশ্ৰয়ত থাকি তেওঁৰ ৰক্ষিতা ৰূপে দিন যাপন কৰিছিল। এই লাখপতি জ'নৰ নাম আছিল বওলা। প্ৰথম জ'ন প্ৰেমিকে বেগমক পুনৰ ধৰি আনিবৰ বাবে সকলো কৌশল প্ৰয়োগ কৰিলে। আনকি, এদল সশস্ত্ৰ গুন্দা নিয়োগ কৰি বেগমৰ অংগ খুত কৰিবলৈ ষড়যন্ত্ৰ কৰিলে। বওলাই বেগমক লগত লৈ মালাবাৰ হিলচ্‌ত প্ৰমোদ ভ্ৰমণ কৰি থাকোতে সুবিধা চাই থকা প্ৰথম প্ৰেমিকৰ দ্বাৰা নিযুক্ত হত্যাকাৰীয়ে বওলাক গুলিয়াই হত্যা কৰে। হত্যাকাৰীৰ মূল মানুহটোক সেই সময়ত মালাবাৰ হিলচত ঘূৰি থকা এটা মাৰ্কিন পৰ্যটক দলে লগে লগে কৰায়ত্ত কৰে। সেনগুপ্তক অভিযুক্ত চফি আহমেদৰ হৈ ওকালতি কৰিবলৈ নিয়োগ কৰা হ'ল। তেওঁ মোকৰ্দমাটো লোৱাৰ বাবদ একলাখ টকা ফিজ পালে। তাৰে 25 হেজাৰ অগ্ৰীম ধন ৰূপে অভিযুক্ত পক্ষই আগবঢ়ালে। আন পক্ষ অভিযুক্তকাৰীক সমৰ্থন কৰিলে বোম্বেৰ বিখ্যাত ব্যাৰিষ্টাৰ মিঃ জিন্না আৰু মিঃ ৱেল্‌নিকাৰে। এই মোকৰ্দমাত সেনগুপ্তই তেওঁৰ আইন ব্যৱসায়ৰ সকলো কৌশল প্ৰয়োগ কৰিছিল। তেওঁ বাদী পক্ষৰ সাক্ষীক অনেকদিন ধৰি জেৰা কৰিব লগা হৈছিল। উপস্থিত থকা দৰ্শকসকলে তেওঁ জেৰা কৰা পদ্ধতি লক্ষ্য কৰি প্ৰশংসা কৰিবলৈ কৰ্ট বিল্ডিংৰ বাহিৰত তেওঁক বেঢ়ি ধৰিছিল। অৱশেষে মোকৰ্দমাটোত প্ৰধান আচামী আৰু তেওঁৰ সহায়কাৰী অভিযুক্ত লোকসকলক বছাব পৰা নগ'ল। সেনগুপ্তকে মুখ্য উকীল হিচাপে লৈ অভিযুক্ত পক্ষই কৰ্টৰ ৰায়ৰ বিৰুদ্ধে প্ৰিভি কাউন্সিলত আপীল কৰিবলৈ ঠিক কৰিলে। কিন্তু দুৰ্ভাগ্যৰ কথা, সেই সময়তে

চি. আৰ. দাসৰ মৃত্যু ঘটিল। সেনগুপ্তই প্ৰিভি কাউন্সিলত থিয় হবলৈ ইংলণ্ডলৈ যাব নোৱাৰিলে।

গান্ধীজীৰ বিচাৰ আৰু জে. এম. সেনগুপ্ত

1929 চনৰ তিনি মাৰ্চৰ দিনা কলিকতাৰ মিৰ্জাপুৰ পাৰ্কত (আজিৰ শ্ৰদ্ধানন্দ পাৰ্ক) বিদেশী বস্ত্ৰদাহ-যজ্ঞ আৰম্ভ হৈছিল। ইয়াত গান্ধীজীৰ লগত বংগীয় কংগ্ৰেছৰ নেতা জে. এম. সেনগুপ্ত, সুভাষচন্দ্ৰ বসু, কিৰণ শংকৰ ৰায়, জ্ঞানাৰ্জন নিয়োগী প্ৰভৃতি উপস্থিত আছিল। গান্ধীজীৰ উপস্থিতিয়ে বস্ত্ৰদাহ যজ্ঞত বিশেষ আকৰ্ষণ বঢ়াইছিল আৰু জনসমাগম বৃদ্ধি কৰিছিল। এনে এটা ডাঙৰ মেলাত পুলিচ উপস্থিত হ'ল আৰু জধে-মধে লাঠি চলাবলৈ ধৰিলে। অনেক ঘাইল হ'ল, কোনোজন গুৰুতৰ আঘাতত মৃত্যু হ'ল। গান্ধীজী আৰু কেই গৰাকীমান নেতাক পুলিচে ধৰি লৈ গ'ল। তেওঁলোকক কলিকতা পুলিচ আইন অনুসাৰে চহৰৰ ৰাজহুৱা ঠাইত ডাঙৰ জন-সমাগম আয়োজন আৰু শান্তি ভংগ অপৰাধত মুখ্য প্ৰাদেশিক হাকিমৰ আগত হাজিৰ কৰিবলৈ হুকুম হ'ল। জে. এম. সেনগুপ্তই গান্ধীজী আৰু আন অভিযুক্ত নেতাৰ হৈ হাকিমৰ আদালতত ওকালতি কৰিলে। অভিযুক্ত নেতা সকলৰ মাজত কিৰণ শংকৰ ৰায়ো আছিল। সেনগুপ্তই যুক্তি প্ৰদৰ্শন কৰি কৈছিল যে এমন ডাঙৰ পাৰ্কৰ কেন্দ্ৰস্থলতহে বস্ত্ৰদাহ হৈছিল। এই বস্ত্ৰদাহে কোনো প্ৰকাৰে বাহিৰত অশান্তিৰ সৃষ্টি কৰা নাছিল। সেইবাবে কলিকতা পুলিচ আইন ইয়াত প্ৰযোজ্য নহয়।

শুনানীৰ পিছদিনা হাকিম ৰক্সবুৰোৱে গান্ধীজী আৰু কিৰণ শংকৰক দোষী সাব্যস্ত কৰি প্ৰত্যেককে এটকাকৈ, অনাদায়ে এসপ্তাহ বিনা-পৰিশ্ৰমে কাৰাদণ্ডৰ ৰায় দিলে। মিঃ জ্ঞান শংকৰ সেনগুপ্তই তৎক্ষণাৎ জৰিমনা আদায় দিলে। জে. এম. সেনগুপ্তৰ পৰামৰ্শত জ্ঞান শংকৰৰ প্ৰকৃত নাম নথিভুক্ত নকৰি 'এজন বন্ধু' বুলি ৰেকৰ্ড কৰা হ'ল। গান্ধীজী সেই সময়ত কলিকতাৰ বাহিৰত আছিল। তেওঁৰ মুক্তিৰ বাবে ফাইন শোধ কৰা শুনি তেওঁৰ খং উঠিছিল। কাৰণ, এজন সত্যাগ্ৰহী হিচাপে ফাইন ভৰা তেওঁৰ ধৰ্ম নাছিল। তেওঁ জেল খাতিবলৈ প্ৰস্তুত আছিল। এই বিষয়ত ক্ষোভ প্ৰকাশ কৰি তেওঁ "ইয়ং ইণ্ডিয়া" সাপ্তাহিকত এটা প্ৰবন্ধ লিখিছিল। সেনগুপ্তই প্ৰবন্ধটো পঢ়ি তৎক্ষণাৎ গান্ধীজীৰ লগত টেলিফোনেৰে কথা পাতি, যি জনে জৰিমনা আদায় দিছিল তেওঁৰ নামটো জানিবলৈ দিলে আৰু কলে যে তেওঁৰ উপদেশতে জ্ঞান শংকৰে জৰিমনা জমা দিব লগা হৈছিল। সেনগুপ্তই কৈছিল যে প্ৰাদেশিক আদালতৰ ৰায়ৰ সংশোধন বিচাৰি তেওঁ উচ্চ ন্যায়ালয়ত আপীল এটা কৰাৰ কথা চিন্তা কৰিছে। মহাত্মাজীয়ে সেনগুপ্তৰ আন্তৰিকতাৰ শলাগ ললে আৰু তেওঁৰ নিপুণ ওকালতি বিদ্যাৰ প্ৰশংসা কৰিলে। এই উত্তৰে সমালোচকৰ মুখ বন্ধ কৰিলে। গান্ধীজীয়ে অৱশ্যে পাছত কৈছিল যে প্ৰাদেশিক আদালতৰ ৰায়ৰ বিৰুদ্ধে হাইকৰ্টত আপীল কৰা কাৰ্যত তেওঁৰ সমৰ্থন নাছিল। তেওঁ এনে কাৰ্য ভাল নাপায়।

তেওঁ ফৌজদাৰী মোকৰ্দমাৰ এজন দক্ষ উকীল হিচাপে ওকালতি কৰা কম সময়খিনিতে বহুতো জটিল ‘চেছন কেচ’ হাত লৈছিল। এনে এটা জটিল মোকৰ্দমা আছিল, ‘কাবুলী হত্যা কেচ’। এই মোকৰ্দমা ফৰিদপুৰত বিচাৰ হৈছিল আৰু অভিযুক্ত ব্যক্তিজন আছিল উত্তৰপাৰা জমিদাৰৰ ল’ৰা। কলিকতাৰ কোনো নামজাদা ব্যাৰিষ্টাৰে মোকৰ্দমাটো চাই দায়িত্ব লবলৈ মান্তি নহ’ল। সেনগুপ্তক অনুনয়-বিনয় কৰি মোকৰ্দমাটো চাই দায়িত্ব লবলৈ অভিযুক্ত পক্ষই মান্তি কৰালে। ন্যায়াধিপতি সুহৰাৱৰ্দীয়ে সেনগুপ্তৰ জেৰা আধা ঘণ্টা ব্যাপি শুনিলে আৰু চিন্তা কৰি যুক্তিবোৰ অনুধাৱন কৰিলে। তেওঁ সুচিন্তিত ৰায় দি অভিযুক্ত ব্যক্তিক প্ৰমাণৰ অভাৱত খালাচ দিলে। সেনগুপ্তই চট্টগ্ৰামতো কেবাটাও জটিল মোকৰ্দমাত জয়যুক্ত হৈছিল। সুবিখ্যাত বিচাৰক দ্বাৰকানাথ মিত্ৰই সেনগুপ্তৰ বাগ্মিতাক ভূয়সী প্ৰশংসা কৰিছিল। তেওঁ কৈছিল, “মোৰ মনত আছে, 1929 চনত যেতিয়া মই কলিকতা হাইকৰ্টৰ বিচাৰক আছিলো, সেনগুপ্তই এটা হত্যাকাণ্ড সংক্ৰান্ত মোকৰ্দমাত আচামী পক্ষৰ হৈ মোৰ আদালতত ওকালতি কৰিছিল। মই তেওঁৰ আইনজ্ঞ বাকপটুতা আৰু বিষয় প্ৰসঙ্গৰ ওপৰত থকা নৈপুণ্যতা দেখি মোহিত হৈছিলো। সেনগুপ্তৰ বাগ্মিতাত মাননীয় জুৰি সকল অভিমতৰ ক্ষেত্ৰত বিভক্ত হ’ল। ৫ জনে সপক্ষে আৰু চাৰি জনে বিপক্ষে মতামত দিলে। এনে এটা অৱস্থাত মই নতুনকৈ বিচাৰ আৰম্ভ কৰাৰ হুকুম দিলো। কেচটো পুনৰ মোৰ আদালতলৈ নাহিল। অন্য এগৰাকী বিচাৰকৰ তালিকাভুক্ত হ’ল। আচামী ৰায়দানত দোষী-সাব্যস্ত হ’ল। কিন্তু ৰায়দান যিয়েই নহওক লাগিলে, এটা কথা কব লাগিব যে সেনগুপ্তই যি ধৰণেৰে মোকৰ্দমাটো চলাইছিল, তাত তেওঁৰ অদ্ভুত পাৰদৰ্শিতা প্ৰকাশ পাইছিল। মই মোৰ নিজা জ্ঞানেৰে এই কথা স্বীকাৰ কৰিবলৈ বাধ্য।”

প্ৰকৃত মানুহ আৰু সংগ্ৰামী দেশ-প্ৰেমিক

এটা জাতিক মহত্ত্বৰ ফালে আগবঢ়াই নিওতে সেই জাতিৰ মাজত জন্মলাভ কৰা মহৎলোক সকলৰ অৱদান অবিস্মৰণীয়। “এই ধৰণৰ কথাষাৰ কৈছিল এডমাণ্ড বাৰ্কে আৰু এই স্মৰণীয় বাক্য লণ্ডনত থকা চেট্‌হামৰ স্মৃতিফলকত লিপিবদ্ধ কৰা হৈছিল।”

ভাৰতীয় নেতাসকলৰ ভিতৰত তুলনামূলকভাৱে কম বয়সৰ যতীন্দ্ৰমোহনৰ গাত এনে লক্ষণ বিদ্যমান। যতীন্দ্ৰমোহনৰ তীক্ষ্ণবুদ্ধি, চতুৰ যুক্তি, সুস্পষ্ট দূৰদৃষ্টি, চিন্তা আৰু মত প্ৰকাশ, সাহস আৰু দৃঢ়তা, বহুমুখী প্ৰতিভা, ৰাজনীতিজ্ঞ বনাম দেশ-প্ৰেমিক প্ৰভৃতি অনেক বৈশিষ্ট্যমূলক গুণৰ বলত তেওঁৰ জীৱন-যুদ্ধৰ ইতিহাস বৈচিত্ৰপূৰ্ণ। এই গুণৰাজিৰে তেওঁ অনেক প্ৰতিকূল অৱস্থাৰ লগত সংগ্ৰাম কৰিছিল।

বীৰ-যোদ্ধা

যতীন্দ্ৰমোহনে নেতৃত্বৰ ভাৰ লোৱাৰ দিনৰে পৰা এজন বীৰ যোদ্ধাৰূপে পৰিচয়

দিছিল। তেওঁ বৃটিছ শাসকৰ হাতৰ পৰা মাতৃভূমিক স্বাধীন কৰিবলৈ বিশ্ৰামহীন সংগ্ৰাম চলাইছিল। তেওঁ সততাৰ সৈতে এসময়ৰ তেওঁৰ গুণমুগ্ধ আৰু বৰ্তমানৰ কটু ৰাজনৈতিক সমালোচক সহকৰ্মী সকলৰ প্ৰত্যাহ্বান সম্মুখীন হৈছিল। সেনগুপ্তৰ আদৰ্শ আৰু কৰ্মনীতি আছিল সৰল, নিৰ্ভেজাল। তেওঁ পক্ষীয় ৰাজনীতি আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজিছিল। এই যুঁজ আছিল মুক্তহাতৰ আৰু খোলা অন্তৰৰ। এই যুঁজ আছিল আত্মপ্ৰত্যয়ৰ, গভীৰ উপলব্ধিৰ ওপৰত আৰু বাগ্মিতাৰ ওপৰত প্ৰতিস্থিত। অনেক ব্যক্তিগত আৰু ৰাজনৈতিক পৰীক্ষাৰ মাজেদি তেওঁৰ জীৱন অতিবাহিত হৈছিল। এইবোৰ পৰীক্ষাই তেওঁৰ অভিজ্ঞতা পূৰঠ আৰু ঘনীভূত কৰি তেওঁক এজন পূৰ্ণ মানৱলৈ ৰূপান্তৰ ঘটাত সহায় কৰিছিল।

এই কথা ক্ৰমশই স্পষ্ট হৈ উঠিছিল যে যতীন্দ্ৰমোহনৰ জীৱন, কৰ্ম, আচৰণ আৰু চৰিত্ৰত দ্বৈত ব্যক্তিত্বৰ আদৰ্শস্বৰূপ সমন্বয় গঢ়ি উঠিছিল। কবলৈ গ'লে এই দ্বৈত ব্যক্তিত্বৰ তেওঁ আছিল এটা লেখত লবলগীয়া উদাহৰণ।

এগৰাকী শক্তিবান বক্তাৰ গাত ক্ষমতাশালী ব্যক্তিত্ব থকাটো যেনেকৈ আশা কৰিব পাৰি, যতীন্দ্ৰমোহনৰ ব্যক্তিত্বতো আমি মোহনীয়ৰূপ দেখিবলৈ পাইছিলো। তেওঁৰ পোছাক-পৰিচ্ছদ আছিল দেখনিয়াৰ। তেওঁ সাধাৰণতে পৰিধান কৰিছিল গান্ধীৰব দৰে বগা খদ্দৰ-চুৰিয়া, গতে মেৰিয়াই লোৱা শুদ্ধবগা খাঙ্গী চাদৰ। এই সাজপাৰত তেওঁক সুন্দৰ দেখা গৈছিল। ঠিক যেন প্ৰাচীন ৰোমান উচ্চ সমাজনেতাই গাত পেলাই, ঢিলা পোছাক পিন্ধা, এজন ব্যক্তিত্ব ভৰা লোকহে যেনিবা। তেওঁ আছিল দীৰ্ঘ দেহী (ছয় ফুটৰো ওখ), বহোতে, ঠিয় হওতে, খোজ কাঢোতে তেওঁৰ দেহ ভঙ্গিমা আছিল সদায় পোন। তেওঁৰ কপালখনত চিন্তাৰ আভা ফুটি ওলাইছিল। বহল কপালৰ তলত থকা তীক্ষ্ণ চক্ষুযুগল শোভিত হৈছিল, জোঙা নাকৰ ওপৰত ধৰি থকা দাতিবিহীন চছমাবিশেষ। এই ব্যক্তিত্ব-ভৰা মানুহজনে যেতিয়া বিৰাট জনসভাত থিয় দি তেওঁৰ বক্তৃতা আৰম্ভ কৰিছিল, তেতিয়া তেওঁৰ বক্তৃতাৰ গতি কোমল স্বৰৰ পৰা ক্ৰমাৎ পৰিপক্ক গম্ভীৰ সুশ্ৰাব্যলৈ পৰিণত হৈছিল আৰু উচ্চনিনাদী বাগ্মিতা প্ৰকাশ পাইছিল। প্ৰতিধ্বনিত হৈছিল তেওঁৰ আত্মাৰ বিশ্বাস আৰু সাধুতা।

থিয়ো, এইচ, থ্ন্, এম চি, য়ে যথাৰ্থতে কৈছিল ঃ

"সকলো ডাঙৰ মনীষীৰ ব্যক্তিত্বত দুটা দিশ থাকে। এটা ৰাজহুৱা দিশ, এই দিশত প্ৰকাশ পায় মানুহজনৰ প্ৰচণ্ড, অদমনীয় আৰু অফুৰন্ত শক্তি। আনটো ব্যক্তিগত বা ঘৰুৱা। ইয়াত প্ৰকাশ পায় তেওঁৰ সাম্য, সৰল আৰু স্নেহ গুণৰাজি। মিঃ সেনগুপ্তৰ এই দুয়োটা দিশ লক্ষ্য কৰিব পাৰি। যি সকলে অকল তেওঁৰ ৰাজহুৱা ভাষণহে শুনিছে, তেওঁলোকে ভাষণত কেতিয়াবা ভাল নলগা কথাও হজম কৰিব লগাত পৰিছে। যি সকলে তেওঁৰ ভাষণ শুনাই নাই, কিন্তু ব্যক্তিগত ভাৱেহে ল'গ পাইছে, তেওঁলোকে মানুহজনৰ ৰসাল আৰু থুহুটীয়া কথাবোৰহে (কথাবোৰকৈ হাঁহি এটা মাৰি তেওঁ চছমাজোৰ সদায় ঠিক কৰি লয়) শুনি ৰগৰ পাইছে। এই দুই প্ৰকাৰ শ্ৰোতাই

মানুহজ'নৰ দুয়োটা দিশ যে সমানে বৈচিত্ৰ্যপূৰ্ণ, সেই বিষয়ে হয়তো ভাবিব পৰা নাই।"

"সেনগুপ্তই এই বৈচিত্ৰ্যৰ ভাৱ-সাম্য হেৰুৱা নাছিল। ৰাজহুৱা সভাত অগ্নিবৰ্ষী ভাষণ দিওতে তেওঁ কোনোদিনে অধৈৰ্য হোৱা চকুত নাপৰিছিল। তেওঁৰ বক্তৃতাই ৰাইজক কেতিয়াবা উত্তেজিত কৰিছিল, তেওঁ কিন্তু নিজে ধীৰ, স্থিৰ হৈ বক্তৃতা দি গৈছিল। তেওঁৰ বক্তৃতা শুনি মই কেতিয়াবা উপহাস কৰিবলৈ বাধ্য হৈছিলো। তেওঁ কিন্তু বিচলিত নহৈছিল। আন্তৰিকতাৰেই তেওঁ কথাবোৰ শ্ৰৱণ কৰিছিল। ইয়াৰ কাৰণ এটা মই বিচাৰি পাইছিলো। তেওঁ কেম্ব্ৰিজত শিক্ষা পাইছিল, লণ্ডনৰ হাইড পাৰ্কৰ গণতান্ত্ৰিক কথাবাৰ্তাবোৰৰ অভিজ্ঞতা লাভ কৰি আহিছিল। তেওঁ হয়তো বুজিব পৰা নাছিল যে তেওঁৰ ৰাজহুৱা ভাষণবোৰে ডেকাশক্তিৰ মনত কেনেকৈ ক্ৰিয়া কৰিছিল। তেওঁৰ দৰেই যে এই ডেকাসকলে তেওঁলোকৰ জননী জন্মভূমি বংগদেশৰ ৰাজনৈতিক বন্ধন-মোচনৰ বাবে উদগ্ৰীৱ হৈ পৰিছিল, সেই কথা তেওঁ সম্ভৱ লক্ষ্য কৰা নাছিল। তেওঁৰ উত্তাল বক্তৃতাই ডেকাসকলৰ মনত যি প্ৰতিক্ৰিয়া কৰিব পাৰে, সেই বিপদৰ কথা তেওঁক মই স্মৰণ কৰাইছিলো। তেওঁ দৃঢ়ভাৱে মোক কৈছিল যে দেশৰ ডেকাশক্তিক তেওঁ মোতকৈ বেছি জানে। মই নাজানো, তেওঁৰ এই দাবী কিমান যুক্তিসিদ্ধ। খেল উপভোগ কৰা দৰ্শকে খেলুৱৈ সকলতকৈ খেলৰ কথা বেছি জানে বুলি কথা এটা আছে। সেনগুপ্তৰ বেলিকাও এই পটন্তৰ খাটিব পাৰে। সেই সময়ত মই প্ৰায়ে কলেজৰ ছাত্ৰসকলৰ সভাত বক্তৃতা দিব লগা হৈছিল। ডেকা ল'ৰাবোৰৰ মুমূৰ্ষু মুখ বোৰলৈ চাই মোৰ অনুভৱ হৈছিল, এইবোৰ ডেকাল'ৰা বাস্তৱিকতা সৱল অন্তৰৰ। সিহঁতৰ জলন্ত দৃষ্টিয়ে সত্য অন্বেষণৰ বাবে উৎকণ্ঠ হৈ আছে। সিহঁতে বাস্তৱ ঘটনাৰ চমৎকৃত বক্তৃতা বা ৰাজনৈতিক পক্ষপাতিতা নিবিচাৰে।"

সেনগুপ্তই কলিকতা পৌৰসভাৰ মেয়ৰৰ পদত থকা সুদীৰ্ঘ কালত (1925-31) আৰু বেঙ্গল লেজিচলেটিভ কাউন্সিল চেম্বাৰৰ সদস্য পদত থকা সময়ত ৰাইজৰ জনহিতকৰ কামত আগবঢ়ুৱা আছিল। তেওঁ বিদেশীশাসনৰ পৰা দেশ স্বাধীন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সামাজিক আৰু নৈতিক উন্নতিৰ হকে তেওঁ সমাজ উন্নয়ন কামত উৎসাহ দেখুৱাইছিল। এই কামৰ বাবে তেওঁ অনেক সময়ত বিৰোধী পক্ষ, চৰকাৰ, মনোনীত সদস্য আৰু বিশেষকৈ ইংৰাজ সদস্য সকলৰ লগত বাক-বিতণ্ডা কৰিব লগাত পৰিছিল। কিন্তু, কাউন্সিল হলৰ বাহিৰত তেওঁ আছিল সম্পূৰ্ণ বেলেগ মানুহ। তেওঁ টেনিচ খেলত আৰু আন আন বিনোদনৰ কেন্দ্ৰত এই সকল লোকৰ অনেকক লগ পাইছিল। তেওঁলোকৰ লগত তেওঁৰ সম্পৰ্ক তেতিয়া আছিল সৌহাৰ্দ্য-পূৰ্ণ। এই বন্ধুত্বত ৰাজনীতিৰ প্ৰভাৱ নাছিল। তেওঁৰ কোনো কোনো পুৰণি বন্ধুৱে ৰাজনৈতিক মতভেদত তেওঁক কটু সমালোচনা কৰিছিল। তেওঁ এইবোৰ কথাত কেতিয়াও বিচলিত নহৈছিল আৰু সমালোচক বন্ধুসকলৰ প্ৰতি কঠোৰ বাক্য প্ৰয়োগ নকৰিছিল। কাৰো মনত কষ্ট দিয়া তেওঁৰ উদ্দেশ্য নাছিল। অনেক মেল-মিটিং আলাপ-আলোচনাত তেওঁক কেন্দ্ৰ কৰি বিতৰ্কৰ সৃষ্টি হৈছিল। সেনগুপ্তই তেওঁৰ

পাইপটো মুখত ভৰাই চছমাজোৰ চকুত পুনৰ ঠিক কৰি গম্ভীৰ হৈ বহি আছিল। তেওঁক কেতিয়াও অধৈৰ্য হোৱা দেখা নগৈছিল।

এনে হোৱাৰ মূলতে সেনগুপ্তৰ শিল্পীসুলভ মনোবৃত্তি। সকলো ক্ষেত্ৰতে তেওঁৰ খেলুৱৈ সুলভ মনোভাৱে কাম কৰিছিল আৰু তেওঁক অশিষ্ট আচৰণৰ পৰা মুক্ত ৰাখিছিল। তেওঁ তল-খুচৰীয়া স্বভাৱ ভাল নাপাইছিল। মানুহে কোৱাকুই কৰিছিল যে সেনগুপ্তই ৰাজনৈতিক ক্ষেত্ৰত যি প্ৰচণ্ড বাগ্মিতা প্ৰদৰ্শন কৰিছিল তেনে প্ৰদৰ্শন আনক্ষেত্ৰত দেখুওৱা নাছিল। তেওঁ আছিল এজন শান্ত, ধীৰ, স্থিৰ সমাজপ্ৰিয় প্ৰাণৱন্ত মানুহ। সকলোকে তেওঁ বন্ধুভাৱে সমাদৰ কৰিছিল। বহুত মানুহতকৈ তেওঁ আছিল বেলেগ প্ৰকৃতিৰ। কোনো মানসিক কষ্ট বা দুঃশ্চিন্তাক তেওঁ প্ৰকাশ নকৰি নিজে সেইবোৰ সুস্থ চিত্তেৰে সমাধা কৰিবলৈ চেষ্টা কৰিছিল। মানুহৰ প্ৰতি তেওঁৰ ব্যৱহাৰ সদায় মানৱীয় বিবেচনাৰে প্ৰতীয়মান হৈছিল।

কলা-সংস্কৃতিৰ প্ৰতি অনুৰাগ

যতীন্দ্ৰমোহন আছিল কলা-সংস্কৃতিৰ প্ৰতি অনুৰাগী ব্যক্তি। তেওঁ মাজে সময়ে অভিনয় আৰু কথাছবি-প্ৰদৰ্শন চাবলৈ গৈছিল। সেই সময়ত এনেবোৰ মাধ্যমৰ জনপ্ৰিয়তা বেছি নাছিল। যতীন্দ্ৰমোহনে এইবোৰৰ প্ৰতি পৃষ্ঠপোষকতা দেখুৱাই ছিল। নাটকৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ বঢ়াবলৈ তেওঁ 'জাতীয় ৰংগমঞ্চ'ৰ কথা চিন্তা কৰিছিল আৰু এই বিষয়ে প্ৰসিদ্ধ নাট্যকাৰ আৰু প্ৰযোজক অপৰেশ মুখোপাধ্যায় আৰু অমৃতলাল বসুৰ লগত তেওঁ আলোচনা কৰিছিল। দেশবন্ধু দাসে জাতীয় ৰংগমঞ্চৰ কথা যতীন্দ্ৰমোহনক বহুদিনৰ আগতে থিয়েটাৰৰ প্ৰসংগত উল্লেখ কৰিছিল। এই কথা যতীন্দ্ৰমোহনে সদায় মনত ৰাখি বংগীয় থিয়েটাৰৰ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰাৰ বাবে নাট্যকলাৰ লগত জড়িত ব্যক্তি সকলৰ লগত কথা-বতৰা হৈছিল। থিয়েটাৰ দৰে কথাছবি শিল্পৰ বিকাশৰ প্ৰতিও তেওঁৰ অনুৰাগ আছিল। এই শিল্পৰ ভৱিষ্যত যে উজ্জ্বল, সেই বিষয়ে তেওঁৰ সন্দেহ নাছিল। সেনগুপ্ত মেয়ৰ হৈ থাকোতে "বৃটিশ ডমিনিয়ন ফিল্ম লিমিটেড" 1928 নামৰ নতুন মুভি স্টুডিঅ' এটা উন্মোচন কৰে। এই স্টুডিঅটোৰ প্ৰতিষ্ঠাপক আছিল বিখ্যাত ধীৰেন গাংগুলী, যি গৰাকী লোক কথাছবি জগতত "ডি. জি." বুলি সু-প্ৰসিদ্ধ আছিল। (এই গ্ৰন্থৰ লিখকে "ডি. জি-ৰ" লগত' '86 চনত এটা সাক্ষাৎকাৰ লবলৈ সুবিধা পাইছিল।)

সেনগুপ্তৰ সামাজিক আৰু সাংস্কৃতিক যোগাযোগ

যতীন্দ্ৰমোহন যে অকল ৰাজনীতিতে ব্যাপ্ত আছিল এনে নহয়। তেওঁৰ এটা উচ্চ পৰ্যায়ৰ সাংস্কৃতিক আৰু আধ্যাত্মিক দিশো আছিল। লিখক আৰু সমালোচক ভৱানী মুখোপাধ্যায়ৰ পৰা গম পাব পাৰি যে কলিকতা বিশ্ববিদ্যালয়ত (ইনষ্টিটিউট হ'লত) এখন সাংস্কৃতিক অনুষ্ঠান বহিছিল। তাত ৰবীন্দ্ৰনাথ উপস্থিত আছিল আৰু কবি কণ্ঠেৰে

নিৰ্বাচিত কবিতা কেইটামান আবৃত্তি কৰিছিল। অনুষ্ঠানত নৃত্য-গীতৰো কাৰ্যসূচী আছিল। অনুষ্ঠানৰ মুখ্য-অতিথি কলিকতাৰ মেয়ৰ সেনগুপ্ত অন্য এখন ৰাজহুৱা সভাত ব্যস্ত থাকিব লগা হোৱাত পলমকৈ আহি উপস্থিত হৈছিল। সেই সময়ত ৰবীন্দ্ৰনাথৰ কবিতা-পাঠ শেষ হৈ অনুষ্ঠান বিৰতি ঘোষিত হৈছে। যতীন্দ্ৰমোহনে ৰবীন্দ্ৰ ঠাকুৰৰ কবিতা বৰ ভাল পাইছিল। তেওঁ কবি গৰাকীক এটুকুৰা কাগজত পুনৰ কবিতা পাঠ কৰিবৰ বাবে অনুৰোধ জনালে। কবিয়ে হাঁহিমুখে মেয়ৰৰ অনুৰোধ ৰক্ষা কৰিবলৈ থিয় হ'ল। কবিয়ে উদাত্তস্বৰে কবিতা আবৃত্তি কৰিলে। সভাকক্ষ নিস্তব্ধ আৰু অভিভূত হৈ পৰিল : "যদিয়ো সন্ধ্যা আসিছে মন্দ মন্থৰে······"এই কবিতাটোৱে যতীন্দ্ৰ-মোহনৰ হৃদয় স্পৰ্শ কৰিলে। কলিকতাৰ সাংস্কৃতিক জীৱনত এই সন্ধিয়া অনুষ্ঠানটো স্মৰণীয় হৈ ৰব। গুৰুদেৱ ঠাকুৰ আৰু মেয়ৰ যতীন্দ্ৰমোহনে ইয়াত এক অপূৰ্ব পৰিবেশত মিলিত হৈছিল। এই গ্ৰন্থৰ লিখকে এই প্ৰসংগত এটা ঘটনা স্মৰণ কৰিব খুজিছে। "মই যেতিয়া স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ আছিলো 1926-28 তেতিয়া মই কলেজ ষ্ট্ৰীট আৰু হাৰিচন ৰোডৰ ক্ৰচিঙত অৱস্থিত ৱাই. এম. চি. এ. (Y.M.C.A.) ছাত্ৰবাসত আছিলো। আমি তাত মাজে সময়ে সাংস্কৃতিক অনুষ্ঠান পাতিছিলো আৰু ইয়াৰ নাম আছিল "আফটাৰ ডিনাৰ থাৰ্টি ক্লাব"। ইয়াৰ এটা বিশেষ বৈঠকত কলিকতাৰ বিশপ (ধৰ্মযাজক), কলিকতাৰ মেয়ৰ জে. এম. সেনগুপ্ত সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল। ভোজন-অন্তত দিয়া এটা চমু ভাষণেৰে সেনগুপ্তই আমাক উৎসাহিত কৰি ভাৰত ভূমিৰ মুক্তি আন্দোলনত ডেকাশক্তিৰ দেশপ্ৰেমৰ ওপৰত গুৰুত্ব দিছিল। এই চমু ভাষণতে তেওঁৰ মানসিক অসীম বোধৰ আয়তন ফুটি ফলাইছিল। বৈঠকত উপস্থিত থকা আন এজন বিশিষ্ট অতিথি প্ৰধান বিশপৰ প্ৰতি লক্ষ্য ৰাখি কৈছিল যে দেশক ভাল পোৱা হৈছে ঈশ্বৰক আৰু মানৱতাক ভাল পোৱাৰ সৈতে একে পৰ্য্যায়ৰ। তেওঁ কৈছিল, ইয়াৰ বাবে মান নিৰ্ণায়ক হব লাগিব বিবেক আৰু ন্যায়পৰায়ণতা। তেওঁ এই মাৰ্কিন কবি আৰু দাৰ্শনিক এমাৰচনলৈ আঙুলিয়াইছিল। এমাৰচনে আধ্যাত্মিক বিষয়ত বিবেকক মুখ্য বিচাৰক ৰূপে প্ৰতিপন্ন কৰিছিল। ধৰ্মীয় অনুষ্ঠান সমূহে মানুহক বিবেক সু-পথত পৰিচালনা কৰিবলৈ সহায় কৰে। দেশপ্ৰেমৰ ক্ষেত্ৰটো বিবেকৰ সু-সংযত নিৰ্দেশ দৰকাৰ। মুখ্য ধৰ্মযাজকজনেও সেনগুপ্তৰ ব্যাখ্যাত আনন্দ লভিছিল আৰু তৰুণ শক্তিক ভগৱানে আশীৰ্বাদ দিবলৈ প্ৰাৰ্থনা জনাইছিল। বৈঠকত উপস্থিত থকা ডেকা সকলে দুগৰাকী বিশিষ্ট কলিকতা নাগৰিকৰ বাণী শ্ৰৱণ কৰি ধন্য হৈছিল আৰু হাত-চাপৰি বজাই অভিনন্দন জনাইছিল।

অবিশ্ৰান্ত সাহায্য-কাৰ্য

যতীন্দ্ৰমোহনে প্ৰাকৃতিক দুৰ্যোগত বিধ্বস্ত হোৱা পীড়িত লোকৰ সাহায্যৰ বাবে সদায় নিজকে ব্ৰতী কৰিছিল। কষ্ট আৰু অভাৱ প্ৰশমিত কৰিবলৈ তেওঁৰ তত্ত্বাৱধানত সেৱা দল গঠিত হৈছিল।

1923 চনত দক্ষিণ চট্টগ্ৰামৰ বৃহৎ এলেকা এটা বিশেষকৈ কক্স্‌বাজাৰ মহকুমাত প্ৰচণ্ড-বা-মাৰলিয়ে বিস্তৰ ক্ষতি সাধন কৰিলে। সময়টো বাৰিষাৰ আৰম্ভ হওঁ হওঁ, মে' মাহ। বা-মাৰলিৰ লগতে এজাক ডাঙৰ বৰষুণ, সাগৰৰ ঢৌ উত্তাল। হেজাৰ-বিজাৰ মানুহ গৃহহীন, আশ্ৰয়হীন, সকলো ফালৰ পৰা ক্ষতিগ্ৰস্থ। চট্টগ্ৰামৰ আগশাৰীৰ কংগ্ৰেছ নেতা বৰদাপ্ৰসাদ নন্দীয়ে কলিকতাত থকা যতীন্দ্ৰমোহন আৰু অধ্যাপক নৃপেন বেনাৰ্জীক তাঁৰ যোগে চট্টগ্ৰামৰ সাহায্য কেম্পৰ পৰিচালনাৰ বাবে মাতি পঠিয়ালে। তেওঁলোক আহিল আৰু আহিয়েই সাহায্য বিতৰণৰ কামত লাগি গ'ল। "আমি যতীন্দ্ৰমোহন আৰু নৃপেনবাবুৰ তত্ত্বাৱধানত সাহায্যদল গঠন কৰিলো। ইয়াত ৩০ জন লোক লোৱা হ'ল। এই দলটো কক্স্‌বাজাৰ হৈ টেক্‌নাফলৈ যাত্ৰা কৰিলে। টেক্‌নাফ্ আৰু ৰামু অঞ্চলত জনসাধাৰণতে যতীন্দ্ৰমোহনক দেখি উৎসাহিত হ'ল আৰু আদৰ সম্ভাষণ জনালে।"

"আমি বহুকষ্টেৰে ৰামুত উপস্থিত হৈছিলো। তাত গৈ দেখিলো, বিৰাট জন-সমুদ্ৰ, কীৰ্ত্তন-কথা গাইছে, মৃদংগ বজাইছে। তেওঁলোক যে দেশপ্ৰিয়ক চাবলৈ আহিছে, বুজিবলৈ বাকী নাথাকিল। অনেক লোক বানত ক্ষতিগ্ৰস্থ অঞ্চলৰ পৰা আহি সমৱেত হৈছেহি। সেনগুপ্তৰ উপস্থিতিয়ে তেওঁলোকৰ মনত আশাৰ সূচনা কৰিছিল, ভাবিছিল দেশপ্ৰিয় নিজে আহিছে যেতিয়া তেওঁলোক বিপদমুক্ত হব পাৰিব। সেনগুপ্তই অলপো সময় নষ্ট নকৰি কৰ্মী সকলকলৈ বানে ক্ষতিসাধন কৰা গাওঁবোৰলৈ গ'ল, নিজে তদাৰক কৰি সাহায্য সামগ্ৰী বিতৰণ কৰিলে। ইয়াত কাম শেষ কৰি তেওঁ সদলেবলে নীলাহ পালেগৈ। এই অঞ্চলটো ব্যবসায় কেন্দ্ৰ। ইয়াৰ ব্যৱসায়ীসকলে সেনগুপ্তক আদৰণি জনালে আৰু সাহায্য পুঁজিলৈ দান বৰঙণি আগবঢ়ালে। দলটো গৈ টেকনাফ্‌ত উপস্থিত হ'লত তাৰ স্থানীয় ব্যৱসায়ী নবাব খেজাফ্ৰু চৌধুৰীয়ে পাৰ্যমানে সহায় আগবঢ়ালে।"

এই অঞ্চলটো চট্টগ্ৰাম-আৰাকান সীমাত অৱস্থিত। আৰাকানৰ এজন অৱস্থাপন্ন বঙালী ভদ্ৰলোকে সেনগুপ্ত অহা খবৰ পাই লগ ধৰিলে। এই ভদ্ৰলোকজন এটা হত্যাকাণ্ডৰ লগত অভিযুক্ত হৈছিল। তেওঁ সেনগুপ্তক ৮০০০ টকা ফিজ্ আগবঢ়াই তেওঁৰ হৈ মোকৰ্দমাটো লবলৈ খাটনি ধৰিলে। সেনগুপ্তই কলে যে তেওঁ বান-বিধ্বস্ত জনক সেৱা কৰিবলৈ আহিছে, ওকালতি কৰিবলৈ বা টকা ঘটিবলৈ অহা নাই। এই বুলি কৈ সেনগুপ্তই বঙালী ভদ্ৰলোকৰ টকা প্ৰত্যাখ্যান কৰিলে। (বৰদাপ্ৰসাদ নন্দীয়ে এই কথা ১৯৭৭ চনত গ্ৰন্থলিখকক জনাইছিল)।

উত্তৰ-বংগ বান-সাহায্য ঃ

1931 চনৰ আগষ্ট মাহত উত্তৰ বংগৰ পাবনা, বগুৰা, ৰাজসাহী, জলপাইগুৰি জিলাত প্ৰবল বানপানী উঠি মানুহৰ বিস্তৰ ক্ষতি সাধন কৰিছিল। কলিকতাত সাহায্যৰ বাবে 'সংকটতাৰণ সমিতি' গঠিত হ'ল। ইয়াৰ সভাপতি আছিল চাৰ প্ৰফুল্ল

চন্দ্ৰ ৰয় আৰু প্ৰখ্যাত গান্ধীবাদী সতীশচন্দ্ৰ দাসগুপ্ত আছিল সম্পাদক। প্ৰাদেশিক কংগ্ৰেছেও সাহায্য পুঁজি খুলিছিল। দুয়োটা দলে সাহায্য কামত অঞ্চলবোৰলৈ গৈছিল। ৰামকৃষ্ণ মিছনেও সাহায্য আৰু উদ্ধাৰ কাৰ্য্যত ব্ৰতী হৈছিল।

যতীন্দ্ৰমোহনে দুৰ্যোগক কোনেকৈ নিয়ন্ত্ৰিত কৰিব পাৰিব, চিন্তা কৰিছিল আৰু বান-পীড়িত অঞ্চলবোৰলৈ যাবৰ বাবে প্ৰস্তুতি চলাইছিল। ঠিক এনে সময়তে পাৱনা, বগুৰা আৰু ৰাজসাহীৰ পৰা মানুহ আহি তেওঁৰ ঘৰ পালেহি। পাৱনাৰ সমাজকৰ্মী জ্ঞানৰঞ্জন চৰকাৰে সেনগুপ্তক পাবনালৈ লৈ যাবলৈ প্ৰস্তাৱ দিলে। তেওঁ পাবনাৰ প্ৰভাস চন্দ্ৰ লাহিড়ীলৈ টেলিগ্ৰাম কৰি সেনগুপ্তৰ ভ্ৰমণৰ সংবাদ প্ৰেৰণ কৰিলে। লাহিড়ী আন আন কৰ্মী সকলে ঈশ্বৰদি ষ্টেশনলৈ আহি সেনগুপ্তক আগবঢ়াই লৈ গ'ল। পাবনাৰ পৰাই যতীন্দ্ৰমোহনে সাহায্যকাম আৰম্ভ কৰিলে। ৰেল, ষ্টীমাৰত ঘূৰি বান বিধ্বস্ত অঞ্চলবোৰ পৰিদৰ্শন কৰিলে, সাহায্য বিতৰণ কৰি পীড়িত লোকসকলৰ অভাৱ-অভিযোগ শুনিলে। যতীন্দ্ৰমোহনে দলেবলে বানত ক্ষতি হোৱা অঞ্চল, যেনে বানৱাৰি নগৰ, গোপাল নগৰ, দেমৰা, ৰনতাৰা, ঢুলাইন আৰু পৰজানা ভ্ৰমণ কৰিলে। যলৈকে যতীন্দ্ৰমোহন গৈছিল, তাত তেওঁ ৰাইজৰ বিপুল সমাদৰ পাইছিল। তেওঁক ৰাইজে গান্ধী-লাট, অৰ্থাৎ গান্ধী মহাৰাজৰ প্ৰতিনিধি বুলি আদৰণি জনাইছিল। স্থানীয় ৰাইজে যতীন্দ্ৰমোহনক সম্ভাষণ জনাবলৈ তেওঁৰ নামৰ লগত বিবিধ গুণবাচক সংজ্ঞা সংযোগ কৰিছিল। কোৱা প্ৰয়োজন যে যতীন্দ্ৰমোহন এজন অতি জনপ্ৰিয় কংগ্ৰেছ নেতা হিচাপে সৰ্বত্ৰত ৰাইজৰ অভূতপূৰ্ব সমাদৰ লাভ কৰিছিল।

যতীন্দ্ৰমোহনে সময় আৰু সুবিধা পালেই দুৰ্দশাগ্ৰস্থ আৰু স্থানীয় ৰাইজৰ উদ্দেশ্যে বক্তৃতা দিছিল। কেতিয়াবা ৰাইজৰ অসহনীয় দুখকষ্ট দেখি তেওঁৰ অন্তৰ অনুভূতিৰে উপচি পৰিছিল। তেওঁ কৈছিল, "লাখ লাখ মানুহে আমাৰ দেশত বানপানীত মৃত্যু হৈছে, তেওঁলোকে খাবলৈ ভাত, থাকিবলৈ আশ্ৰয়, শৰীৰৰ ব্যাধি প্ৰশমিত কৰিবলৈ দৰব, পিন্ধিবলৈ কাপোৰ পোৱা নাই। তেওঁলোক অৱহেলা, অনাদৃতভাৱে দিন কটাইছে। তেওঁলোকৰ কষ্টৰ বোজা দিনক দিনে বাঢ়িহে গৈছে। অথচ চৰকাৰে প্ৰলয় বানপানীৰ কবলৰ পৰা মানুহবোৰক উদ্ধাৰ কৰিবলৈ কানসাৰ কৰা নাই। চৰকাৰে এটা আঙুলিও দঙা নাই। ইংৰাজ শাসনৰ এইয়া এটা শোকজনক অধ্যায়। ভাৰতবাসীয়ে একগোটহৈ সাৰবান্ধি এই কু-শাসনৰ বিৰুদ্ধে থিয় দিব লাগিব।" তেওঁ বে-চৰকাৰী পৰ্যায়ত আগবঢ়োৱা সাহায্যৰ প্ৰশংসা কৰিছিল।

যতীন্দ্ৰমোহনে পাৱনা জিলাৰ পৰজানা নামৰ ভিতৰুৱা ঠাই এখনত থাকোতে জৰুৰী তাঁৰবাৰ্তাযোগে গম পাইছিল, চট্টগ্ৰামৰ অশান্তি অৱস্থাৰ কথা। এই অশান্তি আছিল ব্যাপক। চট্টগ্ৰামত পুলিচ ইন্‌স্পেক্টৰ আছানুল্লাক হত্যা কৰা ঘটনাটোক কেন্দ্ৰ কৰি তাৰ হিন্দুসকলৰ ওপৰত উৎপীড়ন চলিছিল। লুট, অগ্নি-সংযোগ আৰু মাৰধৰ ক্ৰমাৎ বাঢ়ি শান্তি ভংগ হৈছিল। সেনগুপ্তৰ তৎকালীন উপস্থিতি কামনা কৰি তাৰ ৰাইজে টেলিগ্ৰামৰ উপৰি টেলিগ্ৰাম পঠাইছিল। তেওঁ স্বাভাৱিকতে কিছু বিচলিত হৈছিল

আৰু অনিচ্ছা স্বত্বেও বান এলেকাৰ পৰা তেওঁ কলিকতালৈ উলটি আহি চট্টগ্ৰামলৈ যিমান পাৰে শীঘ্ৰে ৰাওনা হবলৈ আশা কৰিছিল। (বিতং বিৱৰণ আগতে আলোচনা কৰা হৈছে)।

যতীন্দ্ৰমোহন আৰু বংগ-বিপ্লৱী

এটা কথা ঠিক যে দেশবন্ধু চিত্তৰঞ্জন দাস আৰু তেওঁৰ প্ৰিয় অনুগামী দেশপ্ৰিয় যতীন্দ্ৰমোহনে ভুলতে হওক বা শুদ্ধতে হওক বংগদেশৰ বিপ্লৱাত্মক আন্দোলনৰ প্ৰতি সহানুভূতি দেখুৱাইছিল। (চৰকাৰৰ ৰেকৰ্ডত ইয়াক উগ্ৰপন্থীৰ সংগঠন বুলি আখ্যা দিয়া হৈছিল)। চিৰাজগঞ্জ অধিৱেশনত লোৱা প্ৰস্তাৱ আৰু লগতে সেনগুপ্তই অবিৰাম ভাৱে দাবী জনাই অহা ৰাজনৈতিক বন্দীৰ (বিপ্লৱী) মুক্তি ইয়াৰ জলন্ত উদাহৰণ। কিন্তু সেইবুলি, দুয়োজন নেতাই হিংসাত্মক কাৰ্যকলাপক সমৰ্থন কৰিছিল বুলি কলে ভুল কোৱা হব। দুয়ো গৰাকী নেতাই বিপ্লৱী ডেকা সকলক তেওঁলোকৰ হিংসাৰ পথ বন্ধ ৰাখি চৰকাৰপক্ষৰ লগত ৰাজনৈতিক মীমাংসাৰ বাবে শান্তিৰ পৰিবেশ সৃষ্টি কৰিবলৈ আহ্বান জনাইছিল।

ৰাজনৈতিক বন্দীৰ ক্ষেত্ৰত বংগদেশৰ গৱৰ্ণৰ ষ্টেন্‌লি জেকছনে যতীন্দ্ৰমোহনৰ লগত আলোচনা কৰিছিল আৰু তেওঁৰ সহায় বিচাৰিছিল। (গান্ধী-আৰউইন চুক্তিৰ পাছত) গৱৰ্ণৰ জেকছনে প্ৰদেশখনত ৰাজনৈতিক অস্থিৰতা আঁতৰাই শান্তি আৰু প্ৰগতিৰ বাতাবৰণ গঢ়ি তুলিবলৈ আশা কৰি সেনগুপ্তৰ পৰামৰ্শ বিচাৰিছিল। তেওঁ সেনগুপ্তক বিপ্লৱী ডেকা বন্দীসকলক লগ ধৰি এই উদ্দেশ্য সাধনত সহায় কৰিবলৈ অনুৰোধ জনাইছিল। সেনগুপ্ত মান্তি হৈছিল ; তেওঁ হিজলি আৰু বক্সা-কোৰ্ট কেম্পত বন্দী-সকলক দেখা কৰিছিল। বক্সা-ফোৰ্ট কেম্পটো হিমালয় পাদদেশত অৱস্থিত। সেই সময়ৰ এই কেম্পটো দুৰ্গম ভূটানৰ কাষত থকাৰ বাবে সেনগুপ্তই অসুস্থ দেহাৰেই বহু কষ্টেৰে সেইখিনি পাইছিলগৈ আৰু তাত থকা বন্দীসকলৰ লগত মুক্ত মনেৰে কথা-বতৰা হৈছিল। ভূপেন্দ্ৰকুমাৰ দত্ত আছিল বন্দীসকলৰ মুখপাত্ৰ। ৰাজনৈতিক বন্দীসকলৰ হৈ তেওঁ সেনগুপ্তৰ লগত মুকলিভাৱে আলোচনা কৰিছিল। সেনগুপ্তয়ো সহৃদয়তাৰে কথাবোৰ শুনিছিল। তাত থকা নিৰাপত্তা বিষয়া সকলেও সেনগুপ্তক আন্তৰিক সহযোগ আগবঢ়াইছিল। সেনগুপ্তই বন্দীসকলক তেওঁৰ যুক্তিলৈ সৈমান নিয়াবলৈ অশেষ যত্ন কৰি বিফল হৈছিল। বিফল হোৱাৰ কাৰণ সম্পৰ্কে পাছত গম পোৱা গৈছিল।

সেনগুপ্তই আলোচনাৰ আৰম্ভণিতে বন্দীসকলক কৈছিল যে ইংৰাজ শাসকসকলে বংগদেশত গঢ়ি উঠা বিপ্লৱীদল সমূহৰ প্ৰচণ্ড আক্ৰমণ এটাৰ আশংকা কৰি ভীত হৈছে। ভূপেন দত্তই সেনগুপ্তক জানিবলৈ দিছিল যে তেওঁলোকৰ প্ৰধান নেতা হৈছে, সূৰ্যসেন (চট্টগ্ৰাম সশস্ত্ৰ বিপ্লৱৰ সৰ্বপ্ৰধান নেতা)। তেওঁ চট্টগ্ৰাম লুণ্ঠন কাৰ্যতে অভিযুক্ত হৈ আত্মগোপন কৰি আছে। সূৰ্যসেনেহে তেওঁলোকৰ আন্দোলন বন্ধ কৰিবলৈ কব পাৰে। সেইবাবে, তেওঁক আত্মগোপন কৰা ঠাইৰ পৰা ওলাই আহি যুগান্তৰ পাৰ্টিৰ

কমৰেড সকলৰ লগত আলোচনাত বহিবলৈ সুবিধা দিব লাগিব। চৰকাৰে এনে সুবিধা দিব লাগিব যাতে তেওঁ ওলাই আহিব পাৰে আৰু আলোচনাৰ অন্তত পুনৰ নিজৰ আত্মগোপন ঠাইলৈ উভতি যাব পাৰে। সেনগুপ্তই ভূপেন দত্তৰ এই পৰামৰ্শ উপলব্ধি কৰিছিল আৰু চৰকাৰক জনাইছিল। বিপ্লবী বন্দীসকলে চৰকাৰৰ সম্মতি দান লিখিতভাৱে বিচাৰিছিল। এই গোপন যোগাযোগ কেনেবাকৈ প্ৰকাশ পালে আৰু এখন এংলো ইণ্ডিয়ান কাগজে ঘোষণা কৰি হেডলাইন উলিয়ালে ঃ "সন্ত্ৰাসবাদীৰ লগত কোনো আপোচ হব নোৱাৰে !!" ইংৰাজ চৰকাৰেও এই মতকে প্ৰকাৰান্তৰে সমৰ্থন কৰিলে। সেনগুপ্তৰ প্ৰচেষ্টা বিফল হ'ল। (ভূপেন্দ্ৰ কুমাৰ দত্তই কলিকতাৰ সাপ্তাহিক 'বসুমতী'ত **"ইতিহাসেৰ উপাদান"** নামৰ দ্বিতীয় লানি প্ৰবন্ধত এই কথাখিনি উল্লেখ কৰিছিল। (1.6.1966)।

সেনগুপ্তৰ বিৰুদ্ধে থকা আন এটা পুলিচ ৰিপোৰ্টত (যিটো ৰিপোৰ্ট সেই সময়ৰ পুলিচ কমিছনাৰ (কলিকতা) কলচনে সম্ভৱ, লণ্ডনৰ ইণ্ডিয়া অফিচৰ চাৰ চাৰ্লচৰ সহযোগত সেনগুপ্তৰ বিপক্ষে ব্যৱহাৰ কৰিছিল) প্ৰকাশ পাইছিল যে সেনগুপ্তই 1931 চনৰ ছয় মাৰ্চত কলিকতা বিশ্ববিদ্যালয় ইনষ্টিটিউটত সদৌ বংগ ছাত্ৰ-সন্মিলনত এটা উত্তপ্ত ভাষণ দিছিল। তেওঁ এই ভাষণত কোৱা বুলি প্ৰকাশঃ "···বন্ধু সকল, মই ইয়াত ভাৰতীয় জাতীয় কংগ্ৰেছ বা ইয়াৰ কাৰ্যনিৰ্বাহক সমিতি অথবা মহাত্মা গান্ধীৰ হৈ কথা কবলৈ অহা নাই। মই আপোনালোকৰ এজনৰ দৰেই ইয়াত উপস্থিত হৈছো। মহাত্মা গান্ধীয়ে আপোনালোকক প্ৰতিনিধিত্ব কৰিছে, মোকো কৰিছে। প্ৰতিনিধিত্ব কৰিছে ভাৰতৰ সকলো পুৰুষ-মহিলাক। ·"

সেনগুপ্তই ডেকাসকলক চৰকাৰে প্ৰেছলৈ পঠোৱা বিবৃতিটো বুজিবলৈ আহ্বান জনাইছিল। তেওঁ কৈছিল যে গান্ধীজীয়ে ভালকৈ জানিছিল, যেতিয়ালৈকে এজন ডেকাও জেলত সোমাই থাকে তেতিয়ালৈকে ভাৰতবৰ্ষত শান্তি প্ৰতিষ্ঠা নহয়। সেনগুপ্তই আৰু কৈছিল, "···যি সকলে হিংসা বাবেও মই যুঁজ কৰিছো আৰু মহাত্মা গান্ধীক এই বিষয়টো ভাৰতৰ বৰলাটৰ লগত সাক্ষাৎ হওতে উলিয়াবলৈ অনুৰোধ জনাইছো। কিন্তু আলোচনাৰ পূৰ্বস্বত্ব বুলি ইয়াক লব নোৱাৰি। বন্ধু সকল, মই আপোনালোকক দোষ নিদিও। কাৰণ, মই জানো, আপোনালোকৰ অন্তৰ উচ্চ অনুৰাগেৰে ভৰপুৰ। আপোনালোকৰ যি সকলে বিনা-বিচাৰে জেলত সোমাই আছে, সেই সকলৰ বাবে আপোনালোকৰ দুশ্চিন্তাৰ সীমা নাই। তেওঁলোকৰ বাবে ময়ো অত্যন্ত কষ্ট অনুভৱ কৰিছো। আপোনাসকলে বোধকৰো গম নাপায় যে আটকবন্দী ৫০০ ডেকা লৰাৰ মাজত মোৰ প্ৰিয়বন্ধু আৰু সহযোগী কংগ্ৰেছ কৰ্মীও অনেক আছে। (শুনক !! শুনক !!) এই কথা মই মহাত্মা গান্ধী আৰু আন আন নেতাক কৈছো। কৈছো, যে তেওঁলোক প্ৰতিজনেই অবিচলিত কংগ্ৰেছ কৰ্মী। কোনো কোনো জন বিভিন্ন অঞ্চলৰ কংগ্ৰেছ সংগঠনৰ পৰিচালনাৰ সভ্য। তেওঁলোকৰ আটকৰ বিষয়ে মহাত্মা গান্ধীক মই বিতং কৈছো আৰু কংগ্ৰেছ কাৰ্যনিৰ্বাহকতো বিষয়টো মই গুৰুত্ব-সহকাৰে দাঙি ধৰিছো।"

9

ওপৰত উল্লেখ কৰা বিৱৰণৰ পৰা সেনগুপ্তৰ ৰাজনৈতিক আদৰ্শ, দায়বদ্ধতা আৰু কাৰ্য্যৱলী কেনে আছিল, সেই কথা প্ৰতীয়মান হয়। তেওঁ যে এজন উদ্দীপনাময় দেশ-প্ৰেমিক আৰু স্বাধীনতা-সংগ্ৰামী, এই কথা ভাৰতৰ সাম্ৰাজ্যবাদী শাসক গোষ্ঠীয়ে উপলব্ধি কৰিব নোৱাৰিলে। তেওঁক সন্দেহ কৰা হ'ল, বিপ্লৱী দল সমূহৰ সক্ৰিয় পৃষ্ঠপোষক হিচাপে। সন্দেহ কৰা হ'ল, এই দেশৰ ৰাষ্ট্ৰবিপ্লৱী কাৰ্যকলাপৰ লগত জড়িত দল সমূহৰ সমৰ্থক হিচাপে। কব লাগিব যে সেনগুপ্ত আছিল নিৰ্ভীক, স্পষ্টবাদী। তেওঁ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল হিজলি কেম্পত বঙালী আটক বন্দী-সকলৰ ওপৰত অমানুষিকভাৱে গুলি চলোৱাত। তেওঁ চট্টগ্ৰাম অশান্তিত বিপ্লৱীক দমন কাৰ্যত চৰকাৰে সশস্ত্ৰ পুলিচ বাহিনী, চৰকাৰৰ প্ৰশংসনীয় যন্ত্ৰ-আনকি বেচৰকাৰী ইংৰাজ বাসিন্দা সকলক যি ধৰণেৰে ব্যৱহাৰ কৰিছিল, যি ধৰণেৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ বীজাণু-বিয়পাই পেলাইছিল, তাক কোনো ঢাকঢুক নথকাকৈ গৰিহণা দিছিল আৰু এই সৰ্বনাশী অশান্তিবোৰ দেশত নোহোৱা কৰিবলৈ তেওঁ ইংৰাজ শাসনৰ অৱসান বিচাৰিছিল। সেনগুপ্তৰ এনে ঘোষণাত সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰ স্বাভাৱিকতে ক্ষুণ্ণ হৈছিল। তেওঁৰ প্ৰতি বিতুষ্ট হোৱাত আন এটা উপসৰ্গ সংযোগ হৈছিল, ইংৰাজ বিষয়া চাৰ্লচ টেগাৰ্টৰ বিদ্বেষপূৰ্ণ আচৰণ। টেগাৰ্ট আছিল কলিকতাৰ পুলিচ প্ৰধান। সেনগুপ্ত 1931 চনৰ ডিচেম্বৰত লণ্ডনলৈ যাওতে টেগাৰ্টে ইণ্ডিয়া অফিচত যোগদান কৰিছিল। সেনগুপ্তই লণ্ডনৰ পৰা উভতি ভাৰতলৈ আহোতে বম্বেৰ ইণ্ডিয়া গেটৰেত আটক হৈছিল। এই কাৰ্যত টেগাৰ্টৰ চক্ৰান্ত লিপ্ত আছিল। সেনগুপ্ত সেই সময়ত অত্যন্ত অসুস্থ। ভগ্ন স্বাস্থ্যৰে তেওঁ অতি কষ্টেৰে স্বদেশ পাইছিল হি। স্বদেশৰ মাটিত ভৰি দিবলৈ নৌ পাওতেই তেওঁক পুলিচৰ ভানত ভৰাই বন্দী শিবিৰলৈ লৈ যোৱা হ'ল। অতি নিৰ্দয়ভাৱে এঠাইৰ পৰা আন এঠাইলৈ স্থানান্তৰ কৰা হ'ল, তেওঁৰ ৰুগীয়া, ভাঙি পৰা দেহাটোলৈ কোনেও নাভাবিলে। অৱশেষত, এনে এটা অৱস্থানে তেওঁৰ অকাল-মৃত্যু ঘটিল।

স্মৃতি-তৰ্পণ

যতীন্দ্ৰমোহন আৰু সুভাষচন্দ্ৰৰ ভিতৰত যি ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতা কুৰি আৰু ত্ৰিছ দশকৰ আগভাগত দেখিবলৈ পোৱা গৈছিল সেই প্ৰতিদ্বন্দ্বিতা সদায় এই ক্ষেত্ৰত থকা নাছিল। ইয়াৰ পৰিসমাপ্তি ঘটিছিল পিছৰ সময়ত। তলত উল্লেখ কৰা কথাখিনি এটা উদাহৰণ।

সুভাষচন্দ্ৰ বসু আছিল জাতিৰ কীৰ্তিস্বৰূপ, "মহাজাতি সদন"-ৰ কৰ্ণধাৰ। তেৱেঁই এনে এটা ভৱন নিৰ্মাণৰ ধাৰণা আৰু পৰিকল্পনা দিয়ে। এই ভৱনটো কলিকতাৰ এটা সুন্দৰ ৰাজহুৱা মিলন-ক্ষেত্ৰ। 1937 চনত ইয়াৰ পৰিকল্পনা কৰা হৈছিল। ৰবীন্দ্ৰ নাথ ঠাকুৰে 1939 চনৰ আগষ্ট মাহত এই সুবৃহৎ ভৱনটোৰ আধাৰ শিলা স্থাপন কৰে আৰু তেৱেঁই ভৱনটোৰ নাম দিয়ে, **"মহাজাতি সদন"**। পশ্চিমবংগৰ প্ৰাক্তন মূখ্য

মন্ত্ৰী, সমাজ-নেতা ডঃ বি. চি. ৰয়ে 1959 চনৰ উনৈছ আগষ্টত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাজেদি এই ভৱন ৰাইজৰ বাবে মুকলি কৰে।

এই সদনৰ আৰও এটা কাহিনী আছে। সুভাষচন্দ্ৰই 1937 চনত আটক শিৱিৰৰ পৰা ওলাই আহিলত তেওঁক ৰাজহুৱা ভাৱে স্বাগতম জনোৱা হৈছিল। সভাত গ্ৰহণ কৰা এটা প্ৰস্তাৱ যোগে বিশেষকৈ, নৃপেন্দ্ৰ চন্দ্ৰ মিত্ৰ প্ৰমুখ্যে সভাৰ আয়োজক সকলে আশা কৰা মতে একলাখ টকাৰ এটা 'সুভাষ কংগ্ৰেছ পুঁজি' খুলিবলৈ স্থিৰ হয়। এপ্ৰিল মাহৰ সোতৰ তাৰিখে উপস্থিত থকা লোকসকলৰ দান সংগ্ৰহ কৰি পুঁজিটো আৰম্ভ কৰা হ'ল। এই পুঁজিটোত জমা হোৱা ধনেৰে চহৰখনৰ মাজ আৰু সূচক ঠাইত এটা ৰাজহুৱা ভৱন সাজিবলৈ সুভাষ বসুৱে পৰামৰ্শ দিয়ে। এইটোৱে আগতে কৈ অহা মহাজাতি সদন। সুভাষ আছিল সেই সময়ত বংগীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি। প্ৰস্তাৱিত এই সদনতে বংগ কংগেছৰ কাৰ্যালয়টো পাতিবলৈ সকলোৱে পৰামৰ্শ দিয়ে। সদনত এটা সভাকক্ষ ৰাখি ইয়াৰ লগত দেশপ্ৰিয় যতীন্দ্ৰমোহনৰ স্মৃতি সংৰক্ষণ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। (ৰনেন্দ্ৰ ভট্টাচাৰ্যৰ যুগান্তৰ কাকতত ওলোৱা প্ৰবন্ধ, নৱেম্বৰ 29, 1977 চন)।

সুভাষচন্দ্ৰই সদনৰ কথা জৱাহৰলাল নেহেৰুক জনাইছিল। নেহেৰুৱে এই সদন-নিৰ্মাণত উৎসাহ দেখুৱাই ৰাইজক ইয়াৰ বাবে মুক্ত হস্তে দান বৰঙণি আগবঢ়াবলৈ আবেদনপত্ৰ প্ৰকাশ কৰিছিল। 1937 চনৰ 4 মে'ত ওলোৱা এই আবেদন পত্ৰত নেহেৰুৱে কৈছিল: "মই বাস্তৱিকতে আনন্দিত হৈছো যে কলিকতাত এনে এটা ৰাজহুৱা-ভৱন নিৰ্মাণ হব খুজিছে। যিটোৰ সভাকক্ষ আমাৰ পুৰণি কমৰেড জে. এম. সেনগুপ্তৰ নামত উচৰ্গা হ'ব। এইটো বৰ সজ কাম হৈছে। ইয়াৰ লগত যিটো গ্ৰন্থাগাৰ থাকিব তাত এটা হিন্দুস্তানী বিভাগ খোলা হব বুলি গম পাই মই ৰং পাইছো। কাৰণ, আমাৰ কংগ্ৰেছ কৰ্মীসকলে আমাৰ জাতীয় ভাষাটো আয়ত্ত কৰা প্ৰয়োজন হৈছে।" নেহৰুৱে জে. এম. সেনগুপ্তৰ নাম বিশেষভাৱে উল্লেখ কৰাৰ মূলতে আছিল সুভাষবাবুৰ পৰামৰ্শ। এই পৰামৰ্শৰ প্ৰতি পণ্ডিতজীয়ে তৎক্ষণাৎ সঁহাৰি জনাইছিল। (বাতৰি প্ৰকাশ পাইছিল, 1958 চনত সোতৰ আগষ্টৰ ষ্টেটছ্‌মেন কাকতত।)

মহাজাতি সদন নিৰ্মাণকাৰ্যত বাৰ লাখ টকা খৰচ হৈছিল। 1937 চনত ইয়াৰ প্ৰাৰম্ভিক আঁচনিত সুভাষ বসুৱে মাত্ৰ তিনি লাখ টকা ব্যয়ৰ শিতানত ধাৰ্য কৰিছিল। এই সদনৰ নিৰ্মাণ কাৰুকাৰ্য চমকপ্ৰদ। ইয়াত প্ৰাচ্য-নিদৰ্শন বিশেষ মন কৰিবলগীয়া আকৰ্ষণ।

পৰিতাপৰ কথা, মূল প্ৰেক্ষাগৃহ অথবা আন কোনো বিশেষ কক্ষ পূৰতে ভৱাৰ দৰে যতীন্দ্ৰমোহনৰ নামে উৎসৰ্গিত ন'হল। কিয় নহ'ল, কি কাৰণত নহ'ল, জনা নগ'ল।

"......আমাৰ বহুতো কমৰেড আৰু কৰ্মীয়ে যুদ্ধক্ষেত্ৰত প্ৰাণ-বিসৰ্জন দিব লাগিব। আমাৰ অনেকৰ ভাগ্যত মাতৃভূমিৰ স্বাধীনতা-লাভৰ বিজয় উৎসৱত যোগদান কৰা সৌভাগ্য নঘটিব পাৰে। তথাপি আমি অসীম কষ্ট আৰু ত্যাগ বহন কৰি যাব লাগিব; আনকি, মৃত্যুকো হেলাৰঙে বৰণ কৰিব লাগিব। আমি বুকুত অদম্য বিশ্বাস ৰাখিব লাগিব এই বুলি যেতিয়া আমাৰ দুই বাহুৰ শক্তি নিষ্ক্ৰিয় বা অসাৰ হৈ পৰিব, তেতিয়া আন আন হেজাৰ-বিজাৰ দেশপ্ৰেমিক আগবাঢ়ি ওলাই আহিব আমাৰ অসম্পূৰ্ণ যুদ্ধখন চলাই যাবলৈ।"

॥ যতীন্দ্ৰ মোহন ॥

পি. এম. বাক্‌চি অ্যাণ্ড কোম্পানী 19 গুলু ওস্তাগর লেন, কলিকাতা-6 হইতে মুদ্রিত।